
# চিন্তা আৰু বাস্তৱ

তিলকচন্দ্ৰ মজুমদাৰ



# চিন্তা আৰু বাস্তৱ

Mahesh Chandra Dev Goswami Library
36954
Acc. No............
Date 26/5/14
★ Nowgong Girls' College ★

শ্ৰীতিলকচন্দ্ৰ মজুমদাৰ

*CINTĀ ĀRU BĀSTAV :*
A Collection of some editorials and articles published on various Newspapers of Assam, edited and written by Tilak Ch. Majumdar, Retired professor, Nowgong Girls' College. Nagaon : Assam and published by Upama Majumdar, Jyotirekha, B.M. Road, Nagaon.

**প্ৰকাশিকা ঃ**
শ্ৰীমতী উপমা মজুমদাৰ
জ্যোতিৰেখা
বীৰেণ মহন্ত পথ ঃ নগাঁও - ৭৮২০০১

**প্ৰথম প্ৰকাশ**
২০০৯-২০১০ (ডিচেম্বৰ/জানুৱাৰী)

স্বত্ব ঃ প্ৰকাশিকা

পৰিবেশক ঃ
পাঠাগাৰ,
মিছন মাৰ্কেট ঃ নগাঁও

891.0454048/MAJ

বেটুপাত ঃ
পৰিকল্পনা ঃ শ্ৰীমাধুৰ্য্য মণ্ডিত বৰুৱা

অৰিহণা ঃ ৭৫.০০ টকা

ডি, টি, পি ঃ
হবিবুৰ ৰহমান, অমিত, নগাঁও

মুদ্ৰণ ঃ ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ
লাচিত লেন, ৰাজগড় ৰ'ড, গুৱাহাটী - ৭৮১০০৭

# কেঅাষাৰমান আগকথা

তিলকচন্দ্ৰ মজুমদাৰৰ প্ৰবন্ধ সংকলন "চিন্তা আৰু বাস্তৱ" নামৰ পুথিখনৰ পাণ্ডুলিপি হাতত লৈয়ে মনলৈ উলাহনি অহাৰ কাৰণ কেইবাটাও। মজুমদাৰৰ বিভিন্ন সময়ৰ চিন্তা-ধাৰাৰ বাহকস্বৰূপে প্ৰবন্ধবিলাক একেজুকি কৰি প্ৰকাশ পোৱাত সন্তোষ হোৱাটো একমাত্ৰ কাৰণ নহয়; এই বিলাকে একোটাহঁত সময়ৰ ছাব ধৰি ৰাখিছে, সেই বিলাকৰ যোগেদি সেই সময়ছোৱা জনাৰ বা পৰিচয় পোৱাৰ সুবিধা হ'ল—এইটো কম লাভ নহয়। কিয়নো একোজন লেখকে সময়ৰ ইতিহাসৰ সমল ধৰি ৰাখিবৰ বাবে প্ৰয়াস পায়। সেই নিমিত্তে ধীমান লেখকৰ যি কোনো লেখাৰ সামাজিক গুৰুত্ব কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি নিশ্চয়। প্ৰবন্ধবিলাকৰ সামাজিক গুৰুত্বৰ লগতে এই বিলাকৰ মাজত মজুমদাৰৰ ব্যক্তিত্ব আৰু মনটোৰ আভাসো পোৱা যায়। সেই হিচাপেও পুথিৰ গুৰুত্ব আছে, কিয়নো তিলকচন্দ্ৰ মজুমদাৰ অসমৰ চিন্তা-জগতৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ থকা এগৰাকী বৰ্ণিল ব্যক্তি। বহু বিস্তৃত তেওঁৰ সামাজিক জীৱন। বহু বছৰ ধৰি মজুমদাৰক লক্ষ্য কৰি আহিছোঁ আৰু অসমীয়া সমাজখনৰ উত্তৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা এগৰাকী সক্ৰিয় পৰ্য্যবেক্ষক (PARTICIPATORY OBSERVER) ৰূপেই মজুমদাৰক গণ্য কৰি আহিছোঁ। শিক্ষাৰ লগত থকা সম্বন্ধৰ উপৰি অসমীয়া সাংবাদিকতাৰ মাধ্যমত মজুমদাৰৰ চিন্তা-প্ৰতিভা-ব্যক্তিত্ব গঢ় লৈ উঠিছে। যি কোনো ব্যক্তিত্বক ফিজিক্সৰ ৰিডাক্সনিষ্ট (REDUCTIONIST) তত্ত্বেৰে বিশ্লেষণ কৰি চাব নোৱাৰি। তেনে ধৰণৰ খণ্ডবাদী চিন্তাৰে আচৰণৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা উপাদানবিলাক ফঁহিয়াই চাব পাৰিলেও ব্যক্তিত্ব এক বহল বিষয়। ইয়াৰ ভিত্তি আৰু গঢ়ন প্ৰক্ৰিয়াও যৌগিক ধৰণৰ। ইয়াত বহুতো ধৰণৰ উপাদান মিহলি হৈ থাকে গুণে ইয়াৰ বিশ্লেষণ কৰাটো জটিল কাম, কিন্তু দুঃসাধ্য নহয়। বহুতো উপাদানৰ সংশ্লেষণৰ সমষ্টিকে ব্যক্তিত্ব বুলিব পাৰিলে মজুমদাৰৰ মনন আৰু ব্যক্তিত্বত বহুতো উপাদানৰ সংশ্লেষণ থকা বুলি সহজে ক'ব পৰা যায়। "চিন্তা আৰু বাস্তৱে" ইয়াৰ আভাস বিশ্লেষণ কৰি সুবিধা আনি দিছে যি কোনো আগ্ৰহী অসমীয়া পাঠকৰ সন্মুখত।

মজুমদাৰে ইতিপূৰ্বে অসমীয়া সাহিত্য-সংস্কৃতি-বিষয়ৰ গ্ৰন্থৰাজিৰে অসমীয়া পাঠক সমাজৰ মানসত স্থান লাভ কৰিবলৈ সক্ষম হৈছে যদিও "চিন্তা আৰু বাস্তৱে" পাঠকসমাজক বেলেগ ধৰণে আকৰ্ষিত কৰিব বুলি মোৰ বিশ্বাস। সাংবাদিক হিচাপে কম সময় ব্ৰতী হোৱাৰ সুযোগ পাইছিল যদিও মজুমদাৰে তাৰ সুব্যৱহাৰ যে কৰিছিল, এতিয়া সেইটো ওলাই পৰাত তেওঁৰ ব্যক্তিত্বৰ সামাজিক পোতন বুজিব পৰা হ'ল। বিদ্যায়তনিক আৰু গৱেষণামূলক চিন্তা-চৰ্চাৰে লেখা অন্যান্য গ্ৰন্থৰাজিৰ লগত এই গ্ৰন্থই বিশেষ প্ৰকৰণ

(GENERATE) ৰূপে স্বীকৃতি পাব, ইয়াত সন্দেহ নাই। মজুমদাৰে বিশ্বায়নৰ মাজভাগত সাংবাদিকতাত ব্ৰতী হোৱাত বিশ্বায়নৰ প্ৰভাৱৰ মাজত সোমাই পৰা অসমৰ সমাজ আৰু জীৱনৰ বিভিন্ন ধৰণৰ সমস্যাবিলাকৰ বিষয়ে কম পৰিসৰত হ'লেও তেওঁ আলোকপাত কৰা দেখা গৈছে। তাৰ যোগেদি সংবাদ-পত্ৰ যে ৰাইজীয়া মঞ্চ (PUBLIC SPACE) তাক তেওঁ প্ৰমাণিত কৰি দেখুৱাইছে। "সাপ্তাহিক অসম"ত সম্পাদকীয় স্তম্ভত প্ৰকাশ পোৱা প্ৰবন্ধবিলাকেই পুথিৰ মুখ্যাংশ হৈ পৰাত মজুমদাৰৰ সামাজিক চিন্তাৰ বিষয়ে জনাৰ সুবিধা ওলাই পৰিল। সাধাৰণতে সম্পাদকীয় প্ৰবন্ধবিলাক সমসাময়িক ঘটনা—নিৰ্ভৰ হয়। কিন্তু সেই বিলাকৰ সাময়িক মূল্যৰ উপৰি স্থায়ী মূল্যও থাকে বাবেই এই বিলাক হেৰাই যাব নালাগে। সময়ৰ গুৰুত্বপূৰ্ণ দলিল ৰূপে এই বিলাক মূল্যবান। সংৰক্ষিত হোৱাটো অত্যন্ত জৰুৰী কথা। সেই বাবেই হয়তো সাংবাদিকে এনেকৈ তেওঁলোকৰ সম্পাদকীয় স্তম্ভৰ লেখনিবিলাকৰ সংকলন প্ৰকাশ কৰে। অসমৰ সংবাদজগতৰ কেইবাগৰাকী সম্পাদকে এই কাম কৰি থোৱাত সেইবিলাকে অসমৰ সমাজ-জীৱন অধ্যয়ন কৰাত সমল যোগাব নিশ্চয়। সংবাদপত্ৰ সামাজিক উৎপন্ন—এক সামগ্ৰী। ই এহাতে ৰাইজীয়া মঞ্চ কিম্বা ৰাইজীয়া সংসদ (PARLIAMENT), আনহাতে ই সমাজ ইতিহাসৰো প্ৰাথমিক খচৰা (Rough Draft)। এনে দৃষ্টিকোণৰ পৰা চালে "চিন্তা আৰু বাস্তৱ"ৰ গুৰুত্ব বৃদ্ধি পাইছে বুলি ক'ব পাৰি অতি সহজে।

"সাপ্তাহিক অসমে" স্বাভাৱিকতে অসমৰ অত্যাসন্ন সমস্যাবিলাকৰ ওপৰত আলোকপাত কৰিছিল আৰু সম্পাদক মজুমদাৰে বিভিন্ন সময়ত চলিত অথচ সামাজিক গুৰুত্ব থকা বিষয়ৰ প্ৰতি পাঠক সমাজৰ দৃষ্টি আকৰ্ষণ কৰি স্তম্ভটো ব্যৱহাৰ কৰি কাকতখনৰ ভিত্তি তথা লক্ষ্য নিৰূপিত কৰি দিছিল। সম্পাদকীয় প্ৰবন্ধক লিডাৰ (LEADER) বুলি কোৱাৰ তাৎপৰ্য জনমত গঠনৰ সাৰ্থকতাৰ ওপৰতে নিৰ্ভৰশীল। সম্পাদকে প্ৰকৃতপক্ষে পাঠকসমাজৰ লগত কথা-বতৰাত জড়িত হয় (Dialogue) আৰু তাৰ মাধ্যমত তেওঁৰ নিজা মত প্ৰতিপন্ন কৰাৰ লগতে স্বতন্ত্ৰ ভাৱে জনমত গঢ়ন প্ৰক্ৰিয়া অব্যাহত ৰাখে বাবেই সংবাদ পত্ৰই জনকণ্ঠৰ স্থানত অধিষ্ঠিত, কিম্বা গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে স্বীকৃত হয়। দেখা গৈছে, অসমৰ বিভিন্ন সমস্যা সম্পৰ্কত মজুমদাৰে কোনো ধৰণে আপোচমূলক স্থিতি লোৱা নাই। বৰং স্পষ্ট আৰু বস্তুনিষ্ঠভাৱে ৰাইজ আৰু চৰকাৰৰ দায়িত্ব সম্পৰ্কত সকীয়াই দিছে। সংবাদ পত্ৰত প্ৰকাশ পোৱা ত্ৰিছটা প্ৰবন্ধৰ সৰহভাগতেই অসমৰ বিভিন্ন সমস্যাৰ বিশ্লেষণে স্থান পাইছে আৰু সেইবিলাকত নাকী সুৰ বা তোষামোদী ভাৱ প্ৰকাশ নোপোৱাত মজুমদাৰ যে ধান্দাবাজী ধৰণৰ সাংবাদিক নহয়, তাকো বুজিব পাৰি। সত্য নিৰ্ভৰ স্বতন্ত্ৰতা সাংবাদিকৰ মূলধন। ইয়াৰ যোগেদি সাংবাদিকে সমাজৰ লগত সম্বন্ধ অটুট ৰাখিব পাৰে। তেওঁলোকৰ বিশ্বাসযোগ্যতাৰো মূল ভিত্তি এইটো। সেই নিমিত্তে সাংবাদিক সামাজিক উত্তৰণৰ সক্ৰিয় পৰ্যবেক্ষক আৰু কৰ্মীও।

মজুমদাৰৰ চিন্তাৰ পৰিচয় পাব পৰা বহুতো দৃষ্টান্ত "চিন্তা আৰু বাস্তৱ"ৰ পাতত পোৱা যায়। মূলতঃ যুক্তিনিষ্ঠাৰে তেওঁ আঞ্চলিকতাবাদৰে সমৰ্থন কৰে আৰু অসমৰ সমস্যাৰাজিৰ লগত তেওঁৰ একাত্মীয়তা উল্লেখযোগ্য। কিন্তু বাহুল্য ভয়ত সেইবিলাকৰ উল্লেখ কৰিব খোজা নাই। আনহাতে মজুমদাৰে সম্পাদকীয় নিৰন্তৰ এক বিশেষ ধাৰা অৱলম্বন নকৰি পূৰ্বসুৰীৰ ৰীতিৰে বিশ্লেষণধৰ্মিতাৰ আশ্ৰয়েৰে সাধাৰণ পাঠকৰ মনোযোগ আকৰ্ষণ কৰাৰ প্ৰয়াস পোৱা দেখা যায়। অসমীয়া সম্পাদকীয়ত তাহানিৰ হেমচন্দ্ৰ বৰুৱাৰ দিনৰ পৰা অমিয় কুমাৰ দাস, মোহন চন্দ্ৰ মহন্ত, হৰেন্দ্ৰ নাথ বৰুৱাই এটা ধাৰাৰে আৰু দেৱকান্তই অসমীয়া সম্পাদকীয়ৰ বেলেগ ধাৰাৰ ট্ৰেণ্ড ছেটাৰ (Trend Setter) হৈ এক যি বিশেষ ধাৰাৰ প্ৰৱৰ্তন কৰিছিল, তাৰ সংবৰ্দ্ধনৰ ক্ষেত্ৰত কীৰ্তিনাথ হাজৰিকাই বৰঙণি যোগাইছিল। আন এটা ধাৰাৰ প্ৰৱৰ্তক হ'ল— তিলক হাজৰিকা, যোগেশ দাস। ইয়াত মননশীল ব্যংগ ধাৰাৰ প্ৰৱৰ্তন হৈছিল, যাৰ অভাৱ আজিকালি (২০০৯ চনত) দেখা যায়। মজুমদাৰ প্ৰথম ধাৰাৰ লেখক। শক্তিশালী বিশ্লেষণী ৰূপত তেওঁৰ মত দাঙি ধৰে। সি লাগিলে বিদেশী সমস্যাই হওক বা বিদ্যুৎ কিম্বা খৰাং সমস্যাই হওক— সকলোতে মজুমদাৰে তেওঁৰ মত আঁৰ নলগাকৈ ব্যক্ত কৰি যায়। দৃষ্টান্তৰূপে এটা প্ৰবন্ধৰ পৰা উদ্ধৃতি দিব পাৰি ঃ "আচৰিত ধৰণে বিদেশী সমস্যা আৰু বিদেশী অনুপ্ৰবেশত বাধা দিয়াৰ কোনো বাস্তৱ ব্যৱস্থা চৰকাৰবোৰে লোৱা দেখা নগ'ল।... অসমৰ ৰাজ্যচৰকাৰসমূহ, দল, সংগঠন আদি সকলোৱে ভাৰত ৰাষ্ট্ৰযন্ত্ৰৰ অভিসন্ধি বুজিও নুবুজা, দেখিও নেদেখাৰ ভাও জুৰি আছে। অন্যথা ভাৰত ৰাষ্ট্ৰই বিদেশী অনুপ্ৰৱেশকাৰীৰ ৰক্ষণা-বেক্ষণৰ ৰাজনীতি কৰি থাকিবৰ সুবিধা নাপালেহেঁতেন।" ... ইত্যাদি।

পুথিৰ দ্বিতীয় খণ্ডত সংকলিত হৈছে এনে কিছুমান সাময়িক প্ৰবন্ধ যিবিলাকৰ পটভূমি কেতিয়াও ক্ষয় পাব নোৱাৰে। এই দৃষ্টিকোণৰ পৰা "চিন্তা আৰু বাস্তৱ"ত অসমৰ সামাজিক সমস্যা আৰু বাস্তৱৰ সম্যক প্ৰতিফলন ঘটিছে। ই এই সময়ৰ এখন উল্লেখযোগ্য অসমীয়া গ্ৰন্থ। ইয়াত সময়োপযোগী বিশ্লেষণৰ সমাহাৰ ঘটাত পুথিৰ উপযোগিতা বৃদ্ধি পাইছে। আশাকৰোঁ পুথিখন অসমীয়া পাঠক সমাজে সাদৰেৰে গ্ৰহণ কৰিব।

২ ডিচেম্বৰ, ২০০৯

# লেখকৰ একাষাৰ ঃ

দুই বিদেশী শক্তি মান আৰু ইংৰাজৰ মাজত অসমৰ ৰাজশক্তিক একাষৰীয়াকৈ ৰাখি অসমৰ বাহিৰৰ ব্ৰহ্মদেশৰ ইৰাৱতী নদীৰ পাৰৰ ইয়াণ্ডাবু নামৰ ঠাইত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত স্বাক্ষৰিত ইয়াণ্ডাবু সন্ধিৰ চৰ্তমতে অসম বৃটিছে প্ৰায় এশ একৈশ বছৰ ছমাহ কাল শাসন কৰাৰ ফলত, ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষৰ লগত অসমেও বৃটিছ শাসনৰপৰা মুক্ত হৈ স্বাধীনতা লাভ কৰা বাবে অসম ভাৰত গণৰাজ্যৰ অঙ্গৰাজ্য হৈ পৰে। কিন্তু স্বাধীন ভাৰতৰ আন আন ৰাজ্যসমূহক অৰ্থনীতি, শিক্ষা-সংস্কৃতি, ব্যৱসায়-বাণিজ্য, শিল্প-উদ্যোগ, যাতায়ত আদিৰ ক্ষেত্ৰত আগবাঢ়ি গৈ বিকশিত হোৱাৰ যিমান সুবিধা দিয়া হ'ল; তাৰ বিপৰীতে অসম বঞ্চিত, শোষিত, অৱহেলিত হৈ ৰ'ল। শাসন-শোষণৰ ক্ষেত্ৰত অসম দিল্লীৰপৰা দূৰৈত নহয়, কিন্তু সা-সুবিধা লাভৰ ক্ষেত্ৰত বহু দূৰত। কেন্দ্ৰৰ শাসকবৰ্গৰ অৱহেলা-অমনোযোগিতাৰ কাৰণে খিলঞ্জীয়া অসমীয়াৰ ভাষা-সংস্কৃতি, অৰ্থনীতি, শিক্ষা, উদ্যোগ, শিল্প, প্ৰযুক্তিবিদ্যা আদিৰ একৈশ শতিকাৰ প্ৰথম দশকলৈ উন্নত আৰু বিকশিত নহৈ অনুন্নত আৰু বিপৰ্য্যস্ত হৈহে আছে। তাৰ উপৰি, অৱধাৰিত গতিত অসমলৈ প্ৰৱজিত হৈ থকা অবৈধ বিদেশী, সীমান্ত সুৰক্ষাৰ দৰে জ্বলন্ত সমস্যাসমূহ সমাধান কৰাৰ কোনো বাস্তৱ ব্যৱস্থা গ্ৰহণ নকৰাত অসমৰ জাতীয়ত্বৰ প্ৰতি ভাবুকি আৰু অনিশ্চয়তা কোনেও নুই কৰিব নোৱাৰে। আনকি, অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু শুদ্ধ ভোটাৰ তালিকা আজি পৰ্য্যন্ত হৈ নুঠিল।

অসমৰ জাতীয় অনুষ্ঠান, দল, সংগঠন, সন্থা আদিয়েও সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত সময়ৰ শৰ সময়ত নিক্ষেপ কৰি জ্বলন্ত সমস্যাসমূহ সমাধান কৰিবলৈ সমৰ্থ নোহোৱাত জাতীয় সমস্যাবোৰ সমস্যা হৈয়ে ৰ'ল। এইদৰে এশ এবুৰি সমস্যাত ভাৰাক্ৰান্ত ঐতিহ্যপূৰ্ণ অসমৰ সমসাময়িক অৱস্থা-দুৰৱস্থাৰ কেইটামান দিশ পঢুৱৈ সমাজৰ আগত দাঙি ধৰাৰ মানসেৰে 'চিন্তা আৰু বাস্তৱ' গ্ৰন্থখন যুগুতোৱা হৈছে। গ্ৰন্থখনৰ 'প্ৰথম খণ্ড'ত আমি সম্পাদনা কৰা নগাঁৱৰপৰা প্ৰকাশিত 'সাপ্তাহিক বাতৰি কাকত'ৰ ৩০ টা সম্পাদকীয় আৰু 'দ্বিতীয় খণ্ড'ত অসমৰ জনপ্ৰিয় সংবাদ পত্ৰ 'দৈনিক অসম', 'দৈনিক জনমভূমি', 'অগ্ৰদূত', 'খবৰ', 'সাদিন', 'আমি অসমীয়া শৰাইঘটীয়া' 'আমাৰ নগাঁও'— লগতে আমাৰ সম্পাদিত 'সুৰীয়া সুৰদি মাত'ত প্ৰকাশিত ১১টা, মুঠ ৪১টা আমাৰ লেখা থুপাই 'চিন্তা আৰু বাস্তৱ' গ্ৰন্থখন প্ৰকাশ কৰা হৈছে। এই প্ৰসঙ্গত উক্ত বাতৰি কাকতৰ কতৃপক্ষসমূহক ধন্যবাদ জনোৱা হ'ল। লগতে ধন্যবাদ জনাইছোঁ— 'সাপ্তাহিক অসম'ৰ সম্পাদকৰ দায়িত্ব ল'বলৈ আহ্বান কৰা সাংবাদিক শ্ৰীকনক হাজৰিকা, শ্ৰীসুৰজিত ভাগৱতী, শ্ৰীমুনীন্দ্ৰ শইকীয়া, শ্ৰীঅমৰজিত গোস্বামী, শ্ৰীতপন বৰা আৰু কাকতখনৰ প্ৰকাশক গোষ্ঠীৰ শ্ৰীসুৰেশ বৰাক। ডঃ আবু হানিফাই দিয়া উৎসাহৰ বাবে কৃতজ্ঞতা জনাইছোঁ।

'চিন্তা আৰু বাস্তৱ' গ্ৰন্থখনৰ নামকৰণৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আগবঢ়োৱা ভাষা-সাহিত্যকৰ্মী শ্ৰীহোমেশ্বৰ শৰ্মা আৰু গ্ৰন্থখনৰ প্ৰচ্ছদৰ পৰিকল্পনাত সহায় কৰা সাহিত্য-সংস্কৃতিৰ সমালোচক শ্ৰীমাধুৰ্য্য মণ্ডিত বৰুৱাৰ নাম সংপৃক্ত হৈ থাকিব।

গ্ৰন্থখন পোহৰলৈ অহাৰ ক্ষেত্ৰত উৎসাহ-উদ্‌গনি দিয়া বাবে নগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীৰাতুল কুমাৰ বৰা, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদক শ্ৰীবল্লদেৱ শৰ্মা, প্ৰশাসনিক বিষয়া শ্ৰীথানেশ্বৰ মালাকৰ, ডাঃ দুৰ্লভ চমুৱা, অধ্যাপক শ্ৰীনৱকুমাৰ মহন্ত, অধ্যাপক শ্ৰীদীপক বৰা, অধ্যক্ষ শ্ৰীদিলীপ বৰা, প্ৰবক্তা শ্ৰীগিৰীশ দাস, শ্ৰীপ্ৰাঞ্জল বৰদলৈ, শ্ৰীৰজত চন্দ্ৰ ভৰালী আৰু সাংবাদিক সাহিত্যিক শ্ৰীপৰেশ বৈশ্যৰ শলাগ ললোঁ।

অসমৰ নিৰ্ভীক নিৰপেক্ষ আজীৱন সাংবাদিক বৰ্তমান 'আজিৰ দৈনিক বাতৰি' কাকতৰ সম্পাদক শ্ৰীৰাধিকামোহন ভাগৱতীয়ে নানা ব্যস্ততাৰ মাজতো 'চিন্তা আৰু বাস্তৱ'ৰ কেআষাৰমান আগকথা লেখি দিয়া বাবে তেখেতলৈ অশেষ কৃতজ্ঞতা আগবঢ়ালোঁ।

নানা ঘৰুৱা কামৰ জঞ্জালৰ মাজতো পৰিবাৰ উপমা মজুমদাৰে গ্ৰন্থৰ বাবে বিভিন্ন প্ৰৱন্ধ-পাতি থুপাই দিয়াৰ লগতে আৰ্হি কাকত পৰ্য্যন্ত চাই-চিতি কৰা শ্ৰম-কষ্টৰ অবিহনে গ্ৰন্থখন ইমান সোনকালে পোহৰলৈ নাহিলহেঁতেন।

গুৱাহাটীৰ ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাইভেট লিমিটেডে সুন্দৰ ছপা-বন্ধাৰে আটকধুনীয়াকৈ গ্ৰন্থখন উলিয়াই দিয়াৰ বাবে ধন্যবাদ জনালোঁ।

পঢুৱৈ সমাজে 'চিন্তা আৰু বাস্তৱ' আদৰি ল'লে উৎসাহিত হ'ম।

নগাঁও
২৩/১২/০৯

# গ্ৰন্থৰ বিষয়সমূহ ঃ


- কেইআষাৰমান আগকথা ঃ শ্ৰীৰাধিকামোহন ভাগৱতী
- লেখকৰ একাষাৰ

**প্ৰথম খণ্ড**

১) আৰু এখন সাপ্তাহিক বাতৰি কাকতৰ জন্ম ১৩
২) স্বাধীন ভাৰত ঃ কেন্দ্ৰৰ শোষণৰ থলী অসম ১৫
৩) ৰাজনৈতিকভাৱে বিদেশী (বাংলাদেশী) সমস্যা সমাধান সুদূৰপৰাহত ১৮
৪) শাৰদীয় চিন্তা ২০
৫) খৰাঙৰ পৰিণতি ঃ দুৰ্ভিক্ষৰ আশংকা ২২
৬) শিশু শ্ৰমিক নিষিদ্ধ আৰু উদ্ভাৱিত সমস্যা ২৪
৭) ৰাষ্ট্ৰপতিৰ শপত বাক্য বাস্তৱত ৰূপায়িত হওক ২৭
৮) অসমৰ বিদ্যুৎ সমস্যা আৰু সমাধান ৩০
৯) মূল্য বৃদ্ধি ঃ ৰাইজৰ মূৰত ৰাম-টাঙোন ৩২
১০) সন্ত্ৰাসবাদৰ অৱসান হওক ৩৪
১১) প্ৰসংগ ঃ যমুনামুখৰ উপ-নিৰ্বাচন— অসম গণ পৰিষদৰ অস্তিত্বৰ সংকট ৩৬
১২) অত্যাচাৰ-নিৰ্যাতনৰ পৰা নাৰী সুৰক্ষাৰ বাবে গাৰ্হস্থ্য হিংসা আইন ২০০৫ ৪০
১৩) নিৰ্বাচনত সমৰ্থনৰ বিনিময়তহে উন্নয়নমূলক কামৰ প্ৰতি চৰকাৰ দায়বদ্ধ ৪৪
১৪) অসমৰ অস্তিত্ব বিপন্ন কৰা চৰকাৰী আইন উচ্চতম ন্যায়ালয়ত বাতিল ৪৬
১৫) শিক্ষক নিযুক্তিত হেমাহি শিক্ষাৰ পৰিপন্থী ৪৯
১৬) ASOM ঃ লিপ্যন্তৰ নে অথন্তৰ ৫২
১৭) ইংৰাজী নতুন বছৰৰ শুভেচ্ছা ৫৪
১৮) সকলো স্তৰৰ পৰীক্ষাৰ উত্তৰ-বহী পৰীক্ষাৰ্থীক ঘূৰাই দিয়াৰ ব্যৱস্থা হওক ৫৬
১৯) মাঘ বিহু ঃ ঐতিহ্য আৰু জাতীয় সংকট ৫৯
২০) উগ্ৰপন্থী আৰু সেনাৰ হত্যা-সন্ত্ৰাসৰ অৱসান হওক ৬৪
২১) অসমৰ খিলঞ্জীয়া ৰক্ষণা-বেক্ষণ ঃ শুদ্ধ নাগৰিক পঞ্জী ৬৮
২২) এম, আৰ. পি (MRP) সাধাৰণ শ্ৰেণী গ্ৰাহকৰ মূৰত ৰাম-টাঙোন ৭২
২৩) আলফা-চৰকাৰ প্ৰত্যক্ষ আলোচনাত বহক ৭৫
২৪) এই যাত্ৰা অব্যাহত ৰাখক—অসমত ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰা হওক ৭৯
২৫) বিদ্যালয়ত বুৰঞ্জী আৰু ভূগোল বাধ্যতামূলক হ'ব লাগে ৮৪
২৬) হায় অসমীয়া ! ৮৭
২৭) অসমৰ বাজেট ঃ ধনৰ সদ্ব্যৱহাৰেই উন্নতিৰ সোপান ৯১
২৮) চৰকাৰী কাৰ্যালয়ত ৰাজ্যভাষা অসমীয়া প্ৰয়োগ আৰু চৰকাৰ ৯৪
২৯) প্ৰাথমিক বিদ্যালয়ত দুপৰীয়াৰ ভোজন শিক্ষাৰ পৰিপন্থী ৯৭
৩০) বিভিন্ন জনগোষ্ঠীৰ সমন্বয়-সংস্কৃতি ৰঙালী বিহু ১০০

**দ্বিতীয় খণ্ড**

৩১) কাছাৰ ঃ অসম সাহিত্য সভাৰ কৰ্তব্য ১০৬
৩২) বক্তৃতাৰ ফুলজাৰি মৰা আৰু কাগজৰ গদা ঘূৰোৱা দিন উকলিল ১১১
৩৩) মথাউৰি স্থায়ী কৰাতকৈ ভঙা মথাউৰি মেৰামতিৰ প্ৰতিহে আগ্ৰহী ১১৬
৩৪) সংস্কৃতি আৰু দুষ্কৃতি —পাণ্ডৱৰ পাঁচ কৌৰৱৰ এশ ১১৯
৩৫) অসম মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু মূল্যাঙ্কন বিভ্ৰাট ১২২
৩৬) কেন্দ্ৰৰ ঔপনিবেশিক শোষণৰ বাহন ঃ অসমৰ জৰাজীৰ্ণ ৰেলৰ কাহিনী ১২৫
৩৭) অসম সাহিত্য সভা ঃ যৎকিঞ্চিত ১২৯
৩৮) জাতীয় উৎসৱ বিহুৰ সমস্যা ১৩৩
৩৯) আই অসমীৰ বিহু ঃ উৎকণ্ঠা ১৩৬
৪০) অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰনাথ গোস্বামীৰ লগত সাক্ষাৎকাৰ ১৩৯
৪১) চিৰচেনেহী ভাষা জননী ১৪২

# চিন্তা আৰু বাস্তৱ

## প্ৰথম খণ্ড

# আৰু এখন সাপ্তাহিক বাতৰি কাকতৰ জন্ম

এশ ষাঠি বছৰ পূৰ্বে বৃটিছ শাসনত আমেৰিকাৰ পৰা অহা খৃষ্টধৰ্ম প্ৰচাৰকসকলে ১৮৪৬ খ্ৰীঃত সূচনা কৰা 'অৰুনোদই' আলোচনীৰ পৰা বৰ্তমানলৈ অসমীয়া ভাষাত কেবাশও বাতৰি কাকত, আলোচনীৰ জন্ম পালে। ইয়াৰে সৰহ সংখ্যকৰে আয়ুস তেনেই চুটি। খৃষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে প্ৰকাশ কৰা 'অৰুনোদই' আলোচনীত বিভিন্ন বিষয়ৰ প্ৰবন্ধ-পাতিৰ লগতে সমসাময়িক কিছুমান বাতৰিও পৰিবেশন কৰা হৈছিল। সেইকাৰণে আলোচনী আৰু বাতৰি-কাকত এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি স্বৰূপ। আলোচনী যিহেতু তিনিমহীয়া, দুমহীয়া আৰু মাহেকীয়া কৈ ওলায়, সেইকাৰণে ইয়াত প্ৰকাশিত বাতৰিৰ গুৰুত্ব কম। আনহাতে বাতৰিৰ ওপৰত গুৰুত্ব দি প্ৰকাশ কৰা বাতৰি-কাকতবোৰ হ'ল দৈনিক, অৰ্ধ-সাপ্তাহিক, সাদিনীয়া বা সাপ্তাহিক আৰু পষেকীয়া। ইলেক্টনিক মাধ্যমৰ যোগেদি মুহূৰ্ততে সমগ্ৰ বিশ্বৰ বাতৰি প্ৰচাৰ হোৱা দিনত সাহিত্য-সংস্কৃতি, সমাজ-ৰাজনীতি, অৰ্থনীতি আদি বিষয়ক প্ৰবন্ধ বা আলোচনাক মুখ্য স্থান দিয়া আলোচনীৰ বাতৰি গৌণ হৈ পৰিছে।

কিন্তু বিভিন্ন অঞ্চল, দেশ-বিদেশৰ বিভিন্ন বিষয়ৰ বাতৰি পৰিবেশন কৰা দৈনিক; অৰ্ধ-সাপ্তাহিক, সাপ্তাহিক বাতৰি-কাকতত সংবাদ বা বাতৰিৰ গুৰুত্ব বেছি। বাতৰিৰ লগতে আৱশ্যক অনুযায়ী প্ৰবন্ধ-পাতিও এই বাতৰি-কাকতসমূহত প্ৰকাশ কৰা হয়। সকলো শ্ৰেণীৰ জনসাধাৰণে নিতৌ ঘটা বাতৰি জানিবলৈ যেনেকৈ হাবিয়াস কৰে, প্ৰবন্ধ-পাতি সম্পৰ্কত সেই হাবিয়াস নাই। সীমিত সংখ্যক শিক্ষিত লোকেহে ৰুচি অনুযায়ী প্ৰবন্ধ, গল্প, কবিতা, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিষয়ক আলোচনা পঢ়া দেখা যায়।

পঢ়ুৱৈ সমাজত বিশেষ সমাদৰ লাভ কৰা দৈনিক বাতৰি-কাকতসমূহ নগৰ-মহানগৰ-চহৰ আদিৰ পৰা প্ৰকাশ পায়। এই শ্ৰেণীৰ বাতৰি-কাকতত বিভিন্ন ঠাইৰ তথা দেশ-বিদেশৰ নানা বাতৰি পৰিবেশন কৰা হয়। তথাপি

কিছুমান ভিতৰুৱা পিছপৰা গাঁৱৰ সকলো সমস্যা, অভাৱ-অনাটন আদিৰ কথা বাদ পৰি থাকে। সেইকাৰণে জিলা আৰু অঞ্চলক কেন্দ্ৰ কৰি দৈনিক কাকত সম্ভৱ নহ'লেও সাপ্তাহিক, অৰ্ধ-সাপ্তাহিক বাতৰি-কাকত প্ৰকাশ হোৱাটো কাম্য। অনুন্নত গাঁও-ভূঁইৰ কৃষি, স্বাস্থ্য, শিক্ষা, ৰাস্তা-ঘাট, দলং, অনাহাৰ, অনিদ্ৰা, বানপানী, বিজুলী যোগান, কেৰাচিন, গেছ আদি অভাৱ-অভিযোগ জিলা বা আঞ্চলিক ভিত্তিত প্ৰকাশিত বাতৰি-কাকতত সুন্দৰভাৱে স্থান পায়। প্ৰাক্-স্বাধীনতা কালৰ পৰা বৰ্তমানলৈ মধ্য অসমৰ নগাঁও জিলাৰ পৰা সময়ে সময়ে প্ৰকাশ পাই অহা বাতৰি-কাকত, আলোচনীৰ সংখ্যা লেখত প্ৰায় চাৰি কুৰিমান হ'ব। নগাঁও জিলাৰ পৰা দৈনিক বাতৰি-কাকত প্ৰকাশ পোৱাৰ ইতিহাস নাই। দুমহীয়া, মাহেকীয়া, পষেকীয়া আৰু সাপ্তাহিক কাকতহে প্ৰকাশ পাইছিল আৰু এতিয়াও কেইখনমান চলি আছে। জিলাৰ বাতৰি-কাকতৰ ইতিহাসত সাপ্তাহিক কাকতৰ সংখ্যাই অধিক আছিল, কিন্তু দুখনমান সাপ্তাহিক কাকতৰ বাহিৰে প্ৰায় ভাগৰ আয়ুস এবছৰ (প্ৰথম বছৰ, প্ৰথম সংখ্যা)ৰ পৰা তিনিবছৰতকৈ অধিক নহয়। এই ক্ষেত্ৰত ধৈৰ্য আৰু দৃঢ় সংকল্পেৰে সমাজ বা জাতিৰ সেৱা কৰিম বুলি কাকতগোষ্ঠীসমূহে আগবাঢ়ি আহিলে কাকত দীৰ্ঘজীৱী নোহোৱাৰ কাৰণ নাই। তেনে এটা উদ্দেশ্য সাৰোগত কৰি আৰু এখন বাতৰি কাকত 'সাপ্তাহিক অসম' জন্ম দিয়াৰ ব্যৱস্থা কৰা হৈছে। সুস্থ চিন্তা, স্পষ্টবাদিতা, নিৰপেক্ষ দৃষ্টিভংগীৰে শোষিত-নিষ্পেষিত জনসাধাৰণৰ সমস্যাসমূহ দাঙি ধৰি ইবোৰৰ সমাধানকল্পে সচেতন ৰাইজ আৰু চৰকাৰ তথা কৰ্তৃপক্ষসমূহৰ চকু মেল খুৱাবলৈ কলমৰ সংগ্ৰাম 'সাপ্তাহিক অসম'-এ অবিৰতভাৱে কৰি যাবলৈ সংকল্পবদ্ধ। এই ক্ষেত্ৰত প্ৰকাশন গোষ্ঠী, সাংবাদিক, লেখক-লেখিকা, শুভাকাংক্ষী আৰু পঢ়ুৱৈ সমাজৰ সদিচ্ছা, সহযোগিতা একান্ত বাঞ্ছনীয়। 'সাপ্তাহিক অসম'ত ৰাজ্যৰ বিভিন্ন সমস্যা, ঘটনাৰ লগতে মধ্য অসমৰ জিলা কেইখনৰ উপৰিও অসমৰ উজনি-নামনিৰ আন আন জিলাৰ বা-বাতৰিও স্থান পাব। বিভিন্ন বাতৰিৰ লগতে উঠি অহা চামক সাহিত্যৰ অনুপ্ৰেৰণা যোগাবলৈ ভিন্ন ৰুচিৰ সাহিত্যও প্ৰকাশ কৰাৰ চিন্তা কৰা হৈছে।○

○সাপ্তাহিক অসম ঃ প্ৰস্তাৱনা সংখ্যা, ২৮ আগষ্ট - ২০০৬

# স্বাধীন ভাৰত ঃ কেন্দ্ৰৰ শোষণৰ থলী অসম

ভাৰত দ্বিখণ্ডিত হৈ স্বাধীনতা লাভ কৰাৰ লগে লগে অসম ভাৰতৰ অঙ্গৰাজ্য বুলি গণ্য হ'ল যদিও দিল্লীস্থ শাসকসকলে ঔপনিবেশিক শোষণৰ দৃষ্টিৰে অসমক শাসন কৰাত ব্যস্ত হৈ পৰি ৰাজনৈতিক অভিসন্ধিৰে বৃহত্তৰ অসমক খণ্ড-বিখণ্ড কৰি সাতো ৰাজ্য কৰি পৰ্বত-ভৈয়াম, জনজাতি-অ-জনজাতি, হিন্দু-মুছলমানৰ সাতামপুৰুষীয়া ঐক্য-সম্প্ৰীতি বিনষ্ট কৰি পেলালে। অৱশিষ্ট অসমক আৰু ভাগ ভাগ কৰাৰ ৰাজনৈতিক ষড়যন্ত্ৰ চলি আছে। অসম ৰাজ্যৰ শাসকীয় নেতাসকলে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা জাতীয় উন্নতি আৰু জাতীয় সমস্যাসমূহক সমাধান কৰাৰ কোনো দূৰদৃষ্টিসম্পন্ন আন্তৰিক চেষ্টা নচলোৱাৰ ফলত অসম অনা-অসমীয়াৰতো কথাই নাই; বিদেশীৰো চৰণীয়া পথাৰ হৈ পৰিল। এসময়ৰ অৰ্থনীতি, ৰাজনীতি, ভাষা-সংস্কৃতি তথা জাতীয়ত্ব বিপৰ্যস্ত হৈ ঐতিহ্যমণ্ডিত অসমৰ অস্তিত্বকে বিপন্ন কৰি তুলিলে। অসমক শোষণ, লুন্ঠনৰ থলী বুলি গণ্য কৰি ৰাজ্যখনৰ বনজ, খনিজ, চাহ, মৰাপাট আদি কৃষি সম্পদ লুটি-পুটি নি কেন্দ্ৰীয় চৰকাৰে তাৰ বিনিময়ত অসমৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক উন্নয়ন আৰু উৎকৰ্ষলৈ গুৰুত্ব নিদিয়াৰ বাস্তৱ চিত্ৰ দেখিবলৈ পাই অসমৰ ছবছৰীয়া অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম— অসমত আঞ্চলিকতাবাদৰ উত্থান। আঞ্চলিক দলৰ শাসনে থলুৱা স্বাৰ্থ, জাতীয় ঐতিহ্যক গুৰুত্ব দি কেন্দ্ৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হ'ল যদিও দুবাৰকৈ শাসনৰ গাদীত বহি ন্যস্তস্বাৰ্থ, স্বজন- তোষণ, ক্ষমতাৰ অৰিয়াঅৰি, দুৰ্নীতি-দুষ্কৃতিৰে জাতীয় অস্তিত্বৰ কথা জলাঞ্জলি দিলে। আনকি বিদেশী বহিস্কাৰ আন্দোলনত প্ৰাণ বলি দিয়া আঠ শতাধিক ছহিদৰ ত্যাগ আৰু তেজৰ কথাও সাধুকথা হৈ পৰিল। ভাৰত-বাংলাদেশৰ সীমান্তৰ বেৰ কট্‌কটীয়াকৈ কৰাৰ নামত ভেকো-ভাওনা চলি থকাৰ ফলত ভাৰতৰ ভিতৰতে অসমৰ জন-বিস্ফোৰণ অতি ভয়াবহ হৈ পৰিছে।

**স্বাধীন অসমৰ দাবীত সংযুক্ত মুক্তি বাহিনী, অসমৰ সশস্ত্ৰ সংগ্ৰাম**

ৰাষ্ট্ৰীয় দল বা আঞ্চলিক দলৰ শাসনে অসমৰ প্ৰকৃত জাতীয় সমস্যা

সমাধান কৰাত ব্যৰ্থ হৈছে। অসমৰ প্ৰতি কেন্দ্ৰই কৰা দীৰ্ঘদিনীয়া অবিচাৰ আৰু অসমক ন্যায় প্ৰাপ্যৰ পৰা বঞ্চিত কৰি শোষণ কৰি থকাৰ বাবে উঠি অহা যুৱক-যুৱতী তথা অসমৰ জনতা চিন্তিত আৰু শঙ্কিত হৈ পৰিল। লাখ-লাখ যুৱকে অনিশ্চিত নিৰাপত্তাহীনতাত কিংকৰ্তব্যবিমূঢ় হৈ অসমৰ প্ৰাপ্য আদায়, নিজৰ অধিকাৰ সাব্যস্ত আৰু জাতীয়ত্ব ৰক্ষাৰ কাৰণে সন্ত্ৰাসবাদৰ ভূমিকা ল'বলগীয়া হ'ল। তেওঁলোকে স্বাধীন অসমৰ দাবী উত্থাপন কৰি হাতত অস্ত্ৰ তুলি ল'লে। ৰাজ্যখনত হিংসা-হত্যা-লুণ্ঠন অপহৰণ গা-কৰি উঠাৰ ফলত আৰু কেন্দ্ৰই ৰাষ্ট্ৰ-সন্ত্ৰাস জাপি দিয়াত শান্তি-সম্প্ৰীতি ব্যাহত হ'ল আৰু ৰাজ্যৰ উন্নয়নমূলক কাম-কাজ স্তব্ধ হৈ পৰিল। সশস্ত্ৰ পথত ধাৱিত হোৱা অনেক যুৱক আৰু নিৰীহ লোকে বহুমূলীয়া জীৱন হেৰুৱাবলগীয়া হ'ল। অনেক সেনা-আৰক্ষীৰো প্ৰাণ হানি হ'ল। এয়া অতি হৃদয়-বিদাৰক বেদনাদায়ক। স্বাধীন অসমৰ দাবীৰ যুক্তিযুক্ততা সম্পৰ্কে গভীৰভাৱে চিন্তা-চৰ্চা, অধ্যয়ন কৰি আলোচনাৰ মাধ্যমেৰে এটা সন্তোষজনক সমাধান উলিওৱাটো সমস্ত দেশৰ বাবেই অতিকৈ প্ৰয়োজনীয়। এই বিষয়ত কোনো পক্ষই তিলাৰ্ধও বিলম্ব কৰাৰ হেতু নাই। শাসকৰ কু-অভিসন্ধি, ৰাষ্ট্ৰ-সন্ত্ৰাস, ভাই-বাইৰ মাজৰ সংঘৰ্ষ, হত্যা-অপহৰণ-হিংসাই ৰক্তাক্ত কৰা অসম-মাতৃৰ তপ্ত বুকু পুনৰ শীতল হৈ উঠি ঘৰে-ঘৰে, বাটে-পথে সকলোতে শান্তি-বন্তি জ্বলি উঠাটো সকলোৱে মনে-প্ৰাণে কামনা কৰিছে।

**কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ আলোচনা ফলপ্ৰসূ হওক**

অসমৰ ৰাইজৰ বাবে শুভ-সংবাদ যে ষাঠিতম স্বাধীনতা দিৱসৰ পূৰ্ব দিৱসত কেন্দ্ৰীয় চৰকাৰে সশস্ত্ৰ সংগ্ৰামী সংযুক্ত মুক্তি বাহিনী, অসম (আলফা)ৰ লগত আলোচনাৰ পৰিৱেশ গঢ়িবলৈ আলফাৰ বিৰুদ্ধে সেনা অভিযান সাময়িকভাৱে স্থগিত ৰাখিছে। এই অভিযান অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাটো কাম্য। আলফায়েও শান্তি-আলোচনাৰ প্ৰতি সঁহাৰি জনাই যুদ্ধ-বিৰতি ঘোষণা কৰিছে। ইতিমধ্যে আলফাই গঠন কৰি দিয়া পি.চি.জিয়ে আলোচনা অনুষ্ঠিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। ই এক শুভ লক্ষণ। গতিকে কেন্দ্ৰীয় চৰকাৰ আৰু সশস্ত্ৰ সংগ্ৰামী আলফা উভয়ে আলোচনাৰ প্ৰতি যে আগ্ৰহী সেই কথা বুজিব পৰা গৈছে। অসম চৰকাৰৰ মুখ্যমন্ত্ৰী গৰাকীয়েও আলফাৰ বিৰুদ্ধে অভিযান বন্ধ ৰাখিবলৈ জিলা আৰক্ষী অধীক্ষক আৰু উপায়ুক্তসকলক নিৰ্দেশ দি আলোচনাৰ পথ সুগম কৰিবলৈ



বিচাৰিছে। সমস্যা যিমানেই জটিল নহওক, আলোচনাৰ মাধ্যমেৰে সমাধান কৰিব নোৱাৰাৰ কোনো নজিৰ নাই। ইয়াৰ কাৰণে লাগে মাথোঁ দুয়োপক্ষৰ আন্তৰিকতা আৰু সদিচ্ছা। এই ক্ষেত্ৰত স্বাৰ্থজড়িত মহলৰ কু-চক্ৰান্ত বা অশুভ শক্তিয়ে যাতে বহু প্ৰত্যাশিত শান্তি-আলোচনা ব্যাহত কৰিব নোৱাৰে তাৰ প্ৰতি উভয় পক্ষ সজাগ আৰু সতৰ্ক হ'ব লাগিব। কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ পোনপটীয়া আলোচনা সুনিশ্চিত আৰু ফলপ্ৰসূ হৈ অসমত শান্তি-ঐক্য-সমৃদ্ধি বিৰাজ কৰক, অসম সৰ্বাঙ্গসুন্দৰ হৈ পৰক- এয়ে আমাৰ একান্ত কামনা।

"বাজক ডবা বাজক শঙ্খ বাজক মৃদঙ্গ খোল।
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল।" ○

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ১ম সংখ্যা, ১১ চেপ্তেম্বৰ- ২০০৬

# ৰাজনৈতিকভাৱে বিদেশী (বাংলাদেশী) সমস্যা সমাধান সুদূৰপৰাহত

অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ জনজাগৰণৰ ফলত সদৌ অসম ছাত্র সন্থাৰ নেতৃত্বত অসম গণ-সংগ্রাম পৰিষদৰ দ্বাৰা গঠন হোৱা অসম গণ-পৰিষদ দলৰ চৰকাৰৰ মুখ্যমন্ত্রী প্রফুল্ল কুমাৰ মহন্তৰ অপসাৰণৰ পিছত ১৯৯১ চনত হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত কংগ্ৰেছ দলৰ চৰকাৰ শাসনৰ গাদীত বহে। সেই সময়ত হিতেশ্বৰ শইকীয়া অসমত কংগ্ৰেছৰ অবিসম্বাদী নেতা। ধর্মীয় সংখ্যালঘু বিধায়কৰে সংখ্যাগৰিষ্ঠতা লাভ কৰি হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্রী আসনত অধিষ্ঠিত হৈছিল। ৰাজ্য শাসনৰ বাঘজৰী হাতত লৈ সংখ্যালঘু মন্ত্রী-বিধায়কসকল যে বাংলাদেশী প্রিয় আৰু তেওঁলোকৰ ভোটেৰে জয়ী হোৱা বিধায়কৰ সংখ্যাগৰিষ্ঠ পাই মুখ্যমন্ত্রীৰ গাদীত বহিছে, সেই কথা হয়তো খন্তেকৰ কাৰণে হ'লেও পাহৰি অসমত ত্রিশ লক্ষ বিদেশী আছে বুলি মন্তব্য সদৰি কৰিছিল। বৰলৰ বাঁহত জুইহে লাগিল। মুহূর্ততে জাঙুৰ খাই উঠিল ধর্মীয় সংখ্যালঘু মন্ত্রী-বিধায়কসকল। তেওঁলোকে পাঁচ মিনিটতে শইকীয়াক মুখ্যমন্ত্রীৰ গাদীৰ পৰা ওফৰাই দিয়াৰ ভাবুকি দিলে। পিছ মুহূর্ততে শইকীয়াৰ মন্তব্য সলনি হ'ল ঃ "অসমত এজনো বিদেশী নাই।" — এই বুলিয়েই নিজৰ গাদী বচাইছিল মুখ্যমন্ত্রী শইকীয়াই।

ছবছৰীয়া বিদেশী বহিষ্কৰণ আন্দোলনৰ নেতৃত্বই বহু লাখ বিদেশীৰ হিচাপ দিছিল। তেওঁলোকৰ সংখ্যাৰ লগত সেই সময়ৰ (১৯৯১-৯৬) মুখ্যমন্ত্রী হিতেশ্বৰ শইকীয়াৰ সংখ্যাৰ হেৰ-ফেৰ ঘটিলেও এই কথা নিশ্চিত যে অসমত লক্ষ লক্ষ বিদেশী বাংলাদেশী যে আছে সি ধ্রুৱপ। অসম গণ-পৰিষদ দলে পাঁচ বছৰকৈ দুবাৰ অর্থাৎ দহবছৰ শাসনত বহি প্ৰায় সাত শ বিদেশী বহিষ্কৰণ আন্দোলনৰ ছহিদৰ জীৱনৰ বিনিময়ত বাস্তৱত কেইজন বিদেশী বহিষ্কাৰ কৰিলে সেয়া এক সাঁথৰ হৈ থাকিল। কংগ্ৰেছৰ শাসনৰ কথা নকলোৱেই বাৰু !

১৫/১৬ বছৰত যদি ত্রিশ হাজাৰ বিদেশী আছিল বুলি ধৰিব পাৰি, তেনেহ'লে আজি তাৰ সংখ্যা নিশ্চয়কৈ ডেৰ গুণতকৈ অধিক হ'ব। বিদেশী বহিস্কৰণ আন্দোলন (১৯৭৯)ৰ পৰা বর্তমানলৈ (২০০৬) সুদীর্ঘ সাতাইশ



বছৰ ধৰি বিদেশী সমস্যা সমাধানৰ কাৰণে দীঘলীয়া আন্দোলন হ'ল, কেইবাৰো বিধান সভাৰ নির্বাচনেৰে কেইবাখনো মন্ত্রীসভাৰ শাসন ওকলিল, কিন্তু আটাইকেইখন মন্ত্রীসভা বা বিধান সভাই সেই জাতীয় সমস্যাটোত চকু মুদি থাকিল। অসমত অস্বাভাৱিক জন-বিস্ফোৰণ ঘটিল। বাংলাদেশীৰ সংখ্যাধিক্যই থলুৱাক সংখ্যালঘুত পৰিণত কৰাৰ উপক্রম হৈছে। ইতিমধ্যে অসমৰ এক তৃতীয়াংশ জিলাত থলুৱাৰ সংখ্যা হ্রাস পাইছে আৰু অতি শীঘ্ৰে কেবাখনো জিলাৰ থলুৱা সংখ্যাগুৰুসকল সংখ্যালঘুলৈ পর্যবসিত হ'ব। অর্থাৎ পাঁচ-দহ বছৰৰ ভিতৰত অসমীয়া সংখ্যালঘু হ'ব বুলি ধাৰণা কৰিব পাৰি। ইতিমধ্যে অসমৰ চৰাঞ্চলৰ উপৰিও, লাওখোৱা, কাজিৰঙা অভয়াৰণ্য আৰু আন আন বনাঞ্চলত বাংলাদেশীৰ বেদখল বৃদ্ধি পাইছে। বর্তমানৰ মুখ্যমন্ত্রী তৰুণ গগৈয়ে স্বদেশী-বিদেশীৰ পর্যটন-থলী ঐতিহ্যপূর্ণ কাজিৰঙা অভয়াৰণ্যত এজনো বাংলাদেশী নাই বুলি ঘোষণা কৰিবলগীয়া হৈছে। বাংলাদেশীৰ বিস্তৃতি বুঢ়াপাহাৰ আৰু উজনিৰ জিলাসমূহলৈ ঘটিছে বুলি বাতৰি পোৱা গৈছে।

উল্লেখযোগ্য যে আজি এমাহমানৰ পৰা মেঘালয়ৰ খাছী ছাত্র সন্থাৰ সন্দেহযুক্ত লোকক খেদাৰ তীব্র আন্দোলনৰ ফলত তাৰ পৰা ট্রাকে ট্রাকে পঠাই দিয়া বিশেষকৈ সন্দেহযুক্ত বাংলাদেশী অসমত প্রৱেশ কৰি থকাৰ কথা জনা গৈছে। গতিকে সকলো ফালৰপৰা অসমত বাংলাদেশীৰ বোজা দিনে দিনে বাঢ়ি গৈ আছে। এই প্রসঙ্গত এটা অতি গুৰুত্বপূর্ণ কথা যে পশ্চিমবঙ্গৰ মুখ্যমন্ত্রীয়ে অলপতে বাংলাদেশী অনুপ্রৱেশৰ ফলত ৰাজ্যখনৰ জনগাঁথনি সলনি হোৱাৰ কথা ব্যক্ত কৰি উদ্বেগ প্রকাশ কৰিছে। পূর্বাঞ্চলৰ ৰাজ্যকেইখনৰো একে দশা। এই ক্ষেত্ৰত অসমৰ অৱস্থা আৰু শোচনীয়। তথাপি ৰাজনৈতিক দল-নেতা কিম্বা চৰকাৰৰ কোনো সচেতনতা পৰিলক্ষিত হোৱা নাই আৰু হোৱাৰ আশাও নাই। ভোট-যুদ্ধত জয়ী হৈ ৰাজপাট দখলত মত্ত ৰাজনৈতিক নেতাসকলে স্বদেশী-বিদেশী-বাংলাদেশী, বৈধ-অবৈধ নাগৰিকৰ মাজত পার্থক্য নেদেখে। সেই কাৰণে বাংলাদেশী সমস্যা সমাধান কৰা কোনো বাস্তৱ ব্যৱস্থা আজি পর্যন্ত গ্রহণ নকৰি বিষয়টো হোঁহোঁকা-পিছুলা কৰি ৰাখিছে। যাৰ ফলত, ইয়াৰ অশুভ ফল অসমৰ থলুৱা লোকসকল তথা অসমীয়া জাতিয়ে ভোগ কৰি থাকিব লাগিব। অসমত সংখ্যাগুৰু অসমীয়া সংখ্যালঘু হ'বগৈ। গতিকে জোৰ পুৰি হাত নৌপাওঁতেই বিভিন্ন জাতীয় সংগঠন, সচেতন নাগৰিক, নিস্বার্থ বিষয়া-কর্মচাৰীয়ে অসমৰ জাতীয় ঐতিহ্য তথা স্বার্থ ৰক্ষাৰ কাৰণে আগবাঢ়ি অহাটো সমীচীন। ○

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ২য় সংখ্যা, ১৮ চেপ্তেম্বৰ - ২০০৬

# শাৰদীয় চিন্তা

শৰত সৌম্য-শান্ত-কোমলতাত অতুলনীয় ঋতু। শৰত কালৰ মাদকতা মনৰ উপভোগ্য কাল, এই কালত মন-প্ৰাণ উৎসৱমুখৰ হয়। বৰ্ষাৰ নদ-নদীৰ তাণ্ডৱ, কলা মেঘৰ ঘনঘোৰ গৰ্জন, বানপানীৰ অত্যাচাৰ, জীৱ-জন্তুৰ বিলৈ-দুৰ্গতি শৰতকালে নাইকিয়া কৰে। শৰতত নদ-নদীৰ পানী শুকাই যায়। আকাশত ক'লা মেঘ নোহোৱা হৈ বতৰ ফৰকাল হয়, নৈ-বিল খালৰ পানী ফটফটীয়া হয়, সুৰভি শীতল বতাহে মানুহৰ মন-প্ৰাণ পুলকিত কৰে। সেইকাৰণে মহাপুৰুষ শঙ্কৰদেৱে শৰত কালক 'মহাসুখকৰ' কাল বুলি ভাগৱতত উল্লেখ কৰিছে। বঙালী সমাজত ৰাম-কাহিনী আৰু দেৱী পূজাৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি বঙ্গ– কবি কৃত্তিবাসে ৰামায়ণৰ নায়ক ৰামে অকালবোধনেৰে দুৰ্গা পূজা কৰি ৰাৱণক বধ কৰা কাহিনী সংযোগ কৰিছে — যি কাহিনী বাল্মীকিৰ মূল ৰামায়ণ আৰু মাধৱ কন্দলীৰ অসমীয়া ৰামায়ণতো নাই।

শৰত কালত অসমতো দুৰ্গা পূজাই ব্যাপকতা লভিছে। একে সময়তে শঙ্কৰদেৱৰ জন্ম-জয়ন্তী তিথি– চাৰিদিনীয়াকৈ বিভিন্ন ঠাইত পতা হয়। উল্লেখযোগ্য যে শৰতৰ প্ৰথম মাহ ভাদত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিৰোভাৱ তিথি উপলক্ষ্যে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সহস্ৰ নামঘৰ, কীৰ্তন-ঘৰ নাম-কীৰ্তনেৰে মুখৰিত কৰি তোলা হয়। ভাদ মাহ অসমৰ পবিত্ৰ মাহ। মুঠতে এই সুন্দৰ শান্ত-সৌম্য ঋতুটোতে অসমত প্ৰতি বছৰে মহাপুৰুষৰ তিথি, জন্ম-জয়ন্তী, দুৰ্গোৎসৱ আদি অতি উলহ-মালহেৰে পালন কৰা হয়।

কিন্তু এই বছৰ অসমৰ ঋতুৰ প্ৰকৃতি লৰিছে। বসন্ত কালৰ বৰদৈচিলাৰ অন্তৰ্ধানৰ পিছত যি গ্ৰীষ্মকালৰ আৱিৰ্ভাৱ হ'ল, সেই গ্ৰীষ্মই বৰ্ষা দখল কৰি শৰত কালকো সাৱটিলে। অৰ্থাৎ গ্ৰীষ্মকালে তিনিটা ঋতুৰ সময় অধিকাৰ কৰিলে। অসমৰ প্ৰকৃতিৰ লগত বৰষুণ-বাৰিষাৰ সম্পৰ্ক গাটোৰ লগত ছাঁটোৰ দৰে। বছৰেকত আহাৰ-শাওণকেই বৰ্ষাকাল বুলি কোৱা হয় যদিও



এই কাল মাজে-সময়ে জেঠতো আৰম্ভ হৈ আহাৰ-শাওণ-ভাদতহে সমাপ্ত হয়। এই বছৰ কিন্তু সকলো ওলট-পালট। বৰ্ষাকাল গ্ৰীষ্মই গ্ৰাস কৰিলে- যাৰ ফলত অসমত সৰ্বোচ্চ উষ্ণতা ৩৮° ছেন্টিগ্ৰেড পৰ্যন্ত হৈছে। পূৰ্বে কেতিয়াও এই উষ্ণতা হোৱাৰ ইতিহাস নাই। গৰমত জনসাধাৰণ অতীষ্ঠ হৈছে, মানুহ মৃত্যু মুখত পৰিছে, পথাৰত চিৰাল ফাঁট মেলাত কৃষকে খেতি কৰিব নোৱাৰি ভৱিষ্যতৰ দুৰ্দিনৰ কথা চিন্তা কৰি মৃত্যুক্ষণ গণিছে। পথাৰত বৰষুণ বা বানপানীতো নহ'লেই, চৰকাৰৰ ফালৰ পৰাও জলসিঞ্চনৰ সু-ব্যৱস্থা নকৰাত আজিৰ এই বৈজ্ঞানিক যুগতো খেতিয়কে পানীৰ অভাৱত খেতি কৰিব নোৱাৰাৰ দৰে দুৰ্ভাগ্যৰ বিষয় আৰু কি আছে !

শাৰদীয় উৎসৱৰ প্ৰাক্ক্ষণত আমি অনুভৱ কৰোঁ, আজিৰ সভ্য সমাজত মানুহ মানসিক আৰু আধ্যাত্মিক সুখ-আনন্দৰ পৰা প্ৰাকৃতিক দুৰ্যোগত বঞ্চিত হোৱাটো বাঞ্ছনীয় নহয়। কৃষি-প্ৰধান ৰাজ্য এখনত কৃষি উৎপাদনত বিঘ্নি জন্মিলে দেশৰ অৰ্থনীতিৰ অৱনতি ঘটে। কৃষিৰ নামত চৰকাৰে প্ৰতি বছৰে কোটি কোটি টকা ব্যয় কৰে, সেই ধনৰ সদ্ব্যৱহাৰ হোৱাটো কামনা কৰোঁ। খেতি-পথাৰত আৱশ্যকীয় জলসিঞ্চন বা পানী যোগানৰ ব্যৱস্থাটো আজি পৰ্যন্ত নোহোৱাটো পৰিতাপ আৰু হতাশজনক কথা। ইয়াৰ সদ্ব্যৱহাৰ আৰু বাস্তৱ ব্যৱস্থা দৃঢ়তাৰে গ্ৰহণ কৰিলে কৃষিৰ উন্নতিৰ লগতে অনায়াসে জাতীয় অৰ্থনীতি সবল কৰি সকলোৰে কল্যাণ সাধন কৰিব পৰা যাব।

শাৰদীয় উৎসৱে সকলোৰে মনোকষ্ট-দুৰ্গতি বিনাশ কৰি সুখ আৰু সমৃদ্ধিৰে জীৱন মহীয়ান কৰি তোলক !০

০সাপ্তাহিক অসম, ১ম বছৰ, ৩য় সংখ্যা, ২৫ চেপ্তেম্বৰ-২০০৬

# খৰাঙৰ পৰিণতি ঃ দুৰ্ভিক্ষৰ আশংকা

যি সময়ত অসমীৰ পথাৰ শস্য-শ্যামলা হৈ মলয়াৰ ৰিব্ ৰিব্ বতাহে সেউজীয়া ধাননি নৃত্যৰতা কৰি তুলি কৃষক ৰাইজৰ মনত আশাৰ বোল সিঁচি ভৱিষ্যতৰ সোণালী সপোন ৰচনা কৰে, সেই সময়তে লক্ষ লক্ষ কৃষকক পুলকিত কৰা সেই ৰূপৰ ঠাইত পথাৰ ছিৰা-মেলা হৈ নিৰাশা-নিৰানন্দৰ ক'লা ডাৱৰে কৃষকৰ মন আচ্ছন্ন কৰি ৰাখিলে। ইয়াৰ গুৰিতে হ'ল অসমৰ প্ৰকৃতিৰ নাভূত-নাশ্ৰুত কাণ্ড। অসমৰ ঋতুৰ ইতিহাসত ছটা ঋতুৱে বেলেগ বেলেগ সময়ত প্ৰকৃতিক বেলেগ বেলেগ ৰূপ দিয়ে। কিন্তু এই বছৰ পূৰ্বৰ ইতিহাস ঋতুৱে সলোৱা দেখা গৈছে। অসমৰ জনসাধাৰণৰ দুখ-দুৰ্গতি কূলাই-পাচিয়ে নধৰা কৰা আটাইতকৈ ভয়াবহ বৰ্ষা ঋতু বা বাৰিষাৰ কোনো উমঘাম পোৱা নগ'ল। গ্ৰীষ্মৰ পিছত বৰ্ষাৰ বানপানী যদিও ভয়াবহ, অসমৰ জাগতিক পৰিৱেশৰ কাৰণে বানপানীৰ প্ৰয়োজন অনস্বীকাৰ্য। যি অসমত জেঠ মাহৰ পৰা আৰম্ভ কৰি আহাৰ-শাওণ-ভাদলৈ (কেতিয়াবা আহিনলৈকো) তিনি-চাৰিটা বানপানী হয়, সেই অসমত এই কালছোৱাত বৰষুণ নাই, বানপানী নাই বুলি খেতিয়কে মূৰে-কপালে হাত দিবলগীয়া হ'ল। আনফালে গ্ৰীষ্মৰ পিছত বৰ্ষাৰ আহাৰ-শাওণ-ভাদ তিনিও মাহতে প্ৰখৰ ৰ'দৰ তাপমাত্ৰা বাঢ়ি যোৱাৰ ফলত জনজীৱন বিপন্ন হৈ পৰিল। যি সময়ত অসমক বানপীড়িত বুলি কোৱা হয়, সেই সময়ক এইবছৰ খৰাংপীড়িত বুলি হুৰা-দুৰা লগোৱা হ'ল।

কৃষি প্ৰধান ৰাজ্য অসমৰ খেতিয়কে বানপানীৰ তাণ্ডৱ-নিৰ্যাতনৰ মাজেদিয়ে জীৱন ধাৰণ কৰে। বাৰিষাৰ জীপাল কৰি ৰখা আৰু খাল-ডোং-বিলত ৰৈ যোৱা পানীৰে খেতিয়কে পথাৰৰ দ-বামত য'ত যি খেতি উপযোগী, সেইমতে কৃষি-কৰ্ম কৰে। অনাবৃষ্টি বা বাৰিষা অবিহনে শালি-বাও আদি ধান খেতি কৰাৰ স্বপ্ন ধূলিস্যাৎ হয়। এই বছৰ সেয়াই ঘটিল। পানীৰ অভাৱত খেতি কৰিব নোৱাৰি কৃষক ৰাইজ কিংকৰ্তব্যবিমূঢ় আৰু হতাশ হৈ পৰিছে।

অতীতৰ ধাৰণামতে অনাবৃষ্টি-বিনাবাৰে আকাল বা দুৰ্ভিক্ষ মাতি আনে। কিন্তু আজিৰ যান্ত্ৰিক যুগত অনাবৃষ্টি বা বাৰিষাৰ অবিহনে খৰাঙৰ



প্ৰকোপত বৈজ্ঞানিক পদ্ধতিৰে পথাৰত খেতি কৰিবলৈ পানী-যোগান ধৰিব নোৱাৰাটো অতি দুৰ্ভাগ্যজনক। অসমৰ পানী যোগানৰ কাৰণে জলসিঞ্চন নামৰ চৰকাৰী বিভাগ এটা আছে। এই বিভাগটোৱে কৃষিৰ উন্নতিৰ কাৰণে প্ৰতি বছৰে পানী যোগানৰ কাৰণে বিভিন্ন আঁচনি আৰু প্ৰকল্পৰ নামেৰে কোটি কোটি টকা ব্যয় কৰে। এই বছৰ বৰ্ষাত বৰষুণ-বানপানী নোহোৱা হৈ পৰাত খৰাঙৰ প্ৰকোপত পথাৰত ছিৰাল ফাট মেলাত খেতিয়কে খেতি কৰিবলৈ উপায়ন্তৰ হৈ পৰে। পথাৰত পানী যোগানৰ কাৰণে জলসিঞ্চন বিভাগৰ যি তৎপৰতা আৰু দায়িত্ব, তাক বিভাগটোৱে পালন কৰাত ব্যৰ্থ হৈছে বুলি অভিযোগ উঠিছে। উল্লেখ্য যে প্ৰতি বছৰে প্ৰকৃতিয়ে যোগান ধৰা পানী খেতিৰ কাৰণে পৰ্যাপ্ত পৰিমাণে হোৱা বাবে আৰু পথাৰত সহজতে শালি-বাও খেতি কৰি থাকিব পৰা কাৰণে, জলসিঞ্চন বিভাগে পানীৰ যোগান ধৰিছেনে নাই এই কথাত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। কিন্তু এই বছৰ খৰাঙৰ পথাৰত পানী নোহোৱা হৈ পৰাত, পানী যোগানৰ কাৰণে জলসিঞ্চন বিভাগে কি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে তাক বাস্তৱত জানিবলৈ সকলো ব্যস্ত হৈ পৰিল। অত বছৰে বানপানীয়ে ঢাকি ৰখা জলসিঞ্চন বিভাগৰ ব্যৰ্থতা খৰাঙে উদঙালে, জোলোঙাৰ মেকুৰী ওলাই পৰিল। বিভাগটোৱে আৱশ্যকমতে কৃষিৰ ক্ষেত্ৰত পানীৰ যোগান ধৰিব পৰা নাই। যাৰ ফলত, অসমৰ পথাৰ সোণোৱালী কৰা শালি ধানৰ খেতি কৰাৰ পৰা কৃষক ৰাইজে বঞ্চিত হ'ল। তাৰ উপৰি পথাৰত মাহজাতীয় খেতি কৰাৰ সুবিধাও নহ'ল। কৃষি বিভাগে আৱশ্যকীয় বীজ সময়মতে যোগান ধৰিবলৈ সমৰ্থ নহ'ল। আনকি কিছুমান বীজ খেতিৰ উপযোগী নহয় বুলিও অভিযোগ উঠিছে।

মুঠতে সকলো কথা গুণা-গঁথা কৰি ক'ব পাৰি যে এইবছৰৰ খৰাং বতৰৰ লগত কোটি কোটি টকা খৰচ কৰা চৰকাৰী বিভাগবোৰে মোকাবিলা কৰি শস্য উৎপাদনৰ যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ হৈছে। কৃষকে সময়ৰ খেতি সময়ত কৰিব নোৱাৰাৰ বাবে খেতিৰ উৎপাদন নোহোৱা হৈ পৰাটো খাটাং। সেয়া অসমৰ আকাল বা দুৰ্ভিক্ষৰ আগজাননী বুলি ক'ব পাৰি। সেইকাৰণে খৰাঙৰ পৰিস্থিতি, জলসিঞ্চন বা কৃষি বিভাগৰ ব্যৰ্থতা-হেমাহিৰ ফলস্বৰূপে অসমত যি সমস্যা উদ্ভাৱনাৰ আশংকা, সেই সমস্যাৰ প্ৰতিকাৰৰ কাৰণে চৰকাৰে আগতীয়াকৈ চিন্তা-চৰ্চা কৰি কৃষক ৰাইজক সময়ত অনাহাৰ-অনিদ্ৰাৰ পৰা পৰিত্ৰাণ পোৱাৰ ব্যৱস্থা হাতত লোৱাটো সমীচীন হ'ব।০

০সাপ্তাহিক অসম ঃ ১ম বছৰ, ৪ৰ্থ সংখ্যা, ৯ অক্টোবৰ- ২০০৬

# শিশু শ্ৰমিক নিষিদ্ধ আৰু উদ্ভাৱিত সমস্যা

ভাৰত চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰণালয়ে ১০ জুলাই, ২০০৬ নিউ দিল্লীৰ পৰা প্ৰকাশ কৰা বিজ্ঞপ্তিত (Vide No. S.O. 1029 (E)) শিশু শ্ৰমিক নিষিদ্ধ বা বন্ধ কৰিবলৈ তিনিমাহৰ সময় বান্ধি দিছিল। সেই সময়-সীমা পাৰ হোৱাৰ লগে লগে অৰ্থাৎ ১০ অক্টোবৰ, ২০০৬ ৰ পৰা নিকপকপীয়াকৈ কাৰ্যকৰী হোৱাৰ বাবে তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰণালয়ে সকলো ৰাজ্যলৈ জাননী প্ৰেৰণ কৰিছে। উক্ত বিজ্ঞপ্তিমতে — ঘৰুৱা বনকৰা ল'ৰা-ছোৱালী, ধাবা, চাহ দোকান, হোটেল বা ভোজনালয়, আমোদ-প্ৰমোদৰ থলী, পথৰ দাঁতিৰ সৰু-সুৰা দোকান, গেৰেজ আদিত শিশু শ্ৰমিক ৰখাটো নিষিদ্ধ কৰা হৈছে।

জন্মৰ পৰা পাঁচ বছৰ বয়সলৈ শিশুকাল বুলি কোৱা হৈছে যদিও ছবছৰৰ পৰা চৈধ্য বছৰ পূৰ্ণ হোৱাৰ আগমুহূৰ্তলৈ অৰ্থাৎ বাল্যকাল আৰু কৈশোৰৰ প্ৰথম স্তৰৰ বয়সৰ আনৰ ঘৰ বা প্ৰতিষ্ঠান আদিত কাম কৰা ল'ৰা-ছোৱালীক শিশু শ্ৰমিক বুলি গণ্য কৰা হৈছে। পাঁচ বছৰ বয়সলৈ ল'ৰা-ছোৱালী শ্ৰমৰ উপযোগী নহয়, সেইবাবে এই স্তৰৰ ল'ৰা-ছোৱালীক শ্ৰমিক বুলি কোৱাৰ আৱশ্যক হোৱা নাই। কিন্তু ছবছৰৰ পৰা চৈধ্যবছৰ বয়সৰ ভিতৰৰ ল'ৰা-ছোৱালীয়ে বয়স অনুপাতে নিজৰ শক্তিৰে শ্ৰম কৰি উপাৰ্জন বা উৎপাদন কৰিব পৰা হয়। সেই কাৰণে আৰ্থিক দুৰ্যোগত ভোগা পৰিয়ালৰ ল'ৰা-ছোৱালীক কিছুমান ঘৰ, দোকান, হোটেল, ধাবা, গেৰেজ আদিৰ মালিকে বনকৰা বা শ্ৰমিক হিচাবে নিয়োগ কৰি পেটে-ভাতে খুৱাই ৰাখি মজুৰী দিয়াৰ ব্যৱস্থা কৰে। এনে বনকৰা শ্ৰমিকসকলেই শিশু শ্ৰমিক।

কোৱাটো নিষ্প্ৰয়োজন যে যি সময়ছোৱাত ল'ৰা-ছোৱালীয়ে লিখা-পঢ়া কৰি দেহ আৰু মনৰ উৎকৰ্ষ আৰু বিকাশ সাধন কৰিব লাগে, সেই সময়ছোৱাত লোকৰ ঘৰত বা মালিকৰ অধীনত বনুৱা খাটিবলগীয়া হৈ শিক্ষা-দীক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। ভৱিষ্যত জীৱন সফল কৰি



তুলিবলৈ এই স্তৰৰ ল'ৰা-ছোৱালীক লোকৰ তলত বনুৱা হৈ কঠোৰ শ্ৰম কৰাৰ পৰা বিৰত ৰখাটো মানৱীয় প্ৰয়োজন আৰু শিক্ষা-দীক্ষাৰে দেশৰ নাগৰিক হোৱাৰ পথত ধাৱিত কৰাটো সভ্য সমাজ আৰু স্বাধীন দেশৰ প্ৰশাসকৰ অৱশ্য-কৰ্তব্য। সম্প্ৰতি দেশত নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে সৰ্বশিক্ষা অভিযান তীব্ৰতৰ কৰা দেখা গৈছে। শিশু শ্ৰমিকক স্বাক্ষৰিত কৰাৰ বাবে নগৰে-চহৰে, গাঁৱে-ভূঁৱে ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰক্ষৰ শিশু শ্ৰমিকক লিখিব-পঢ়িব শিকোৱাৰ উপৰিও দৈনন্দিন ব্যৱহাৰিক জীৱনৰ বাবে গণিত শিক্ষা আৰু আন আন সাধাৰণ বিষয়ৰ জ্ঞান দি সেইসকলৰ শাৰীৰিক, মানসিক, শৈক্ষিক উন্নতি সাধনত গুৰুত্ব দিয়া হৈছে। শিশু শ্ৰমিক নিষিদ্ধ কৰি সাক্ষৰতা অভিযান সঁচা অৰ্থত প্ৰয়োগ কৰাটো একান্ত কাম্য।

চৰকাৰী হিচাবমতে বৰ্তমান ভাৰতত ১৩ কোটি শিশু শ্ৰমিক আৰু তাৰ ভিতৰত অসমৰ শিশু শ্ৰমিকৰ সংখ্যা চাৰে তিনি লাখ বুলি কোৱা হৈছে। অসম তথা ভাৰতত দুবেলা দুমুঠি সদায় খাব নোপোৱা অসংখ্য পৰিয়াল আছে। সেইসকলৰ অনেক ভূমিহীন আৰু কৰ্ম-সংস্থাপন নথকা লোক। অভাৱগ্ৰস্ত অনেক লোকে আনৰ ঘৰত মাহেকীয়া বা বছৰেকীয়া চুক্তিত ল'ৰা-ছোৱালীক বন্ধা থৈ বা বনুৱা হিচাবে থাকিবলৈ দি পৰিয়ালটো কোনোমতে পোহপাল দিয়ে। ৰুগ্ন মাক বা দেউতাকে একো উপাৰ্জন কৰিব নোৱাৰা হ'লে বা পৰিয়ালৰ ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়ি গ'লে পেটৰ দায়ত কোনো দোকান, হোটেল, গেৰেজ, স্বচ্ছল পৰিয়ালত নিজৰ সন্তানক বনুৱা হিচাবে থ'বলৈ বাধ্য হয় — যাৰ ফলত, বনুৱা সন্তানৰ খুওৱা-পিন্ধোৱাৰ দায়িত্বৰ পৰা মাক-দেউতাকে পৰিত্ৰাণ পায় আৰু নিজৰ বাবেও মালিকৰ পৰা অলপ টকাৰ মুখ দেখে। কিছুমান মালিকৰ পৰা শ্ৰমিক বা বনুৱা ল'ৰা-ছোৱালীয়ে নানা গালি-শপনি, তিৰস্কাৰ, মাৰ-কিল খোৱা আদি নিৰ্যাতন ভোগাৰ অনেক উদাহৰণ আছে। অৱশ্যে আঙুলিৰ মূৰত লেখিব পৰা কিছুমান মালিক-মালিকনীয়ে মানৱীয় মূল্যবোধ বুজি শিশু শ্ৰমিক বা কাম কৰা ল'ৰা-ছোৱালীৰ ভৱিষ্যৎ জীৱনৰ কথাও চিন্তা কৰা দেখা যায়। তেনে ভাগ্যৱান শিশু শ্ৰমিকক মালিকে পঢ়া-শুনা কৰাই চাকৰিৰ ব্যৱস্থা পৰ্যন্ত কৰি দিয়া আৰু উপযুক্ত বয়সত ল'ৰা-ছোৱালীক বিয়া-বাৰু দিয়াৰ উদাহৰণো আছে। অৱশ্যে তেনে উদাহৰণ তেনেই নগণ্য। স্বীকাৰ্য যে দেশৰ অসংখ্য

জনতাৰ আৰ্তনাদ বুজা জনবন্ধু চিন্তাশীল ৰাষ্ট্ৰপতি কালামে মৰ্মে মৰ্মে উপলব্ধি কৰি তাক বাস্তৱত ৰূপায়িত কৰাৰ একাগ্ৰতাৰ কথা তেওঁৰ কৰ্ম আৰু কথাৰ পৰাই বুজা গৈছে। 'প্ৰতিখন গাঁৱৰ সৈতে জ্ঞানৰ সংযোগ' স্থাপন কৰাত গুৰুত্ব দিয়া মহান ৰাষ্ট্ৰপতি কালামে অসমৰ কামৰূপ জিলাৰ উত্তৰ পাৰৰ শুৱালকুছিত পদাৰ্পণ কৰি গাঁওখনৰ মুগা-পাটৰ শিল্পকৰ্ম আৰু গুৱাহাটীৰ পৰা চৌত্ৰিশ কিলোমিটাৰ দূৰত অৱস্থিত সোণাপুৰৰ ডিমৰীয়া উন্নয়নখণ্ডৰ গোমৰীয়া গাঁৱৰ আত্ম-সহায়ক গোটৰ হাঁহ পালন আৰু কণী উৎপাদন কেন্দ্ৰ দেখি স্তম্ভিত হৈ পৰে আৰু অসম তথা ভাৰতৰ প্ৰতিখন গাঁৱৰ আৰ্থিকভাৱে দুৰ্বলসকলক স্বাৱলম্বী কৰাৰ লগতে শিক্ষা-দীক্ষাৰে জ্ঞানৰ সংযোগ কৰি গাঁৱৰ বিকাশৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। দেশৰ মুৰব্বী কালামে অনুন্নত, অশিক্ষিত অথচ স্বাৱলম্বী হৈ গাঁৱৰ সৰ্বাঙ্গীণ উন্নতিত মনোনিৱেশ কৰা গোমৰীয়া অঞ্চলৰ সমবেত ৰাইজক দেশৰ অমূল্য সম্পদ ল'ৰা-ছোৱালীক লিঙ্গভেদে সমানে গুৰুত্ব দি সমাজৰ উন্নতিৰ কামত নিয়োজিত কৰি স্বাস্থ্য আৰু সুখ-সমৃদ্ধিৰ কাৰণে সীমিতি পৰিয়াল পতা, কঠোৰ পৰিশ্ৰমেৰে উপাৰ্জন কৰা, মদ আৰু জুৱা খেলৰ পৰা বিৰত থকা, ঘৰখন পৰিষ্কাৰ কৰি গাঁও তথা দেশখন পৰিষ্কাৰ কৰাত অৰিহণা যোগোৱা চৌপাশৰ পৰিৱেশ প্ৰদূষণমুক্ত কৰি ঘৰখন, গাঁওখন, সমাজখন তথা দেশখন উন্নত আৰু সুন্দৰ কৰি তুলিবলৈ সমবেত জনতাক শপত খুৱায়। এনে দৃষ্টান্তৰ কথা ভাৰতৰ ৰাজনীতিৰ ইতিহাসত জনা নাযায়।

ৰাষ্ট্ৰপতিয়ে জনসমাজক খুওৱা শপতৰ ভিতৰত আটাইতকৈ উল্লেখনীয় হ'ল জনতাক মদ্যপান আৰু জুৱা খেলৰ পৰা বিৰত ৰখা। মাদক দ্ৰব্য সেৱনে বিশৃংখলতা, দুষ্কৃতি, ব্যভিচাৰেৰে এখন সুন্দৰ ঘৰ, সমাজ বা দেশৰ অনিষ্ট সাধন কৰাৰ লগতে মদ-জুৱা আদিয়ে ব্যক্তি, সমাজ আৰু দেশৰ উন্নয়নৰ ক্ষেত্ৰত যে অন্তৰায় হৈ পৰিছে তাক মহান হৃদয়ৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভালদৰে অনুধাৱন কৰিব পাৰিছে। সেইকাৰণে ৰাষ্ট্ৰ-নায়কজনে গাঁৱৰ তথা দেশৰ সৰ্বাঙ্গীণ উন্নয়নৰ কাৰণে মদ-জুৱাৰ পৰা ৰাইজক আঁতৰত থকাৰ ওপৰত গুৰুত্ব দিছে। এই প্ৰসংগত উল্লেখযোগ্য যে — 'মদ-জুৱাৰ পৰা আঁতৰত বা বিৰত থাকিম' বুলি ৰাষ্ট্ৰপতিৰ পৰা শপত গ্ৰহণ কৰা জনসভাত অসংখ্য ৰাইজৰ লগত অসমৰ ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেন্ট জেনেৰেল অজয় সিং, অসমৰ মুখ্য মন্ত্ৰী তৰুণ গগৈ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী



চন্দন ব্ৰহ্ম প্ৰমুখ্যে অনেক জন মন্ত্ৰী-বিধায়ক, নেতা-পালিনেতা, আমোলা-বিষয়া আদিও আছিল। ৰাষ্ট্ৰপতিৰ পৰা শপত গ্ৰহণ কৰাৰ পিছত যদি সেইসকলৰ কাৰোবাৰ সেই বদ্‌গুণ ফেৰা আছে অন্ততঃ তেনেজনে সেইবোৰ পৰিহাৰ কৰি সৎ, নিষ্ঠাৱান, মানৱ-দৰদী ৰাষ্ট্ৰনেতা আব্দুল কালামে দিয়া শপতক অক্ষৰে অক্ষৰে পালন কৰি সমাজত আদৰ্শ প্ৰতিষ্ঠা কৰক। এয়া নিশ্চয় শপত লওঁতাসকলৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য হ'ব।

ৰাষ্ট্ৰপতিৰ পৰা শপত গ্ৰহণ কৰাৰ পিছত অসম ৰাজ্যৰ ৰাজ্যপাল, মুখ্য মন্ত্ৰী প্ৰমুখ্যে মন্ত্ৰী-বিধায়ক, শাসকসকলে সেই আদৰ্শ বাস্তৱত পৰিণত কৰিবলৈ অসমৰ বিভিন্ন অঞ্চলৰ ৰাইজক শপত খুৱাই মদ-জুৱাৰ প্ৰচলন ব্যাহত কৰাটো অৱশ্য-কৰ্তব্য। এই প্ৰসংগত অসম চৰকাৰৰ 'ন-যযৌ ন-তস্থৌ' অৱস্থা যে হ'ব সেয়া ধ্ৰুৱপ। কিয়নো যোৱা ডেৰশ বছৰে অসমত যিমান সংখ্যক উচ্চ বিদ্যালয় গঢ়ি উঠিল, মাত্ৰ পঁচিশ-ত্ৰিশ বছৰত প্ৰায় সমান সংখ্যক মদৰ দোকান বা বিপণীৰ অনুজ্ঞা-পত্ৰ চৰকাৰে দিছে। মদ ইমান সহজলভ্য হৈ পৰাৰ কাৰণে স্কুল-কলেজ তথা যুৱ-প্ৰজন্মৰ সৰহ সংখ্যকে 'হলাহল' বুলি নহয়, 'অমৃত' বুলি পান কৰি জীৱন বিষময় কৰাৰ লগতে সমাজকো কলুষিত কৰি ৰাখিছে। অসমৰ দুৰ্নীতি-দুষ্কৃতি-বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ ক্ষণত ৰাষ্ট্ৰপতি কালামৰ পৰা গ্ৰহণ কৰা শপত অসমৰ ৰাজনৈতিক নেতা, মন্ত্ৰী, আমোলা-বিষয়া তথা অসম চৰকাৰে বাস্তৱত ৰূপায়িত কৰি অসমক শান্তি-সমৃদ্ধিৰে ভৰা এখন সুন্দৰ ৰাজ্য হিচাপে পৰিগণিত কৰাৰ আশু-ব্যৱস্থা গ্ৰহণ কৰাটো সমীচীন হ'ব। ○

---

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ৬ষ্ঠ সংখ্যা, ২৩ অক্টোবৰ-২০০৬

# অসমৰ বিদ্যুৎ সমস্যা আৰু সমাধান

ভাৰতৰ ভিতৰত অসম বিদ্যুৎ উৎপাদন আৰু সৰবৰাহত পিছপৰা ৰাজ্য, কিন্তু বিদ্যুৎ বিজুতিত আৰু মাচুল বৃদ্ধিত অগ্ৰণী ৰাজ্য। জানিব পৰা মতে, এক লাখ বিশ হাজাৰ মেগাৱাট বিদ্যুৎ উৎপাদন হোৱা ভাৰতত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে নিজাববীয়াকৈ এশ মেগাৱাটো বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হোৱা নাই। ইকূল-সিকূল চকুৰে মনিব নোৱাৰা ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ মহাবাহু ব্ৰহ্মপুত্ৰ প্ৰৱাহিত হৈ থকা অসমৰ কাৰণে সেয়া চৰম হতাশা আৰু অধোগতিৰ বিষয়। অসমত বিদ্যুতৰ চাহিদা পিক্-ৱায়াৰ্ছত প্ৰায় ছশ মেগাৱাটৰ বেছি বুলি প্ৰকাশ। আৰ ছিগা চুলি, তাৰ ছিগা চুলিৰে নেঘেৰী খোপা বন্ধাৰ দৰে এশতকৈও কম মেগাৱাট বিদ্যুৎ উৎপাদন কৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে অ'ৰ ত'ৰ পৰা বিদ্যুৎ আনি জোৰা মাৰিবলৈ চেষ্টা চলাই আছে।

উল্লেখযোগ্য যে অসমৰ লাকুৱা আৰু নামৰূপ তাপ-বিদ্যুৎ প্ৰকল্পৰ পৰা বিদ্যুৎ পৰিষদে উৎপাদন কৰা ৭০/৯০ মেগাৱাট তাপ-বিদ্যুৎ চাহিদা অনুপাতে এপাচি শাকত এটা জালুকহে। সেয়ে বাৰিষাত এন.এইছ.পি.চি আৰু নিপ্‌ক'ৰ পৰা পোৱা প্ৰায় চাৰিশ মেগাৱাট জল-বিদ্যুৎ আৰু নিপ্‌ক'ৰ কঁঠালগুৰি আৰু ত্ৰিপুৰাৰ পৰা পোৱা প্ৰায় দুশ মেগাৱাট তাপ-বিদ্যুৎ অসম বিদ্যুৎ পৰিষদে উপভোক্তাক যোগান ধৰে। মন কৰিবলগীয়া যে খৰালি কালত জল-বিদ্যুতৰ উৎপাদন বহুলাংশ কমি যোৱাত বিদ্যুৎ পৰিষদৰ বিদ্যুৎ কৰ্তনৰ ফলত ৰাইজৰ দুখ-দুৰ্গতি কুলাই-পাচিয়ে নধৰা হয়।

চৰকাৰ আৰু পৰিষদৰ অদূৰদৰ্শিতা, দায়িত্বহীনতা, দুৰ্নীতি-দুষ্কৃতি-লুন্ঠনৰ ফলত চাহিদা অনুযায়ী বিদ্যুৎ যোগান ধৰিবলৈ ব্যৰ্থ হোৱাত অসমৰ গাঁও-ভূঁই, নগৰ-চহৰ সৰহভাগ সময়তেই আঁউসীৰ অন্ধকাৰত ডুব গৈ থাকে। মানুহৰ দৈনন্দিন জীৱন, শিক্ষা, বেপাৰ-বণিজ, সভা-সমিতি, অনুষ্ঠান আদিত ব্যাঘাত জন্মাৰ দৰে বিশেষকৈ শিল্প-উদ্যোগ আৰু কম্পিউটাৰ প্ৰযুক্তি আদিত প্ৰায় সময়তে অচলাৱস্থাৰ সৃষ্টি হৈ আছে।

আগ-পিছ নুগুণাকৈ অসমৰ অজস্ৰ গাঁও-ভূঁইৰ উন্নয়ন দেখুৱাবলৈ



বিদ্যুতৰ খুঁটা পুতি তাঁৰ টানি বিজুলী সংযোগ কৰা হৈছে যদিও সেয়া বহু ক্ষেত্ৰত চৰকাৰৰ বাঃ বাঃ লোৱাৰ ভেঁকো-ভাওনা যেনহে লাগে। গাঁওবাসীয়ে বিজুলীৰ লুকা-ভাকু দেখাৰ বাহিৰে বিদ্যুৎ পৰিষদে যোগান ধৰা বিজুলী পোহৰেৰে ছাত্ৰ-ছাত্ৰীক লিখা-পঢ়া, পৰিয়াল বা সমাজ বিশেষভাৱে উপকৃত হোৱা নাই। বিজুলী সংযোগ থকা অনেক গাঁৱত মমবাতি, ২৫/৩০ টকা লিটাৰত কিনা কেৰাচিন তেলৰ লেম্প-চাকি আদিৰে ৰাতিৰ সৰহভাগ সময় কটায়। পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ আলৈ-আহুকাল অবৰ্ণনীয়।

উল্লেখ কৰিব লগা কথা যে অসম চৰকাৰে উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগ পোৱা বাৰ হাজাৰৰ ওপৰ ছাত্ৰ-ছাত্ৰীক 'আনন্দৰাম বৰুৱা বঁটা' নামেৰে কম্পিউটাৰ উপহাৰ দিছে। বিদ্যুৎ সঙ্কটৰ কাৰণে সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কম্পিউটাৰ শিকি ব্যৱহাৰ কৰিব পৰা নাই। কম্পিউটাৰৰ জ্ঞান আৰু শিক্ষাৰ প্ৰয়োজনীয়তা বিশ্বায়নৰ যুগত নিশ্চয় স্বীকাৰ কৰিব লাগিব। সেয়ে তাৰ সদ্ব্যৱহাৰৰ কাৰণে বিদ্যুতৰ সৰবৰাহ সবাতোকৈ প্ৰয়োজনীয়। বিদ্যুৎ সঙ্কট ৰাজ্যখনৰ উন্নতি-প্ৰগতিৰ অন্তৰায় হৈ পৰিছে। অসমৰ অৰ্থনৈতিক উন্নতিৰ কাৰণে শিল্প-উদ্যোগৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। বিদ্যুৎ কৰ্তন বা নাটনিৰ কাৰণে চৰকাৰী আৰু কেইবাহাজাৰো ব্যক্তিগত খণ্ডৰ উদ্যোগ আৰু শিল্প প্ৰায় অচল হৈ পৰিছে। এই ক্ষেত্ৰত অসমৰ চাহ শিল্পসমূহ আৰু লগতে ছপাশাল, ধানমিল, কাঠমিল, লো-কাৰাখানা আদি ক্ষুদ্ৰ উদ্যোগসমূহ বিদ্যুৎ সঙ্কটত জীয়াতু ভুগিছে। যাৰ ফলত, অসমৰ অৰ্থনীতি বিপদাপন্ন হৈ পৰিছে।

স্বাধীনতা লাভ কৰাৰ ষাঠি বছৰত ভৰি দিয়া অসমক আজি পৰ্যন্ত বিদ্যুৎ যোগানৰ ক্ষেত্ৰত বিপৰ্যস্ত কৰি ৰখাৰ দৰে চৰকাৰৰ ব্যৰ্থতাৰ আন কি উদাহৰণ থাকিব পাৰে ! এই ব্যৰ্থতাৰ কাৰণে প্ৰতি বছৰে বিভিন্ন সংগঠনে বিদ্যুৎ পৰিষদৰ কাৰ্যালয় ঘেৰাও, লণ্ড-ভণ্ড, তলা বন্ধ, অন্ত্যেষ্টিক্ৰিয়া আদি কাৰ্যসূচী পালন কৰি আহিছে। বিদ্যুৎ সঙ্কটৰ সমস্যা সমাধানৰ কাৰণে চৰকাৰ আৰু অসম বিদ্যুৎ পৰিষদে আন্তৰিকতা আৰু নিস্বাৰ্থ জনসেৱাৰ মনোভাবেৰে কামত ব্ৰতী হৈ ৰুগ্ন প্ৰকল্পকেইটা সুস্থ কৰাৰ লগতে বিদ্যুতৰ চাহিদা পূৰাবলৈ অচিৰে কেইটামান জল-বিদ্যুৎ আৰু তাপ-বিদ্যুৎ প্ৰকল্প নিজাববীয়াকৈ গঢ়ি তোলাৰ ব্যৱস্থা হাতত লওক। তাৰ ব্যতিৰেকে হয়তো অসম বিদ্যুৎ পৰিষদ তথা চৰকাৰ গণ-আন্দোলনৰ সন্মুখীন হ'ব লাগিব পাৰে।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ৭ম সংখ্যা, ৩০ অক্টোবৰ-২০০৬

# মূল্য বৃদ্ধি ঃ ৰাইজৰ মূৰত ৰাম-টাঙোন

খৰাঙে দুৰ্ভিক্ষৰ আগজাননী দিয়া অসমৰ জনসাধাৰণে বৰ্তমান বস্তুৰ জুই-ছাই দামত পেপুঁৱা লাগি জীৱন-মৰণ সমস্যাত দিন কটাইছে। বিশেষকৈ যোৱা সাধাৰণ নিৰ্বাচনত সোঁ-পন্থী, বাঁও-পন্থী, আঞ্চলিক দল আৰু অন্যান্য প্ৰাৰ্থীক ব্যৱসায়ী গোষ্ঠীয়ে মোটা ধনৰ টোপোলা আগবঢ়োৱাৰ ফলস্বৰূপে চৰকাৰ গঠনৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ আৱশ্যকীয় সামগ্ৰীৰ মূল্য ২০%/৪০% লৈ বৃদ্ধি পালে। অসাধু ব্যৱসায়ী চক্ৰ তথা দুৰ্নীতিপৰায়ণ মালিক আদিয়ে নিৰ্বাচনৰ প্ৰাৰ্থীলৈ ধন সম্পদ আগবঢ়োৱাৰ বিনিময়ত বস্তুৰ মূল্য বৃদ্ধি কৰি জনসাধাৰণক মাধমাৰ শোধাইছে।

অসমৰ খৰাং বতৰৰ লগত চৰকাৰে জলসিঞ্চনৰ সুবিধা, বীজ-সঁচ, সাৰ আদি সময়মতে কৃষক ৰাইজৰ মাজত বিতৰণ কৰিব নোৱাৰাৰ ফলত অসমৰ ৰাইজ ভয়ঙ্কৰ অনাটনৰ সন্মুখীন হৈ আছে। তাৰ উপৰি, উগ্ৰপন্থী দমনৰ নামত অজস্ৰ সেনা-বাহিনী, অৰ্ধ-সামৰিক বাহিনী আদিৰ লগত দিনৌ কোটি কোটি টকা ব্যয় কৰি আছে। এই সকলোবোৰ ব্যয়ৰ বোজা সাধাৰণ কৃষক, বনুৱা, শ্ৰমজীৱী ৰাইজৰ মূৰত।

আকাশলঙ্ঘী মূল্যবৃদ্ধিৰ ফলত উদ্ভৱ হোৱা অসমৰ বাস্তৱ ছবিখন অতি যন্ত্ৰণাদায়ক, দুৰ্বিষহ। এশ-এবুৰি সমস্যাত জৰ্জৰিত দুৰ্গত ৰাইজে মূল্য বৃদ্ধিৰ ফলত কেনেদৰে জীয়াতু ভুগিছে, তাক শাসনৰ বাঘজৰী লোৱা তৰুণ গগৈ চৰকাৰে দেখিও যেন চকু মুদা কুলিৰ ভাও ধৰিছে। গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতবৰ্ষত শাসক দলে সাধাৰণ ৰাইজক মাথোন 'ভোট বেংক' হিচাপেহে যোৱা প্ৰায় ষাঠি বছৰে গণ্য কৰি অহা দেখা গৈছে। দুৰ্গত জনসাধাৰণৰ সাংবিধানিক অধিকাৰ তথা সেইসকলৰ অভাৱ-অনাটন, হা-হুমুনিয়াহ, নিৰ্যাতনৰ সঁচা ছবিৰ প্ৰতিফলন আজিও ঘটা নাই। সংবিধানৰ নামত মাথোন এক গণতান্ত্ৰিক ভাওনাহে চলি আছে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল, ৰাষ্ট্ৰীয় বাওঁপন্থী দল ভাৰতীয় কমিউনিষ্ট (মাৰ্ক্স), ভাৰতীয় কমিউনিষ্ট আৰু তেওঁলোকৰ সহযোগী দলসমূহেও দুই-তিনি দশক ধৰি মূল্যবৃদ্ধিৰ বিৰুদ্ধে কোনো আন্দোলন বাস্তৱত কৰা নাই। সাম্যবাদী দলসমূহে বাতৰি-কাকত, দূৰদৰ্শন, সভা-সমিতি আদিত



দিয়া বক্তৃতাত খাদ্য সমস্যা আৰু মূল্য বৃদ্ধিৰ বিৰুদ্ধে প্ৰচাৰ কৰা বা বিবৃতি দিয়াৰ বাহিৰে ফলপ্ৰসূ কিবা কৰিছে বুলি অসমৰ ৰাইজ পতিয়ন নাযায়। এসময়ত মূল্য বৃদ্ধিৰ বিৰুদ্ধে কমিউনিষ্ট দলসমূহে ধৰ্ণা, শোভাযাত্ৰা, সভা-সমিতি আদিৰে চৰকাৰ আৰু মজুতকাৰীৰ বিৰুদ্ধে সদায় জাগ্ৰত আৰু সৰৱ হৈ আছিল, আন্দোলন কৰিছিল, জেল খাইছিল, আৰক্ষীৰ লাঠি-বন্দুকৰ নলীৰ কোব খাইছিল আৰু কৃষক-বনুৱা-ছাত্ৰ তথা ৰাইজ তেওঁলোকৰ আন্দোলনত জঁপিয়াই পৰিছিল। বৰ্তমান সোঁ-পন্থী, বাঁওপন্থীৰ মাজত বক্তৃতাৰ পাৰ্থক্যহে আছে, কামৰ পাৰ্থক্য নাই। ক্ষমতাৰ গাদীৰ খকত মতলীয়া হৈ নিজৰ ভিতৰত খোৱা-কামোৱা কৰি থকা আঞ্চলিক দল অগপ, বিভিন্ন ছাত্ৰ সংগঠন, যুৱ ছাত্ৰ সংগঠনসমূহেও মূল্য বৃদ্ধিৰ প্ৰতিবাদত জনতাৰ আকৰ্ষণীয় কোনো আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজনবোধ কৰা দেখা নাই। আচল কথা হ'ল, আজিকালি ৰাইজক প্ৰতিনিধিত্ব কৰা সোঁ-পন্থী, বাঁওপন্থী, চৰকাৰ পক্ষ, বিৰোধী পক্ষ বা বিভিন্ন সংগঠনৰ যিসকল নেতা-পালিনেতা, সেইসকলে মূল্য বৃদ্ধিক ডাঙৰ সমস্যা বুলি গণ্য নকৰে। প্ৰায়ভাগৰে ঘৰ বিবিধ উপকৰণৰ সু-স্বাদু খাদ্য, অত্যাধুনিক আদব-কায়দাৰ সা-সম্পদ আদিৰে ৰাতিপুৱাৰ পৰা সুখ-স্বাচ্ছন্দ্যময় হৈ থাকে। তেওঁলোকে মূল্য বৃদ্ধি, খাদ্য–অনাটনৰ প্ৰচাৰ মাধ্যমত ব্যৱহৃত শব্দহে বুলি গণ্য কৰে। এনে শব্দ প্ৰয়োগ কৰি দুৰ্গতসকলক তেওঁলোকে বিনা খৰচে বক্তৃতা খুৱাই আছে। প্ৰয়োজনতকৈ বহুগুণে (শ-হাজাৰ গুণ পৰ্যন্ত) বেছিৰ অধিকাৰী এই জনসেৱকসকলৰ অসম তথা ভাৰতৰ লাখ-লাখ, কোটি-কোটি জনতাই মূল্য বৃদ্ধিৰ ফলত অনাহাৰে, অনিদ্ৰাই কেনেদৰে চট্‌ফটাই মৃত্যুক্ষণ গণি আছে, তাৰ খবৰ ৰখাৰ প্ৰয়োজনেই বা কি?

মূল্য বৃদ্ধি ৰোধ কৰিবলৈ অচিৰে এটা গণ আন্দোলন অৱশ্যম্ভৱী। ৰাজনৈতিক দল বা সংগঠনে এই আন্দোলনৰ গুৰি ধৰাৰ সাহস আছে বুলি ভাবিব নোৱাৰি। অসমৰ প্ৰায় প্ৰতিটো পৰিয়ালতে ছাত্ৰ-ছাত্ৰী আছে, যুৱক-যুৱতী আছে। এইসকলৰ শতকৰা ৯০ জনে দৰিদ্ৰ জনগণৰ দুৰ্দশাৰ কথা ভালদৰে জানে। পৰিয়ালৰ সভ্য হিচাপে ছাত্ৰ-ছাত্ৰীয়েও মূল্য বৃদ্ধিৰ ফলত জীয়াতু ভুগিছে। সেয়েহে মূল্য বৃদ্ধি ৰোধ কৰিবলৈ ছাত্ৰসন্থা, যুৱছাত্ৰ পৰিষদৰ দৰে সংগঠনে ছাত্ৰ-ছাত্ৰীৰ মূল দায়িত্ব বিঘ্নিত নোহোৱাকৈ গাঁৱে-ভূঁৱে, অঞ্চলে-অঞ্চলে, জিলাই-জিলাই এক জনজাগৰণ আনি অসম ব্যাপী তীব্ৰ আন্দোলনৰ ৰূপ দিয়াটোৰ বাহিৰে গত্যন্তৰ নাই। ○

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ৮ম সংখ্যা, ৬ নৱেম্বৰ-২০০৬

# সন্ত্ৰাসবাদৰ অৱসান হওক

স্বাধীনতা লাভ কৰাৰ লগে লগে অসমক ভাৰতৰ অঙ্গৰাজ্য বুলি গণ্য কৰি ভাৰত গণৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হ'ল যদিও অসম কেন্দ্ৰৰ ঔপনিৱেশিক শাসন-শোষণ-লুন্ঠনৰহে থলী হৈ থাকিল। অসমৰ প্ৰতি কেন্দ্ৰৰ অবিচাৰ আৰু অসমক ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰি কেন্দ্ৰই মাহী আইৰ দৃষ্টিৰে চোৱাত অসমৰ জাতীয় জীৱন তথা লাখ-লাখ যুৱক-যুৱতীৰ ভৱিষ্যত অন্ধকাৰাচ্ছন্ন হৈ পৰিবলৈ ধৰে। অহিংস আন্দোলনেৰে ন্যায্য-প্ৰাপ্তি পূৰণ কৰিব নোৱাৰাত এচাম যুৱকে সশস্ত্ৰ সংগ্ৰামৰ আখৰাত ব্ৰতী হৈ হাতত মাৰণাস্ত্ৰ তুলি ললে। কেন্দ্ৰই যুৱক-যুৱতীসকলৰ ক্ষোভৰ কথা উপলব্ধি কৰিবলৈ আন্তৰিক চেষ্টা নকৰি ৰাষ্ট্ৰ-সন্ত্ৰাসেৰে সশস্ত্ৰ সংগ্ৰাম দমন কৰিবলৈ উঠি-পৰি লাগিল। পূৰ্বাঞ্চলৰ সন্ত্ৰাসবাদক ভাৰতীয় সেনা আৰু পুলিচ বাহিনীৰ শক্তিৰ আগত তেনেই তুচ্ছ-তাচ্ছিল্য বুলি ধাৰণা কৰি সন্ত্ৰাসবাদ নিঃশেষ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিলে। উগ্ৰপন্থীয়েও সেনা আৰু পুলিচ বাহিনীক ঠাই বিশেষে বন্দুক-বাৰুদেৰে প্ৰত্যুত্তৰ দিবলৈ আগবাঢ়ি গ'ল। যাৰ ফলত, দুয়োপক্ষৰ মাজত হোৱা গুলিয়াগুলীত অনেকজনৰ প্ৰাণ হানি হ'ল আৰু অনেক ঘুণীয়াও হ'ল। চৰকাৰে উগ্ৰপন্থীৰ মাজত বিভাজনৰ সৃষ্টি কৰি ভাতৃবধৰ সূচনা কৰি সন্ত্ৰাসবাদ কঠোৰতাৰে দমন কৰিবলৈ বিভিন্ন কৌশল আৰু সৰ্বশক্তি প্ৰয়োগ কৰিলে যদিও অসমত মৃত্যু-বিভীষিকাৰ বাদে সন্ত্ৰাসবাদ দমনৰ কোনো ফল ধৰা নাই। দুয়োপক্ষৰ আক্ৰমণ-প্ৰতিআক্ৰমণত বহুতো নিৰপৰাধী শিশু, কিশোৰ, যুৱক-যুৱতী, বৃদ্ধ-বৃদ্ধা নিৰ্যাতন ভোগ কৰি মৃত্যুমুখত পৰিল। হত্যা-লুন্ঠন, হিংসা-প্ৰতিহিংসা, গুলীয়াগুলী, বোমা-বিস্ফোৰণত সমগ্ৰ অসম কঁপি উঠিছে। অসমৰ অনেক নগৰ-চহৰ-গাঁও বধ্যভূমিত পৰিণত হৈছে। সেনা আৰু উগ্ৰপন্থীৰ বাহিৰেও গুলীয়াগুলী, বোমা-বিস্ফোৰণ আদিত নিৰপৰাধী অনেক লোকে অনাহকত প্ৰাণ বিসৰ্জন দিব লগা হৈছে। 'দুই ম'হৰ ৰণত বিৰিণাৰ মৰণ'ৰ দৰে সেনা বা পুলিচ বাহিনী আৰু উগ্ৰপন্থীৰ মাজত হোৱা আক্ৰমণ-প্ৰতিআক্ৰমণ, বোমা বিস্ফোৰণ আদিত নিৰ্বিচাৰে নিৰীহ লোকক মৃত্যুমুখলৈ থেলি দিয়াটো অতি হৃদয়-



বিদাৰক। যোৱা কুৰি বছৰৰ ওপৰ ধৰি সংঘটিত হৈ থকা এনে মৰ্মান্তিক ঘটনা দল-সংগঠন-ব্যক্তিয়ে গৰিহণা দি মৌন-সমদল, সভা-সমিতি পাতি প্ৰতিবাদ কৰি এনে অমানৱীয় কাণ্ড বা ঘটনাৰ পুনৰাবৃত্তি নঘটাবলৈ মাৰণাস্ত্ৰধাৰীসকলক সকীয়াইছে। কিন্তু সকলো অৰণ্য-ৰোদনহে। শেহতীয়াকৈ ৫ নৱেম্বৰৰ সন্ধিয়া গুৱাহাটী মহানগৰীৰ পাথৰ কুঁৱেৰি আৰু ফাঁচীবজাৰত বিস্ফোৰিত শক্তিশালী বোমা দুটাই চৈধ্যজন লোকৰ দেহ টুকুৰা-টুকুৰ কৰি মৃত্যুমুখত পেলায় আৰু প্ৰায় দুকুৰিজন আহত হৈ চিকিৎসাধীন হয়। নিৰপৰাধী লোকৰ জীৱন নিপাত কৰা দুষ্কৰ্মক শতমুখে গৰিহণা দি শোক সমদল, বন্ধ পালন আদিৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা হয়।

আনহাতে, প্ৰাপ্ত বাতৰিমতে যোৱা সপ্তাহত ডিব্ৰুগড় জিলা আৰু তিনিচুকীয়া জিলাত সেনা-বাহিনীয়ে আলফাক হত্যা কৰা, মহং গাঁৱৰ নঙলামুখত বায়েকৰ লগত ভায়েকে খেলি থকা অৱস্থাত সেনাই গুলীৰে শিশু-ভাতৃক হত্যা কৰা আদিৰ বিৰুদ্ধে হাজাৰ হাজাৰ লোকে পদ সমদলৰে ৰাষ্ট্ৰ সন্ত্ৰাস তথা সেনাৰ আক্ৰমণক গৰিহণা দি 'আলফা জিন্দাবাদ', 'আলফা অমৰ হওক' আদি ধ্বনিৰে ৰাষ্ট্ৰসন্ত্ৰাসৰ তীব্ৰ প্ৰতিবাদ কৰিছে। এফালে উগ্ৰপন্থীৰ বোমা-বিস্ফোৰণ আৰু আনফালে সেনাৰ গুলী বৰ্ষণত হত্যা-সন্ত্ৰাস দুয়োটাকে ৰাইজে সমৰ্থন কৰা নাই। ৰাষ্ট্ৰ-সন্ত্ৰাস আৰু উগ্ৰপন্থী-সন্ত্ৰাস বন্ধ হোৱাটো আৰু তাৰ ঠাইত সুখ-শান্তি বিৰাজ কৰাটো সকলোৰে কাম্য। আলফাই গঠন কৰি দিয়া পি. চি. জিয়ে শান্তি প্ৰক্ৰিয়াৰ কাৰণে ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদৰ উপদেষ্টা এম. কে. নাৰায়ণ আৰু গৃহ সচিব বি. কে. ডুগলৰ লগত হোৱা কেবালানিও আলোচনাই কেন্দ্ৰীয় চৰকাৰ আৰু আলফাৰ মাজত শান্তি আলোচনা নিশ্চয়কৈ হ'ব বুলি অসমৰ ৰাইজে আন্তৰিকতাৰে আশা কৰিছিল। কিন্তু শেষ মুহূৰ্তত দুয়োপক্ষৰ শুদ্ধ বুজাবুজিৰ অভাৱত শান্তি -আলোচনা ব্যাহত হয়। ভাৰতৰ প্ৰধানমন্ত্ৰী ড° মনমোহন সিং অসমৰ প্ৰতিনিধি। তেখেতে অসমৰ উগ্ৰপন্থীৰ সমস্যা ভালদৰে উপলব্ধি নকৰাকৈ নিশ্চয় থকা নাই। অসম উগ্ৰপন্থী আৰু সেনা-পুলিচ বাহিনীৰ সন্ত্ৰাসত মানৱতাৰ বধ্যভূমি হোৱাটো তেখেতে নিশ্চয় নিবিচাৰে। সেয়ে প্ৰধানমন্ত্ৰী ড° সিঙে গুৰুত্ব সহকাৰে কেন্দ্ৰ আৰু আলফাৰ প্ৰত্যক্ষ আলোচনাত আগভাগ লৈ সন্ত্ৰাসবাদ ৰোধ কৰি ৰাজ্যখনলৈ সুখ-শান্তি-সমৃদ্ধি ঘূৰাই আনিবলৈ সকলো প্ৰকাৰৰ ব্যৱস্থা ল'ব বুলি অসমৰ ৰাইজ গভীৰ আশাবাদী। ○

---

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ৯ম সংখ্যা, ১৩ নৱেম্বৰ-২০০৬

# প্ৰসংগ ঃ যমুনামুখৰ উপ-নিৰ্বাচন—অসম গণ-পৰিষদৰ অস্তিত্বৰ সংকট

নগাঁও জিলাৰ যমুনামুখ বিধান সভাৰ উপ-নিৰ্বাচনৰ ফলাফলত অসমৰ জাতীয় অস্তিত্বৰ ছবছৰীয়া (১৯৭৯-৮৫) আন্দোলনৰ প্ৰায় সাত শ আঠ শতাধিক ছহিদৰ তেজ আৰু হাজাৰ হাজাৰ জন অসমীয়া লোকৰ ত্যাগ-নিৰ্যাতনৰ বিনিময়ত ৰাইজৰ দ্বাৰা গঠন হোৱা দল অসম গণ-পৰিষদৰ সভাপতি-সম্পাদক প্ৰমুখ্যে নেতৃবৃন্দৰ ওঁঠত সন্তুষ্টিৰ হাঁহি বিৰিঙি উঠা পৰিলক্ষিত হৈছে। তেওঁলোক উৎফুল্লিত হোৱাৰ কাৰণ, দুবাৰকৈ অসম গণ-পৰিষদৰ প্ৰাৰ্থী হৈ জয়লাভ কৰা আৰু ২০০৬ চনৰ এপ্ৰিল মাহৰ সাধাৰণ নিৰ্বাচনতো ৩২,৬১১টা (২৯.৪৪ শতাংশ) ভোট পাই পৰাজয় বৰণ কৰা অসম গণ-পৰিষদৰ প্ৰাক্তন বিধায়ক তথা নেতা খলিলুৰ ৰহমান চৌধুৰীয়ে অগপ ত্যাগ কৰি কংগ্ৰেছ(ই)ত যোগদান কৰি কংগ্ৰেছ(ই)ৰ প্ৰাৰ্থী হৈ ২০০৬ ৰ ৬ নৱেম্বৰৰ নিৰ্বাচনত পৰাজয় বৰণ কৰাটো। দৰাচলতে যমুনামুখ সমষ্টিৰ বিধান সভা নিৰ্বাচনৰ ফল অগপ দলৰ শোচনীয় পৰাজয়, নেতৃবৃন্দৰ চৰম ব্যৰ্থতা, শ্মশান যাত্ৰাৰ সূচনা বুলিব পাৰি। ইয়াৰ পূৰ্বে প্ৰায় ২৮ বছৰে কোনো দলৰ স্থায়ী স্থিতি নথকা সমষ্টিটোত খলিলুৰ ৰহমান চৌধুৰীয়ে অগপ দলৰ প্ৰাৰ্থী হৈ ১৯৯৬ চনত ৩৮.৬৬ শতাংশ, ২০০১ চনত ৫৫.৫৩ শতাংশ, ২০০৬ৰ সাধাৰণ নিৰ্বাচনত (এপ্ৰিল) ২৯.৪৪ শতাংশ আৰু ৬ নৱেম্বৰৰ উপ-নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থিত্বৈ লৈ ৪১.৬০ শতাংশ ভোট লাভ কৰে। মুঠতে ৰহমান চৌধুৰীৰ যমুনামুখ সমষ্টিত জয়েই হওক বা পৰাজয়ে হওক উলাই কৰিব পৰা প্ৰাৰ্থী নহয়। কিন্তু ৰহমান চৌধুৰী অগপ দল পৰিত্যাগ কৰি যোৱাত দ্বিতীয়জন প্ৰাৰ্থী বিচাৰি হাবাথুৰি খাই অগপৰ প্ৰাৰ্থী ৰূপে থিয় কৰোৱা হবিব আলীয়ে মাত্ৰ ১.১০৪টা (১.০২ শতাংশ) ভোট পাই অগপৰ নাও ডুবালে। কিন্তু অগপৰ দলত্যাগী কংগ্ৰেছ প্ৰাৰ্থী ৰহমান চৌধুৰীয়ে এ, ইউ, ডি, এফৰ বিজয়ী প্ৰাৰ্থী চিৰাজউদ্দিন আজমলে



পোৱা ৫৭,২১০ (৫৩.৯ শতাংশ)টা ভোটৰ বিপৰীতে ৪৫,০৪৩(৪১.৬৪ শতাংশ) টা ভোট পাই পৰাস্ত হয়। মুঠতে খলিলুৰ ৰহমান চৌধুৰী যে শক্তিশালী প্ৰাৰ্থী তাক নিৰ্বাচনসমূহত তেওঁ লাভ কৰা ভোটৰ সংখ্যাৰ পৰা বুজা যায়। যি ক্ষেত্ৰত ৰহমান চৌধুৰীয়ে অগপ প্ৰাৰ্থী হৈ দুবাৰ জয় হৈ ৩৮.৬৬ আৰু ৫৫.৫৩ শতাংশ আৰু পৰাজয় হৈ ২৯.৪৪ শতাংশ ভোট লাভ কৰে, কিন্তু তেওঁৰ অবিহনে উপ-নিৰ্বাচনৰ অগপ প্ৰাৰ্থীয়ে ১.০২ শতাংশ ভোট পোৱাটোৱে অগপৰ দুৰ্যোৰ দুগতিৰ কথা স্পষ্টকৈ দেখুৱাইছে। এনে বিপৰ্যয়ৰ পিছতো অগপৰ নেতৃবৃন্দই আত্ম-সমালোচনা তথা দলৰ বিপৰ্যয়-দুৰ্গতিৰ কথা অকণো চিন্তা নকৰি ১,১০৪ টা ভোটেই দলৰ প্ৰাপ্য বুলি গ্ৰহণ কৰি খলিলুৰ ৰহমান চৌধুৰীৰ পৰাজয়ত সন্তুষ্টি লভি প্ৰকাৰন্তে এ, ইউ, ডি, এফৰ জয়ক স্বাগতম জনাইছে। বুজিবলৈ তেনেই উজু যে যমুনামুখ সমষ্টিত অগপৰ নীতি-আদৰ্শৰ কথা নাই, তৃণমূল পৰ্যায়ৰ সংগঠন মজবুত নহয় আৰু কেন্দ্ৰীয় নেতৃবৃন্দই সমষ্টিটো খলিলুৰ ৰহমান চৌধুৰীৰ পকেটৰ সমষ্টি অৰ্থাৎ খলিলুৰ ৰহমান চৌধুৰী মানে অগপ, অগপ মানে ৰহমান চৌধুৰী বুলি গণ্য কৰিছিল। সেইকাৰণে ৰহমান চৌধুৰীয়ে ২৫ টা আঞ্চলিক সহ অগপৰ পৰা পদত্যাগ কৰাত হতাশা আৰু বিবুধিত পৰি পদত্যাগৰ আগলৈ সভাপতি বৃন্দাবন গোস্বামীৰ বুকুৰ কুটুম স্বৰূপ ৰহমান চৌধুৰী একেনিশাই চোৰাং কাঠ বেপাৰী বীৰাপ্পান, দলৰ বোজা, ঘোৰ শত্ৰু হৈ পৰিল। যাৰ ফলত, নিজৰ দলৰ জয়তকৈ ৰহমান চৌধুৰীৰ পতন বা পৰাজয় নেতৃবৃন্দৰ সন্তুষ্টিৰ কাৰণ হৈ পৰিল।

উল্লেখ্য যে দুবাৰকৈ ৰাজ্যৰ শাসনৰ গাদীত থকা অগপৰ নেতৃবৃন্দই ২০০৬ৰ এপ্ৰিলৰ সাধাৰণ নিৰ্বাচনত জয় হোৱাত গুৰুত্ব নিদি বৃন্দাবন গোস্বামী মুখ্য মন্ত্ৰী আৰু গোস্বামীৰ চৌপাশে থকা নেতাসকল লোভনীয় মন্ত্ৰী হোৱাৰ ৰঙীণ স্বপ্নতহে বিভোৰ হৈ থাকিল ; দলৰ তৃণ পৰ্যায়ৰ দুৰ্বল সংগঠন, নেতৃত্বৰ মনোমালিন্য, বিভাজন আদি নেতিবাচক দিশবোৰ চালিজাৰি চোৱাৰ প্ৰয়োজন বোধ নকৰিলে। সভাপতি বৃন্দাবন গোস্বামীৰ নেতৃত্বৰ অগপই বহিস্কাৰ কৰা প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অগপ (প্ৰগতিশীল) গঠন হোৱাৰ পূৰ্বে মহন্ত-গোস্বামীৰ মনোমালিন্য আঁতৰ কৰি মহন্তৰ বহিস্কৰণ উঠাই ল'বলৈ অগপৰ বিভিন্ন আঞ্চলিক, শাখা আৰু অগপ – প্ৰেমী ব্যক্তিয়ে নেতৃবৃন্দক আহ্বান জনাইছিল বিধান সভাৰ নিৰ্বাচনত

ঐক্যবদ্ধ হৈ যুঁজিবলৈ। কিন্তু ক্ষমতাৰ অন্ধতাত সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ বাস্তৱতাক আওকাণ কৰি বৃন্দাবন গোস্বামী মুখ্য মন্ত্ৰী হোৱাৰ পথত প্ৰফুল্ল কুমাৰ মহন্ত হেঙাৰ হ'ব পাৰে বুলি দুয়োজনৰে মনোমালিন্য, অনৈক্যত নেতৃবৃন্দৰ কিছুমানে সাৰপানীহে যোগালে। সেই সময়ত বাতৰি কাকত যোগে সৰ্বানন্দ সোণোৱালক মহন্ত-গোস্বামীৰ মনোমালিন্য দূৰ কৰাত নেতৃত্ব লৈ অগপক শক্তিশালী আৰু ঐক্যবদ্ধ কৰি তুলিবলৈ আহ্বান জনোৱাত সোণোৱালে সেই আহ্বানৰ তাৎপৰ্য উপলব্ধি নকৰি 'বৃন্দাবন গোস্বামী অসমৰ ভাবী মুখ্য মন্ত্ৰী' বুলিহে বাতৰি-কাকতত বিবৃতি দিয়া পঢ়িবলৈ পোৱা গ'ল। গোস্বামীৰ সোঁৱে-বাঁৱে থকা কোনোজন নেতাই দুয়োজনৰ মনোমালিন্য দূৰ কৰি দলটো ঐক্যবদ্ধ আৰু শক্তিশালী কৰাৰ চেষ্টা কৰা দেখা নগ'ল।

প্ৰফুল্ল কুমাৰ মহন্ত বহিষ্কৰণৰ পিছত অগপত বহিষ্কাৰৰ ধল নামিল আৰু কেইবাজনো বিধায়কক বহিষ্কাৰ কৰি অগপৰ বিভাজন মাতি অনা হ'ল - যাৰ পৰিণতিত বিধান সভাৰ সাধাৰণ নিৰ্বাচন ২০০৬ৰ কেইমাহমান পূৰ্বে এক সময়ত (১৯৯১ চনত) বৃন্দাবন গোস্বামী-ভৃগু ফুকনৰ নেতৃত্বত অগপক দ্বিখণ্ডিত কৰি ন-অগপ গঠন হৈ নিৰ্বাচনত মুখ থেকেচা খোৱাৰ দৰে অগপৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰাক্তন মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত অগপ (প্ৰগতিশীল) গঠন হৈ অগপত ফাঁট মেলাই ২০০৬ৰ নিৰ্বাচনত দুটোপক্ষই মুখ থেকেচা খালে। এনে বিভাজনৰ পিছত কোনোৱে সাধাৰণ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি মুখ্য মন্ত্ৰী হৈ শাসনৰ বাঘজৰী ল'বলৈ দৃঢ় আশা পোষণ কৰাটো অলীক কল্পনা বুলি অসমৰ ৰাজনীতিৰ সাধাৰণ জ্ঞান থকা লোকেও বুজি পায়। কিন্তু শাসনৰ ক্ষমতা লাভত মদমত্তসকলে এই কথা তিলমানো বুজিবলৈ চেষ্টা নকৰিলে। তাৰ ফল হাতে হাতে ফলিয়ালে। ২০০৬ চনৰ সাধাৰণ নিৰ্বাচনত মাত্ৰ ২৪ খন আসন পাই আমন - জিমনকৈ বহি থাকিব লগা হ'ল। দলৰ বিভাজন নহ'লে সংখ্যাগৰিষ্ঠতা নেপালেও অন্ততঃ তাৰ দুগুণ আসন অগপই পালেহেঁতেন বুলি সচেতন ৰাইজৰ মন্তব্য।

যমুনামুখৰ উপ-নিৰ্বাচনৰ হতাশজনক ছবি দেখাৰ ফলত অগপৰ নেতৃবৃন্দই পঞ্চায়ত নিৰ্বাচনত দলীয় প্ৰতীক হাতী ব্যৱহাৰ নকৰি নিৰ্দলীয় প্ৰাৰ্থীৰূপে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ গুণা-গঁথা কৰিছে। এনে ব্যৱস্থা গ্ৰহণ কৰিলে ঐতিহ্যমণ্ডিত আঞ্চলিক দলটোক অস্তিত্ব নাইকিয়া কৰি শ্মশানত দাহ কৰাৰ ব্যৱস্থা নহ'বনে ? বিদেশী বহিষ্কৰণ তথা অগপৰ অস্তিত্ব ৰক্ষাৰ



আন্দোলনৰ ফলশ্ৰুতিত গঠন হোৱা অগপ দলৰ অস্তিত্বৰ সংকট বা বিপৰ্যয় অসমৰ জাতীয় ভাৱাপন্ন ৰাইজৰ বাবে কিমান দুখ-বেদনাদায়ক তাক অগপৰ নেতৃবৃন্দই গভীৰভাৱে চিন্তা কৰিবলৈ সময় পাবনে ? অসমৰ ছবছৰীয়া আন্দোলনৰ সংগ্ৰামীসকল আৰু অসম গণ-পৰিষদ দল গঠনৰ কালৰ পৰা জড়িত থকা - পিছলৈ মতানৈক্য-মনোমালিন্যত অগপ ত্যাগ কৰি আন দল গঠন কৰা নেতা আৰু ব্যক্তিক অগপ নেতৃবৃন্দই নিঃস্বাৰ্থ আন্তৰিক চেষ্টাৰে ঐক্যবদ্ধ কৰি তৃণমূল পৰ্যায়ত গুৰুত্ব দি জনজাগৰণ আনিব পাৰিলেহে ছহিদৰ তেজ আৰু সংগ্ৰামী ৰাইজৰ ত্যাগ-নিৰ্যাতনত অসমৰ জাতীয় স্বাৰ্থত বহু আশাৰে গঠন হোৱা আঞ্চলিক দল অসম গণ পৰিষদৰ অস্তিত্ব বৰ্তি থাকিব।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১০ম সংখ্যা, ২০ নৱেম্বৰ-২০০৬

# অত্যাচাৰ-নিৰ্যাতনৰপৰা নাৰী সুৰক্ষাৰ বাবে গাৰ্হস্থ্য হিংসা আইন ২০০৫

প্ৰাচীন কালৰপৰা নানা দেৱতাৰ লগতে নানা দেৱীৰ পূজা-উপাসনা চলি থকা ভাৰতত অসূৰ্যম্পৰ্শা নাৰীয়ে বৈদিক যুগৰপৰা বৰ্তমান যুগলৈ যোগ্যতা অনুসৰি সন্মানৰ সু-আসন সুশোভিত কৰি আহিছে। এই প্ৰসঙ্গত বিদেশী নাৰী বাক্; ব্ৰহ্মবাদিনী গাৰ্গী, মৈত্ৰেয়ী; জ্যোতিষিণী খনা, গণিতজ্ঞা লীলাৱতী, বৌদ্ধ ভিক্ষুণী সংঘমিত্ৰা, মালিনী; সুৰ-সাধিকা মীৰাবাঈ, বীৰাঙ্গনা ৰাণী লক্ষ্মীবাঈ, সমাজসেৱিকা আৰু ৰাজনীতিজ্ঞা সৰোজিনী নাইডু, বিজয়লক্ষ্মী পণ্ডিত, ইন্দিৰা গান্ধী প্ৰভৃতি আৰু অসমৰ শান্তী ৰাধিকা, সতী জয়মতী, মূলাগাভৰু, কনকলতা, ভোগেশ্বৰী ফুকননী আদি নমস্য ৰমণীৰ নাম উল্লেখযোগ্য। ইয়াৰ উপৰিও, বিভিন্ন অঞ্চল বা ৰাজ্যত ধৰ্ম-সমাজ-সাহিত্য-ৰাজনৈতিক জীৱনৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই সমাজ সুন্দৰ কৰি থৈ যোৱা অনেক ৰমণীৰ নাম পোৱা যায়। নাৰীৰ পুষ্পকোমল হৃদয়ৰ ভক্তি, সাধনা, সৌন্দৰ্যই ঘৰ-সমাজ-দেশ আৰু সংসাৰ সুন্দৰ আৰু মোহময়ী কৰি তুলিছে। জগতত সুখ-শান্তিৰে সফল জীৱন-যাপন কৰিবলৈ 'তিৰীয়ে-পুৰুষে হ'বা একেমতি। তেবেসে সিজিব হৰিত ভকতি।' — বুলি প্ৰবাদ আছে। নাৰী আৰু পুৰুষৰ দুটি সত্তা এক হ'লেই জীৱন সাৰ্থক হয়।

সৃষ্টিৰ আদি কালৰপৰা সংসাৰত প্ৰকৃতিস্বৰূপা নাৰীৰ প্ৰয়োজনীয়তা যুগে যুগে স্বীকৃত। বিশ্ব-প্ৰসৱিনী নাৰীৰ ৰূপ সকলোৰে কাৰণে চিৰসৌন্দৰ্যময়ী আৰু মহিমামণ্ডিতা। নাৰীৰ স্নেহবন্ধনত জগত আৱদ্ধ। সংসাৰৰ দুখ-শোক, ৰোগ-ব্যাধি, অসুখ-অশান্তি, অভাৱ-অনাটন, নিৰাশা-দুৰ্দশাত নাৰীয়েই সুখ-শান্তিৰ নিজৰা বোৱায়।

আজি ভাৰতীয় মহীয়সী নাৰীৰ ভাব-গম্ভীৰ, শুচি-সুন্দৰ ৰূপক অৱমাননা কৰা হৈছে। পাশ্চাত্যৰ প্ৰভাৱত কুকাৰ্যৰ অনুকৰণত আধুনিক সভ্যতাৰ নামত বৰ্তমান সমাজ কলুষিত। নাৰীৰ নাৰীত্ব, শ্লীলতা, মান-



মৰ্যাদা, তথাকথিত ভদ্ৰ সমাজত অৱনমিত হৈছে আৰু জীৱনৰ নিৰাপত্তা নাইকিয়া হৈ পৰিছে। নাৰীৰ ওপৰত পুৰুষৰ অত্যাচাৰ-উৎপীড়ন-নিৰ্যাতন ৰোধ কৰাৰ কাৰণে আইন প্ৰণয়ন কৰিব লগা হৈছে। এসময়ত ভাৰতৰ বিভিন্ন অঞ্চলত পুৰুষৰ মৃত শৰ দাহ কৰিলে পত্নীগৰাকীকো সহমৃত্যুৰ কাৰণে জ্বলা জুইত পৰি মৰিবলৈ দিয়া হৈছিল। যাক সতীদাহ প্ৰথা বোলা হৈছিল। লৰ্ড বেন্টিঙ্কৰ সংস্কাৰ আন্দোলনে সেই প্ৰথা ১৮২৯ খ্ৰীঃত নিষিদ্ধ কৰে যদিও ঠাই বিশেষে বৰ্তমান শতিকাতো সতীদাহ প্ৰথা চলি আছে। অসমত সতীদাহৰ দৰে জঘন্য কু-প্ৰথা অতীতৰ পৰা থকাৰ কথা জনা নাযায়। আনহাতে সমাজৰ আন এটা মাৰাত্মক ব্যাধি ডাইনী হত্যা অসমত আজিও চলি আছে। এই জঘন্য অপৰাধমূলক পাশৱিক কু-কৰ্মবোৰ পুৰুষৰ প্ৰাধান্যতাৰে সমাজত বৰ্তমান।

নাৰী অৰ্থাৎ বোৱাৰী নিৰ্যাতন-হত্যাৰ আটাইতকৈ ডাঙৰ কাৰণ যৌতুক। স্বামীৰ ঘৰে বিবাহিতা কন্যা বা বোৱাৰীয়েকৰ ঘৰৰপৰা প্ৰচুৰ পৰিমাণে যৌতুক (উছৰ্গা) পাবলৈ আশা কৰে, হেঁচা প্ৰয়োগ কৰে। সেইমতে নাপালে বোৱাৰীয়েকৰ ওপৰত চলা শাৰীৰিক-মানসিক-মৌখিক আদি নিৰ্যাতন-উৎপীড়নৰ ফলত বোৱাৰীগৰাকীয়ে মৃত্যু পৰ্যন্ত সাৱটি ল'ব লগা হয়। অৱশ্যে এনে অমানৱীয় অত্যাচাৰত স্বামীক হেঁচা দি ঘৰখনৰ শহুৰ, শাহু, জা, ননদ আদিয়েও ভাগ লোৱা দেখা যায়। তথাপি ঘৰৰ শাহু, জা, ননদ আদি মহিলাসকলতকৈ পুৰুষ-স্বামী পত্নী নিৰ্যাতন হত্যাৰ কাৰণে বেছি অপৰাধী। অকল বোৱাৰী বুলিয়েই নহয়, পৰিয়ালৰ বাই-ভনী আৰু ঘৰখনত থকা আন মহিলাও নিৰ্যাতিতা হোৱা দেখা যায়।

মহীয়সী ৰমণীৰ ঐতিহ্যৰে গৰিমাময় ভাৰতত মহিলাৰ সাংবিধানিক সম-অধিকাৰ আৰু যৌতুক আদি নিৰ্যাতনৰ বিৰুদ্ধে আইনী ব্যৱস্থা থকা সত্ত্বেও মহিলাৰ ওপৰত পুৰুষৰ নিৰ্যাতন-উৎপীড়ন লাঘৱ হোৱা নাই। মন কৰিবলগীয়া যে, আইন যৌতুক প্ৰথাৰ বিৰুদ্ধে থকা সত্ত্বেও চৰকাৰী পৰিসংখ্যা মতে ভাৰতত যৌতুকৰ বলি হৈ প্ৰতি মিনিটত এগৰাকী বোৱাৰীয়ে প্ৰাণত্যাগ কৰিবলগীয়া হৈ আছে। তাৰ উপৰি, প্ৰতি ৪৭ ছেকেণ্ডত এগৰাকী নাৰীৰ ধৰ্ষণ-শ্লীলতাহানি, প্ৰতি ৫৭ ছেকেণ্ডত এগৰাকী নাৰীৰ শ্লীলতা হানিৰ চেষ্টা, প্ৰতি ৫৯ ছেকেণ্ডত এগাকী নাৰী নিৰ্যাতিতা আৰু প্ৰতি আঢ়ৈ ঘন্টাত এগৰাকী নাৰী মানসিক নিৰ্যাতনত আত্মহত্যাৰ বলি হয়। সেইকাৰণে নাৰীক

শাৰীৰিক, যৌন, মানসিক, মৌখিক, আৰু অৰ্থনৈতিক নিৰ্যাতনৰপৰা সুৰক্ষা দিবলৈ ২০০৫ চনৰ ১৩ ছেপ্টেম্বৰত সংসদে গ্ৰহণ কৰাৰ পিছত ৰাষ্ট্ৰপতিৰ সন্মতি সাপেক্ষে 'মহিলা আৰু শিশু মন্ত্ৰালয়ে' ২০০৬ চনৰ ২৬ নৱেম্বৰৰপৰা সমগ্ৰ ভাৰতত বলবৎ কৰিছে পাৰিবাৰিক বা গাৰ্হস্থ্য হিংসা আইন-২০০৫ (Domestic Violence Act-2005)। ভাৰতীয় সংবিধান আৰু আইনে জাতি-ধৰ্ম-বৰ্ণ-লিঙ্গ নিৰ্বিশেষে সকলোকে সম-অধিকাৰ দিছে যদিও পুৰুষ-প্ৰধান ভাৰতীয় সমাজত শাৰীৰিকভাৱে দুৰ্বল বা অবলা বুলি গণ্য কৰি নাৰীৰ ওপৰত মানৱীয় গুণৰহিত, হিতাহিত জ্ঞান নোহোৱা পুৰুষৰ অত্যাচাৰ-উৎপীড়ন-নিৰ্যাতনৰপৰা মহিলাক সুৰক্ষা দিয়াৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। সেইকাৰণে গাৰ্হস্থ্য হিংসা আইনক স্বাগতম। ভাৰতত আইন প্ৰণয়ন ঠিকেই হয়। কিন্তু বহুক্ষেত্ৰত সেই আইন বাস্তৱত কাৰ্যকৰী নোহোৱাৰ ফলত ধোঁৱাচাঙত উঠি থাকে। বৰ্তমান নাৰী নিৰ্যাতনৰ বিৰুদ্ধে বলবৎ কৰা আইন কাৰ্যকৰী কৰাৰ বাস্তৱ ব্যৱস্থা সম্ভৱ হ'বনে ? একে পৰিয়ালৰ ভিতৰতে থকা পুৰুষ বা স্বামীৰ বিৰুদ্ধে কিমান নাৰী বা পত্নীয়ে গোচৰ তৰিব বা কোনে সাক্ষী দিব, সি চিন্তনীয় বিষয়। তাৰ উপৰি, অৰ্থব্যয়ৰ কথাও আছে। অকৰ্মণ্য মদাহী স্বামীয়ে বা দুষ্কৃতিকাৰী স্বামীয়ে পত্নীক মাৰকিল কৰি বা ডিঙি চেপি মাৰিব খুজিলে, পত্নীয়ে স্বামীৰ বিৰুদ্ধে তৰা গোচৰত যদি স্বামীৰ কুৰি হাজাৰ টকা জৰিমনা হয়, সেই টকা ক'ৰপৰা দিব? স্বামীক এবছৰ কাৰাদণ্ড বিহিলে পত্নীয়ে অনুশোচনাত ভুগিব লাগিব আৰু লোকৰ গঞ্জনাও সহ্য কৰিব লাগিব। তাৰ উপৰি, ভৱিষ্যতে ল'ৰা-ছোৱালীসহ সংসাৰ বিষময়ো হৈ উঠিব। এই শ্ৰেণীৰ মহিলাই স্বামীৰ বিৰুদ্ধে গোচৰ তৰিব পাৰিবনে ?

শিক্ষিত, আৰ্থিকভাৱে স্বচ্ছল মহিলাই পুৰুষৰ নিৰ্যাতনৰ বিৰুদ্ধে এই আইন বলবৎ হোৱাৰ পূৰ্বৰে পৰা আদালতত গোচৰ তৰি আছে আৰু এতিয়াও তৰিব। অৱশ্যে এটা কথা ভাবিব পাৰি যে ঘৰুৱা হিংসা আইনে বহু পুৰুষক ভীত কৰিব আৰু তাৰ কাৰণে মহিলা নিৰ্যাতন কিছু পৰিমাণে হ্ৰাস পাব।

পুৰুষৰ ওপৰত মহিলাৰো মানসিক- মৌখিক-আৰ্থিক নিৰ্যাতনৰ বিতৰ্ক আহি পৰিছে যদিও এনে নিৰ্যাতন মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ তুলনাত তেনেই নগণ্য। অৱশ্যে আজিকালি পাশ্চাত্য প্ৰভাৱৰ নামত কিছুমান নাৰী-



যুৱতীয়ে বহুৰঙী আদব-কায়দাৰে নিজস্ব শালীনতা পাহৰি স্বামীক আৰ্থিক আৰু মানসিক অশান্তি-নিৰ্যাতন দিয়া দেখা যায়। ব্যক্তিত্বহীন, অকৰ্মণ্য বা নিচাজাতীয় দ্ৰব্য সেৱন কৰি ঘৰত হিংসা-অশান্তিৰ সৃষ্টি কৰা কিছুমান পুৰুষে যে নিৰ্যাতন ভোগ নকৰে তেনে নহয়।

প্ৰকৃততে পৰিয়াল বা সমাজৰ সকলোৰে ভাত-কাপোৰ-বাসঘৰৰ সমস্যা দূৰ হ'লে, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ আনুষ্ঠানিক শিক্ষাৰ লগতে নৈতিক-সামাজিক জাতীয় শিক্ষাৰে সুশিক্ষিত কৰি মাদক দ্ৰব্যৰ সেৱন, জুৱা খেল আদিৰ পৰা বিৰত ৰাখিব পাৰিলে, পাৰিবাৰিক হিংসা নিৰ্যাতনৰ বহুলাংশে অৱসান হৈ এখন সুন্দৰ-শান্তিভৰা পৰিয়াল আৰু সুস্থ-সবল সমাজ গঢ়ি উঠি ভাৰত উন্নতিশীল আৰু কল্যাণকামী ৰাষ্ট্ৰ বুলি বিশ্বত পৰিগণিত হ'ব। ○

---

○সাপ্তাহিক অসম, ১ম বছৰ ঃ ১১ম সংখ্যা, ২৭ নৱেম্বৰ-২০০৬

# নিৰ্বাচনত সমৰ্থনৰ বিনিময়তহে
# উন্নয়নমূলক কামৰ প্ৰতি চৰকাৰ দায়বদ্ধ

গণতান্ত্ৰিক ৰাষ্ট্ৰত গণতান্ত্ৰিক পদ্ধতিত বা সংখ্যাগৰিষ্ঠৰ সমৰ্থনত লোকসভা, বিধানসভা, ৰাজ্যসভা, পৌৰনিগম বা সভা, নগৰ সমিতি, পঞ্চায়ত, সমবায় আদিত সভ্য বা সদস্য নিৰ্বাচন কৰা হয়। শাসকীয় দল, বিৰোধী দল, নিৰ্দলীয় প্ৰাৰ্থী আদিৰ মাজত নিৰ্বাচন অনুষ্ঠিত হয়। মতদানত সংখ্যাগৰিষ্ঠ পোৱাজন – আনকি এটা বা দুটা ভোটো বেছি পালে, সেইজন প্ৰাৰ্থীক জয়মাল্য পিন্ধোৱা হয়। বিজয়ী বা পৰাজিত প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰে মতদান কৰা জনসাধাৰণে। সংখ্যাগৰিষ্ঠতা লাভ কৰা দলটোৱে শাসন বা ক্ষমতাত অধিষ্ঠিত হৈ তেওঁলোকৰ মাজৰপৰা এজন সদস্যক সংখ্যাগৰিষ্ঠতাৰে বা সৰ্বসন্মতিক্ৰমে নেতা বাছনি কৰে। এই নেতাজনে বিভিন্ন বিভাগৰ দায়িত্ব ন্যস্ত কৰে তেওঁৰ দলৰ সদস্যসকলৰ মাজৰপৰা। সেই বিভাগৰ মূৰব্বী হৈ সেইজন সদস্যই বিভিন্ন ৰাজহুৱা উন্নয়নমূলক কাম-কাজৰ আদেশ-নিৰ্দেশ দিয়ে। গণতান্ত্ৰিক পদ্ধতিত পতা চৰকাৰৰ সেই বিভাগৰ মূৰব্বীজনে ৰাজহুৱা উন্নয়নমূলক কাম কৰাৰ ক্ষেত্ৰত তেওঁক কোন গাঁও বা অঞ্চলে ভোটদান বা সমৰ্থন কৰিছিল বা কৰা নাই এই কথাৰ বিচাৰ গণতন্ত্ৰ তথা জনবিৰোধী। আজিকালি বহুত জনপ্ৰতিনিধিয়ে তেওঁক সমৰ্থন কৰা-নকৰাৰ ওপৰত নিৰ্ভৰ কৰি উন্নয়নমূলক কাম কৰা দেখা যায়। বিশেষকৈ বিধানসভাৰ সদস্য, মন্ত্ৰী কিছুমানৰ ক্ষেত্ৰত এনে কথা মন কৰিব পাৰি।

স্বাধীনতা লাভ কৰাৰ ষাঠি বছৰৰ ভিতৰত অসমৰ অনেক গাঁও-ভূঁই, নগৰ-চহৰ, ৰাস্তা-ঘাট, কৃষি, শিক্ষা, পানীযোগান, বানপানী নিয়ন্ত্ৰণ, মথাউৰি, শিল্প-উদ্যোগ, বিজুলী যোগান আদিৰ ক্ষেত্ৰত বিশেষ উন্নতি হোৱা বুলি ক'ব পৰা নাযায়। কিছুমান মন্ত্ৰীয়ে দুৰ্নীতি, ন্যস্তস্বাৰ্থৰ লগত হাত মিলাই বা মুনাফাৰ অংক কৰি উন্নয়নমূলক কাম কৰাৰ কথা জনা যায়। বিশেষকৈ



সাংসদ বা মন্ত্ৰী-বিধায়কে তেওঁক বা দলক সমৰ্থন কৰাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজহুৱা কাম কৰাৰ ফলত বহু অঞ্চল অনুন্নত বা পিছপৰা হৈ থাকে আৰু ৰাইজৰ মাজত তিক্ততা বা বিদ্ৰোহে দেখা দিয়ে। প্ৰকৃততে নিস্বাৰ্থ আৰু সমভাৱে উন্নয়নমূলক কাম কৰি ৰাইজৰ অভাৱ-অভিযোগ দূৰ কৰিলে সেইসকল জনপ্ৰতিনিধিৰ প্ৰতি সাধাৰণ ৰাইজৰ সমৰ্থন থাকিবই আৰু তাৰ ব্যতিক্ৰম হ'লে সমৰ্থনৰপৰা বঞ্চিত হ'বলগীয়াত পৰে।

প্ৰাপ্ত বাতৰি মতে, অলপতে শিৱসাগৰ জিলাত এখন ৰাজহুৱা সভাত ৰাজ্যৰ জলসম্পদ আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী গৰাকীয়ে ৰাজ্যৰ উন্নয়নমূলক কাম তথা বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰি ৰাইজে পঞ্চায়ত নিৰ্বাচনত চৰকাৰ তথা কংগ্ৰেছক ভোট দিলেহে চৰকাৰ ৰাজহুৱা কামৰ প্ৰতি দায়বদ্ধ বুলি ব্যক্ত কৰে। নাবাৰ্ডে অসম চৰকাৰক যোৱা বছৰ দিয়া পঞ্চাশ কোটি টকাৰ প্ৰায় সাত কোটি টকা দিচাংমুখৰপৰা দিখৌমুখলৈ ৭.৫০ কিলোমিটাৰ দীৰ্ঘৰ মথাউৰি ওখ আৰু সবলীকৰণৰ বাবে আৱণ্টন দিয়া বুলি কৈ এছিয়ান ডেভেলপমেণ্ট বেংক আৰু বিশ্ব বেংক আদিৰপৰা পোৱা ঋণৰ কোটি কোটি টকাৰে অসমৰ নদীৰ গৰাখহনীয়া প্ৰতিৰোধ, মথাউৰি উন্নতি আৰু নিৰ্মাণৰ কাম কৰা হ'ব বুলি উল্লেখ কৰিছে। মন্ত্ৰী জনাই কিন্তু তাৰ বিনিময়ত ৰাইজে পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছক সমৰ্থন কৰিব লাগিব বুলিও কয়। নিৰ্বাচনত চৰকাৰ তথা কংগ্ৰেছ দলক সমৰ্থন কৰিলেহে ৰাইজৰ অভাৱ-অভিযোগ, বিভিন্ন সমস্যাৰ দায়িত্ব কংগ্ৰেছ চৰকাৰৰ বুলি অভিজ্ঞ আৰু জ্যেষ্ঠ মন্ত্ৰী এজনাই কোৱাটো অতি দুৰ্ভাগ্যজনক। এয়া গণতান্ত্ৰিক চৰকাৰৰ পৰিপন্থী আৰু ৰাইজৰ উন্নতি-প্ৰগতিৰ প্ৰতি ঘোৰ অনিষ্টকাৰক। আজি অত বছৰে অসমৰ বহু গাঁও-ভূঁই, নগৰ-চহৰ অৱহেলিত, অনাদৃত তথা উন্নতি নোহোৱাৰ গুৰিতে এনে এচাম মন্ত্ৰী-বিধায়কৰ অগণতান্ত্ৰিক তথা জনবিৰোধী মনোভাব বুলি ক'ব লাগিব। জনপ্ৰতিনিধিয়ে সদায় সমৰ্থনৰ কথা নাভাবি সমাজৰ সকলোকে সমভাবে লৈ বিভিন্ন অঞ্চলৰ উন্নয়নমূলক কাম কৰি দহৰ, ৰাজ্যৰ তথা দেশৰ উন্নতি আৰু মঙ্গল সাধন কৰাটো বাঞ্ছনীয়। ○

---

○সাপ্তাহিক অসম ঃ ১ম বছৰ, ১২শ সংখ্যা, ৪ ডিচেম্বৰ-২০০৬

# অসমৰ অস্তিত্ব বিপন্ন কৰা চৰকাৰী আইন উচ্চতম ন্যায়ালয়ত বাতিল

বিদেশী বাংলাদেশী নাগৰিকক ৰক্ষণাবেক্ষণ দি ভোটবেংকৰ ৰাজনীতি কৰি অহা কংগ্ৰেছ চৰকাৰে ১৯৮৩ চনৰ ১৫ অক্টোবৰত মাত্ৰ অসম ৰাজ্যত বলবৎ কৰা আই, এম, ডি, টি, আইন মাননীয় উচ্চতম ন্যায়ালয়ে ২০০5 চনৰ ১২ জুলাইত বাতিল কৰাৰ লগে লগে ধৰ্মীয় সংখ্যালঘু সংগঠনসমূহে শাসনৰ গাদীত থকা কংগ্ৰেছ দল আৰু চৰকাৰক প্ৰতাৰক আখ্যা দি কঠোৰ ভাষাৰে সমালোচনা কৰাত কংগ্ৰেছে ধৰ্মীয় সংখ্যালঘুৰ ভোটৰ ভিকাছন ভগাৰ আশংকাত ত্ৰস্তমান হৈ পৰিলত আই, এম, ডি, টিৰ লেখীয়া আইন প্ৰণয়ন কৰি ধৰ্মীয় সংখ্যালঘুক আশ্বস্ত কৰাত ব্যতিব্যস্ত হৈ পৰিল। সেই মৰ্মে কংগ্ৰেছ দলৰ নেতা কেন্দ্ৰীয় মন্ত্ৰী প্ৰণৱ মুখাৰ্জীৰ নেতৃত্বত গঠিত মন্ত্ৰী গোটে (গ্ৰুপ অব্ মিনিষ্টাৰছ্) অনুমোদন কৰা অসমৰ বাবে বিদেশী ন্যায়াধিকৰণ আদেশ-২০০৬ (ফৰেইনাৰছ্ ট্ৰিবিউনেল অৰ্ডাৰ-২০০৬ ফৰ আচাম) বলবৎ কৰে ২০০৬ চনৰ ১০ ফেব্ৰুৱাৰীৰ পৰা। আচৰিত কথা, স্বাধীনতা লাভৰ ৬০ বছৰতো কেন্দ্ৰীয় চৰকাৰে অসমক মাথোন সম্পদ লুণ্ঠনৰ শোষণৰ থলী হিচাপেহে ব্যৱহাৰ কৰি আছে, আত্মিকভাৱে অসমক ভাৰতৰ ভিতৰত বুলি গ্ৰহণ কৰিছে বুলি কোৱাৰ যুক্তি তৰাং। সেইকাৰণে ভাৰতৰ আন আন ৰাজ্যত লাভ কৰা ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, ঔদ্যোগিক, সাংস্কৃতিক আদি সুবিধাৰ পৰা বঞ্চিত অসমৰ কাৰণে ১৯৮৩ চনৰ পৰা কোনো যৌক্তিক বিশ্লেষণ নকৰাকৈ বিদেশী বাংলাদেশীক সুৰক্ষা দিয়াৰ বাবে অসাংবিধানিক, অগণতান্ত্ৰিক আইন-আদেশ দুবাৰকৈ প্ৰয়োগ কৰিলে। তাৰ অৰ্থ তেনেই সৰল আৰু ফটফটীয়া। অসমৰ থলুৱা ৰাইজ তথা অসম কেন্দ্ৰীয় চৰকাৰৰ এলাগী, আৰু কংগ্ৰেছৰ ভোট বেংক স্বৰূপ প্ৰব্ৰজনকাৰী অবৈধ বাংলাদেশী চৰকাৰৰ বুকুৰ আপোন। তেনে কৌশলেৰে অসমত কংগ্ৰেছৰ ক্ষমতা দখলৰ ৰাজনীতি চলি আছে। ধৰ্মীয় সংখ্যালঘুৱে অসন্তুষ্ট হৈ বিদ্ৰোহ কৰিলেই



কংগ্ৰেছৰ বুকু কঁপি যায় — ক্ষমতাৰ যুঁজত বিপৰ্যস্ত হোৱাৰ ভয়ত। এনে অঘটন মাজে মাজে ঘটি থাকে। পূৰ্বে ইউ এম এফ আৰু যোৱা বিধান সভাৰ সাধাৰণ নিৰ্বাচন (এপ্ৰিল, ২০০৬) ত এ, ইউ, ডি,এফ দলৰ অভ্যুদয় তাৰ জ্বলন্ত উদাহৰণ। অলপতে হৈ যোৱা যমুনামুখ বিধানসভাৰ উপ-নিৰ্বাচনততো সংখ্যালঘু ভোটাৰে কংগ্ৰেছক ঢোকে ঢোকে পানী খুৱাই সংযুক্ত গণতান্ত্ৰিক মৰ্চাৰ প্ৰাৰ্থীক বিপুল ভোটত জয়ী কৰালে। বিদেশী বাংলাদেশীক ৰক্ষণাবেক্ষণ দিয়াৰ নামত যিমানেই অসাংবিধানিক আইন বলবৎ নকৰক, সেইবোৰ যে ফুটুকাৰ ফেন তাক ধৰ্মীয় সংখ্যালঘুৱে বুজিবলৈ বাকী নাই।

প্ৰকৃততে অসমত বিদেশী বা বাংলাদেশী সংখ্যালঘু হাৰাশাস্তি হোৱাটো ঢৌটোকে বৌটো কৰাৰ লেখীয়া কথাহে। কেতিয়াবা যদি তেনে অঘটন ঘটে, সেয়া অসম-বিৰোধী ন্যস্তস্বাৰ্থ জড়িত ৰাজনৈতিক দুষ্ট চক্ৰৰ ষড়যন্ত্ৰহে। সংখ্যালঘু ভাৰতীয় নাগৰিকসকলে ৰাজনৈতিক চক্ৰান্ত বুজি পাই বিভিন্ন গণতান্ত্ৰিক দলত যোগদান কৰিবলৈ লোৱাত কংগ্ৰেছৰ ভোটৰ ভেটিত কম্পন উঠিল আৰু সেয়ে ধৰ্মীয় সংখ্যালঘুৰ ত্ৰাণকৰ্তাৰ ভাও দিবলৈ অসাংবিধানিক আইন বলবৎ কৰি সংখ্যালঘুক আভুৱা ভাৰি আছে। মাননীয় উচ্চতম ন্যায়ালয়ে আই, এম, ডি, টি, আইন বাতিল কৰাত তেওঁলোকে সেয়া কংগ্ৰেছৰ প্ৰতাৰণা বুলি বিদ্ৰোহী হৈ উঠিল। সেয়ে কেন্দ্ৰীয় চৰকাৰে বিধানসভাৰ সাধাৰণ নিৰ্বাচনত ধৰ্মীয় সংখ্যালঘুক হাতত ৰাখি ভোট-যুদ্ধৰ বৈতৰণী পাৰ হ'বলৈ নিৰ্বাচনৰ প্ৰাক্কালত পূৰ্বৰ দৰে অসাংবিধানিকভাৱে অসমৰ বাবে বিদেশী ন্যায়াধিকৰণ আদেশ-২০০৬ বলবৎ কৰিলে যদিও সংখ্যালঘুসকলে কংগ্ৰেছৰ ভেকোঁ-ভাওনা বুজি পাই অসম সংযুক্ত গণতান্ত্ৰিক মৰ্চা গঠন কৰি সুকীয়াভাৱে নিৰ্বাচনত অৱতীৰ্ণ হৈ কংগ্ৰেছক দিশহাৰা কৰিলে। যাৰ ফলত, সৰ্বভাৰতীয় কংগ্ৰেছ দলে সংখ্যাগৰিষ্ঠতা হেৰুৱাই অসমৰ এটা প্ৰাধান্য থকা জনগোষ্ঠীৰ আঞ্চলিক দলৰ লগত লগ লাগি চৰকাৰ গঠন কৰিবলৈ বাধ্য হয়।

ইতিমধ্যে ৫ ডিচেম্বৰত মাননীয় উচ্চতম ন্যায়ালয়ে সংখ্যালঘুৰ সুৰক্ষাৰ নামত কংগ্ৰেছ নেতৃত্বৰ কেন্দ্ৰীয় চৰকাৰে অসমত বলবৎ কৰা বিদেশী ন্যায়াধিকৰণ আদেশ- ২০০৬ নাকচ কৰিলে। এনে অবৈধ আইন এখন বাতিলৰ পাছত আন এখন আইন আগ-গুৰি নভবাকৈ ভোট-বেঙ্কৰ স্বাৰ্থ তথা ৰাজনৈতিক ক্ষমতা দখলৰ অভিসন্ধিত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ ভৱিষ্যতে বলবৎ

কৰাৰ পৰা বিৰত থকাটো কাম্য।

বৰ্তমান অসমৰ ঐতিহ্য-পৰম্পৰা, অস্তিত্ব বিপদাপন্ন। অহৰহ বাংলাদেশীৰ প্ৰব্ৰজন ঘটি থকাৰ ফলত অসমৰ কেইবাখনো জিলাৰ জনগাঁথনি সলনি হৈ সংখ্যাগুৰু সংখ্যালঘুত পৰিণত হৈছে। এই প্ৰক্ৰিয়া দ্ৰুতগতিত আগবাঢ়ি গৈ থকা সত্ত্বেও মাথোন ক্ষমতা দখলত মদমত্ত হৈ শাসকীয় দলে সাৰ পাই চকু মুদি থাকি অসমৰ ঐতিহ্য-পৰম্পৰাক কুঠাৰাঘাত কৰি অসমৰ নতুন প্ৰজন্ম আৰু উত্তৰ-পুৰুষক অন্ধকাৰৰ অটল গহ্বৰলৈ ঠেলি দিছে।

অসমৰ জাতীয় ঐতিহ্য তথা অস্তিত্ব ৰক্ষাৰ কাৰণে চৰকাৰে জাপি দিয়া সংবিধানবিৰোধী অবৈধ আইনৰ বিৰুদ্ধে সচেতন অসমীয়া নাগৰিকে ন্যায় বিচাৰি উচ্চতম ন্যায়ালয়ত গোচৰ তৰিবলগীয়া হোৱাটো দুৰ্ভাগ্যৰ কথা। আনহাতে চৰকাৰে বলবৎ কৰা আইন-আদেশ মাননীয় উচ্চতম ন্যায়ালয়ে বাৰে বাৰে বাতিল কৰাটো তথাকথিত গণতান্ত্ৰিক চৰকাৰৰ চৰম ব্যৰ্থতা আৰু লজ্জাৰ বিষয়। ইয়াৰ পিছত চৰকাৰে আৰু উধাই গৈ আইন-আদেশ প্ৰণয়ন আৰু প্ৰয়োগ কৰি দেশপ্ৰেমৰ ফোঁপোলা স্বৰূপ উদঙাই দিয়াতকৈ সঁচা অৰ্থত বাংলাদেশী অনুপ্ৰৱেশ বন্ধ কৰাৰ বাস্তৱ ব্যৱস্থা হাতত লওক আৰু লগে লগে অসমৰ সকলো শ্ৰেণীৰ লোক তথা দল-সংগঠনে দাবী কৰি অহা মতে ১৯৭১ চনৰ ২৫ মাৰ্চক ভিত্তি কৰি ফটো পৰিচয়েৰে এখন শুদ্ধ নাগৰিক-পঞ্জী যুগুত কৰি সমস্যাৰ আশু-সমাধান কৰক।○

---

○সাপ্তাহিক অসং ঃ ১ম বছৰ ঃ ১৩শ সংখ্যা, ১১ ডিচেম্বৰ-২০০৬

# শিক্ষক নিযুক্তিত হেমাহি শিক্ষাৰ পৰিপন্থী

দ্বিতীয় বাৰৰ কাৰণে তৰুণ গগৈৰ নেতৃত্বত গঠন হোৱা মন্ত্ৰী সভাৰ শিক্ষা দপ্তৰৰ মন্ত্ৰী ৰিপুণ বৰাই শপত গ্ৰহণৰ পিছতেই ৰাজ্যৰ উত্তৰ-পুৰুষক সু-নাগৰিকৰূপে গঢ় দিয়াৰ মানস কৰি অধঃপতিত শিক্ষাৰ আমূল পৰিৱৰ্তন তথা সংস্কাৰ সাধনৰ বাবে শিক্ষাৰ চাফাই অভিযানৰ সূচনা কৰিছে। উল্লেখযোগ্য যে ৰাজ্যৰ যিটো বিভাগ সবাতোকৈ পৰিস্কাৰ বা নিকা হ'ব লাগিছিল, সেই শিক্ষা-বিভাগটো আটাইতকৈ বেছি দুৰ্নীতি-পংকত নিমজ্জিত হৈ থাকিল গগৈ চৰকাৰৰ পূৰ্বৰ পাঁচ বছৰীয়া শাসনকালতো। সেয়ে বৰ্তমানৰ শিক্ষা মন্ত্ৰী ৰিপুণ বৰাই শিক্ষা বিভাগত চাফাই অভিযান চলোৱাৰ ব্যৱস্থা কৰিলে। এতিয়ালৈকে পোৱা বাতৰি মতে, চাফাই অভিযানৰ আৰম্ভণি স্তৰত শিক্ষা সঞ্চালকালয় গুৱাহাটীস্থিত কেইখনমান শিক্ষা অনুষ্ঠানত মন্ত্ৰী গৰাকীয়ে অকস্মাৎ পৰিদৰ্শন কৰি কেইগৰাকীমান কৰ্মচাৰী-শিক্ষকক নিলম্বিত কৰি শাস্তি বিহিছে আৰু অবৈধভাৱে নলবাৰী জিলাত শিক্ষক নিযুক্তি দিয়া দুৰ্নীতিপৰায়ণ বিষয়া-কৰ্মচাৰীকো নিলম্বন কৰি শিক্ষা বিভাগত জোকাৰণি তুলিছে। মন্ত্ৰী বৰাই আৰম্ভণিতে বিভাগটোত তোলা কম্পন লাহে লাহে স্তিমিত হৈ অহা দেখা গৈছে। পূৰ্বৰ মন্ত্ৰী সভাখনো কংগ্ৰেছ দলৰ তৰুণ গগৈৰ নেতৃত্বত চলিছিল আৰু সেই কাৰণে পূৰ্বৰ সতীৰ্থ শিক্ষা মন্ত্ৰীৰ আমোলত হৈ যোৱা দুৰ্নীতিক চাফা কৰাটো সম্ভৱতঃ বৰ্তমানৰ শিক্ষা মন্ত্ৰীৰ কাৰণে নিশ্চয় অসুবিধাজনক হৈ পৰিছে। সেয়েহে চাফাইৰ চোক লাহে লাহে কমি অহা বুলি সচেতন ৰাইজৰ ধাৰণা। উল্লেখযোগ্য যে নলবাৰী জিলাৰ প্ৰায় আঢ়ৈ হাজাৰ অবৈধ শিক্ষকৰ তালিকা টুটি শ লৈকে নমা বুলি বাতৰিত প্ৰকাশ। আন জিলাবোৰৰ অবৈধ শিক্ষকৰ তালিকা সম্পৰ্কে বৰ্তমান নীৰৱতা অৱলম্বন কৰা যেন লাগে।

শিক্ষা-বিভাগত চলি অহা অবৈধ নিযুক্তি, কাৰ্যালয়-শিক্ষানুষ্ঠানত অনিয়মীয়া উপস্থিতি, উৎকোচ, প্ৰশ্ন কাকত ফাদিল, পৰীক্ষাৰ ফলাফলত ত্ৰুটি আদি নিৰ্মূল কৰাটো অৱশ্য-কৰ্তব্য। শিক্ষা মন্ত্ৰীৰ চাফাই অভিযানে সকলো ক্ষেত্ৰত নিৰপেক্ষতা আৰু কঠোৰতা অৱলম্বন কৰিব পাৰিবনে ?

বিশেষ উল্লেখযোগ্য কথা যে ১৯৮৩ চনৰপৰা পৰৱৰ্তীকালত নিযুক্ত অধিকাংশ শিক্ষককে অৰ্হতাৰ ওপৰত গুৰুত্ব নিদি ৰাজনীতিৰ প্ৰভাৱত দুৰ্নীতিৰ মাপকাঠি বা ধনৰ বিনিময়ত নিযুক্তি দিয়া হৈছিল। সেইকাৰণে শিক্ষানুষ্ঠানত শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে। তাৰ উপৰি, যোৱা ৫-৬ বছৰৰপৰা বৰ্তমানলৈ উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়, মধ্য/মজলীয়া বিদ্যালয়, প্ৰাথমিক বিদ্যালয়সমূহত বৰ্তমানলৈ প্ৰায় ১৩/১৪ হাজাৰ শিক্ষকৰ পদ পূৰণ নকৰাত শিক্ষাদানত আহুকালৰ সৃষ্টি হৈ ছাত্ৰ-ছাত্ৰী বিদ্যালয়ৰ শ্ৰেণী শিক্ষাৰপৰা বঞ্চিত হৈ পৰিছে। অনেক প্ৰাথমিক বিদ্যালয়ত শিক্ষকৰ পদ খালী হৈ থকাৰ উপৰিও পিছপৰা গাঁৱৰ কিছুমান বিদ্যালয়ৰ আটাইকেইটা শ্ৰেণীৰ শিক্ষাদান এজন শিক্ষকেৰে চলি আছে। তাতে আকৌ শিক্ষা দান, বিদ্যালয়ৰ পৰিৱেশ, অভাৱ-অনাটন সম্পৰ্কে জানিবলৈ পৰিদৰ্শনৰো ব্যৱস্থা নাই। যদি কাচিৎ ক'ৰবাত পৰিদৰ্শকে পৰিদৰ্শন কৰি বা সচেতন ৰাইজে বিদ্যালয়, শিক্ষককে আদি কৰি বিভিন্ন অভাৱ-অভিযোগ, সমস্যা সম্পৰ্কে ওপৰৱালাক অৱগত কৰেও, তাৰ বিহিত ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত সেইসকল চকু মুদি থকাহে দেখা যায়।

উচ্চতৰ মাধ্যমিক বিদ্যালয়ত যোৱা কেইবা বছৰো ধৰি বিষয়-শিক্ষক নথকা ছাত্ৰ-ছাত্ৰীৰ শিক্ষা লাভৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিবলগীয়া হৈছে। সেইদৰে মাধ্যমিক, মজলীয়া/মধ্য আদি বিদ্যালয়সমূহতো কেইবা হাজাৰো শিক্ষকৰ পদ কেইবা বছৰো খালী হৈ থকা সত্ত্বেও নিযুক্তিৰ ব্যৱস্থা নাই। শিক্ষাৰ উৎকৰ্ষ সাধন শিক্ষক অবিহনে অৰ্থহীন।

চৰকাৰে অৱশ্যে এটা কথা কৈ গৌৰৱ কৰে যে বৰ্তমান উচ্চ/উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণৰ শতকৰা হাৰ বেচ উন্নত বা পূৰ্বতকৈ বহু ভাল। সৰ্বোচ্চ স্থান লাভ কৰাৰ সংখ্যাও বৃদ্ধি পাইছে। গতিকে বিদ্যালয়সমূহত শিক্ষকৰ পদ খালী হৈ থকাতো শিক্ষাৰ মানদণ্ড হ্ৰাস পোৱা নাই বুলি চৰকাৰে ভাবে। সেয়ে শিক্ষানুষ্ঠানত শিক্ষকৰ পদ খালী থকা-নথকাটোত চৰকাৰে মূৰ ঘমোৱাৰ যুক্তিয়েই দেখা নাই। কিন্তু পৰীক্ষাৰ ফল উন্নত হোৱাৰ কাৰণ তেনেই জল্‌জল্ পট্‌পট্‌কৈ ওলাই আছে। প্ৰথম কথা, ছাত্ৰ-ছাত্ৰীৰ ঘৰুৱা টিউচন আৰু দ্বিতীয় কথা, অত্যাধিক মাচুল দি পঢ়া ব্যক্তিগত বা বেচৰকাৰী বিদ্যালয়। ঘৰুৱা শিক্ষকে অধিক মাচুল লৈ ছাত্ৰ-ছাত্ৰীৰ ভাল ফল দেখুৱাবলৈ টিউচনৰ প্ৰতিযোগিতাত নামি ছাত্ৰ-ছাত্ৰীক শিক্ষা দান কৰে আৰু তাৰ ফলত তেনে ছাত্ৰ-ছাত্ৰীৰ প্ৰায়ভাগৰে পৰীক্ষাৰ ফল যথেষ্ট উন্নত হোৱা দেখা গৈছে। বৰ্তমান নগৰৰ দৰে গাঁও-ভূঁইতো টিউচনৰ প্ৰকোপ চৰা দেখা গৈছে। অৱশ্যে কোনো কোনো গাঁৱত দুই-এখন বিদ্যালয়ত শিক্ষকৰ



যত্নত ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফল উন্নত হোৱা দেখা যায়। এই কথা সকলোৱে বুজি পাইছে যে পৰীক্ষাৰ সুফল বা সুনামৰ কাৰণে বিদ্যালয়ৰ শিক্ষা বৰ্তমান গুৰুত্বপূৰ্ণ কথা নহয়, ঘৰুৱা শিক্ষক আৰু বেচৰকাৰী বা ব্যক্তিগত খণ্ডৰ শিক্ষাইহে পৰীক্ষাৰ্থীৰ সুফলৰ পাথেয়। বিদ্যালয়ৰ শিক্ষা, বিদ্যালয়ত শিক্ষক আছে বা নাই তাক লৈ ছাত্ৰ সমাজ বা অভিভাৱকে কোনো দাবী বা আন্দোলন কৰাৰ প্ৰয়োজনবোধ নকৰা হৈছে। চৰকাৰেও শিক্ষক নিযুক্তিৰ দৰে গুৰুত্বপূৰ্ণ বিষয়টো উচ্চ ন্যায়ালয়ৰ গোচৰ বা মোকৰ্দমাৰ অজুহাতত এৰাই চলিছে।

বিশেষ উল্লেখযোগ্য যে বিদ্যালয়সমূহত আৱশ্যকীয় শিক্ষক নথকাৰ কাৰণে সমাজত অন্ন-বস্ত্ৰ সমস্যাত জৰ্জৰিত দুৰ্গত শ্ৰেণীৰ লোকৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত ব্যাঘাত জন্মিছে। যাৰ ফলত, তেনে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত সুফল দেখুওৱাৰ পৰা বঞ্চিত হৈছে। কিয়নো এই শ্ৰেণী ছাত্ৰ-ছাত্ৰীয়ে ঘৰুৱা শিক্ষক বা ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত অতিৰিক্ত ধন ব্যয় কৰি শিক্ষা লাভ কৰিব নোৱাৰে। এই দুৰ্গত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ দুৰৱস্থাৰ কথা বিশেষ চিন্তা কৰিবলগীয়া।

প্ৰকৃততে বিদ্যালয়সমূহত অৱসৰ গ্ৰহণ কৰাৰ পিছদিনাৰে পৰা তেওঁৰ খালী ঠাইত আন শিক্ষকক নিযুক্তি দিয়াটো চৰকাৰৰ নৈতিক দায়িত্ব। তেতিয়াহে বিদ্যালয়ৰ শ্ৰেণীবোৰত নিয়মিতভাৱে পাঠদান চলিব, শিক্ষকৰ অভাৱত ছাত্ৰ-ছাত্ৰীয়ে আন্দোলন নকৰিব আৰু আৰ্থিক কাৰণত টিউচন ল'বলৈ অসমৰ্থ ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব। আনকি বিদ্যালয়ৰ শিক্ষকৰ অভাৱ তথা পাঠ দানৰ অনিয়ম দেখি বিৰক্ত হৈ পৰীক্ষাৰ সুফলৰ কাৰণে ঘৰুৱা শিক্ষকৰ ওচৰত শিক্ষা লোৱা অনেক ছাত্ৰ-ছাত্ৰীয়েও টিউচন বাদ দি বিদ্যালয়ৰ শিক্ষাতে আৱদ্ধ থাকিব। সেইকাৰণে চৰকাৰে ৰাজনৈতিক ন্যস্তস্বাৰ্থ আৰু দুৰ্নীতিৰ পাশৰপৰা মুক্ত হৈ অৰ্হতা বা যোগ্যতাৰ ভিত্তিত বিদ্যালয়ৰ খালী হৈ থকা পদসমূহত শিক্ষক নিয়োগ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি বিদ্যালয়ৰ পৰিৱেশ আৰু সমাজৰ সকলো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ উৎকৰ্ষ সাধন কৰাত ব্ৰতী হ'লেহে শিক্ষা মন্ত্ৰী তথা চৰকাৰৰ চাফাই অভিযান সফল হ'ব। ২০০৭ চনৰ শিক্ষা-বৰ্ষৰ আৰম্ভণিৰ লগে লগে এই বিষয়ত যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাটো সমীচীন হ'ব।○

Mahesh Chandra Dev Goswami Library
Acc. No. 36954
Date 26/5/14
Nowgong Girls' College

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১৪শ সংখ্যা, ১৮ ডিচেম্বৰ-২০০৬

## ASOM ঃ লিপ্যন্তৰ নে অথন্তৰ

২০০৬ চনৰ বছৰটো বিদায় দিয়াৰ প্ৰায় দুসপ্তাহ পূৰ্বে ১৫ ডিচেম্বৰত অসম বিধান সভাই ২৭ ফেব্ৰুৱাৰীত অসম মন্ত্ৰী সভাৰ বৈঠকত 'অসম' শব্দটো ইংৰাজীলৈ বৰ্ণান্তৰিত কৰি ASOM বুলি লিখাৰ প্ৰস্তাৱ সদনত গ্ৰহণ কৰে। বিৰোধী দলৰ কেইবাজনো সদস্যৰ তীব্ৰ বিৰোধিতাকো আওকাণ কৰি চৰকাৰ এই সিদ্ধান্তত অলৰ-অচৰ হৈ থাকি তাক কাৰ্যকৰী কৰাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিলে। এনে প্ৰস্তাৱৰ যুক্তি-যুক্ততা চালি-জাৰি চোৱাৰ প্ৰয়োজন নিশ্চয় আছিল — যিহেতু ই এক ঐতিহাসিক আৰু জাতীয় প্ৰশ্ন।

ঐতিহ্যমণ্ডিত অসমীয়া লিপিত লিখা 'অসম' বানানটো ব্ৰিটিছ শাসনৰ কালৰপৰা বিদেশী-স্বদেশী সকলোৱে ইংৰাজীত ASSAM (আসাম) বুলি লিখিবলৈ লয়। তেতিয়াৰ পৰা এই শব্দটোৰ লগত ইংৰাজী জনা বা লিখা মানুহৰ গাঢ় সম্বন্ধ। সেইকাৰণে অসমৰ সংস্কৃতি, ইতিহাস, ভূগোল, বিভিন্ন নথি-পত্ৰ আদিত বৰ্তমান যুগত ASSAM শব্দটো ব্যৱহাৰ হৈ আহিছে।

আহোম যুগৰপৰা বুৰঞ্জী, সাহিত্য আদিত আসম, আহম, অহম, আহোম আদি শব্দৰ লগতে 'অসম' শব্দ ব্যৱহাৰ কৰা দেখা যায়। যিহেতু অসম নামেৰে ৰাজ্যখন জনাজাত হয়, সেইকাৰণে বৰ্তমান ইংৰাজী ভাষাই বিশেষ প্ৰভাৱ পেলোৱা অসমত 'অসম' শব্দটোৰ সমৰূপৰ ইংৰাজী বৰ্ণেৰে বানানটো লিখাৰ প্ৰয়াস চলাটো স্বাভাৱিক। সেইমতে 'অসম' শব্দটো ইংৰাজীত AXOM / AXAM / ASOM / ASAM / ASSAM বুলি লিখা দেখা গৈছে। বৰ্ণান্তৰিত উক্ত ইংৰাজী বানান কেইটাৰ উচ্চাৰণ অসমীয়াত অক্সোম / অক্সম / অসোম / অসম / আসাম আদি হয়। আনহাতে ব্যাকৰণৰ সংস্কৃতমূলীয় তালব্য 'শ', মূৰ্ধন্য 'ষ', দন্ত্য 'স'ৰ তিনিটাৰ কোনোটোৰ লগত অসম বুজোৱা 'স'ৰ উচ্চাৰণৰ মিল নাই। সেইকাৰণে ভাষাবিদ ডঃ বাণীকান্ত কাকতীয়ে উক্ত তিনিটা 'স'ৰ উপৰিও অসমীয়াত ইয়াৰ এটা বিশেষত্বপূৰ্ণ ধ্বনি নিৰ্ধাৰণ কৰি X (স) বুলি চিহ্নিত কৰে।

সি যিকি নহওক 'অসম' শব্দটো ইংৰাজী বৰ্ণেৰে লিখাটো এক



আহুকলীয়া সমস্যা হৈ পৰিছে। Transliteration ৰা বৰ্ণান্তৰিতকৰণ পদ্ধতি বা সূত্ৰমতে এটা ভাষাৰ শব্দৰ বৰ্ণ আন এটা ভাষাৰ বৰ্ণলৈ ৰূপান্তৰিত হয়। সেইমতে ইংৰাজী-অসমীয়া বা অসমীয়া-ইংৰাজী ভাষাৰ বৰ্ণ বা শব্দও বৰ্ণান্তৰিত হৈছে। 'অসম' শব্দৰ লগত উল্লেখ থকা অসমীয়া বৰ্ণ / শব্দ ৰোমান বা ইংৰাজী বৰ্ণ বা শব্দলৈ ৰূপান্তৰিত কৰিবলৈ সাধাৰণতে অ = A কৰা হয়। যেনে কমল = KAMAL, শৰৎ = SARAT আদি। সেইমতে আমাৰ আলোচ্য 'অসম' শব্দটো ইংৰাজীলৈ প্ৰতিবৰ্ণীকৰণ বা বৰ্ণান্তৰিত হ'লে অ + স + অ + ম = A + S + A + M = অসম হ'ব। বৰ্তমান এচামে অসমীয়া বৰ্ণৰ 'অসম' শব্দটোৰ শুদ্ধ ইংৰাজী শব্দলৈ লিপ্যন্তৰ কৰা দেখা গৈছে। অসমৰ আগশাৰীৰ বাতৰি কাকত, বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে 'অসম' শব্দটো ইংৰাজী বৰ্ণত লেখাৰ ক্ষেত্ৰত ভিন্নতা দেখা গৈছে। অসম সাহিত্য সভাই পূৰ্বৰে পৰা এই শব্দটো ইংৰাজী বৰ্ণত ASAM, 'দ্যা আসাম ট্ৰিবিউন' গোষ্ঠীৰ সোণালী জয়ন্তী অতিক্ৰম কৰা 'অসম বাণী'য়ে ASAM BANI, দুকুৰি বছৰ কাল অতিক্ৰম কৰা 'দৈনিক অসম' কাকতে DAINIK ASAM লিখি আহিছে। আনহাতে 'দ্যা আসাম ট্ৰিবিউন' কাকতখনে ASOM শব্দ গ্ৰহণ কৰা দেখা গৈছে। 'আমাৰ অসম' কাকতে AMAR ASOM লৈ বৰ্ণান্তৰিত কৰিছে। ঠিক তেনেকৈ বিভিন্ন দল, সংগঠন, প্ৰতিষ্ঠান আদিৰ 'অসম' শব্দৰ ইংৰাজী বৰ্ণৰ ভিন্নতা মনকৰিবলগীয়া।

'অসম' শব্দ বৰ্ণান্তৰিতকৰণৰ ক্ষেত্ৰত থাওকতে চিন্তা-চৰ্চাৰ কথা। ক্ষমতাধিষ্ঠ ৰাজনৈতিক দল বা গণতান্ত্ৰিক মতদানেৰে ভাষাতাত্বিক সমস্যা সমাধান কৰিব নোৱাৰি। এনে সমস্যাৰ সমাধানৰ কাৰণে ভাষাতাত্বিক ধ্বনি-বিজ্ঞানী পণ্ডিতৰ অভিমত অত্যন্ত প্ৰয়োজন। তেনে যশস্বী পণ্ডিতৰ মহামেল পাতিহে 'অসম' শব্দ ইংৰাজীলৈ বৰ্ণান্তৰিত কৰি শব্দটোৰ বানান নিৰ্ণয় কৰিলে সকলোৰে গ্ৰহণযোগ্য হ'ব। সম্ভৱতঃ ১৯১৭ চনত গঠিত 'অসম সাহিত্য সভা'ই 'অসম' শব্দটো ইংৰাজীত ASAM লিখোঁতে যথেষ্ট চিন্তা-চৰ্চা কৰি শব্দটো গ্ৰহণ কৰিছিল। সেইদৰে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অতুলনীয় অৱদান আগবঢ়োৱা বৰ্ত্তমানলৈ বাৱন্ন বছৰীয়া 'অসম-বাণী' আৰু বিয়াল্লিশ বছৰীয়া 'দৈনিক অসম' বাতৰি কাকত দুখনে গ্ৰহণ কৰা ইংৰাজী ASAM শব্দটো নিশ্চয় বহু চিন্তা - চৰ্চাৰ ফল আছিল।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১৫শ সংখ্যা, ২৫ ডিচেম্বৰ-২০০৬

# ইংৰাজী নতুন বছৰৰ শুভেচ্ছা

জানুৱাৰী মাহৰপৰা আৰম্ভ কৰি ইংৰাজী বাৰটা মাহ পূৰ্ণ হোৱা লগে লগে এটা বছৰে বাগৰ সলালে। বছৰৰ ৩১ ডিচেম্বৰ দোভাগ নিশা ২০০৬ চনৰ বছৰটোৱে বিদায় ল'লে আৰু লগে লগে ১ জানুৱাৰীৰপৰা আন এটা বছৰে পাতনি মেলিলে। সেয়ে স্বাধীন গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাৰতৰ ৰাষ্ট্ৰনেতা, প্ৰধান মন্ত্ৰী, ৰাজ্যৰ ৰাজ্যপাল, মুখ্য মন্ত্ৰী, বিভিন্ন দলপতি আৰু সংগঠনৰ মূৰব্বীয়ে দহৰ-ৰাজ্যৰ-দেশৰ জনসাধাৰণৰ সুখ-শান্তি-সমৃদ্ধি কামনা কৰি গতানুগতিকভাৱে পুনৰ এই নতুন বছৰৰ বাবেও জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰি নতুন বছৰক আদৰণি জনালে। স্বাধীনোত্তৰ কালৰ ভাৰত আৰু ইয়াৰ অঙ্গৰাজ্যবোৰৰ এয়া এক পৰম্পৰা স্বৰূপ হৈ পৰিছে। প্ৰকৃততে গণতান্ত্ৰিক ৰাজনীতিসৰ্বস্ব ভাৰতত এনে শুভেচ্ছাৰ সাৰৱত্তা আছে বুলিব নোৱাৰি। কিয়নো এই বাণী বৰ্তমান অন্তঃসাৰশূন্য — বাতৰিকাকতত প্ৰচাৰিত, দূৰদৰ্শন-আকাশবাণীত সম্প্ৰচাৰিত বাণী। আজিকালি দলীয় নেতা-পালিনেতাই বহুৰঙী কাৰ্ডতো শুভেচ্ছাবাণী প্ৰেৰণ কৰা দেখা যায়।

দৰাচলতে জনসাধাৰণৰ সুখ-শান্তি-সমৃদ্ধি অন্তৰেৰে কামনা কৰি নেতা-পালিনেতাসকলে নিজৰ অন্তৰ শুদ্ধ-পৱিত্ৰ কৰি দুৰ্নীতি-দুষ্কৃতিৰপৰা মুক্ত হৈ জনতাৰ উন্নয়নমূলক আৰু মঙ্গলদায়ক কামবোৰ কৰাৰ প্ৰতিশ্ৰুতি দি বাস্তৱায়িত কৰাহে মূল কথা। লাভখোৰ ব্যৱসায়ী, দুৰ্নীতিপৰায়ণ বিষয়া, ঠিকাদাৰ, মন্ত্ৰী-বিধায়ক-এইসকলে নতুন বছৰটোত পূৰ্বৰ সকলো দুৰ্নীতি-কলঙ্ক ধুই নিকা কৰি জনস্বাৰ্থৰ হকে কামত নিয়োজিত হ'লেহে নতুন বছৰটো সকলোৰে বাবে আনন্দমুখৰ আৰু শুভকৰ হৈ পৰিব। তাকে নকৰি যদি বিভিন্ন শিতানৰ ৰাজহুৱা উন্নয়নমূলক কামৰ ধনৰ অসৎ ব্যৱহাৰ কৰা হয়, চৰকাৰী প্ৰত্যেকটো কামৰ ক্ষেত্ৰত যদি জনতাই উৎকোচ দিবলগীয়া হয়, নীতিবহিৰ্ভূতভাৱে সকলো বিভাগৰ কাম পৰিচালনা কৰা হয় — তেতিয়া হ'লে জনতাৰ সুখ-সমৃদ্ধি কামনা কৰি দিয়া শুভেচ্ছা বাণীৰ সাৰ্থকতাই বা কি !



অসমত যোৱা বছৰটোত হিংসা-হত্যা, উগ্ৰপন্থীৰ কাৰ্য, সেনাৰ বৰ্বৰ অত্যাচাৰ-হত্যা, শিশু হত্যা, বোমা-বিস্ফোৰণ, ধৰ্ষণ, অপহৰণ আদি পাশৱিক কাণ্ডই আতঙ্কৰ সৃষ্টি কৰিছে। ইয়াৰ নিৰাময়ৰ কাৰণে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, সেনা-আৰক্ষী আৰু উগ্ৰপন্থী গোট কেইটাই নতুন বছৰৰ পাতনিতে সুস্থিৰ আৰু মানৱীয় চিন্তা-চৰ্চাৰে কাম কৰি আলোচনাৰ জৰিয়তে, বিশেষকৈ আলফা সমস্যা সমাধানৰ পথ উলিয়ালে ২০০৭ নতুন বছৰটো সৰ্বমঙ্গলময় আৰু সকলোৰে আদৰণীয় হৈ পৰিব।

অসমৰ তৰুণ গগৈ চৰকাৰে ২০০৬ চনত প্ৰতিশ্ৰুতি দিয়া মতে বহুত কাম কৰিবলৈ বাকী থাকিল। সেয়েহে অসম বিধান সভা অনুষ্ঠিত হোৱা দিনকেইটাত বিভিন্ন সংগঠনে দিশপুৰ লাষ্ট গেটত ধৰ্ণা, বিক্ষোভ আদিৰে চৰকাৰৰ বিফলতাৰ ছবি স্পষ্ট কৰি তুলিছে। অসম চৰকাৰে অসমৰ ভোগালী বিহুৰ আগমুহূৰ্তত অন্ততঃ সকলো জনসাধাৰণ ভুক্তভোগী হৈ থকা আৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা সাহসেৰে ল'লে জনসাধাৰণৰ সুমঙ্গল কৰা হ'ব। ঠিক তেনেকৈ জনতাৰ হিতৰ কাৰণে আন আন বিষয়বোৰতো গুৰুত্ব দি সমস্যা সমাধান কৰাটো একান্ত কাম্য।

চৰকাৰ আৰু সকলো পক্ষই সৎ চেষ্টা, শুভ বুদ্ধি আৰু নিস্বাৰ্থ সৎ কৰ্মৰ দ্বাৰা অসমৰ আৰ্থিক, ৰাজনৈতিক আৰু জাতীয় জীৱন সুন্দৰ কৰি তুলিব বুলি 'সাপ্তাহিক অসম'ৰ ফালৰপৰা বছৰৰ প্ৰথম দিনটোত দৃঢ় আশা পোষণ কৰি ইংৰাজী নতুন বছৰক আদৰণি জনোৱা হ'ল। নতুন বছৰে পটুৱৈ সমাজ তথা অসমৰ ৰাইজলৈ সুখ-শান্তি-সমৃদ্ধি কঢ়িয়াই আনক। ○

---

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১৬শ সংখ্যা, ১ জানুৱাৰী-২০০৭

# সকলো স্তৰৰ পৰীক্ষাৰ উত্তৰ-বহী পৰীক্ষাৰ্থীক ঘূৰাই দিয়াৰ ব্যৱস্থা হওক

মানুহৰ মনৰ কু-সংস্কাৰ, সংকীৰ্ণতা, অজ্ঞান-অন্ধকাৰ,. অন্ধ বিশ্বাস দূৰ কৰি অন্তৰ নতুন পোহৰেৰে উদ্ভাসিত কৰা শিক্ষাই ভাল-বেয়া, উপকাৰ-অপকাৰ, ন্যায়-অন্যায়, সংস্কৃতি-দুষ্কৃতি আদি বিচাৰ কৰি চোৱাৰ ফলত মানৱৰ বিকাশশীল মনত নৱ নৱ চিন্তা-ভাৱনা, ইচ্ছা-আগ্ৰহ, প্ৰয়োজনবোধ জগাই তুলি মানুহৰ জীৱনৰ ক্ৰমবিকাশ ঘটায়। মানুহৰ দেহ-মন, আশা-আকাংক্ষা, আত্মাৰ সকলো ধৰণৰ বিকাশ আৰু সৰ্বোৎকৃষ্ট উৎকৰ্ষ সাধন কৰা বুদ্ধিসত্বাৰ প্ৰশিক্ষণ, অন্তৰৰ পৰিশোধন আৰু আত্মাৰ অনুশাসন কৰা কাৰ্যক দাৰ্শনিক শিক্ষাবিদসকলে শিক্ষাৰ সংজ্ঞা নিৰ্ণয় কৰিছে যদিও আধুনিক যুগৰ বাস্তৱ বা ব্যৱহাৰিক জীৱনত শিক্ষাৰ সেই মহৎ উদ্দেশ্য সফলকাম হৈছে বুলি ক'ব পৰা নাযায়।

বৰ্তমানৰ শিক্ষা পাঠ্যক্ৰম ভিত্তিক আৰু পৰীক্ষাসৰ্বস্ব। বিশেষকৈ ধৰা-বন্ধা সময়ত শ্ৰেণীকক্ষত শিক্ষাৰ্থীক শিক্ষকে নিৰ্দিষ্ট পাঠ দান আৰু সেই পাঠ দানৰ জ্ঞান আয়ত্তৰ মূল্যায়ন বা মান নিৰ্ণয় কৰিবলৈ সপ্তাহ, মাহ, তিনিমাহ, ছমাহ, বছৰেকত শ্ৰেণী-পৰীক্ষা লোৱাৰ উপৰিও বিভিন্ন স্তৰত একৰপৰা তিনি বছৰৰ ভিতৰত শিক্ষান্ত বা চূড়ান্ত পৰীক্ষা লোৱা হয়। উচ্চ/উচ্চতৰ মাধ্যমিক, স্নাতক/স্নাতকোত্তৰ আদি চূড়ান্ত পৰীক্ষাৰ ফলাফল নিৰূপণ কৰি ছাত্ৰ-ছাত্ৰীক যোগ্যতাৰ মানপত্ৰ দি শিক্ষাৰ অৰ্হতা নিৰূপণ কৰা হয়। বিদ্যালয়ৰপৰা বিশ্ববিদ্যালয়লৈ প্ৰচলিত পাঠ্যক্ৰম পৰীক্ষাৰ বাবেহে প্ৰস্তুত কৰা হয়। সেইকাৰণে শিক্ষা মাথোন পৰীক্ষাকেন্দ্ৰিক হৈ পৰাত আৰু এই পৰীক্ষাৰ ফলাফলৰ যোগ্যতাৰ ওপৰত শিক্ষাৰ্থীৰ ভৱিষ্যত জীৱন গঢ়ি তুলিব লগা হোৱা বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱক পৰীক্ষাৰ ভাৱনাৰে উদ্বিগ্ন আৰু চিন্তিত হৈ পৰে। পৰীক্ষাৰ সু-ফল লাভ কৰিবৰ কাৰণে শিক্ষানুষ্ঠানৰ শিক্ষকৰপৰা লাভ কৰা শিক্ষাৰ উপৰিও ব্যক্তিগত বা ঘৰুৱা



শিক্ষকৰ হতুৱায়ো পাঠ্যক্ৰমৰ শিক্ষা লোৱা হয়। বহুক্ষেত্ৰত পৰীক্ষাৰ ফলাফলৰ কাৰণে শিক্ষাৰ্থী, অভিভাৱক, ঘৰুৱা শিক্ষক আদিৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱ গা কৰি উঠি কেতিয়াবা বাতাবৰণ অৱনমিত কৰাও দেখা যায়। মুঠতে পৰীক্ষাক লৈয়ে বিদ্যালয়, শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা সচেতন সমাজ ব্যস্ত হৈ পৰে। কিন্তু অতি দুৰ্ভাগ্যৰ কথা যে পৱিত্ৰ শিক্ষানুষ্ঠানৰ পৰীক্ষাসমূহ নিকা আৰু সু-শৃংখলভাৱে পৰিচালিত হোৱা দেখা নাযায়। পৰীক্ষাৰ্থীয়ে নকল কৰা, পৰীক্ষাৰ্থীক বাহিৰৰপৰা নকল যোগান ধৰা, প্ৰশ্নকাকতৰ আঁসোৱাহ, প্ৰশ্নকাকত ফাদিল, বজাৰত বিক্ৰী, বহিঃপৰীক্ষকক আক্ৰমণ আদি অপকৰ্মবোৰৰ উপৰিও পৰীক্ষাৰ প্ৰশ্নোত্তৰৰ বহীৰ লুকঢাক, বহী মূল্যাংকনৰ ত্ৰুটি বা আঁসোৱাহ, অজ্ঞ বা অনভিজ্ঞ পৰীক্ষকৰ হতুৱাই পৰীক্ষাৰ উত্তৰ বহী মূল্যাংকন কৰোৱা, কিছুমান পুনৰীক্ষক আৰু প্ৰধান পৰীক্ষকৰ বিষয়-বস্তুৰ প্ৰতি অজ্ঞতা আৰু কামৰ প্ৰতি অমনোযোগিতা, নম্বৰ তালিকাত পৰীক্ষা নিদিয়া বিষয়ত নম্বৰ উঠোৱা আৰু নম্বৰ ওলট-পালট কৰাৰ উদাহৰণৰ সীমা-সংখ্যা নাই। যাৰ ফল পৰীক্ষাৰ্থী, অভিভাৱক, শিক্ষানুষ্ঠানসমূহে ভালদৰে ভুগিবলগীয়া হৈছে আৰু অনেক পৰীক্ষাৰ্থীৰ জীৱন বিষময়ো হৈ উঠিছে। আনকি, কেতিয়াবা পৰীক্ষাৰ্থীয়ে ভাৰসাম্য হেৰুৱাই আত্মহত্যাৰ পথো বাছি লোৱা দেখা যায়।

উল্লেখযোগ্য যে, কেতিয়াবা পৰীক্ষাৰ্থীৰ চূড়ান্ত পৰীক্ষাৰ উত্তৰ-বহী ৰাস্তা-ঘাট বা বজাৰৰ দ'মতো উদ্ধাৰ হোৱা খবৰ পোৱা যায়। এনেবোৰ বেমেজালিৰ কাৰণে পৰীক্ষাৰ উত্তৰ-বহীৰ নম্বৰত অসন্তুষ্ট হৈ অনেক পৰীক্ষাৰ্থীয়ে ন্যায় বিচাৰি পৰীক্ষাৰ বহী বহু টকা ভাঙি বহী পুনৰ পৰীক্ষাৰ বাবে আবেদন কৰিবলৈ বাধ্য হয়। আনহাতে, কিছুমান পৰীক্ষাৰ্থীয়ে অভাৱ-অসুবিধাৰ বাবে আবেদন কৰিবলৈয়ো সমৰ্থ নহয়। বহুক্ষেত্ৰত পুনৰ পৰীক্ষাতো আবেদনকাৰী, বিদ্যালয়ৰ শিক্ষক আৰু অভিভাৱক সন্তুষ্ট হোৱা দেখা নাযায়। মুঠতে, পৰীক্ষাৰ ফলাফলৰ আঁসোৱাহসমূহে অনেক ছাত্ৰ-ছাত্ৰী তথা পৰীক্ষাৰ্থীৰ মুখত ৰাম-টাঙোন শোধাই আছে।

পৰীক্ষাৰ্থীৰ পৰীক্ষাৰ শুদ্ধ মূল্যাংকন হৈছে নে নাই তাক পৰীক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে জনাটো উচিত। বহু আশাৰে ভৱিষ্যত জীৱন গঢ় দিয়াৰ কাৰণে ধন আৰু শ্ৰমৰ বিনিময়ত বিদ্যালয়-কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ মান নিৰ্ণয় কৰা পৰীক্ষাসমূহৰ নিৰ্ভুল বা

সমুচিত মূল্যাঙ্কন নোপোৱাটোতকৈ চৰম হতাশা আৰু দুৰ্ভাগ্যৰ কথা ছাত্ৰ-ছাত্ৰীৰ কাৰণে আন একো নাই। ইমান বেমেজালি আৰু আঁসোৱাহপূৰ্ণ পৰীক্ষাৰ ফলাফল ৰোধ কৰাৰ একমাত্ৰ উপায় সকলো চূড়ান্ত পৰীক্ষা আৰু আন পৰীক্ষাৰ উত্তৰ-বহীসমূহ পৰীক্ষাৰ্থীসকলক পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ লগে লগে ঘূৰাই দিয়াৰ ব্যৱস্থা কৰা। তেতিয়া হ'লে পৰীক্ষা সংক্ৰান্তীয় সকলো কাম বিশুদ্ধ আৰু নিয়াৰিকৈ সংশ্লিষ্ট সকলোৱে কৰিব আৰু লগতে পৰীক্ষাৰ্থীয়ে কি কি বিষয়ত অকৃতকাৰ্য হৈছে তাক উত্তৰ-বহী চাই নিজৰ ভুল-ত্ৰুটি ভালদৰে বুজি পাব আৰু ভৱিষ্যতে এনে ভুল-ত্ৰুটিৰ পৰা সতৰ্ক হৈ পৰৱৰ্তী পৰীক্ষাসমূহত পৰীক্ষাৰ্থীয়ে মান উন্নত কৰাৰ সুবিধা পাব।

বৰ্তমান মুখ্য মন্ত্ৰী তৰুণ গগৈ নেতৃত্বাধীন চৰকাৰৰ শিক্ষা মন্ত্ৰী ৰিপুণ বৰা ডাঙৰীয়াই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই শিক্ষা-বিভাগত চলি থকা দুৰ্নীতি, অনিয়ম-অনীতিৰ বিৰুদ্ধে চাফাই অভিযানৰ সূচনা কৰি শিক্ষা-জগতৰ আমূল পৰিৱৰ্তন তথা সংস্কাৰৰ কাৰণে বিশেষ তৎপৰ হৈ ব্যৱস্থা গ্ৰহণ কৰাৰ কথা দূৰদৰ্শন, আকাশবাণী, বাতৰি কাকতৰ সংবাদ আৰু সভাই-সমিতিয়ে প্ৰকাশ পাইছে। চাফাই অভিযান কাৰ্যকৰী হোৱাটো সচেতন লোক মাত্ৰেই কামনা কৰে। শিক্ষা মন্ত্ৰী বৰাক চাফাই অভিযানৰ অংগ হিচাপে বিদ্যালয়-কলেজ-বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাসমূহৰ উত্তৰ-বহী পৰীক্ষাৰ্থীসকলক পৰীক্ষাৰ ফলাফলৰ লগত ঘূৰাই দিয়াৰ পদক্ষেপ গ্ৰহণ কৰি পৰীক্ষাৰ্থী, শিক্ষক, অভিভাৱকক নম্বৰ সম্পৰ্কে থকা দুঃশ্চিন্তা, খুদুৰনী আৰু উদ্বেগ দূৰ কৰি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিবলৈ আহ্বান জনালোঁ। এই ব্যৱস্থা কাৰ্যকৰী কৰিলে উত্তৰ-বহী পৰীক্ষা-নিৰীক্ষা কৰাৰ নামত চলা ভেঁকো-ভাওনা আৰু নম্বৰৰ তালিকা-পত্ৰৰ আঁসোৱাহৰ ওৰ পৰিব আৰু ন্যায়ৰ পৰা বঞ্চিত পৰীক্ষাৰ্থীসকলে হাতে হাতে সুবিচাৰ লাভ কৰাৰ পথ সুগম হ'ব।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১৭ সংখ্যা, ৮ জানুৱাৰী-২০০৭

# মাঘ বিহু ঃ ঐতিহ্য আৰু জাতীয় সংকট

বাৰটা মাহৰ বাৰটা সংক্ৰান্তি বা দোমাহী পালন কৰিলেও প্ৰকৃতিৰ ঋতুৰ লগত সম্পৰ্ক ৰাখি জীৱন ধাৰণ কৰা অসমৰ কৃষিজীৱী জনগোষ্ঠীয়ে তিনিটা সংক্ৰান্তি বিশেষ গুৰুত্ব দি পালন কৰা পৰম্পৰা ইতিহাসে নিৰ্ণয় কৰিব নোৱাৰা আদিম কালৰপৰা চলি আহিছে — যাক প্ৰাকৃতিক দুৰ্যোগ, সামাজিক অস্থিৰতা, শত্ৰুৰ আক্ৰমণ-উৎপীড়ন, ৰাজনৈতিক শোষণ-দমন, বিদেশীৰ ক্ষমতা দখল আদিয়েও নিঃশেষ কৰিব পৰা নাই। এই তিনিটা সংক্ৰান্তি বা দোমাহী বিহু নামেৰে জনাজাত। চ'তৰ সংক্ৰান্তিত ব'হাগ বিহু — ৰঙালী, আহিনৰ সংক্ৰান্তিত কাতি বিহু — কঙালী আৰু পুহৰ সংক্ৰান্তিত মাঘ বিহু — ভোগালী। বিভিন্ন জাতি-জনজাতি-উপজাতিৰ বাসস্থান অসমৰ জনগোষ্ঠীসমূহ কৃষিজীৱী। এই অঞ্চলৰ জনগোষ্ঠীয়ে আদিম কালতে জীৱন ধাৰণৰ কঠোৰ শ্ৰমৰ মাজত শাৰীৰিক আৰু মানসিক আনন্দ লাভ কৰিবলৈ প্ৰকৃতিৰ ঋতুৰ লগত সম্পৰ্ক ৰাখি বিহু উৎসৱৰ আয়োজন কৰিলে। নৈসৰ্গিক বা প্ৰাকৃতিক শোভাৰে পৰিপূৰ্ণ অসমৰ কৃষিজীৱী জনসাধাৰণে পালন কৰা উৎসৱ যে প্ৰকৃতিমুখী হ'ব তাক সহজে অনুমান কৰিব পাৰি। আদিম মানৱৰ বুদ্ধি-বৃত্তি, ধ্যান-ধাৰণা, সংস্কাৰৰ প্ৰয়াসৰ ফলত প্ৰকৃতি — ৰাণীৰ অৱদানেৰে জন্ম পালে ঋতু বা প্ৰকৃতি উৎসৱৰ। সেই প্ৰকৃতি উৎসৱেই অসমৰ জাতীয় উৎসৱ বিহু। জাতীয় জীৱনৰ আশা-আকাংক্ষা, আগ্ৰহ-উৎসাহ, আৱেগ-অনুভূতি, ৰং-ধেমালি, কৰ্ম-প্ৰেৰণা, কামনা-বাসনা বিহুৰ বুকুত চিৰপ্ৰবাহিত আৰু প্ৰতিফলিত হৈ আহিছে। অসমৰ সংস্কৃতিৰ ইতিহাসে প্ৰতিপন্ন কৰিছে যে অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীসমূহে একে ঋতুতে একে সময়তে বিহু পালন কৰি আহিছে। মাঘ আৰু ব'হাগ বিহুৱে সকলোৰে মাজত সমন্বয় সাধন কৰি ঐক্যৰ এনাজৰী কটকটীয়া কৰি তুলিছে। সেয়াই অসমীয়া জাতিৰ বৈশিষ্ট্য আৰু সেই কাৰণে বিহু অসমৰ জাতীয় উৎসৱ। জাতি-জনজাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে

অসমৰ থলুৱা জনগোষ্ঠীয়ে বিহু পালন কৰি আহিছে। কলা-সংস্কৃতি জাতিৰ প্ৰাণস্বৰূপ। সংস্কৃতিসম্পন্ন জাতি যুগে যুগে অমৰ। বিভিন্ন জনগোষ্ঠীৰ সংশ্ৰৱ-সমন্বয়েৰে গঢ়ি উঠা অসমীয়াৰ জাতীয় উৎসৱ বিহু। বিহু থকালৈকে অসমীয়া জাতি জীৱন্ত হৈ থাকিব।

পুহমাহ শেষ হোৱাৰ লগে লগে সূৰ্য মকৰ ৰাশিত অৱস্থান কৰা মকৰ সংক্ৰান্তি বা পুহ সংক্ৰান্তি ভাৰতীয় লোক-জীৱনত অতি পৱিত্ৰ দিন। এই সংক্ৰান্তিতেই অসমৰ মাঘ বিহু বা ভোগালী বিহু। কৃষি প্ৰধান অসমৰ কৃষকসকলে ৰ'দে-বৰষুণে, খৰাঙে-বানপানীয়ে কঠোৰ শ্ৰম কৰি কৰা কৃষিৰ শইচবোৰ চপাই অনাৰ পিছত মাঘ বিহু উদ্‌যাপন কৰা হয়। মাঘ বিহুৰ আগে আগে পথাৰৰ বিভিন্ন বিধৰ ধান, তিল, মাহ, কুঁহিয়াৰ আৰু বাৰীৰ কাঠ আলু, মোৱা আলু আদি চপাই পৰিশ্ৰান্ত জীৱনৰ অৱসাদ গ্ৰহণ কৰি ভোগৰ উৎসৱ মাঘ বিহু পালন কৰে। খেতিৰ উৎপাদিত সামগ্ৰীৰে গাভৰু-বোৱাৰীয়ে তিল পিঠা, ঘিলা পিঠা, চুঙা পিঠা, তিল-নাৰিকলৰ লাৰু আদি জুতি লগাকৈ তৈয়াৰ কৰে। ইয়াৰ উপৰি দৈ, সান্দহ, গুৰ, কৰাইগুৰি আদি আছেই। উল্লেখযোগ্য যে বিহুৰ বতৰত খোৱা সামগ্ৰীসমূহ স্বাস্থ্যকৰ আৰু শক্তিবৰ্ধক। মাঘ বিহুত শক্তি বৰ্ধনৰ কাৰণে পঁইতা ভাত খোৱাৰ প্ৰচলন আছে। মাঘ বিহুত কাঠ আলু নাখালে পৰজনমত গাহৰি জনম পায় বুলি জনবিশ্বাস। মুঠতে কৃষকে উৎপন্ন কৰা সামগ্ৰীৰে মাঘ বিহু উপলক্ষ্যে তৈয়াৰ কৰা বিভিন্ন খাদ্য-সম্ভাৰে শৰীৰৰ পুষ্টি সাধন আৰু ৰোগ নিৰাময় কৰাৰ লগতে ভোগৰ তৃপ্তিও দান কৰে। পুহৰ ঠেঁটুৱৈ লগা জাৰক বিদায় দিবলৈ মাহটোৰ শেষৰ পিনে কিশোৰ-চেমনীয়া-গৰখীয়াসকলে মিলি পথাৰ বা মুকলি ঠাইত মেজি আৰু ভেলাঘৰ সাজে। মাঘ বিহুৰ দিনা দোকমোকালিতে বা বোৱাৰী পুৱাতে গা-পা ধুই আহি তামোল-পাণেৰে ভক্তি নিৱেদন কৰি ভেলাঘৰত পূজ্য বা মান্যজনৰ হতুৱাই জুই জ্বলাই আৰু দপদপকৈ জ্বলি উঠা জুইত তিল আদি উপাচাৰ দি জাৰত থৰথৰকৈ কঁপি থকা দেহত উত্তাপ লগাই তেজস্বী হৈ বিহুৰ কেইদিন কৃষকৰ উৎপাদিত কৃষিৰ সামগ্ৰীৰে তৈয়াৰী জুতি লগা নানবিধ পুষ্টিকৰ খাদ্য নিজৰ ঘৰ আৰু ইঘৰ-সিঘৰে খাই বল-বুদ্ধিৰে অহা বছৰটোৰ বাবে ৰাইজে জীৱন সংগ্ৰামৰ কাৰণে নিজক প্ৰস্তুত কৰি তোলে। উল্লেখযোগ্য যে বিহুৰ আগনিশা অৰ্থাৎ উৰুকা নিশা কিশোৰ-বালক-যুৱ গৰখীয়া বা চুবুৰীৰ ৰাইজ মিলি ৰাজহুৱা বিল-পুখুৰীত



ধৰা মাছ আৰু কিনা পাৰ-হাঁহ আদি মাংসৰে ভেলাঘৰত নানা গীত-মাত গাই আনন্দ-স্ফূৰ্তি কৰি লগ-ভাত(খানা) খাই ৰাতিটো কটায়। সেই নিশা গৃহস্থৰ ঘৰৰ আগফালে-পাছফালে পৰি থকা কাঠৰ ডাল, জেওৰা আৰু বাৰীৰপৰা কবি-মূলা আদি ডেকাহঁতে চুৰি কৰে। বিশেষকৈ বিহুৰ কাৰণে ঘৰৰ শাহু-বোৱাৰী-গাভৰুৱে ঢেকীশালত সান্দহ-চিৰা খুন্দি থকা আৰু পাকঘৰত নানবিধৰ পিঠা-পনা বনাই থকাৰ সময়খিনিতে ডেকাহঁতে গৃহস্থৰ সা-সম্পদ চুৰি কৰাৰ যি আনন্দ-মাদকতা—সেয়া বৰ্ণনাতীত। মাঘ বিহুত সমূহীয়াকৈ নৈ-বিলত মাছ মৰা, ভেলা ঘৰ সজা, লগ-ভাত খোৱা, পূজ্য বা মান্যজনক সেৱা-ভক্তি কৰা, নাম-কীৰ্তন কৰা আদি কৰ্মস্পৃহা, ঐক্য-সম্প্ৰীতি, শান্তি-ভক্তিৰ সুন্দৰ নিদৰ্শন। ভোগৰ আনন্দৰ লগত মানসিক আনন্দ আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ কাৰণে মাঘৰ বিহুত অনুষ্ঠিত নানা খেল-ধেমালিৰ ৰং-ৰহইচো বিশেষ গুৰুত্বপূৰ্ণ। এই খেলসমূহৰ ভিতৰত মাল যুঁজ, ঘোঁৰা দৌৰ, ভটাগুটি, কড়ি খেল, বাঘবোল, পাঞ্জা, ৰছী টনা, হাত বল, বন্ধা হাউ, ধৰা হাউ, ঘিলা খেল, লাঠি খেল, টাং গুটি, লুকাভাকু, টেকেলি ভঙা, ঢোপ খেল আদি বিভিন্ন খেলৰ উপৰিও ম'হ যুঁজ, হাতী যুঁজ, কুকুৰা যুঁজ, শেন যুঁজ, বুলবুলি যুঁজ, কণী যুঁজ আদি নানাবিধ খেল মুকলি পথাৰ, আহল-বহল ঠাই, নামঘৰৰ সন্মুখ, ৰাজহুৱা উৎসৱ পাৰ্বণৰ ঠাইত অনুষ্ঠিত হয়। মাঘ বিহুৰ পুষ্টিকৰ আৰু বলবৰ্ধক ৰুচিকৰ পিঠা-পনা, লাৰু, দৈ-সান্দহ-গুৰ, মাছ-মঙহ আদি খাই চেমনীয়া যুৱকসকলে উক্ত খেলসমূহৰ দ্বাৰা শৰীৰৰ শক্তি প্ৰদৰ্শন কৰি শ্ৰম-কষ্ট কৰাৰ অনুশীলন কৰে আৰু জীৱ-জন্তু-চৰাইৰ যুঁজ চাই আৰু পৰিচালনা কৰি বল-শক্তি লাভ কৰাৰ অনুপ্ৰেৰণা পায়।

বৰ্তমান যুগসন্ধিক্ষণত স্বতঃস্ফূৰ্ত ৰং-ৰহইচ, আনন্দ-ধেমালি, উলাহ-অনুপ্ৰেৰণাৰ অসমীয়া জাতিৰ প্ৰাণ-স্পন্দনৰ পৰিচায়ক সেউজ জগতত উদ্ভৱ হোৱা জাতীয় উৎসৱ বিহুৰ বিজ্ঞানৰ উন্নতি-প্ৰগতিৰ লগে লগে ৰূপান্তৰ ঘটিছে। আধুনিক-আধুনিকাই যন্ত্ৰচালিত উৰাজাহাজ, নতুন-নতুন মডেলৰ দামী-নামী গাড়ীত ঘূৰি ফুৰে ; বিজুলী চাকি, বিজুলী বিছনী, শীত-তাপ নিয়ন্ত্ৰিত অট্টালিকা, হোটেল-ৰেষ্টোৰাঁত আহাৰ-নিদ্ৰা-মৈথুন কৰে; দূৰদৰ্শনৰ বিভিন্ন চেনেলত নাৰীৰ অৰ্ধ নাঙঠ — প্ৰায় উলংগ বেশ-ভূষাৰ দেহ প্ৰদৰ্শনৰ নৃত্য-অভিনয় চায় আৰু পোলাও-মাংস, ফ্ৰাইড ৰাইচ, ৰসগোল্লা, লালমোহন,

চিঙৰা, চমচম, কেক, কালাকান্দ আদি খাই পৰিতৃপ্ত হয়। বিজতৰীয়া বা পাশ্চাত্য লাহ-বিলাহ, আমোদ-প্ৰমোদত মোহাচ্ছন্ন স্বকীয় সংস্কৃতিবিমুখ লোকে বন্য বা জঙ্ঘলী জীৱনক উপলুঙা কৰে। বন্য জীৱনক উপলুঙা কৰিলেও বনত বা পাহাৰতে যে মানৱ প্ৰেমৰ দেহজ আৰু আত্মজ উপলব্ধি হৈছিল তাক কোনেও নুই কৰিব নোৱাৰে। সেইবাবে জাতীয় সংস্কৃতিৰ প্ৰতি আন্তৰিকতা থাককেই বা নাথাককেই, আজিৰ নগৰীয়া বা তথাকথিত সভ্য সমাজে অন্ততঃ সংস্কৃতিবানৰ ভাও দিবলৈ বজৰুৱা পিঠা-পনা, মিঠাই আৰু ঋতুৰ লগত সংগতি নথকা ঐতিহ্য-পৰম্পৰাক আঘাত হানি মাঘ বিহুতে বসন্ত ঋতুৰ উন্মাদনা আৰু উলহ-মালহৰ বিহু সম্ৰাজ্ঞী-ৰাণী-কুঁৱৰী আদি প্ৰতিযোগিতা পাতি মোটা মোটা পুৰস্কাৰেৰে ৰাইজক চমক লগাইছে। লাখ লাখ টকা সংগ্ৰহ কৰি বিহু উদ্‌যাপন কৰি উদ্যোক্তা আৰু মোটা অংকৰ পুৰস্কাৰ হাবিয়াসী প্ৰতিযোগীসকলে মাঘত বিহুনাচ, বিহুগীত, ঢোল-পেঁপাৰ মাত যে আবতৰীয়া তাক ভৱাৰ অৱকাশ নাই। অসমীয়া জুতিৰ বিভিন্ন স্বাদৰ খাদ্যা সম্ভাৰ বনাবলৈ অৱজ্ঞা কৰাৰ ফলত ইবোৰ প্ৰায় বিলুপ্ত হৈ আহিছে। তাতে আকৌ নগৰীয়া সভ্যতাই বিহু-মেলা উদ্বোধন কৰি অসমীয়া বিহুৰ খাদ্য-সামগ্ৰী বজাৰত বিক্ৰী কৰাৰ সংস্কৃতি গা কৰি উঠিছে। বৰ্তমান নগৰীয়া বিহুৰ উদ্যোক্তাসকলৰ পুৰণি কালৰপৰা চলি অহা থলুৱা জনজীৱনৰ লগত সম্পৰ্ক থকা খেল সমূহ জীৱন্ত কৰাৰ কোনো প্ৰচেষ্টা নাই। বিহুৰ উদ্যোক্তাসকলক এনে খেলসমূহৰ কথা ক'লে হাঁহিয়াতৰ পাত্ৰ হ'ব লাগে। শাসকীয় ৰাজনীতিৰ প্ৰভাৱত বিহুৰ সাংস্কৃতিক পৰম্পৰা যিয়েই নহওক, লাখ লাখ টকা খৰচ কৰি অন্ততঃ আধুনিক জীৱনৰ উপভোগ্য কৰি জাকজমকীয়াকৈ মঞ্চত মাঘ বিহু তথা বিহু পতা হৈছে।

দকৈ মন দিয়া ভাল যে অসমত বসবাস কৰা অনা-অসমীয়াসকলে নিজৰ নিজৰ উৎসৱ-পাৰ্বণবোৰ ঐতিহ্য-পৰম্পৰা মতে কোনো হেৰফেৰ নোহোৱাকৈ অসমৰ বুকুত পালন কৰি আছে। বৰ্তমান বিজ্ঞানৰ ন-ন চমকপ্ৰদ অৱদান, পাশ্চাত্য তথা বিজতৰীয়া সংস্কৃতিৰ প্ৰভাৱকো নেওচি অসমৰ চহা জনগণে বিহুৰ স্বাভাৱিকতা ৰক্ষা কৰিবলৈ কঠোৰ চেষ্টা কৰিছে। আজি গাঁৱৰ কৃষকৰ অৱস্থা অতি শোচনীয়। বজাৰত বস্তুৰ জুইছাই দাম। পুঁজিপতি বণিক আৰু শাসকগোষ্ঠীৰ স্বাৰ্থত সকলো বস্তুৰে অত্যধিক মূল্য (এম, আৰ, পি) নিৰ্ধাৰিত। ঋতুৱে বিহুৰ সময়ত সুখ-স্বাচ্ছন্দ্যৰ যিকেইপদ আৱশ্যকীয়



সম্পদ আনি দিব লাগে বিজ্ঞানৰ যুগত কৃষকে তাক হেৰুৱাই পেলাইছে। বিশেষকৈ বানপানী, খৰাং বতৰ, পোক-পৰুৱাৰ উপদ্ৰৱ আদিয়ে কৃষিৰ অনিষ্ট সাধন কৰাত কৃষকে অৰ্থনৈতিকভাৱে সৰ্বহাৰা হৈ অনাহাৰে-অনিদ্ৰাই মৃত্যুৰ ক্ষণ গণিব লগা হৈছে। সামগ্ৰিকভাৱে অসমৰ মাঘ বিহু, ব'হাগ বিহু আদি জাতীয় লোক-উৎসৱসমূহ সংকটাপন্ন। কেন্দ্ৰৰ ঔপনিৱেশিক শাসন-শোষণ আৰু ব্যৱসায়িক গোষ্ঠীয়ে ইচ্ছানুযায়ী সামগ্ৰীৰ মূল্য বৃদ্ধিৰে কৰি থকা অৰ্থনৈতিক শোষণৰ বাবে থলুৱা জনগোষ্ঠী সকলো দিশত বিপৰ্যস্ত হৈ পৰি জাতীয় সংস্কৃতি ৰক্ষা কৰাটো ডাঙৰ সমস্যাৰূপে দেখা দিছে। সংস্কৃতি আৰু অৰ্থনীতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। অৰ্থনীতি টোকোনা বা দুৰ্বল হ'লে সংস্কৃতি সবল বা স্বচ্ছল হৈ নাথাকে। অনেক অসমীয়াই কৃষি, ব্যৱসায়, উদ্যোগ আদিক আওকাণ কৰি পৰমুখাপেক্ষী হোৱাৰ বাবে সকলো সম্ভাৱনাৰে ভৰপূৰ অসমৰ অৰ্থনীতিত অনা-অসমীয়া আৰু বিদেশীৰ লুণ্ঠন পূৰ্ণোদ্যমে চলি আছে। দুৰ্নীতি-দুষ্কৃতিয়ে অসমৰ জাতীয় অৰ্থনীতি আৰু সংস্কৃতি লেৰেলা-চেপেটা কৰি জাতীয় অস্তিত্বক গ্ৰাস কৰাৰ প্ৰচণ্ড ষড়যন্ত্ৰ চলি থকাৰ কথা নজনা কোনো নাই। অসমৰ জাতীয় জীৱনৰ লগত অঙ্গাঙ্গী সম্পৰ্ক থকা জাতীয় সংস্কৃতি বিহুক বিকৃত বা বিজতৰীয়া কৰি জাতীয়তাক যাতে বলিশাললৈ পঠোৱা নহয়, তাৰ প্ৰতি প্ৰতিজন অসমীয়া সজাগ-সচেতন হৈ থাকিলেহে অসমৰ সংস্কৃতি আৰু অৰ্থনীতি তথা জাতীয়ত্ব সুস্থ-সবল হৈ বৰ্তি থাকিব। অসমৰ জনসাধাৰণৰ মনৰ কপটতা, বিদ্বেষ, হিংসা, দুষ্কৃতি মাঘ বিহুৰ ভেলা ঘৰ বা মেজিৰ জুয়ে পুৰি ছাই কৰি সকলো জনগোষ্ঠীক ভ্ৰাতৃত্ববোধেৰে ঐক্যবদ্ধ কৰি এখন সুস্থ-সবল সংস্কৃতিসম্পন্ন অসমৰ নৱৰূপ দিবলৈ সকলোৱে পবিত্ৰ অন্তৰেৰে আগবাঢ়ি আহক তাকেই কামনা কৰা হ'ল।○

---

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১৮ শ সংখ্যা, ১৫ জানুৱাৰী-২০০৭

# উগ্ৰপন্থী আৰু সেনাৰ হত্যা-সন্ত্ৰাসৰ অৱসান হওক

চাব্বিশ বছৰীয়া আলফা সমস্যা সমাধানকল্পে ভাৰত গণৰাজ্যৰ কেন্দ্ৰীয় চৰকাৰ আৰু চৰকাৰৰ নিষিদ্ধ উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তিবাহিনী, অসম (আলফা)ৰ মাজত আলোচনা সংঘটিত হোৱাৰ নামত ২০০৫-২০০৬ চনত বাৰমাহ জুৰি পানী ঘোলা কৰা হ'ল যদিও তাৰ কোনো ফল পোৱা নগ'ল। এয়া দুয়োপক্ষৰ সদিচ্ছাৰ অভাৱ, ভুল বুজাবুজি আৰু আঁকোৰগোজ মনোভাৱ বুলি ধাৰণা কৰা হৈছে। আলফাই গঠন কৰি দিয়া পি, চি, পি, আই, এ আৰু কেন্দ্ৰীয় চৰকাৰৰ সচিব-উপদেষ্টা পৰ্যায়ৰ আলোচনাই ইতিবাচক ৰূপ লয় যদিও কিছুমান বিষয়ৰ এৰা-ধৰাক লৈ গোটেই প্ৰক্ৰিয়াটো ওলট-পালট হৈ যায়। বিশেষকৈ আলফাৰ মুখ্য দাবী স্বাধীন অসম বা সাৰ্বভৌমত্বৰ সম্পৰ্কত কেন্দ্ৰ আলোচনাৰ পক্ষপাতী নহয় যদিও আলোচনাৰ পথ সুচল কৰাৰ কাৰণে আলফাৰ পাঁচ কাৰাবন্দীক মুক্তি দিয়াৰ বাবে আলফাই বাৰম্বাৰ দাবী কৰি আছে। কিন্তু কেন্দ্ৰীয় চৰকাৰে সাৰ্বভৌমত্বৰ আলোচনা নাকচ আৰু ৰাজ্য চৰকাৰেও পঞ্চবন্দীক মুক্তি দিয়াৰ ব্যৱস্থা নকৰাত আলোচনাৰ প্ৰক্ৰিয়া স্তব্ধ হৈ পৰে। কেন্দ্ৰীয় চৰকাৰে আলফাৰ কাৰাবন্দীক মুক্তি দি সাৰ্বভৌমত্বৰ আলোচনা মেজলৈ আনি আলফাৰ নেতৃবৰ্গৰ লগত মুখামুখিকৈ আলোচনাত বহাৰ ব্যৱস্থা কৰিলে বিষয়টো উজু হ'লহেঁতেন। অসমৰ পৰা প্ৰতিনিধিত্ব কৰা সাংসদ তথা প্ৰধান মন্ত্ৰী মনমোহন সিঙে মন খোলোচাকৈ দূৰদৰ্শিতাৰে প্ৰত্যক্ষভাৱে আলফা-প্ৰধানসকলৰ লগত মত বিনিময় কৰাৰ চেষ্টা কৰাঁহেতেন ফলপ্ৰসূ আলোচনা সম্ভৱ হ'লহেঁতেন বুলি ক'ব পাৰি।

কেন্দ্ৰীয় চৰকাৰৰ লগত আলফাৰ আলোচনাৰ পথ ৰুদ্ধ হৈ পৰাৰ পিছতে ৰাজ্যখনত আক্ৰমণ-প্ৰতি আক্ৰমণ, হিংসা-প্ৰতিহিংসা গা কৰি উঠিল আৰু বোমা বিস্ফোৰণ, গ্ৰেণেড নিক্ষেপ, গুলিয়া-গুলিৰে সন্ত্ৰাস-



হত্যাৰ প্ৰকোপ চৰিল। এনেদৰে ২০০৬ চনৰ ওৰ পৰিল। নতুন বছৰৰ দুৱাৰডলিত শান্তিকামী ৰাইজে নৱবৰ্ষত ৰাজ্যখনৰ সকলোৰে বাবে সুখ-শান্তি-সমৃদ্ধি কঢ়িয়াই আনিব বুলি গভীৰ আশা কৰিছে। কিন্তু বছৰটোৰ অন্তিম দিনটোৰ পৰা নতুন বছৰৰ বাবে আকৌ হিংসা-সন্ত্ৰাস-হত্যাই গা কৰি উঠিল। উগ্ৰপন্থী সংগঠন আলফাক দমন কৰিবলৈ ৩১ ডিচেম্বৰত ভাৰতীয় সেনাই অৰুণাচলৰ লোহিত জিলাৰ নামচাইত আলফাৰ বিনোদ মৰাণ আৰু পেটাল বৰাক, ২০০৭ ৰ নতুন বছৰৰ ২ জানুৱাৰীত তিনিচুকীয়া জিলাৰ বৰডুবি থানা এলেকাৰ চিৰিং চুবুৰীত আলফাৰ চাৰ্জেন্ট কঙ্কন বুঢ়াগোহাঁই ওৰফে কমল গগৈ আৰু সুৰজিৎ গোঁহাই ওৰফে যুগান্ত চেতিয়াক গুলিয়াই হত্যা কৰাৰ উপৰিও সেই অঞ্চলৰ গাঁও-চুবুৰীত সেনাই আতঙ্কৰ সৃষ্টি কৰে।

আনহাতে, আলফাই ৫ জানুৱাৰীৰপৰা কেইবাদিনো ধৰি বোমা বিস্ফোৰণ, গ্ৰেণেড, বন্দুকৰ গুলীত তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, ধেমাজি জিলাত প্ৰায় ৭০ জন শ্ৰমিকৰ দেহ চূৰ্ণাকৃত কৰে। এই শ্ৰমিকসকলৰ প্ৰায়.সংখ্যকেই হিন্দীভাষী। পাইকাৰী হাৰত এনেদৰে ঘটোৱা হিংস্ৰ হত্যাকাণ্ডক সকলোৱে একেমুখে গৰিহণা দিছে। যোৱা কেইবছৰ জুৰি ঘটা হত্যাকাণ্ডবোৰকো আলফাক নিন্দা কৰি গৰিহণা দিয়া হৈছিল। এনে অমানৱীয় হত্যাকাণ্ড বন্ধ কৰিবলৈ প্ৰতিবাৰতে আলফাক দাবী জনোৱা হৈছে। আন এটা উল্লেখযোগ্য ঘটনা যে ৬ জানুৱাৰীত উগ্ৰপন্থী সংগঠন কে, এল, এন, এফৰ এক ভয়াবহ বোমা বিস্ফোৰণত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বেলট বাকচ কঢ়িয়াই নিয়া ট্ৰাকত বোমা নিক্ষেপ কৰাত হাওৰাঘাটত ৩ জন আৰক্ষী আৰু ৫ জন পুলিচ বিষয়া কৰ্মীকে ধৰি মুঠ ৮ জন লোক নিহত হয় আৰু ৯ জন লোক গুৰুতৰভাৱে আহত হয়। উজনিৰ জিলাকেইখনত নিহত হোৱা প্ৰায় লোকেই হিন্দীভাষী হোৱা বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰী, প্ৰধান মন্ত্ৰী আদি দেশৰ মুৰব্বী শাসকসকল আলফাৰ বিৰুদ্ধে গৰজি উঠি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাত ব্যতিব্যস্ত হৈ পৰিল আৰু নিহতসকলৰ পৰিয়ালক সকলো ফালৰপৰা আৰ্থিক সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰা হ'ল। এই সাহায্য প্ৰতি নিহতক অসম চৰকাৰে ৩ লাখ, কেন্দ্ৰীয় চৰকাৰে ২ লাখকৈ দিয়াৰ উপৰিও কেন্দ্ৰীয় ৰেল মন্ত্ৰী লালুপ্ৰসাদ যাদৱে ১ লাখ, উত্তৰ প্ৰদেশৰ সমাজবাদী পাৰ্টিয়ে ১ লাখ, বিহাৰৰ মুখ্য মন্ত্ৰী নীতিশ কুমাৰে ১ লাখ টকাকৈ

মুঠ ৮ লাখ আৰু আহতৰ চিকিৎসাৰ বাবদ কেইবা লাখো টকা দিয়াৰ কথা ঘোষণা কৰে। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে কাৰ্বি আংলঙৰ হাওবাঘাটত উগ্ৰপন্থীৰ বোমা বিস্ফোৰণত নিহতসকলৰ খা-খবৰ লৈ অৰ্থ-সাহায্য কেনেদৰে আগবঢ়োৱা হৈছে তাক জনা নাযায়। ইয়াৰ পূৰ্বেও কেইবা বছৰো জুৰি উগ্ৰপন্থীৰ বোমা বিস্ফোৰণ আৰু গুলীত বহুত লোক নিহত আৰু আহত হৈছিল। সকলো জীৱনৰ মূল্য একে যদিও খা-খবৰ লোৱা মতে সাহায্যৰ ক্ষেত্ৰত এইবাৰৰ উজনিত বোমা বিস্ফোৰণত নিহত হোৱাৰ তুলনাত সেইফালক দিয়া সাহায্য তেনেই নগণ্য। উগ্ৰপন্থীৰ হিংসা-সন্ত্ৰাসৰ বলি হোৱা ৰাজ্যখনৰ সকলোৰে ক্ষেত্ৰত সমদৃষ্টি আৰু সমধৰ্মিতাৰ প্ৰয়োজন।

পূৰ্বৰপৰা বৰ্তমানলৈ উগ্ৰপন্থী-আলফা আদিৰ বোমা বিস্ফোৰণ, বন্দুকৰ গুলীত নিহত হোৱাৰ ছবিখন লক্ষ্য কৰি ক'ব পাৰি যে উজনিৰ জিলাকেইখনৰ হিন্দীভাষীসকল নিহত হোৱাত প্ৰধান মন্ত্ৰী, গৃহ মন্ত্ৰী, ৰেল মন্ত্ৰী, কেন্দ্ৰীয় গৃহ সচিব প্ৰমুখ্যে নেতাসকল; বিহাৰ ৰাজ্যৰ মন্ত্ৰী, উত্তৰ প্ৰদেশৰ সমাজবাদী দলৰ নেতা-নেত্ৰী, ভাৰতীয় জনতা দলৰ সভাপতি প্ৰমুখ্যে ৰাজনৈতিক নেতৃবৃন্দ বাতৰি প্ৰচাৰ হোৱাৰ পিছ মুহূৰ্ততে অসমলৈ দৌৰি আহি উজনিত পদাৰ্পণ কৰি নিহতসকলৰ পৰিয়ালক সান্ত্বনা দিয়াৰ উপৰিও আলফাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ কথা সদৰী কৰে। কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে আলফাক নিঃশেষ কৰা হ'ব, প্ৰধান মন্ত্ৰীয়ে সৰ্বশক্তিৰে আলফা বিৰোধী অভিযান চলোৱা হ'ব — বুলি দৃঢ়স্বৰে ঘোষণা কৰি গ'ল। ইতিমধ্যে উজনিৰ জিলাকেইখনত দহ হাজাৰ সেনা আলফা দমনৰ কাৰণে মেলি দিয়া হৈছে বুলি জনা গৈছে। অসম চৰকাৰেও আলফাৰ বিৰুদ্ধে পুলিচী অভিযান জোৰদাৰ কৰি তুলিছে। কিন্তু মন কৰিবলগীয়া কথা হিন্দীভাষী নিহতসকলৰ নামত সুবিধাবাদী ৰাজনীতিকসকলে হেতা-ওপৰা লগাই ৰাজনৈতিক মুনাফা আদায় কৰাত ব্যস্ত হোৱা যেন লাগে। সেইকাৰণে বিহাৰ, উত্তৰ প্ৰদেশ আদিৰ নেতাসকলে নিহতসকলৰ আত্মাৰ সদ্‌গতি আৰু পৰিয়ালৰ প্ৰতি সহানুভূতি দেখুৱাবলৈ ঘটনা সংঘটিত হোৱা গাঁওবোৰলৈ ঢাপলি মেলিছে। এয়া যদি মানৱতাৰ কাৰণে দৰদ সেয়াতো ভালৰে কথা। তেতিয়াহ'লে আন আন ঠাইৰ আন লোক উগ্ৰপন্থীৰ হাতত নিহত হোৱাত সহৃদয়তা দেখুৱাহেঁতেন, মানৱতাৰ জয়গুণ গোৱা বুলি ক'ব পৰা গ'লহেঁতেন।

অসমৰ ৰাইজে উগ্ৰপন্থী বা সেনাৰ হত্যা-সন্ত্ৰাসৰ অৱসান বিচাৰে।



কিন্তু উভয় পক্ষৰ মত বিৰোধৰ কাৰণে ৰাইজে সৰ্বান্তঃকৰণে কামনা কৰা শান্তি-আলোচনাৰ পথ ব্যাহত হৈ পৰে। আলোচনাৰ পথ পুনৰ মুকলি হোৱাটো কাম্য। লাগে মাথোঁ দুয়োপক্ষৰ সদিচ্ছা আৰু আন্তৰিকতা। কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে ভাৰতত সোমোৱা পাকিস্তানী চোৰাংচোৱা সংস্থা আই, এছ, আই আৰু বাংলাদেশৰ মৌলবাদী জেহাদী গোটবোৰে, পূৰ্বোত্তৰৰ আলফা আদি উগ্ৰপন্থী সংগঠনবোৰে কূটঘাতমূলক কাণ্ড, বোমা বিস্ফোৰণ, গ্ৰেণেড নিক্ষেপ আদি কৰি আছে বুলি প্ৰকাশ পাইছে। সেয়া যদি হয় কেন্দ্ৰীয় চৰকাৰে উক্ত বিদেশী সন্ত্ৰাসবাদী গোটবোৰৰ কাৰ্যকলাপ আৰু ভাৰতত প্ৰৱেশ —সৰ্বশক্তি প্ৰয়োগ কৰি বন্ধ কৰাটো নিতান্তই উচিত। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত চকু মুদি থকাৰ ৰহস্য বুজা নাযায়। এয়া বলে নোৱাৰা শিলক পৰি নমস্কাৰ নে ৰাজনৈতিক অভিসন্ধি ?০

০সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ১৯শ সংখ্যা, ২২ জানুৱাৰী-২০০৭

# অসমৰ খিলঞ্জীয়া ৰক্ষণাবেক্ষণ শুদ্ধ নাগৰিক পঞ্জী

মোৱামৰীয়া বিদ্ৰোহ আৰু যুঁজ-বাগৰ (খ্ৰীঃ ১৭৬৯-১৭৯৪লৈ)ত হাজাৰ হাজাৰ লোক নিহত হোৱাৰ ঢৌ মাৰ যোৱাৰ কেইবছৰমান পিছতেই আহোম ৰাজপৰিয়াল আৰু বিষয়াসকলৰ আত্ম-কলহ, অবিয়া-অৰি, হিংসা-হিংসিৰ ফলত পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ ওপৰত পোটক তুলিবলৈ বদন বৰফুকনে ব্ৰহ্মদেশৰপৰা অসমলৈ অনা অত্যাচাৰী মান সেনাৰ তিনিবাৰৰ আক্ৰমণত আৰু মানৰ দিন (খ্ৰীঃ ১৮১৭-২৫)ত অবৰ্ণনীয় অমানৱীয় জঘন্য অত্যাচাৰ-উৎপীড়নত অসমৰ অগণন লোকৰ প্ৰাণ হানি হয় আৰু কিছুমানে ত্ৰস্তমান হৈ ঘৰ-দুৱাৰ, থকা ঠাই এৰি অনাই বনাই অ'ত-ত'ত পলাই লুকাই থাকি কোনোমতে লেলাই-ধেন্দাই জীয়াই থাকিল। আহোম শাসক, সৈন্য আৰু প্ৰজাৰ তেনে বিপৰ্যয়ৰ ক্ষণতে সাম্ৰাজ্যবাদী বৃটিছ আৰু অত্যাচাৰী মানৰ মাজত অসমৰ বাহিৰৰ য়াণ্ডাবু নামৰ ঠাইত ১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰীত হোৱা সন্ধিমতে বৃটিছক অসম এৰি দি মান সেনা নিজ ৰাজ্যলৈ ঘূৰি যায়।

উল্লেখযোগ্য কথা যে ছশ বছৰ প্ৰৱল পৰাক্ৰমেৰে আহোম ৰাজ্যৰ শাসন চলাই থকা আহোম ৰজাৰ পক্ষক সন্ধি কৰা দুই উক্ত বিদেশী শক্তিয়ে কোনো গুৰুত্বই নিদিলে। সেই সময়ত অতি দুৰ্বল হৈও অসমৰ সিংহাসন বৰ্তাই ৰাখিবলৈ চেষ্টা কৰা অসম ৰাজ্যৰ গৃহস্থ আহোম ৰাজশক্তিক আঁতৰত ৰাখি দুই বিদেশী শক্তি অসমৰ হৰ্তাকৰ্তা হৈ চুক্তি কৰি অসমৰ শাসন এটা বিদেশী শক্তিয়ে আন এটা বিদেশী শক্তিক গটালে।

মোৱামৰীয়া বিপ্লৱ, সমসাময়িক আন বিদ্ৰোহ, ৰণ আদি আৰু মানৰ উপদ্ৰৱ, বৰ্বৰ নিৰ্যাতনত জীয়াতু ভূগি অসমত থকা মাত্ৰ কেইলাখমান খিলঞ্জীয়া বা বিভিন্ন জনগোষ্ঠীৰ থলুৱা অসমীয়াৰ অসম ৰাজ্য শাসন কৰিবলৈ বৃটিছে আন ৰাজ্যৰপৰা কৰ্মচাৰী, বিদ্যালয়ৰ শিক্ষক, ৰাস্তা-ঘাট, বাগিছা আদি যাৱতীয় কামৰ বাবে শ্ৰমিক অসমলৈ আনিলে। তেতিয়াৰপৰা



বিদেশী শাসকৰ স্বাৰ্থত অসমৰ উন্নতিৰ নামত বহিঃৰাজ্যৰ লোক অসমলৈ প্ৰব্ৰজন ঘটিবলৈ ধৰে। পৰৱৰ্তী কালত সেই প্ৰব্ৰজনৰ সোঁত ভাৰতৰ আন-আন ৰাজ্যৰ উপৰিও বিদেশী ৰাষ্ট্ৰৰপৰাও ব'বলৈ ধৰি বৃটিছ শাসনৰ পূৰ্বৰ অসমৰ কেইলাখ মান জনসংখ্যা বৰ্তমান কেইকোটিমানলৈ বৃদ্ধি হ'ল।

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হোৱাত বৃটিছেও অসমক ছকুৰিমান (১৮২৬-১৯৪৭) বছৰ শাসন কৰাৰ কাৰণে অসম স্বাধীন ভাৰতৰ অঙ্গৰাজ্য হয়। অসম ভাৰতৰ অঙ্গৰাজ্য নামতহে হ'ল, কিন্তু ভাৰতীয় কেন্দ্ৰীয় চৰকাৰৰ ঔপনিবেশিক শাসন-শোষণহে অসমত চলিল। আনফালে পূৰ্ববঙ্গ তথা পূব পাকিস্তানৰ পৰা অসমলৈ প্ৰৱল সোঁতত বিদেশীৰ প্ৰব্ৰজন ঘটিবলৈ ধৰিলে আৰু পৰৱৰ্তী কালতো পাকিস্তানৰ কবলৰপৰা ওলাই স্বাধীন ৰাষ্ট্ৰৰূপে পৰিগণিত হোৱা (খ্ৰীঃ ১৯৭১) বাংলা দেশৰপৰাও অলেখ অনুপ্ৰৱেশকাৰীৰ প্ৰব্ৰজন বৰ্তমানলৈ অবাধ গতিৰে চলি থাকি ভয়াবহ ৰূপ ধাৰণ কৰি জটিল সমস্যাত পৰিণত হৈছে — যি সমস্যা অসম ৰাজ্য আৰু ভাৰত ৰাষ্ট্ৰৰ শাসক শ্ৰেণীৰ ৰাজনৈতিক কু-অভিসন্ধিৰ ফলত আজিও সমাধা নহৈ জীৱন্ত হৈ আছে। এই সম্পৰ্কত সময়মতে শাসক যন্ত্ৰই নিঃস্বাৰ্থভাৱে যথোচিত ব্যৱস্থা গ্ৰহণ কৰাহেঁতেন আজিৰ অৱস্থা নাপালেহেঁতেন। এই প্ৰসংগত ১৯৩১ চনৰ লোক পিয়লৰ আয়ুক্ত মোলান চাহাবে প্ৰতিবেদনত উল্লেখ কৰা সৰ্তকবাণী বিশেষ মনকৰিবলগীয়া "বৰ্তমান শিৱসাগৰ জিলাৰ বাদে অসমৰ আন ক'তো অসমীয়া লোকৰ আধিপত্য নাথাকিব।" মোলান চাহাবৰ এনে গভীৰ আৰু দূৰদৰ্শিতাপূৰ্ণ সৰ্তকবাণী অদূৰদৰ্শী ক্ষমতালোভী ৰাজনীতিকসকলে ভ্ৰূক্ষেপ নকৰাৰ বাবে সেয়া সঁচাত পৰিণত হ'ল। সেই কাৰণে অসমৰ অন্ধকাৰ ভৱিষ্যত দেখা পাই সেই সৰ্তকবাণীৰ পঞ্চাশ বছৰৰ পিছত স্বাধীন ভাৰতত অসমৰ ছাত্ৰ-যুৱ শক্তি তথা ৰাইজে অস্তিত্ব ৰক্ষাৰ কাৰণে ছবছৰীয়া (১৯৭৯-৮৫) অহিংস আন্দোলন কৰি প্ৰায় সাত শ ছহীদ আৰু হাজাৰ হাজাৰ লোকক কাৰাৰুদ্ধ কৰাৰ লগতে লাখ লাখজনক শাৰীৰিক, মানসিক নিৰ্যাতন ভোগালে।

১৯৮৫ চনৰ ১৪ আগষ্টৰ মাজনিশা কেন্দ্ৰীয় চৰকাৰে আন্দোলনৰ নেতৃবৃন্দৰ লগত অবৈধ বিদেশী চিনাক্ত কৰি বহিষ্কাৰ কৰা, বিদেশী অনুপ্ৰৱেশক বাধা দিবলৈ সীমান্তত কাঁইটীয়া বেৰ, অসমীয়া ৰাইজৰ সাংস্কৃতিক-সামাজিক-ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা-সংৰক্ষণ আৰু বিকাশৰ বাবে আৱশ্যকীয়

সাংবিধানিক আইনগত প্ৰশাসনিক ৰক্ষণাবেক্ষণৰ ব্যৱস্থা লোৱাৰ আদি বিষয়ে চুক্তি কৰিছিল। কিন্তু আচৰিত ধৰণে বিদেশী সমস্যা আৰু বিদেশী অনুপ্ৰৱেশত বাধা দিয়াৰ কোনো বাস্তৱ ব্যৱস্থা চৰকাৰবোৰে লোৱা দেখা নগ'ল। সম্প্ৰতি বিদেশী আৰু বহিৰাগতই অসমৰ ৰাজনীতি, অৰ্থনীতি, কৃষি, সংস্কৃতিত প্ৰচণ্ড প্ৰভাৱ পেলোৱাৰ ফলত অসমীয়াৰ আধিপত্য নোহোৱা হৈছে। বিশেষকৈ, চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰপৰা সীমান্তৰ উন্মুক্ত পথেৰে হোৱা প্ৰব্ৰজনে অসম আৰু পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ অস্তিত্ব বিপন্ন কৰি তুলিছে। ই অতি ভয়ঙ্কৰ কাণ্ড। বাংলাদেশৰ প্ৰব্ৰজন বন্ধৰ স্থায়ী ব্যৱস্থা নেদেখি বাংলাদেশীৰ সোঁত ৰোধ কৰিবলৈ, মেঘালয়ৰ খাছী জনগোষ্ঠী যাতে সংখ্যালঘুত পৰিণত নহয়, তাৰ বাবে খাছী পাৰ্বত্য স্বায়ত্বশাসতি জিলা পৰিষদে খাছী জনসংখ্যা বৃদ্ধিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি পোন্ধৰ বা ততোধিক সন্তান জন্ম দিয়া মাতৃসকলক শকত পুৰস্কাৰ বা ধনৰ টোপোলা দিয়াৰ ব্যৱস্থা হাতত লৈছে। স্বাধীনতাৰ ৬০ বছৰৰ পিছতো ভাৰত ৰাষ্ট্ৰই অসমৰ ভূমিপত্ৰ বা খিলঞ্জীয়াসকলক সুৰক্ষা দিয়াৰ ব্যৱস্থা নকৰি সংখ্যালঘুত পৰিণত কৰিবলৈ, বিশেষকৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীক ৰক্ষা কৱচ দি (দৰকাৰ মতে সংবিধান সংশোধন বা নতুন আইন প্ৰণয়ন কৰিও) সংখ্যাগুৰুত পৰিণত কৰাৰ অভিসন্ধি কৰা বুলিব পাৰি। অসমৰ ৰাজ্য চৰকাৰসমূহ, দল, সংগঠন আদি সকলোৱে ভাৰত ৰাষ্ট্ৰযন্ত্ৰৰ অভিসন্ধি বুজিও নুবুজা, দেখিও নেদেখাৰ ভাও জুৰি আছে। অন্যথা ভাৰত ৰাষ্ট্ৰই বিদেশী অনুপ্ৰৱেশকাৰীৰ ৰক্ষণাবেক্ষণৰ হকে ৰাজনীতি কৰি থাকিবৰ সুবিধা নাপালেহেঁতেন। অসমীয়া জনগোষ্ঠী বা খিলঞ্জীয়াসকলক বৰ্তাই ৰাখিবলৈ অন্ততঃ গণতান্ত্ৰিক চৰকাৰ এখনে শুদ্ধ নাগৰিক-পঞ্জী অত বছৰে দিব নোৱাৰাৰ দৰে পৰিতাপৰ কথা একো নাই। কি যে আশ্চৰ্যৰ কথা — ভাৰত ৰাষ্ট্ৰৰ অংগৰাজ্য অসমৰ শুদ্ধ ভোটাৰ তালিকা নাই, নাগৰিক পঞ্জী নাই, যিবোৰ কাৰণে খিলঞ্জীয়া বা থলুৱা জনগোষ্ঠীতকৈ আনবোৰেহে (বিদেশীকে আদি কৰি বহিৰাগত) বেছি সুবিধা লাভ কৰি আছে। অসমৰ খিঞ্জীয়াসকলক আৰু বেছি বিপৰ্যস্ত তথা সংখ্যালঘুত পৰিণত হ'বলৈ নিদি এখন শুদ্ধ নাগৰিক-পঞ্জী অসমৰ ৰাজনৈতিক দলসমূহৰ লগতে সকলো গণতান্ত্ৰিক, অৰাজনৈতিক সংগঠন, ছাত্ৰসন্থা, মহিলা পৰিষদ আদিৰ সহায়ত তুৰন্তে প্ৰস্তুত কৰাটো ৰাজ্যিক আৰু ৰাষ্ট্ৰযন্ত্ৰৰ নৈতিক কৰ্তব্য।



উল্লেখযোগ্য যে ২০০৫ চনৰ মে' মাহত সদৌ অসম ছাত্ৰ সন্থাৰ লগত ভাৰতৰ প্ৰধান মন্ত্ৰী পৰ্যায়ত ত্ৰিপাক্ষিক বৈঠকত অসমৰ ৰাষ্ট্ৰীয় নাগৰিক-পঞ্জী প্ৰস্তুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰি ২০০৭ চনৰ চেপ্তেম্বৰ মাহত নাগৰিক-পঞ্জীৰ কাম সম্পূৰ্ণ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ২০০৭ চনৰ চেপ্তেম্বৰ মাহলৈ আৰু মাথোঁ কেইমাহমানহে বাকী, কিন্তু অসমৰ নাগৰিক-পঞ্জী প্ৰস্তুত আৰু সম্পূৰ্ণ কৰাৰ কিমান অগ্ৰগতি হৈছে, তাক ৰাইজে বৰ্তমানলৈকে জানিব পৰা নাই। সেয়েহে এই বিষয়টো ৰাজহুৱা কৰি সময়মতে সম্পূৰ্ণ কৰি চৰকাৰৰ অসমৰ প্ৰতি থকা দায়বদ্ধতাৰ সু-পৰিচয় দিয়ক। এই ক্ষেত্ৰত যাতে কোনো ৰাজনৈতিক ষড়যন্ত্ৰ, অসম বিৰোধী চক্ৰৰ কু-অভিসন্ধি আৰু দুৰ্নীতিয়ে গা কৰিব নোৱাৰে, তাৰ প্ৰতি দেশক ভালপোৱা প্ৰতিজন নাগৰিক তথা দল; সংগঠন, সন্থা, পৰিষদ আদি বিশেষ সৰ্তক আৰু তৎপৰ হোৱাটো কাম্য।০

০সাপ্তাহিক অসম : ১ম বছৰ : ২০শ সংখ্যা, ২৯ জানুৱাৰী-২০০৭

# এম. আৰ. পি. (MRP) সাধাৰণ শ্ৰেণী গ্ৰাহকৰ মূৰত ৰাম-টাঙোন

সাম্প্ৰতিক বজাৰত বস্তুৰ মূল্যবৃদ্ধি — বিশেষকৈ খাদ্য-সামগ্ৰীকে ধৰি অত্যাশ্যকীয় সামগ্ৰীৰ জুই-ছাই দামৰ কাৰণে অসমৰ সাধাৰণ শ্ৰেণীৰ লোকে পেটত গাঁথি দি জীৱন ধাৰণ কৰি থাকিব লগীয়া হৈছে। অতি দুৰ্গত কিছুমানে দুবেলা দুমুঠি পেট ভৰাই খাবলৈ নাপাই আধা মৰোঁ-আধা জীকৈ ৰাস্তাৰ দ'ম বা য'তে ত'তে পৰি থকা খাদ্য-বস্তু বুটলি খোৱাৰ অৱস্থা হৈছে। সুবিধাবাদী শ্ৰেণীয়ে এনে বাস্তৱ ঘটনা দেখিও নেদেখাৰ, জানিও নজনাৰ, শুনিও নুশুনাৰ ভাও জুৰি আছে। আজিৰ সমাজত এটা শ্ৰেণীয়ে ভোগ-বিলাস আড়ম্বৰপূৰ্ণ ব্যয়বহুল জীৱন কটাই আনন্দ-স্ফূৰ্তিত দিন কটাইছে আৰু আনহাতে একেখন সমাজতে বাস কৰা আন এটা শ্ৰেণীয়ে অন্ন-বস্ত্ৰ-বাসগৃহৰ অভাৱত আৰ্তনাদ কৰি জীৱনৰ লগত সংগ্ৰাম কৰি মৃত্যুৰ ক্ষণ গণিছে। বৰ্তমান সুবিধাবাদী ৰাজনৈতিক নেতা, ব্যৱসায়িক শ্ৰেণী আৰু দুৰ্নীতিপৰায়ণ বিষয়া আদিয়ে নিজৰ ক্ষমতা আৰু স্বাৰ্থৰ কাৰণে বহুসংখ্যক জনতাৰ অভাৱ-অভিযোগক কোনো গুৰুত্ব দিয়াৰ অৱকাশ নোপোৱা হৈছে। সুবিধাবাদী চক্ৰটোৰ কাৰণে বজাৰত আৱশ্যকীয় সামগ্ৰীৰ যে মূল্য বৃদ্ধি পাইছে, তাক নজনা কোনো নাই। এনে ক্ষণত অসমৰ সৰ্বসাধাৰণ কৃষক আৰু দুৰ্গত ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা হৈছে। কৃষিপ্ৰধান ৰাজ্যখনত খৰাং বতৰত, কৃষি শস্যত পোক-পৰুৱা, বান্দৰ, চৰাই-চিৰিকতিৰ উপদ্ৰৱৰ লগতে চৰকাৰৰ জলঞ্চিন, আৰু সাৰ-সঁচ যোগাৰ ব্যৰ্থতা আদিয়ে কৃষকক জীয়াতু ভোগাইছে।

আন এটা কাৰকে অসমৰ নিম্নতম আয়ৰ জনসাধাৰণক বিবুধিত পেলাইছে। আজিকালি বজাৰৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ পেকেট, বটল, টেমা, টিন, বস্তা আদিৰ ওপৰত সৰ্বোচ্চ বা অত্যাধিক খুচুৰা মূল্য (MRP) লিখা থাকে। দোকানী বা বেপাৰীয়ে (MRP) মূল্যৰ অকণো হেৰফেৰ নকৰি গ্ৰাহকক সামগ্ৰী বিক্ৰী কৰি আছে। সামগ্ৰীবোৰ মন কৰিলে দেখা যায়



উৎপাদিত মূল্যতকৈ (MRP) ৩০/৪০ শতাংশ বা তাতকৈও বেছি মূল্য লিখা হয়। ভাৰতৰ দৰে গণতান্ত্ৰিক শাসন চলা দেশত এনেদৰে অতি বেছি মূল্য নিৰ্ণয় কৰাৰ কাৰণ কি ? এই কথা সকলোৰে জ্ঞাত যে ৰাজনৈতিক দল বা ব্যক্তিবোৰে নিৰ্বাচনত কোটি কোটি টকা ব্যয় কৰি চমক সৃষ্টি নাইবা ভোটাৰক কিনিবলৈ লগা হোৱা ধন বা অবৈধভাৱে যোগান ধৰিবলগীয়া সামগ্ৰী উৎপাদনকাৰী বা কোম্পানীৰ পৰা আদায় কৰে। কোটিপতি মজুতকাৰী, উৎপাদনকাৰী বা কোম্পানীবিলাকৰ লগত ৰাজনৈতিক নেতা, বিধায়ক, সাংসদ আদিৰ বুজা-বুজিৰে যে সামগ্ৰীৰ এনে ধৰণে মূল্য নিৰ্ণয় কৰা হৈছে, তাক সৰ্বোচ্চ খুচুৰা মূল্যই বুজাই দিছে। অন্যথা জধে-মধে বস্তুৰ সৰ্বোচ্চ মূল্য নিৰ্ণয় কৰাৰ সাহস উৎপাদনকাৰীসকলে নাপালেহেঁতেন। তাৰ উপৰি, ৰাজনৈতিক (বিশেষকৈ ক্ষমতা দখল কৰা দলৰ) বা প্ৰভাৱশালী নেতাৰ ছত্ৰছাঁয়াত থকা দুৰ্নীতিপৰায়ণ বিষয়া, কৰ্মচাৰী, ৰাষ্ট্ৰ-ৰাজ্য— আনকি আঞ্চলিক তৃণমূল পৰ্যায়ৰ নেতা-পালিনেতা আদিয়েও বৃহৎ বা ক্ষুদ্ৰ ব্যৱসায়ী বা বেপাৰীৰ পৰা ধন সংগ্ৰহ কৰাৰ কথা জনা যায়। বস্তুৰ দাম দ্ৰুতগতিত বৃদ্ধি পোৱাৰ আন এটা কাৰণ হ'ল — দূৰদৰ্শনৰ চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ চেনেলবোৰত নানা সামগ্ৰীৰ মন আকৰ্ষণীয় বহুৰঙী বিজ্ঞাপন দামী-নামী চিনেমাৰ নায়ক-নায়িকা তথা অভিনেত্ৰীৰ দ্বাৰা দূৰদৰ্শন যন্ত্ৰৰ চুইচ টিপিলেই দেখা যায়। উৎপাদনকাৰীসকলে এনে বিজ্ঞাপনতো কোটি কোটি টকা খৰচ কৰি আছে। এনেবোৰ কাৰণত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিয়ে সাধাৰণ গ্ৰাহকক ৰাম-টাঙোন শোধাইছে।

চৰকাৰে খাটি খোৱা বা নিম্ন আয়ৰ লোকসকলৰ জীৱন-মৰণ সমস্যা বাস্তৱত উপলব্ধি কৰাহেঁতেন উৎপাদিত সামগ্ৰীৰ মূল্য জধে-মধে বৃদ্ধি হ'ব নোৱাৰিলেহেঁতেন। দুৰ্গত জনসাধাৰণৰ প্ৰতি চৰকাৰৰ আন্তৰিক সহানুভূতি তথা সামান্য সেৱাৰ মনোভাৱ থকাহেঁতেন অত্যধিক খুচুৰা মূল্য (MRP) লিখাটো বাৰণ কৰি ন্যূনতম খুচুৰা মূল্য ধাৰ্য্যবন্ধা কৰি দিয়াৰ ব্যৱস্থা চৰকাৰে নিশ্চয় ল'ব পাৰে। যদি এক কিলো দাইলৰ পেকেটত ৬০/৭০ টকা, এক কিলো নিমখৰ পেকেটত ২০/২৫টকা, মিঠাতেলৰ এক লিটাৰৰ পেকেটত ৮০/৯০ টকা, নিম্নমানৰ এক কিলো বিস্কুটৰ পেকেটত ২০/২৫ টকা সৰ্বোচ্চ খুচুৰা মূল্যও লিখা থাকে, তেন্তে গ্ৰাহকে সেই মূল্যতে কিনিবলৈ বাধ্য, যিহেতু কিবা অভিযোগ দিলেও তাৰ ওপৰত ব্যৱস্থা ল'বলৈ কোনো নাই। নিম্ন

আয়ৰ গ্ৰাহকে যদি কিনিবলৈ সমৰ্থ নহয়, চকুপানীৰে পৃথিৱী তিয়াই থকাৰ বাহিৰে গত্যন্তৰ নাই।

আজিকালি চৰকাৰী প্ৰচাৰ যন্ত্ৰ আকাশবাণী, দূৰদৰ্শনে উৎপাদনকাৰী বা বেপাৰীয়ে নিৰ্ণয় কৰা সৰ্বোচ্চ খুচুৰা মূল্য (MRP) গ্ৰাহকক নিদি দৰদাম কৰিবলৈ সঘন প্ৰচাৰ চলাই থকা দেখা গৈছে। কিন্তু সকলো বৃথা বা ফুটুকাৰ ফেন। কোনো ব্যৱসায়ীয়ে গ্ৰাহকৰ তেনে কথালৈ ভ্ৰূক্ষেপকে নকৰে, আনকি দৰদাম কৰা গ্ৰাহক লাজতহে পৰিব লগা হৈছে। কিছুমান ৰাজনৈতিক নেতা-পালিনেতা, দুৰ্নীতিপৰায়ণ বিষয়া-কৰ্মচাৰীৰৰ স্বাৰ্থ পূৰণৰ কাৰণে উৎপাদনকাৰীয়ে নিৰ্ণয় কৰা মূল্যৰ ওপৰত চৰকাৰে নীৰৱতা অৱলম্বন কৰি আছে বুলি সজাগ নাগৰিকৰ স্পষ্ট মত। গতিকে মূল্য বৃদ্ধি তথা সৰ্বোচ্চ খুচুৰা মূল্য (MRP) ৰোধ কৰাৰ কাৰণে গণতান্ত্ৰিক জনপ্ৰিয় চৰকাৰে কঠোৰ ব্যৱস্থা হাতত লোৱাটো জনকল্যাণকামী বা জনহিতকৰ কাম হ'ব।০

০সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ২২শ সংখ্যা, ৫ ফেব্ৰুৱাৰী-২০০৭

# আলফা-চৰকাৰ প্ৰত্যক্ষ আলোচনাত বহক

ইংৰাজী ১৯২৪ চনত পৰাধীন ভাৰতৰ লাহোৰত (সেই সময়ত ভাৰত-পাকিস্তান দ্বিবিভক্ত হোৱা নাছিল) সূচনা কৰা ইণ্ডিয়ান অলিম্পিক গেম্‌ছ ১৯৪৬ চনলৈ প্ৰতি দুই বছৰৰ ব্যৱধানত অনুষ্ঠিত হৈ ২২ বছৰত লাহোৰত দ্বাদশতম্ অলিম্পিক গেম্‌ছ অনুষ্ঠিত হৈ যোৱাৰ পিছত স্বাধীন ভাৰতৰ লক্ষ্ণৌত ১৯৪৮ চনত ত্ৰয়োদশতম্ গেম্‌ছ পতাৰপৰা উক্ত গেম্‌ছ ৰাষ্ট্ৰীয় ক্ৰীড়া নামে জনাজাত হয়। স্বাধীন ভাৰতৰ প্ৰায় ১৫ খন ৰাজ্যত ৬০ বছৰত কুৰিবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া হৈ যোৱাৰ পিছত ২০০২ চনত হাইদৰাবাদত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়াক্ষেত্ৰত পৰৱৰ্তীবাৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া অসমলৈ আমন্ত্ৰণ জনাই ভাৰতীয় অলিম্পিক সন্থাৰ লগত অসম চৰকাৰ আৰু অসম অলিম্পিক সন্থা চুক্তিৱদ্ধ হয়। প্ৰথমবাৰৰ বাবে চাৰি কুৰি বছৰীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া অসমলৈ আমন্ত্ৰণ কৰি অসম চৰকাৰ, চৰকাৰী ক্ৰীড়া মন্ত্ৰণালয়-বিভাগ আৰু অসম অলিম্পিক সন্থা আদিৰ যৌকি-বাথৌ। এফালে আনন্দ-গৌৰৱ, আনফালে হতাশা-শংকা। দুই নাৱত দুই ভৰি। তথাপি দৃঢ়তা আৰু সাহসেৰে কামত আগবাঢ়িলে সংশ্লিষ্টসকল। বিশেষকৈ অসম ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰাৰ উপযোগী আন্তঃগাঁথনি নিৰ্মাণৰ কামত চৰকাৰ আৰু সংশ্লিষ্টসকল ব্যস্ত হৈ পৰিল। গুৱাহাটীৰ নাতিদূৰত্বৰ মৰিগাঁৱৰ চাৰণবিলৰপৰা কামৰূপৰ দ্বীপৰ বিললৈ বিস্তৃত এলেকাৰ কেইবাখনো সুবিধাজনক স্থানত আটকধুনীয়া আৰু মনোমোহাকৈ বিভিন্ন খেলৰ বাবে ক্ৰীড়া প্ৰকল্প, ষ্টেডিয়াম আদি নিৰ্মাণৰ কামত যুদ্ধকালীন তৎপৰতাৰে অসম চৰকাৰ তথা আয়োজকসকল ব্যস্ত হৈ ৰাষ্ট্ৰীয় ক্ৰীড়া পতাৰ বাবে ২০০৭ চনৰ ৯-১৮ ফেব্ৰুৱাৰী তাৰিখ নিৰ্ধাৰণ কৰিলে আৰু বিভিন্ন ৰাজ্যক ক্ৰীড়াত অংশ গ্ৰহণ কৰিবলৈ আমন্ত্ৰণ জনালে।

মাহ-তাৰিখ নিৰ্দিষ্ট কৰি ক্ষিপ্ৰতৰ গতিত খেলৰ যাৱতীয় কাম আৰু প্ৰস্তুতি চলি থকাৰ মাজতে চৰকাৰৰ নিষিদ্ধ উগ্ৰপন্থী সংগঠন আলফাই নৱেম্বৰ মাহত ভাৰত ৰাষ্ট্ৰৰ বহতীয়া অসম চৰকাৰে আয়োজন কৰা

ত্ৰয়োত্ৰিংশতম্ ৰাষ্ট্ৰীয় ক্ৰীড়া বৰ্জনৰ আহ্বান জনালে। চৰকাৰ আৰু আয়োজকসকল বিমৰ্ষিত হ'ল, তথাপি ক্ৰীড়া সম্পন্ন কৰাৰ দৃঢ়তা প্ৰকাশ কৰিলে। ইতিমধ্যে যোৱা বছৰৰ (২০০৬) অন্তিম দিন ৩১ ডিচেম্বৰত আৰু নতুন বছৰৰ ২ জানুৱাৰীত সেনাৰ গুলীত উজনিত দুজন আলফা নিহত হোৱাৰ পিছতেই ৫ জানুৱাৰীৰপৰা একাদিকক্ৰমে চাৰিদিন ধৰি উজনিৰ তিনিচুকীয়া, শিৱসাগৰ, ডিব্ৰুগড় আৰু ধেমাজিত উগ্ৰপন্থী সংগঠনটোৱে বোমা-বিস্ফোৰণ, গুলী, গ্ৰেণেড আক্ৰমণেৰে প্ৰায় ৬৫ জন হিন্দীভাষী শ্ৰমিক-ব্যৱসায়ীক হত্যা কৰাত পৰিস্থিতি অতি ভয়ানক হৈ পৰে। এনে অমানৱীয় হত্যাকাণ্ড ঘটাৰ লগে লগে কেন্দ্ৰৰ ৰাজ্যিক গৃহ মন্ত্ৰী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী, ৰেলৱে মন্ত্ৰী, প্ৰধান মন্ত্ৰী প্ৰভৃতিয়ে হিংসাত্মক ঘটনা সংঘটিত স্থানলৈ গৈ নিহত পৰিয়ালবৰ্গক লগ ধৰি নিৰ্ভয় বাণী শুনাই ভৱিষ্যত নিৰাপত্তাৰ আশ্বাস দিয়ে। লগতে আলফাক কঠোৰ হাতেৰে দমন কৰি মষিমূৰ কৰিব বুলি তৰ্জন-গৰ্জন কৰি সেনা-অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষীক উগ্ৰপন্থী আলফাক নিঃশেষ কৰিবলৈ নিৰ্দেশ দিয়ে। সেই নিৰ্দেশ মতে সেনাবাহিনীয়ে আলফাৰ লগতে নিৰীহ লোকৰ ওপৰতো গুলী-নিৰ্যাতন চলালে। ইয়াৰ ফলত আলফাই বোমা-বিস্ফোৰণ, গ্ৰেণেড নিক্ষেপ আদি কূটাঘাতমূলক কাৰ্য্য নামনি অসমৰ গুৱাহাটী আৰু আন আন ঠাইলৈ বিস্তাৰিত কৰি বিভীষিকাৰ সৃষ্টি কৰিলে। হিংসা-প্ৰতিহিংসা, আক্ৰমণ-প্ৰতিআক্ৰমণৰ হত্যাই চৰকাৰ আৰু জনসাধাৰণক শংকিত আৰু সন্ত্ৰাসিত কৰি তুলিলে।

নিৰীহ শ্ৰমিক-ব্যৱসায়ী হত্যা-নিৰ্যাতনত অসমৰ মুখ্য মন্ত্ৰীয়ে ধৈৰ্যহাৰা হৈ খঙৰ ভমকত 'পাৰে যদি আলফাই চৰকাৰ বা আমাৰ মানুহ মাৰক' বুলি আলফাক প্ৰত্যাহ্বান জনাই আলফা বিৰোধী অভিযান তীব্ৰতৰ কৰাৰ বাবে 'যুদ্ধং দেহি' মনোভাব ব্যক্ত কৰে। ভাৰতৰ সেনাধ্যক্ষজনেও আলফাৰ বিৰুদ্ধে সৰ্বাত্মক অভিযান চলাই আলফাক নিৰ্মূল কৰাৰ কথা ঘোষণা কৰে। নিৰীহ লোকক হত্যা কৰাৰ কাৰণে নানা ব্যক্তি আৰু সংগঠনে আলফাক গৰিহণা দি এনে দুষ্কাৰ্যৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। বহুতে শান্তি-সমদলো ৰাজ্যৰ বিভিন্ন ঠাইত উলিয়ালে। তথাপি আলফাৰ বিৰুদ্ধে সেনা অভিযান আৰু আলফাৰ বোমা বিস্ফোৰণ আদি শাম নাকাটিলে। বিশেষকৈ গণেশগুৰিকে আদি কৰি গুৱাহাটীৰ বিভিন্ন ঠাইত আলফাৰ কূটাঘাতমূলক কাৰ্য বৃদ্ধি পালে। আনকি ৰাষ্ট্ৰীয় ক্ৰীড়াৰ মুখ্য প্ৰকল্পৰ সন্মুখতো



বোমা উদ্ধাৰ হ'ল। চাৰিওফালে হুৱা-দুৱা লাগিল।

ইতিমধ্যে ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ মাথোন দুসপ্তাহমানহে বাকী। যিকোনো প্ৰকাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া নিৰ্দিষ্ট দিনত পাতিবলৈ অসম চৰকাৰ নাচোৰবান্দা। মুখ্য মন্ত্ৰীয়ে আলফাই ৰাষ্ট্ৰীয় ক্ৰীড়া বৰ্জন প্ৰত্যাহাৰ নকৰিলেও ৰাষ্ট্ৰীয় ক্ৰীড়াৰ নিৰাপত্তাৰ বাবে অতিৰিক্ত অৰ্ধসামৰিক বাহিনী মোতায়ন কৰি হ'লেও নিৰ্ধাৰিত দিনত ক্ৰীড়া অনুষ্ঠিত কৰা হ'বই বুলি দিল্লীত আয়োজিত সংবাদ মেলত দৃঢ়স্বৰে ঘোষণা কৰে। আনহাতে, গণতন্ত্ৰ দিৱসৰ পূৰ্বৰপৰা চৰকাৰে আলফাক ৰাষ্ট্ৰীয় দিৱস বৰ্জন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাইছিল আৰু সেই মৰ্মে নানা কৌশলেৰে আলফাক বৰ্জন উঠাই লোৱাবলৈ প্ৰচেষ্টা অব্যাহত ৰাখে। আনকি অসমৰ যুৱ মন্ত্ৰী এগৰাকীয়ে ২৪ জানুৱাৰীত কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধীক সাক্ষাৎ কৰি অসম চৰকাৰৰ লগত আলফাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বৰ্জন প্ৰত্যাহাৰ কৰাৰ বুজাবুজি হোৱাৰ আভাস দিয়ে। সি যিয়েই নহওক, অৱশেষত ৫ ফেব্ৰুৱাৰীত কেইগৰাকীমান অসমৰ খ্যাতনামা ক্ৰীড়াবিদৰ আহ্বানৰ প্ৰতি সঁহাৰি দি আলফাই ৰাষ্ট্ৰীয় ক্ৰীড়া বৰ্জন প্ৰত্যাহাৰ কৰাৰ কথা ঘোষণা কৰি অসমৰ জাতীয় সন্মান আৰু মৰ্যাদা ৰক্ষা কৰাৰ কাৰণে শান্তিপূৰ্ণভাৱে ৰাষ্ট্ৰীয় ক্ৰীড়া সম্পন্ন কৰাৰ পথ সুগম কৰি দিয়ে। আলফাৰ এনে উদাৰতা, মহানুভৱতা আৰু সহনশীলতা প্ৰশংসনীয়। কি আশ্চৰ্যজনক কথা, আলফাই নিষেধাজ্ঞা উঠাই লোৱাৰ দিনৰেপৰা গুৱাহাটী বা আন ঠাইত কোনো কূটাঘাতমূলক ঘটনা ঘটা নাই আৰু এই সময়ছোৱা শান্তিপূৰ্ণ আৰু আনন্দমুখৰ হৈ পৰে। অসমত এনে শান্তিপূৰ্ণ পৰিৱেশ আজি বহু বছৰৰ পিছতহে দেখিবলৈ পোৱা গৈছে। উল্লেখ্য যে, আলফাই ক্ৰীড়া বৰ্জন প্ৰত্যাহাৰ কৰি শান্তিৰ পৰিৱেশ ৰচনা কৰাৰ বিপৰীতে উজনি অসমৰ কোনো কোনো ঠাইত সেনাৰ হত্যা-সন্ত্ৰাসে শান্তি ব্যাহত কৰি আছে। পৃথিৱীত এনে উদাহৰণ ক'তো পোৱা নাযায় – য'ত সেনাবাহিনীৰ অভিযানৰ সন্ত্ৰাস-হত্যাই নাইবা উগ্ৰপন্থীৰ সশস্ত্ৰ সংগ্ৰামৰ হিংসা-হত্যাই সমস্যা সমাধান কৰিব পাৰিছে।

অসমত শান্তিকামী ৰাইজে অসমত ঘটি থকা সকলো ধৰণৰ হিংসা-হত্যা, সন্ত্ৰাস-নিৰ্যাতন আদি বন্ধ হোৱাটো মনে-প্ৰাণে কামনা কৰে। আলফাই কেইগৰাকীমান ক্ৰীড়াবিদৰ আহ্বানৰ প্ৰতি সঁহাৰি দি ৰাষ্ট্ৰীয় ক্ৰীড়া সুকলমে চলাই যাবলৈ দি যেনেকৈ শান্তিপূৰ্ণ পৰিৱেশ গঢ়িলে, ঠিক তেনেকৈয়ে অসমৰ

জাতীয় সচেতন আৰু শান্তিকামী ৰাইজে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই অসমত স্থায়ী শান্তিৰ পৰিৱেশ ৰচনা কৰিবলৈ আগবাঢ়ি আহক। এইক্ষেত্ৰত অসম চৰকাৰৰ তৎপৰতা আৰু দায়িত্ব গধুৰ। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বৰ্জন প্ৰত্যাহাৰ কৰাবলৈ অসম চৰকাৰে যেনেকৈ সৰ্বাত্মক ফলপ্ৰসূ প্ৰচেষ্টা চলাই সাৰ্থকতা লভিলে, ঠিক তেনেকৈয়ে দলীয় ৰাজনৈতিক স্বাৰ্থৰ ঊৰ্ধ্বত আলফা সমস্যাক স্থান দি আলফাৰ পাঁচজন বন্দীৰ মুক্তিৰ বিধান কৰি কেন্দ্ৰ-আলফাৰ প্ৰত্যক্ষ আলোচনাৰ পথ সুগম কৰি তোলক — এয়া সোণালী সুযোগ। এইক্ষেত্ৰত দুয়োপক্ষই কোনো পূৰ্বচৰ্ত আৰোপ নকৰি সাৰ্বভৌমত্বকে আদি কৰি দুয়োপক্ষৰ সকলো দিশ আলোচনাৰ মাজত যুক্তিযুক্ততাৰে বিচাৰ কৰিলে দীৰ্ঘদিনীয়া সমস্যাটো নিশ্চয় সমাধান হ'বই।○

○সাপ্তাহিক অসম ঃ ২৩শ সংখ্যা, ১৯ ফেব্ৰুৱাৰী-২০০৭

## এই যাত্ৰা অব্যাহত ৰাখক অসমত ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰা হওক

ভাৰতবৰ্ষত ইণ্ডিয়ান অলিম্পিক গেমছ তথা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাস চাৰিকুৰি তিনি বছৰীয়া। পৰাধীন ভাৰতৰ লাহোৰত ১৯২৪ খ্ৰীঃত এই ক্ৰীড়াৰ শুভাৰম্ভ হৈ তেতিয়াৰপৰা বৰ্তমানলৈ ভাৰতৰ প্ৰায় ষোল্লখন ৰাজ্যত অনুষ্ঠিত হৈ (কোনো কোনো ৰাজ্যত একাধিকবাৰো) এইবাৰ ২০০৭ চনত ত্ৰয়োবিংশতম ৰাষ্ট্ৰীয় ক্ৰীড়া অসম ৰাজ্যত প্ৰথমবাৰৰ কাৰণে অনুষ্ঠিত হ'ল। সেইকাৰণে ২০০৭ খ্ৰীঃত (৯ ফেব্ৰুৱাৰীৰপৰা ১৮ ফেব্ৰুৱাৰীলৈ) অসমৰ ক্ৰীড়া ইতিহাসৰ স্মৰণীয় গৌৰৱোজ্জ্বল বৰ্ষ হিচাপে চিহ্নিত হৈ ৰ'ব। ২০০২ খ্ৰীঃৰ ৩২ তম ৰাষ্ট্ৰীয় ক্ৰীড়াথলী হায়দৰাবাদৰপৰা ভাৰতৰ সৰ্বশ্ৰেষ্ঠ ৰাষ্ট্ৰীয় ক্ৰীড়া অসমলৈ আমন্ত্ৰণ কৰি পূৰ্বৰ অনভিজ্ঞতাৰ সংকোচ-দুৰ্ভাবনা, আয়োজক নেতৃবৃন্দৰ মাজৰ অনৈক্য-খামখেয়ালি, ধনৰ অভাৱ-বিশেষকৈ খেল চলোৱাৰ কাৰণে আন্তঃগাঁথনিৰ শোচনীয় অৱস্থা আদি প্ৰতিবন্ধক হৈ পৰা সন্মান আৰু মৰ্যাদা ৰক্ষাৰে ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰিব পৰা যাবনে নাযায়, এনে দোমোজাৰ মাজেদি একাধিকবাৰ খেল পিছুৱাই পিছুৱাই নিৰ্দিষ্ট সময়তকৈ দুবছৰ হোঁহোকাই উপৰোক্ত তাৰিখত ক্ৰীড়া অনুষ্ঠিত কৰিবলৈ খাটাং সিদ্ধান্ত লোৱা হয়। বিশেষ উল্লেখ্য, ক্ৰীড়া অনুষ্ঠিত কৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ তাৰিখ নিৰ্দিষ্ট হোৱাৰ লগে লগে নৱেম্বৰ, ২০০৬ত নিষিদ্ধ উগ্ৰপন্থী সংগঠন আলফাই ক্ৰীড়া বৰ্জনৰ বাবে দিয়া আহ্বানত চৰকাৰ, অলিম্পিক সন্থা, ক্ৰীড়াবিদ তথা আয়োজকসকল হতভম্ব হৈ পৰে। অৱশ্যে খেল আৰম্ভৰ চাৰিদিন পূৰ্বে অসমৰ জাতীয় স্বাৰ্থ, সন্মান, মৰ্যাদা অটুট ৰখাৰ কাৰণে কেইগৰাকীমান খ্যাতনামা ক্ৰীড়াবিদৰ আহ্বান আৰু অসমৰ ক্ৰীড়ামোদী ৰাইজৰ আশা-আকাংক্ষাৰ প্ৰতি লক্ষ্য ৰাখি আলফাই ক্ৰীড়া বৰ্জন প্ৰত্যাহাৰ কৰাত সুকলমে শান্তিপূৰ্ণ আৰু উলহ-মালহেৰে উৎসৱমুখৰ পৰিৱেশত ক্ৰীড়াৰ সামৰণি পৰে।

অসম আধুনিক কালছোৱাত খেলত আন ৰাজ্যৰ তুলনাত বেছি উন্নত আৰু আগবঢ়া নাছিল। ষাঠি-সত্তৰৰ দশকত ক্ৰীড়াৰ বিশেষ সা-সুবিধা নথকা সত্ত্বেও কেইবাগৰাকীমান খেলুৱৈয়ে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় সন্মানেৰে অসমৰ নাম উজলাব পাৰিছিল। ৰাষ্ট্ৰীয় ক্ৰীড়া অসমত অনুষ্ঠিত হোৱাৰ পূৰ্বে ২০০২ চনৰ হায়দৰাবাদৰ খেলত অসমে সোণৰ এটা, ৰূপৰ চাৰিটা, ব্ৰঞ্জৰ ছটা মুঠ এঘাৰটা পদক লাভ কৰি একৈশতম স্থানহে পাইছিল। তাৰো পূৰ্বে ২০০১ত পঞ্জাৱত দুটা সোণৰ পদকসহ মুঠ বাৰটা পদকেৰে যোল্লতম, মণিপুৰ (১৯৯৯) আৰু কৰ্ণাটক (১৯৯৭) ত সোণৰ পদকৰপৰা বঞ্চিত হৈ নটা আৰু চাৰিটা পদকেৰে ক্ৰমে ২৩ তম আৰু ২১ তম স্থান পাইছিল। মহাৰাষ্ট্ৰত (১৯৯৪)ত সোণৰ এটা, ৰূপৰ চাৰিটা, ব্ৰঞ্জৰ বাৰটা মুঠ সোতৰটা পদকেৰে ৯ম স্থান দখল কৰিছিল। মুঠতে পূৰ্বৰ খেলসমূহত কেতিয়াবা সোণৰ পদক লাভ কৰিছিল যদিও অসমৰ খেলুৱৈয়ে আন ৰাজ্যৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা নাছিল। কিন্তু এইবাৰ অসমত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়াত সকলো ওলট-পালট। এয়া বহুতৰ বাবে অপ্ৰত্যাশিত। অসমত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ সাফল্য অভূতপূৰ্ব, এক নতুন অভিলেখ। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত ভাৰতৰ ৩৩ খন ৰাজ্যই অংশ গ্ৰহণ কৰিছিল। ৩৩খন ৰাজ্যৰ ৩০ খনে পদক লাভ কৰিবলৈ সমৰ্থ হয়। আনহাতে তিনিখন ৰাজ্য বিহাৰ, পণ্ডিচেৰী আৰু ত্ৰিপুৰাই কোনো পদক লাভ কৰিব নোৱাৰিলে। অতি গৌৰৱৰ কথা যে পদক লাভ কৰা ৰাজ্যসমূহৰ ভিতৰত অসমে স্বৰ্ণ পদকৰ তালিকাত তৃতীয় স্থান, ৰূপ আৰু ব্ৰঞ্জৰ পদকত প্ৰথম স্থান আৰু সৰ্বমুঠ পদক লাভ কৰাৰ ক্ষেত্ৰত প্ৰথম স্থান অধিকাৰ কৰিছে অৰ্থাৎ সোণ ৩৮, ৰূপ ৫৩ আৰু ব্ৰঞ্জ ৫৭, মুঠ ১৪৮ টা। আনহাতে প্ৰথম স্থান দখল কৰা ছাৰ্ভিচেছে সোণৰ ৫৯, ৰূপৰ ৪৬ আৰু ব্ৰঞ্জৰ ৩৭, মুঠ ১৪২ টা আৰু মণিপুৰে সোণৰ ৫১, ৰূপৰ ৩২, ব্ৰঞ্জৰ ৪০ মুঠ ১২৩ টা পদক লাভ কৰে। অৰ্থাৎ সোণৰ পদকৰ লেখেৰে অসম তৃতীয়, কিন্তু ৰূপ আৰু ব্ৰঞ্জৰ লেখেৰে প্ৰথম স্থানত। সাফল্যৰ অভিলেখ দেখা পাই বিভিন্ন মহলৰপৰা অভিযোগ উত্থাপিত হৈছে যে অৰ্ধেকতকৈও বেছি সংখ্যক খেলুৱৈ অসমৰ বাহিৰৰ আন ৰাজ্যৰপৰা ধাৰ কৰি অনা — যাৰ ফলত ৰাজ্যখনৰ থলুৱা খেলুৱৈক বঞ্চিত কৰা হৈছে। সি যি নহওক, থলুৱা খেলুৱৈসকলেও যে পূৰ্বতকৈ মানদণ্ড উন্নত কৰি অধিক পৰিমাণে পদক লাভ কৰিছে তাক স্বীকাৰ কৰিব



লাগিব। অসম অলিম্পিক সন্থাই ইয়াৰ পিছৰপৰা অসমৰ স্থানীয় বিশেষকৈ গ্ৰামাঞ্চলৰ প্ৰতিভাসম্পন্ন খেলুৱৈসকলক সা-সুবিধা দি খেলৰ মানদণ্ড উন্নত কৰাৰ বাস্তৱ চিন্তা কৰাটো সমীচীন হ'ব।

এইখিনিতে উল্লেখ কৰিব পাৰি যে খেলা-ধূলাত অসমৰ অতীত ইতিহাস গৌৰৱপূৰ্ণ আছিল। পৰম্পৰাগতভাৱে অসমৰ বিভিন্ন জনগোষ্ঠীৰ ল'ৰা-ছোৱালী, যুৱক-যুৱতীয়ে নানা খেল খেলি মনৰ আনন্দ আৰু শৰীৰৰ উৎকৰ্ষ সাধন কৰিছিল। ঘিলা খেলা, লুকাভাকু, দৌৰ, কড়ি খেল, মূৰত মাটি কলহ লৈ দৌৰা, লাটুম, মল্লযুদ্ধ, যাঠী দলিওৱা, দীঘল জঁাপ, ওখ জঁাপ, পাথৰ দলিওৱা, ধনু-কঁাড় মৰা, ঢোপ খেল, ৰছী টনা, হতাহতি, সাঁতোৰ, চকু বন্ধা, নাও খেল, ঘোঁৰা দৌৰ, পাঞ্জা, বাঘবোল, হাতবোল, বন্ধা হাউ, ধৰা হাউ, বান্তা খেল, লাঠী খেল, টাং গুটি, টেকেলি ভঙা, কণী যুঁজ, বুলবুলি যুঁজ, শেন যুঁজ, কুকুৰা যুঁজ, হাতী যুঁজ, বাঘ-ভালুকৰ যুঁজ আদি অসমৰ ঐতিহ্যপূৰ্ণ পৰম্পৰাগত খেলবোৰৰ কথা বিশেষ উল্লেখযোগ্য। আহোম স্বৰ্গদেউসকলে খেলা-ধূলাৰ পৃষ্ঠপোষকতা কৰিছিল। ৰজা, ৰাজবিষয়া আৰু প্ৰজাসকলে খেলা-ধূলা সমানে উপভোগ কৰিছিল। ৰজাই প্ৰতিভাশালী ভাল খেলুৱৈক পুৰস্কাৰ দি উৎসাহিত কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই শালকাঠৰ খুঁটাৰে কাঠৰ পাত দি ওখকৈ চাং সাজি খেল চাবৰ কাৰণে ৰংঘৰ সাজি দিছিল। স্বৰ্গদেউ প্ৰতাপসিংহই ইটাৰে পকীকৈ দুমহলীয়া ৰংঘৰ সাজি ৰংঘৰৰ সন্মুখত মুকলি পথাৰৰ চাৰিওফালে ওখ আৰু আহল-বহলকৈ গড় মাৰি সেই গড়ত বহি বা থিয় হৈ প্ৰজাসকলক খেল চোৱাৰ সুবিধা কৰি দিছিল। 'চৰিত পুথি'ত মহাপুৰুষ শঙ্কৰদেৱে লগৰীয়াবোৰৰ লগত ব্ৰহ্মপুত্ৰত ডুব মাৰি মাছ ধৰি অনা, ভৰ-বাৰিষা সাঁতুৰি ব্ৰহ্মপুত্ৰৰ ইপাৰ-সিপাৰ হোৱা, ঢোপ খেলা, ভটাগুটি খেলা আদিৰ উল্লেখ আছে। এনে ঐতিহ্য পৰম্পৰাৰে গৌৰৱমণ্ডিত অসমে সাম্প্ৰতিক সময়ত ক্ৰীড়া বা খেলজগতত সুনাম অৰ্জন কৰিব নোৱাৰাটো দুৰ্ভাগ্যৰ কথা। ক্ৰীড়াৰ আধুনিকীকৰণেৰে উৎকৰ্ষ সাধন আৰু মানদণ্ড উন্নত কৰাৰ কাৰণে যথোচিত ব্যৱস্থা নিতান্তই প্ৰয়োজন। এই বছৰৰ ৩৩তম্ ৰাষ্ট্ৰীয় ক্ৰীড়া অসমে সফলতাৰে সমাপ্ত কৰাৰ লগতে অসমৰ খেলৰ উৎকৰ্ষ সাধন আৰু মানদণ্ড উন্নত কৰাটো এক আনন্দ আৰু গৌৰৱৰ অধ্যায়। কামৰূপ জিলাৰ উত্তৰ পাৰৰ উত্তৰ গুৱাহাটী, দক্ষিণ পাৰৰ দীপৰ বিল, গুৱাহাটীৰ বিভিন্ন সুচল স্থান, সোণাপুৰ হৈ মৰিগাঁও

জিলাৰ চাৰণবিল পৰ্যন্ত সুবিধামতে ক্ৰীড়া প্ৰকল্প, ষ্টেডিয়াম আদি খেলাৰ উপযোগীকৈ নিৰ্মাণ কৰি ৩৩৫ কোটি টকা ব্যয় কৰা বুলি জানিব পৰা গৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে নিৰ্মাণ কৰা আন্তঃগাঁথনিসমূহ আন্তঃৰাষ্ট্ৰীয় মানৰ বুলি অভিহিত কৰি উদ্বোধনী অনুষ্ঠানত ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি সুৰেশ কালমাডীয়ে গুৱাহাটীৰ গেমছ ভিলেজ এচিয়ান গেমছৰ তুলনাতো উন্নত পৰ্যায়ৰ আৰু ভৱিষ্যতে গুৱাহাটীত ছাফ গেমছো সুন্দৰভাৱে হ'ব পাৰে বুলি উল্লেখ কৰে। সামৰণি অনুষ্ঠানত ভাৰতৰ প্ৰধানমন্ত্ৰী মনমোহন সিঙে অসমত অনুষ্ঠিত ৰাষ্ট্ৰীয় গেমছক সৰ্বকালৰ শ্ৰেষ্ঠ আখ্যা দি ভৱিষ্যতে হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া আৰু আন আন গেমছতো খেলুৱৈসকলে উন্নত মানৰ খেল প্ৰদৰ্শন কৰি কৃতিত্ব অৰ্জন কৰিব পাৰিব বুলি আশাৰ বতৰা ছটিয়ায়।

ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতিৰ দ্বাৰা উচ্চ প্ৰশংসিত আন্তঃৰাষ্ট্ৰীয় মানৰ আন্তঃগাঁথনি, প্ৰধানমন্ত্ৰীয়ে সৰ্বকালৰ শ্ৰেষ্ঠ গেমছ আখ্যা দিয়া আৰু বিভিন্ন ৰাজ্যৰ খেলুৱৈসকলক বিমোহিত কৰা আন্তঃগাঁথনিত অসম চৰকাৰে শ শ কোটি টকা ব্যয় কৰি অসমৰ খেলুৱৈসকলৰো মানদণ্ড উন্নত কৰা ৩৩তম্ ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত হোৱা অসমৰ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ স্থায়ী ইতিহাস ৰচিবলৈ গভীৰ চিন্তা-চৰ্চাৰ প্ৰয়োজন হৈছে। কেৱল আনন্দ-স্ফূৰ্তি, ধনৰ ব্যয়-অপচয়তে ক্ষান্ত নাথাকি চৰকাৰ, অলিম্পিক সন্থা, ক্ৰীড়ামোদী ৰাইজ একত্ৰিত হৈ অসমৰ ক্ৰীড়া জগতৰ উন্নতি আৰু ৰাষ্ট্ৰীয়- আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াৰ সমৰ-ক্ষেত্ৰতো যাতে অসমৰ ক্ৰীড়াৰ যশ-গৌৰৱ বঢ়াব পাৰে, তাৰবাবে যথোচিত ব্যৱস্থা হাতত লোৱা উচিত হ'ব। ইয়াৰ ব্যতিক্ৰমত সুন্দৰ সুন্দৰ আন্তঃগাঁথনিৰ প্ৰকল্প, ষ্টেডিয়াম সকলো মৰিশালিত পৰিণত হ'ব।

খেল-ধেমালি বা ক্ৰীড়া জনজীৱনৰ অবিচ্ছেদ্য অঙ্গ, ই এক আমোদপূৰ্ণ সামাজিক ব্যৱস্থা। বৰ্তমান খেল-ধেমালিৰ ওপৰত যি গুৰুত্ব আৰোপ কৰা হৈছে, তাক ভালদৰে বিচাৰ কৰিলে খেলে আধুনিক জীৱন আৰু সংস্কৃতিৰ বিশিষ্ট ৰূপ গঢ়ি তোলে বুলি ক'ব পাৰি। খেলৰ গতি ছন্দময়। নৃত্যৰ দৰে ছন্দে ছন্দে, তালে-তালে খেলে গতি কৰে। সামাজিক জীৱনত মিলা-প্ৰীতি, আদান-প্ৰদানৰ সুযোগ-সুবিধা, মানৱ সমাজৰ ঐক্য-সংহতি গঢ়ি তোলাত খেলৰ অৱদান অনন্য। জনগোষ্ঠী বা জাতিৰ ঐক্য, বীৰত্ব, কৰ্ম-শক্তি আৰু মানসিকতাৰ পৰিচয় খেলা-ধূলাৰ দ্বাৰা জানিব পৰা যায়। খেলৰ সাধনা



আৰু প্ৰতিযোগিতাৰ মাধ্যমেৰে জাতিৰ বা দেশৰ ধৰণীস্বৰূপ কিশোৰ-কিশোৰী, চেমনীয়া, যুৱক-যুৱতীৰ সম্প্ৰীতি-সম্ভাৱ, ভ্ৰাতৃত্ববোধ, মানৱতাবোধ জাগ্ৰত হৈ সংঘবদ্ধ মনোভাব সুদৃঢ় কৰি তোলে। সেইকাৰণে ক্ৰীড়াৰ প্ৰসাৰতা আৰু ব্যাপকতা অত্যন্ত জৰুৰী হৈ পৰিছে। অসমত সামৰণি পৰা ৩৩তম্ ৰাষ্ট্ৰীয় ক্ৰীড়া নিঃসন্দেহে সাফল্যমণ্ডিত আৰু ভৱিষ্যতৰ বাবে আশাব্যঞ্জক বুলি বহুতৰ ধাৰণা।

আধুনিক জনজীৱনৰ লগত অঙ্গাঙ্গী সম্পৰ্ক থকা ক্ৰীড়াৰ উন্নতি আৰু উৎকৰ্ষ সাধন কৰাটো অৱশ্য-কৰ্তব্য। অসমত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় ক্ৰীড়া কৃতকাৰ্যতাৰে সমাপন কৰি তোলাত ক্ৰীড়াসুলভ মনোভাবৰ মুখ্য মন্ত্ৰী তৰুণ গগৈ আৰু তেওঁৰ চৰকাৰৰ উদ্যোগ-উদ্যম আৰু আশাশুধীয়া প্ৰচেষ্টাৰ বহুতে শলাগ লৈছে। সেইকাৰণে ৩৩তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আঁত ধৰি এখন বৃহৎ ক্ৰীড়া বিদ্যাক্ষেত্ৰৰ অনুষ্ঠান অসমত গঢ়ি তোলাটো সময়োচিত কাম হ'ব। অসমৰ বিদ্যালয়সমূহত ক্ৰীড়া শিক্ষক নিযুক্ত কৰি ক্ৰীড়াক ঐচ্ছিক বিষয় হিচাপে লৈ প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীক ক্ৰীড়াৰ উৎকৰ্ষ সাধন কৰাব লাগে। এই প্ৰসঙ্গত অসমৰ থলুৱা-ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সকলো খেলৰ শিক্ষা-প্ৰশিক্ষণেৰে ছাত্ৰ-ছাত্ৰীক পৰিপুষ্ট কৰিব পৰাকৈ বিশ্ব-ক্ৰীড়া শিক্ষা আৰু অধ্যয়ন চৰ্চাৰ কাৰণে এক মহৎ অনুষ্ঠান ক্ৰীড়া বিশ্ববিদ্যালয় অসমত অবিলম্বে স্থাপনৰ ব্যৱস্থা কৰাটো সমুচিত হ'ব। অসম চৰকাৰে ক্ৰীড়া সন্থা আৰু ৰাজ্যৰ ক্ৰীড়াবিদ আৰু বিজ্ঞসকলৰ লগত আলোচনা-বিলোচনা কৰি এনে এখন বিশ্ববিদ্যালয় অসমত স্থাপন কৰিলে ভাৰত তথা বিশ্বৰ ক্ৰীড়া-জগতত অসমে এক অভিলেখ সৃষ্টি কৰা হ'ব। বৰ্তমান আধুনিকীকৃত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় অনেক খেলৰ গুৰি বা উহ ভালদৰে অধ্যয়ন-চৰ্চা-গৱেষণা কৰিলে অসমতে পাব বুলি দৃঢ়তাৰে ক'ব পাৰি। এই প্ৰসঙ্গত ডিচ্‌কাচ থ্ৰ', আৰ্চাৰি, চুইমিং, হাইজাম্প, লংজাম্প, ক্ৰিকেট, পোলভল্ট, ৰেষ্টলিং, বক্সিং, শ্বটপুট আদি অনেক খেলৰ সাদৃশ্য অসমৰ থলুৱা খেলৰ লগত মন কৰিবলগীয়া। ক্ৰীড়া-বিদ্যা শিক্ষাৰ মহৎ অনুষ্ঠান অসমত স্থাপন হ'লে অসমৰ খেলৰ মানদণ্ড উন্নত হৈ ভাৰত তথা বিশ্বৰ ক্ৰীড়াৰ ইতিহাসত অসমৰ নাম জিলিকি উঠিব। তাৰ উপৰি ৩৩৫ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা আটকধুনীয়া আন্তঃগাঁথনিৰো সদ্ব্যৱহাৰ হ'ব।○

---

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ২৪শ সংখ্যা, ২৬ ফেব্ৰুৱাৰী-২০০৭

# বিদ্যালয়ত বুৰঞ্জী আৰু ভূগোল বাধ্যতামূলক হ'ব লাগে

অসমৰ স্কুলীয়া শিক্ষাত ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ অতি আৱশ্যকীয় দুটা বিষয় এলাগী কৰি ৰখা হৈছে। বিষয় দুটা হ'ল - বুৰঞ্জী আৰু ভূগোল। অসমৰ স্কুলসমূহত নতুন পাঠ্যক্ৰম প্ৰচলনৰ পৰা এই বিষয় দুটা বাধ্যতামূলক নোহোৱা হয়। আনকি মধ্যস্তৰৰ পঞ্চম, ষষ্ঠ, সপ্তম — এই শ্ৰেণীকেইটাত বিষয় দুটা উঠাই দিয়া হয় আৰু উচ্চ শ্ৰেণী অষ্টম, নৱম, দশম — এই তিনিটা শ্ৰেণীত ঐচ্ছিক বিষয় হিচাপে ৰখা হয়। যাৰ ফলত, বুৰঞ্জী আৰু ভূগোল পঢ়াৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অনীহা জন্মে। এইক্ষেত্ৰত শিক্ষাৰ হৰ্তাকৰ্তাসকলে যুক্তি আগবঢ়াইছে যে সমাজ অধ্যয়ন নামৰ বিষয়টোত আন আন কেইটামান বিষয়ৰ লগত বুৰঞ্জী আৰু ভূগোলো সন্নিৱিষ্ট কৰা হৈছে। বিদ্যালয়ৰ তলৰ শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ কেইবাটাও বিষয়ক সনাপিটিকা কৰি শ্ৰেণীসমূহৰ সমাজ – বিদ্যাৰ পাঠ্যক্ৰম যুগুত কৰা হৈছে। কিন্তু দেখা গৈছে এনে ধৰণৰ পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ কোনো এটা বিষয়ৰে জ্ঞানৰ পৰিপুষ্টি সাধন কৰা নাই।

সাম্প্ৰতিক কালত নিজৰ স্বকীয় তথা জাতীয় পৰিচয় আৰু বিশ্বৰ সকলো বিষয়ৰ জ্ঞান লাভ কৰাটো নিতান্তই আৱশ্যক হৈ পৰিছে। বিশেষকৈ জাতীয় চৈতন্যবোধ আৰু নানা ঠাই, ৰাজ্য, দেশৰ মাটি, পানী, বায়ু, বতৰ, যাতায়াত, কৃষি, বেপাৰ-বাণিজ্য, শিক্ষা, পৃথিৱীৰ উপৰিভাগ, প্ৰকৃতি জগত, পাৰিপাৰ্শ্বিকৰ্তা, ঐতিহ্য, সংস্কৃতি আদি বিষয়ক জ্ঞান সম্পূৰ্ণকৈ নাপালে আজিৰ বিশ্বায়নৰ বা প্ৰতিযোগিতাৰ যুগত তিষ্ঠি থকাটো কঠিন সমস্যা হৈ পৰিছে। এইক্ষেত্ৰত উক্ত কথাবোৰৰ জ্ঞান পুংখানুপুংখভাৱে লাভ কৰিবলৈ বুৰঞ্জী আৰু ভূগোল অধ্যয়নৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। বুৰঞ্জী শব্দৰ অৰ্থ আহোম ভাষাত পুৰণি বা নজনা কথাৰ বৰ্ণনা। মূৰ্খৰ জ্ঞানৰ ভঁৰাল বুলিও বুৰঞ্জীক কোৱা হয়। বুৰঞ্জীত ৰজা-মহাৰজাৰ বংশ, যুদ্ধ-বিগ্ৰহ, শৌৰ্য-বীৰ্য, দিগ্বিজয়, ৰাজ্য বিস্তাৰৰ কাহিনী, ৰজাৰ স্বেচ্ছাচাৰিতা, অত্যাচাৰী ৰজাৰ বিৰুদ্ধে প্ৰজাৰ বিদ্ৰোহ, শাসন প্ৰণালী, ৰাজ্যৰ উত্থান-পতনৰ বিৱৰণ আৰু



জাতি বা দেশৰ সমাজ-সভ্যতা, অৰ্থনীতি, কৃষি, শিল্প, বাণিজ্য, শিক্ষা, খেল-ধেমালি, সাহিত্য-সংস্কৃতি আদিৰ কথা লিপিবদ্ধ কৰা হয়। বুৰঞ্জীত লিপিবদ্ধ কৰা অতীতৰ ঘটনা বা কথাই বৰ্তমানক প্ৰাণৱন্ত আৰু সঞ্জীৱিত কৰি ৰাখে। যাৰ অতীত নাই অৰ্থাৎ বুৰঞ্জী নাই, তাৰ স্থিতি নাথাকে, আনত বিলীন হৈ অস্তিত্ব নিঃশেষ বা নিষ্প্ৰভ হৈ যায়। কাৰোবাৰ গৌৰৱপূৰ্ণ অতীত থাকিলেও যদি বুৰঞ্জী অধ্যয়ন কৰা নহয়, তেনেহ'লে জাতীয়ত্ব বিপৰ্যস্ত হয়। সেইকাৰণে অতীতৰ ঘটনা, কাহিনী লিপিবদ্ধ হৈ থাকিলে কোনো আক্ৰমণকাৰী শত্ৰুৱে বাহুবলেৰে কিছুকালৰ বাবে কোনো জাতি বা দেশক স্তব্ধ কৰি ৰাখিলেও জাতীয় বুৰঞ্জী অধ্যয়নেৰে জাগ্ৰত হৈ পুনৰ স্বকীয়তা বা অস্তিত্ব ৰক্ষা কৰিব পাৰে। উদাহৰণ স্বৰূপে, ভাৰতবৰ্ষ ইংৰাজে বন্দুক-বাৰুদেৰে জয় কৰি বৃটিছ সাম্ৰাজ্য পাতি দুশ বছৰ শাসন-শোষণ কৰিছিল। ভাৰত তথা ৰাজ্যসমূহৰ হাজাৰ হাজাৰ বছৰৰ গৌৰৱোজ্জ্বল বুৰঞ্জীৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, দেশাত্মবোধৰ বীৰত্বপূৰ্ণ কাহিনী, মহৎ লোকৰ আদৰ্শৰ কথাবোৰে দেশবাসীক জাতীয়তা আৰু স্বাধীনতাৰ ভাবেৰে উদ্বুদ্ধ কৰিলে। বৃটিছৰ সশস্ত্ৰ শাসন-শোষণৰ বিৰুদ্ধে ভাৰতৰ জনসাধাৰণে বুদ্ধদেৱ, অশোকৰ মানৱতা আৰু অহিংস নীতিৰ আদৰ্শেৰে সংগ্ৰাম কৰি ভাৰত স্বাধীন কৰিলে। এনে আদৰ্শ পৃথিৱীত বিৰল। অসম বুৰঞ্জীৰ চুকাফাৰ আহোম ৰাজ্য প্ৰতিষ্ঠা, মোগল বিজয়ী লাচিতৰ বীৰত্ব, আহোম স্বৰ্গদেউসকলৰ দেশপ্ৰেম, জয়মতীৰ আত্ম-বলিদান, মূলা গাভৰুৰ বীৰত্ব, ফুলেশ্বৰী কুঁৱৰীৰ দৌৰাত্ম্য, শংকৰদেৱৰ জাতীয় ঐক্য প্ৰতিষ্ঠা, চিলাৰায়ৰ বীৰত্ব, মহাৰাজ নৰনাৰায়ণৰ ধৰ্মজ্ঞান, মানৰ উৎপীড়ন আদি আৰু ভাৰত বুৰঞ্জীৰ বুদ্ধদেৱৰ ত্যাগ, অশোকৰ মানৱ প্ৰেম, আকবৰৰ হিন্দু-মুছলমানৰ মাজত সমন্বয় স্থাপন, ঔৰংজেৱৰ হিন্দু-বিদ্বেষ, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈৰ দেশপ্ৰেম প্ৰভৃতি বুৰঞ্জীৰ কাহিনীৰপৰা ৰাজনীতি, সমাজনীতি, সংস্কৃতি, দেশপ্ৰেম, বীৰত্ব বিষয়ক অনেক কথা ছাত্ৰ-ছাত্ৰীয়ে জানি-বুজি নিজৰ বিবেক-বুদ্ধিৰে সুন্দৰ সমাজ, সুস্থ-সবল জাতি বা দেশ গঢ়ি তোলাত প্ৰেৰণা লাভ কৰিব। বুৰঞ্জী জাতি বা দেশৰ দাপোণ। জাতিৰ বিভিন্ন বিষয়ক কথা বুৰঞ্জীত প্ৰতিবিম্বিত হয়। জাতীয় চেতনা জাগ্ৰত কৰি জাতীয় ঐক্য স্থাপনত বুৰঞ্জীৰ জ্ঞান অপৰিহাৰ্য।

সাম্প্ৰতিক ছাত্ৰ-ছাত্ৰীক শিক্ষা লাভৰপৰা বঞ্চিত কৰা আনটো বিষয় ভূগোল। ভূগোল অৰ্থাৎ গোলাকাৰ বা ঘূৰণীয়া ভুমি বা পৃথিৱীৰ কথাৰ জ্ঞান লাভ কৰা কিতাপক ভূগোল বোলা হয়। আমাৰ ভূগোল শব্দটোৱে ইংৰাজীত Geography ক বুজায়। গ্ৰীক ভাষাত G মানে পৃথিৱী আৰু Graphe মানে বিৱৰণ। অৰ্থাৎ ইংৰাজী ভাষাতো পৃথিৱীৰ বিৱৰণ দাঙি ধৰা কিতাপেই

Geography। বিজ্ঞান আৰু কলা দুয়োটাৰে সমন্বয় ঘটোৱা ভূগোলত ভূ-ভাৰস্তত জানিব লগা সকলো কথাৰে বিৱৰণ লিপিবদ্ধ আৰু চিত্ৰাঙ্কিত। ভূগোলৰ প্ৰাকৃতিক, অৰ্থনৈতিক, কৃষি, উদ্যোগ, সম্পদ, আঞ্চলিক, সামাজিক, জনসাংখ্যিক, মানবিক, ভূ-পৃষ্ঠৰ মাটি, পাৰিপাৰ্শ্বিক, পৰিবহণ আদি নানা ভাগ আছে। পৃথিৱীৰ উপৰিভাগ, ভূ-ভাগ, বায়ুমণ্ডল, সাগৰৰ ঢৌ, পৰ্বত-শিল, বৰফ, সৌৰ-জগতৰ গ্ৰহ-নক্ষত্ৰ, বতৰ, নৃতত্ব, জীৱবিজ্ঞান, জীৱন যাত্ৰাৰ প্ৰণালী, গঠন-চেহেৰাৰ পাৰ্থক্য, ভাষাৰ ভিন্নতা, জীৱজগতৰ প্ৰাণীৰ বাসস্থান, বিস্তৃতি, খাদ্যাভ্যাস, প্ৰব্ৰজন আদি ৰহস্য – ভৰা জগতখনৰ এশ – এবুৰি কথা ভূগোল অধ্যয়নৰপৰা জানিব পাৰি। জন্ম পোৱা ঘৰখন – পৰিয়াল, চুবুৰী, গাঁও, মৌজা, জিলাৰপৰা ৰাজ্য, দেশ, পৃথিৱী তথা বিশ্ব-ব্ৰহ্মাণ্ডৰ সমস্ত জ্ঞানৰ ভাণ্ডাৰ ভূগোল অধ্যয়নৰ প্ৰয়োজনীয়তা সম্বন্ধে নুবুজা কোনো নাই। জাতিৰ বা দেশৰ শৌৰ্য-বীৰ্য, জাতীয় চেতনা, জাতীয় ঐক্য, সাম্প্ৰদায়িক সমস্যা, মহত্ত্ব, সংস্কৃতি, অৰ্থনীতি, সমাজনীতি, ৰাজনীতি আদি বিষয়ক জ্ঞান লাভৰ কাৰণে বুৰঞ্জী আৰু বিশ্ব-ব্ৰহ্মাণ্ড বা পৃথিৱী সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ ভূগোলৰ শিক্ষা – অধ্যয়ন যিকোনো জাতীয় সচেতন লোকে কামনা কৰে। আমাৰ অসমৰ শিক্ষা বিভাগে বুৰঞ্জী আৰু ভূগোলৰ জ্ঞানৰপৰা ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰি অতীতৰ গৌৰৱপূৰ্ণ বিষয়বোৰ আৰু পৃথিৱী-বিষয়ক বিভিন্ন জ্ঞানৰপৰা অজ্ঞ কৰি ৰাখিছে। উচ্চ মাধ্যমিকৰ তলৰ শ্ৰেণীটো উক্ত বিষয় দুটা বিলোপ কৰিছেই, ওপৰৰ শ্ৰেণী তিনিটাতো বাধ্যতামূলক নকৰি ঐচ্ছিক বিষয় কৰি ৰখাত বিদ্যালয়ত বিষয় দুটাৰ শিক্ষা গুৰুত্বহীন হৈ পৰিছে। কিছুমান বিদ্যালয়ত বুৰঞ্জী আৰু ভূগোলৰ ছাত্ৰ-ছাত্ৰীয়েই নাই। বিষয় দুটা বাধ্যতামূলক নোহোৱাৰ বাবে ওপৰৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আঙুলিৰ মূৰত গণিব পৰা বিধৰ। তাতে আকৌ বুৰঞ্জীত যদি কেইজনমান ছাত্ৰ-ছাত্ৰী আছে, ভূগোলত এজনো নাই ; ভূগোলত যদি আছে, বুৰঞ্জীত নাই। বিদ্যালয়ত এই বিষয় দুটাৰ এনে দুৰৱস্থা। অধিক পলম নকৰি বুৰঞ্জী আৰু ভূগোলক সমাজ অধ্যয়নৰ আওতাৰপৰা উলিয়াই আনি দুটা সুকীয়া বাধ্যতামূলক বিষয় হিচাপে গণ্য কৰি অসমৰ ছাত্ৰ-ছাত্ৰীক জাতি বা দেশৰ ঐতিহ্য, সভ্যতা-সংস্কৃতি আৰু পৃথিৱী বিষয়ক জ্ঞান লাভৰ বন্ধ দুৱাৰ মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰ আৰু সংশ্লিষ্ট বিভাগে ব্যৱস্থা গ্ৰহণ কৰাটো সমীচীন হ'ব।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ২৫শ সংখ্যা, ৫ মাৰ্চ-২০০৭

# হায় অসমীয়া !

ভাৰতৰ পূৰ-প্ৰান্তত অৱস্থিত অসমৰ গৌৰৱময় ইতিহাস হাজাৰ হাজাৰ বছৰ পুৰণি। নানা ভাষা-উপভাষা আৰু বৰ্ণাঢ্য সংস্কৃতিৰ বিভিন্ন জনগোষ্ঠীৰ বাসভূমি অসম প্ৰাচীন কালত 'কামৰূপ', 'প্ৰাগজ্যোতিষপুৰ' আদি নামেৰে জনাজাত আছিল। ক্ষমতাশালী থাই বা তাই শ্যামসকলৰ ৰাজত্বৰ পূৰ্বে পৰ্বত-ভৈয়ামৰ বিভিন্ন খণ্ডত বা সৰু-সুৰা ৰাজ্যত জনগোষ্ঠীয় ৰজাই শাসন কৰিছিল। তাই বা আহোম স্বৰ্গদেউ চুকাফা প্ৰভৃতিয়ে সেইকালত বিভিন্ন অঞ্চলত শাসন চলাই থকা জনগোষ্ঠীয় ৰজাসকলক পৰাজয় কৰি আৰু বন্ধুত্বপূৰ্ণভাৱেৰে তেওঁলোকৰ অধীনলৈ আনি একৰাজ পাতি বিশাল আহোম ৰাজ্য গঢ়ি তুলিছিল। "বিভিন্ন জাতি-উপজাতিক ঐক্যবদ্ধ কৰি এক অসমীয়া জাতি গঠন আহোমসকলৰ অতুলনীয় কীৰ্তি" (ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা)। ছশ বছৰীয়া ৰাজত্বৰ বিশাল আহোম, আসাম বা অসম ৰাজ্য ৰজাঘৰ-ৰাজবিষয়াৰ মতানৈক্য, বিবাদ, হিংসা, ষড়যন্ত্ৰ আৰু দুৰ্বল শাসনত ইংৰাজ আৰু মানৰ মাজত হোৱা ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ ইয়াণ্ডাবু সন্ধিমতে ইংৰাজৰ অধীনলৈ যায়। ভাৰত স্বাধীন হোৱাত অসম ভাৰত গণৰাজ্যৰ অঙ্গৰাজ্য ৰূপে পৰিগণিত হয়। কিন্তু স্বাধীন ভাৰতৰ গণতান্ত্ৰিক শাসনত ৰাজনৈতিক অদূৰদৰ্শিতা আৰু অভিসন্ধিয়ে বিস্তৃত অসমক খণ্ড খণ্ড কৰি সাতো ভাগেৰে অসমৰ অঙ্গক্ষত কৰি নিশকটীয়া কৰা হ'ল। আজি কেইবছৰমান পূৰ্বৰপৰা কোনো কোনো জনগোষ্ঠীয়ে সুকীয়া ৰাজ্য দাবী কৰি আন্দোলনত অৱতীৰ্ণ হোৱা দেখা গৈছে। এনে দাবী পূৰণ হ'লে অসম আৰু অসমীয়াৰ অস্তিত্বৰ সংকট অৱশ্যম্ভাৱী।

ইংৰাজ শাসনৰপৰা বিদেশী শাসকৰ স্বাৰ্থ আৰু সুবিধাৰ কাৰণে ভাৰতৰ আন ৰাজ্যৰপৰা অসমলৈ প্ৰব্ৰজন ঘটিবলৈ ধৰে। তাৰ উপৰি, ভূতৰ ওপৰত দানহ পৰাৰ দৰে ভাৰত দ্বিখণ্ডিত হোৱাৰ স্বাধীনতাৰ প্ৰাক্ আৰু পৰৱৰ্তী কালত পূৰ-পাকিস্তান আৰু ১৯৭১ চনত ইন্দিৰা গান্ধীৰ

কৃপাত সৃষ্টি হোৱা বাংলাদেশৰপৰা পাকিস্তানী বা বাংলাদেশীৰ সোঁত অসমলৈ নিছিগা ধাৰে ববলৈ ধৰে। সেই ভয়াবহ প্ৰব্ৰজনৰ সোঁত বন্ধ কৰাৰ আন্তৰিক আৰু সবল চেষ্টা চৰকাৰবোৰে গ্ৰহণ কৰাৰ প্ৰয়োজনবোধ নকৰিলে ; বৰঞ্চ ৰাজনৈতিক স্বাৰ্থ আৰু ক্ষমতা লাভৰ কাৰণে ভাৰতৰ আন আন ৰাজ্য বাংলাদেশ, নেপাল আদিৰপৰা প্ৰব্ৰজিত হোৱা লোকসকলক ভাৰতীয় নাগৰিক পাতি ভোটাধিকাৰ দিয়াত উঠি-পৰি লাগে। এতিয়া গোঁজেই গছ হোৱাৰ দৰে সেইসকলৰ অধিকাংশই থলুৱা অধিকাৰ সাব্যস্ত কৰাত ব্যস্ত হৈছে। বাংলাদেশী, হিন্দীভাষী, উৰ্দুভাষী আদি যি ভাষাৰে নহওক, অসমত থকা সকলোৱেই অসমত থলুৱাৰ দৰে সুবিধা লাভ কৰিছে। সঙ্কটত সেইসকল অসম এৰি নিজ ৰাজ্যৰ আচল ঘৰলৈ পলায় আৰু সম্পদত অসমপ্ৰেমী হৈ সুবিধা আদায় কৰে। আনহাতে, যুগ যুগ বছৰ অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ নিভাঁজ অসমীয়াসকলৰ পৰিচয়ত আউল লাগিছে। বিশেষকৈ নিজ নিজ জনগোষ্ঠীয় পৰিচয়ত খিলঞ্জীয়াসকল ব্যস্ত হৈ অসমীয়া জাতীয়ত্বৰ প্ৰতি পিঠি দিয়া দেখা গৈছে।

কোৱাটো নিষ্প্ৰয়োজন যে যুগ যুগ বছৰ ধৰি অসমৰ মাটি-পানী, বায়ুৰ লগত মিলি যোৱা তথা কলা-কৃষ্টিৰে সাঙোৰ খাই থকা লোকসকল অসমীয়া। সেইসকলৰ অসমৰ বাহিৰে আন কোনো ৰাজ্যত দ্বিতীয় এখন ঘৰ নাই। যাবলৈ পাওঁক বা নাপাওঁক — জীৱকে বা মৰকেই অসম মাতৃৰ কোলাৰ বাহিৰে সেইসকলৰ আন গতি নাই। অৱশ্যে বৰ্তমান তথাকথিত এচাম ৰাইজৰ প্ৰতিনিধি তথা মন্ত্ৰী-বিধায়ক, সাংসদ, দালাল আৰু দুৰ্নীতি পৰায়ণ বিষয়া, ব্যৱসায়ী — যিসকলৰ ৰাজধানী-নগৰৰ বাহিৰেও দিল্লী, বাঙ্গালোৰ, চেন্নাই, মুম্বাই আদিত অট্টালিকা, ফ্লেট আদি আছে, সেইসকলৰ কথা সুকীয়া।

সুবিধাবাদী ৰাজনৈতিক নেতাসকলৰ স্বাৰ্থৰ কাৰণে প্ৰব্ৰজিত অনা-অসমীয়া আৰু অবৈধ বিদেশীৰ আধিপত্য বাঢ়ি যোৱাৰ ফলত অসমীয়াৰ সাংবিধানিক পৰিচয়, অধিকাৰ, সুৰক্ষাৰ ক্ষেত্ৰত ডাঙৰ ভাবুকি আহি পৰিছে। সেয়ে 'অসমীয়া কোন' বা 'অসমীয়াৰ সংজ্ঞা কি' ? —এনেবোৰ প্ৰশ্নই ৰাজনৈতিক মহল, বৌদ্ধিক সমাজ, অসম সাহিত্য সভা, ছাত্ৰ সমাজ আদিৰ মাজত তোলপাৰ লগাইছে। এনে এখন ঐতিহ্যমণ্ডিত ৰাজ্যত অসমীয়াৰ সংজ্ঞা বিচাৰি হাবাথুৰি খাবলগীয়া হোৱাতকৈ এটা জীয়া জাতিৰ



চৰম দুৰ্ভাগ্য আৰু লজ্জাৰ কথা কি থাকিব পাৰে ! বিহাৰত বিহাৰী, পশ্চিমবঙ্গত বঙালী, উৰিষ্যাত উৰিয়া, তামিলনাডুত তামিল, মহাৰাষ্ট্ৰত মাৰাঠী, পঞ্জাৱত পঞ্জাৱী কোন বা তেওঁলোকৰ সংজ্ঞা নিৰূপণ কৰাৰ প্ৰশ্ন, আহিছেনে ? কিন্তু অসমত কিয় সেই প্ৰশ্ন ? ৰাজনৈতিক সুবিধাবাদ, দুৰ্নীতি, দুষ্কৃতি আদিত নিমজ্জিত হৈ অসমৰ জাতীয় স্বাৰ্থক আওকাণ কৰাৰ বাবে আজি অসমীয়া কোন বা অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰাৰ প্ৰশ্ন আহি পৰিছে। হায় অসমীয়া !

অসম চৰকাৰ, বৃহৎ জাতীয় অনুষ্ঠান সাহিত্য সভা, ছাত্ৰ সন্থা, বুদ্ধিজীৱী আদিয়ে অসমীয়াৰ সংজ্ঞা 'অসমীয়া কোন' আদি প্ৰশ্নৰ উত্তৰ বিচাৰি নানা আলোচনা, স্থিতি, মতামত দাঙি ধৰাত প্ৰবৃত্ত হোৱা দেখা গৈছে। যোৱা বছৰ অসম চৰকাৰে ন্যস্ত কৰা দায়িত্ব অনুসৰি অসম সাহিত্য সভাই উদ্যোগ লৈ সকলো জনগোষ্ঠীক লৈ সন্মিলিত সাহিত্য সভা মঞ্চত অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰি চৰকাৰৰ ওচৰত দাখিল কৰিছিল যদিও প্ৰথমে বড়োসকলে আৰু তাৰপিছত তিৱা, কাৰ্বি সাহিত্য সভাবোৰে অসমীয়া নহয় বুলি ঘোষণা কৰাত তীব্ৰ বাক্-বিতণ্ডাৰ সৃষ্টি হৈ বিষয়টো তাতে থমকি ৰয়। তাৰ পিছতে ২০০৬ চনৰ ১৯ অক্টোবৰত চৰকাৰে অধিসূচনাৰে মন্ত্ৰী পৰ্যায়ৰ সমিতি এখন পাতি দি অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰাৰ দায়িত্ব দিয়ে। উল্লেখযোগ্য যে অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰী কৰাৰ কাৰণে অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰাৰ ব্যৱস্থা হাতত লয়। কিন্তু এই প্ৰচেষ্টাত হেঙাৰ আহি পৰিল পূৰ্বে বড়ো সাহিত্য সভাই সন্মিলিত মঞ্চৰ অসমীয়া সংজ্ঞাৰ সিদ্ধান্তত বড়োসকল অসমীয়া নহয় বুলি কোৱাৰ দৰে যোৱা বছৰ অসম বিধান সভাত (১১ ডিচেম্বৰ,২০০৬) বি.পি.পি. এফৰ এগৰাকী বিধায়কে 'বড়োসকল অসমীয়া নহয়' বুলি অসম চুক্তিৰ ৬ নং দফা বাতিল কৰাৰ দাবী উত্থাপন কৰাত। অসমত হাজাৰ হাজাৰ বছৰ জুৰি বসবাস কৰি থকা মঙ্গোলীয় জাতিৰ তিব্বত-বৰ্মী বড়ো আদি জনগোষ্ঠী যদি অসমীয়া নহয়, তেনেহ'লে অসমীয়া কোন হ'ব ? ঐতিহ্যপূৰ্ণ অসমত বহু বছৰ ধৰি বসবাস কৰি থকা লোকসকল অসমীয়া আৰু এই অসমীয়া জাতিটো অষ্ট্ৰিক-মঙ্গোলীয়-তিব্বতবৰ্মী আদি ভাষা-সংস্কৃতিৰ উপাদানৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। বিভিন্ন জনগোষ্ঠীৰ উপাদানেৰে অসমীয়া ভাষা, অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। পৰাক্ৰমী আহোমে ছশ বছৰ শাসন কৰাৰ পৰা এই

ৰাজ্যখন 'আসাম', 'আহোম', 'অসম' দেশ বা ৰাজ্য নামে জনাজাত হয়। ইয়াৰ ভাষা-সাহিত্য-সংস্কৃতি তথা লোকসকলক অসমীয়া বুলি কোৱা হয়। বিভিন্ন জনগোষ্ঠীৰ ভাষা, উপভাষা, কৃষ্টি-সংস্কৃতিৰ সমন্বয়ত গঢ়ি উঠা অসমীয়া ভাষা আদিৰ ওপৰত বড়ো ভাষা-সংস্কৃতিৰ উপাদান সবাতোকৈ বেছি বুলি ভাষা-সংস্কৃতিৰ পণ্ডিত গৱেষকসকলে ঠিৰাং কৰিছে। মুঠতে আহোম শাসিত বিভিন্ন অঞ্চল বা ৰাজ্যৰ সকলো জাতি-জনজাতি-উপজাতিক সামৰি আহোম তথা আসাম বা অসম ৰাজ্যত যুগ যুগ বছৰ ধৰি বসবাস কৰা সকলোৱেই অসমীয়া।

অসম ইয়াণ্ডাবু সন্ধিমতে বৃটিছ শাসনৰ অধীনলৈ যোৱাৰ পূৰ্বে অসমত বসবাস কৰা নানা জাতি-উপজাতি-ফৈদ-গোষ্ঠীৰ লোকসকল অসমৰ আচল অসমীয়া। অসমৰ বুৰঞ্জী অধ্যয়ন কৰি সেইসকল অসমীয়াক চিনাক্ত কৰাটো বিশেষ অসুবিধা নহ'ব। যি খিলঞ্জীয়া, তেঁৱেই অসমীয়া। ঐতিহাসিকভাৱে অসমীয়া নিৰ্ণয় কৰিবলৈ লাগে মাথোঁ জাতীয় মন আৰু নিস্বাৰ্থ সেৱা। এই কাম আৰু দায়িত্বৰ কথা ৰাজনৈতিক মঞ্চত উঠিলে সেয়া সমাধান নহৈ ভেকোঁ-ভাওনাহে হৈ থাকিব বুলিব পাৰি। অসমৰ বিজ্ঞ নিৰপেক্ষ ঐতিহাসিক গৱেষক পণ্ডিতেহে নিয়াৰিকৈ অসমীয়া কোন তাক নিৰ্ণয় কৰিব পাৰিব। তাৰ কাৰণে সকলো জনগোষ্ঠীৰ সাংস্কৃতিক সচেতন নিৰপেক্ষ ইতিহাসবিদক লৈ সমিতি পাতি প্ৰকৃত অসমীয়াৰ সুপৰিচয় উলিওৱাটো প্ৰয়োজন বুলি ভাবোঁ।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ২৬ শ সংখ্যা, ১২ মাৰ্চ-২০০৭।

# অসমৰ বাজেট
# ধনৰ সদ্ব্যৱহাৰেই উন্নতিৰ সোপান

সংসদীয় গণতন্ত্ৰৰ দেশ বা ৰাজ্যৰ উন্নতি আৰু বিকাশৰ লক্ষ্য আগত ৰাখি সংসদ বা বিধান সভাত বিত্তীয় বৰ্ষৰ বাবে আয়-ব্যয়ৰ বিৱৰণীৰে বাজেট দাখিল কৰাটো গতানুগতিক প্ৰক্ৰিয়া। বাজেটত আগন্তুক বছৰৰ বাবে জনসাধাৰণৰ মঙ্গল তথা উন্নতিৰ কাৰণে চৰকাৰে কোন কোন উৎসৰপৰা ধন আহৰণ কৰিব আৰু কি কি বিভাগত কিমান ব্যয় কৰিব তাৰ এখনি ছবি দাঙি ধৰা হয়। দেশৰ বা ৰাজ্যৰ শিক্ষা, স্বাস্থ্য, গৃহ, কৃষি, জল-সিঞ্চন, সমাজ-কল্যাণ, পঞ্চায়ত-গ্ৰামোন্নয়ন, বান-নিয়ন্ত্ৰণ, ৰাস্তা-ঘাট, উদ্যোগ, বিদ্যুৎ, নগৰ উন্নয়ন, পশুপালন, মীন, কৰ-কাটল, নিয়োগ ব্যৱস্থা আদি বিভিন্ন বিভাগৰ কাৰণে সাম্ভাব্য পৰিমাণৰ ধন ধাৰ্য কৰি বছৰটোত সেই ধন ব্যয় কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হয়। বাজেটৰ বিভিন্ন শিতানত ধাৰ্য কৰা ধনৰ আয়-ব্যয়ৰ পৰিমাণ, কৰ বৃদ্ধি, মুদ্ৰাস্ফীতি, উন্নয়ন আদি দিশৰ ওপৰত জনপ্ৰতিনিধিসকলৰ বাজেট অধিবেশনত আলোচনা হয় — বিশেষকৈ বিৰোধী নেতা-সদস্যসকলে চৰকাৰৰ বাজেটৰ দোষ-ত্ৰুটি উলিয়াই বাজেটক জনবিৰোধী, নতুনত্ব নোহোৱা গতানুগতিক আদি বুলি আখ্যা দি তুমুল বিতৰ্কত বা ভাওনাত অৱতীৰ্ণ হৈ সংসদ বা বিধান সভাৰ মজিয়া কঁপাই তুলি তেওঁলোকৰ সচেতন ভূমিকা প্ৰদৰ্শন কৰে। অনেক ক্ষেত্ৰত এই বিতৰ্ক বা বাকযুদ্ধ সংযমহীন হৈ হাত দঙাদঙি, চোঁচা লোৱা আদিলৈ ৰূপান্তৰিত হৈ হুলস্থূলীয়া পৰিবেশেৰে সদনৰ কাম-কাজ অচল কৰি তোলা দেখা যায়। বিৰোধীৰ সদন ত্যাগ নিত্য-নৈমিত্তিক ঘটনা। এই কথা সকলোৱে বুজি পায় গণতান্ত্ৰিক প্ৰক্ৰিয়াত সংখ্যাগৰিষ্ঠতাৰে গঠন হোৱা চৰকাৰে বিৰোধীয়ে যিমানে জনবিৰোধী কাৰ্য বুলি তাল-ফাল নলগাওক, যিকোনো বিল বা প্ৰস্তাৱ সদনত পাছ কৰাই নিবই। বিৰোধীৰ সদন ত্যাগ চৰকাৰৰ উদ্দেশ্য সাধনৰ কাৰণেতো ডাঙৰ সুযোগ। ভোট-যুঁজত পিছলৈ বিৰোধীয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰি শাসনৰ

ক্ষমতাত বহিলেও একে কাণ্ডই ঘটে।

গৃহ আদি কেইবাটাও দপ্তৰৰ লগতে বিত্ত বিভাগৰ দৰে গধূৰ দায়িত্বৰ বোজা কঢ়িওৱা অসমৰ মুখ্য মন্ত্রী তৰুণ গগৈয়ে ১২ মাৰ্চ ২০০৭ ত ৰাজ্যখনৰ জমা-খৰচৰ বিৱৰণীৰে ২০০৭-০৮ বিত্তীয় বৰ্ষৰ বাবে ২৮৩৬.২৪ কোটি টকাৰ বিৰাট ঘাটি বাজেট অসম বিধান সভাত দাখিল কৰে। বিভিন্ন উৎসৰপৰা গগৈৰ হাতত ৭২৭৩৪.৫৮ কোটি টকা জমা কৰাৰ বিপৰীতে বিভিন্ন শিতানত খৰচ ৭৩,১০০.৯৫ কোটি টকা দেখুওৱা হৈছে। সেই মতে জমাতকৈ খৰচ ৩৬৬.৩৭ কোটি টকা বেছি। বাজেটত প্রকাশ কৰা মতে বছৰৰ প্রাৰম্ভতে বা যোৱা ২০০৬-০৭ বৰ্ষৰ ২৪৬৯.৮৭ কোটি ঘাটিৰ সংযোজনৰ লগত আগন্তুক বৰ্ষৰ ঘাটি ২৮৩৬.২৪ কোটি টকা। অভিজ্ঞতাপুষ্ট বিত্ত তথা মুখ্য মন্ত্রীয়ে ঘাটিৰ পৰিমাণ হ্রাস কৰাৰ পৰিৱৰ্তে বৃদ্ধিহে কৰাটো ৰাজ্যৰ আৰ্থিক দৈন্যহে উদঙোৱা বুলি কোৱা হৈছে। উল্লেখ্য যে, সম্প্রতি সর্বভাৰতীয় মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ ৯.২ শতাংশ হাৰৰ বিপৰীতে অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৫.৯ শতাংশ বুলি প্রকাশ পাইছে।

গগৈৰ বাজেটত বিশেষভাৱে সমাজ-কল্যাণ, বিদ্যুৎ, শিক্ষা, আৰক্ষী আদি কেইটামান গুৰুত্বপূর্ণ বিভাগক পূৰ্বৰ বিত্তীয় বৰ্ষতকৈ বহুলাংশে ধন কৰ্তন কৰি অৱজ্ঞা কৰা পৰিলক্ষিত হৈছে। সমাজ-কল্যাণৰ দৰে বিভাগত পূৰ্বৰ ৮৩৩ কোটিৰপৰা ৩৮৪ কোটিলৈ হ্রাস আৰু ৰাজ্যখনৰ আজি পৰ্যন্ত সুস্থিৰতাৰে পোহৰাবলৈ সমৰ্থ নোহোৱা বিদ্যুৎ বিভাগত ৯০৮ কোটিৰপৰা ৪৮৯ কোটিলৈ হ্রাস কৰাৰ ৰহস্য বুজা নগ'ল। উন্নয়নৰ বৰঢোল বজোৱা চৰকাৰী বাজেটত ৰাজ্যৰ মন্ত্রী-বিধায়ক, চৰকাৰী বিষয়া-কৰ্মচাৰী-চাকৰিয়ালৰ দৰমহা, পেঞ্চনৰ বাবদ যোৱা বিত্তীয় বছৰৰ ৩৭ শতাংশৰপৰা ৪০ শতাংশলৈ বৃদ্ধি কৰিলে, আনহাতে ৰাজ্যৰ অগণন জনগণৰ বাবে উন্নয়নৰ ধন পূৰ্বতকৈ বৃদ্ধি নকৰি ৩৭ শতাংশকেই বাহাল ৰাখিলে। বাজেটত নির্ধাৰণ কৰা থলুৱা গীত-মাতৰ শ্রব্য কেছেট, প্রতিঘৰ অসমীয়া মানুহৰ বাৰীত উৎপাদিত বাঁহ আৰু তামোল-চুপাৰিৰ ওপৰত ধাৰ্য কৰা ৪ শতাংশ বিক্রী কৰে অসমৰ থলুৱা গীত-মাত-সংস্কৃতি, উৎপাদিত সম্পদ আৰু ব্যৱসায় উদ্যোগক আঘাত হনাৰ শংকা নুই কৰিব নোৱাৰি। অসমৰ সম্প্রতি দেখা দিয়া ভয়াবহ নিবনুৱা সমস্যা আৰু মূল্যবৃদ্ধি ৰোধ কৰা সপৰ্কত বাজেট নীৰৱ। অসমত শিক্ষিত নিবনুৱাৰ সংখ্যা নগৰ-চহৰৰ উপৰিও গাঁওসমূহতো ঠাঁহ খাই আছে।



কেইবাখনো জিলাত লাখ-ডেৰলাখৰ সীমা চুইছেগৈ। ৰাজ্যখনত থকা এবৈশ লাখ নিবনুৱাৰ সংস্থাপনৰ সম্পৰ্কত বাজেটত কোনো ইংগিত নাই। ২০০১-২০০৬ প্ৰথমটো কাৰ্যকালত গগৈ মন্ত্রীসভাই খালী পদসমূহ পূৰণ কৰাৰ কোনো পদক্ষেপ নল'লে। প্রাপ্ত বাতৰিমতে শিক্ষককে আদি কৰি বিভিন্ন বিভাগত প্রায় ত্রিশ হাজাৰ পদ খালী হৈয়েই ৰ'ল। পূৰ্বৰ কাৰ্যকালত গগৈ চৰকাৰে বছৰি দুই লাখকৈ নিবনুৱাক সংস্থাপিত কৰাৰ কথা ঘোষণা কৰিছিল, কিন্তু ফুটুকাৰ ফেন। নিবনুৱাৰ দৰে জ্বলন্ত সমস্যাক একাষৰীয়া কৰি থৈ যুৱক-যুৱতীক বিপথগামী কৰি তোলাৰ দায়ৰপৰা চৰকাৰ সাৰি যাব নোৱাৰিব। বৰ্তমান নিত্য ব্যৱহৃত সামগ্রীৰ মূল্যবৃদ্ধিয়ে লাখ লাখ দৰিদ্র জনসাধাৰণ, নিম্ন মধ্যবিত্ত শ্রেণীৰ লোকক জীয়াতু ভোগাইছে। চৰকাৰৰ বাজেটত মূল্যবৃদ্ধি ৰোধ কৰাৰ কোনো ব্যৱস্থা গ্রহণ নকৰি ব্যৱসায়ীসকলৰ মুখত হাঁহি বিৰিঙাইছে আৰু দৰিদ্র কৃষক-বনুৱা আদিৰ মূৰত ৰাম-টাঙোন সোধাইছে।

বিত্ত মন্ত্রী গগৈয়ে দাখিল কৰা বাজেটক শাসকীয় দলে আশাপ্রদ, স্থিতিশীল জনমুখী বাজেট আৰু বিৰোধী দলসমূহে গতানুগতিক জনবিৰোধী যি আখ্যাই নিদিয়ক, প্রকৃততে বাজেটত ধাৰ্য কৰা কোটি কোটি টকাৰ সদ্ব্যৱহাৰহে মুখ্য কথা। যদি বিভাগসমূহৰ নির্ধাৰিত টকা থাৰ্টি-চেভেনটি, ফৰটি-চিক্সটি ভাগ বাটোৱাৰা কৰি উন্নয়নমূলক কামৰ নামত মাত্ৰ শতকৰা ১০ বা ২০ অংশহে খৰচ কৰা হয় বা মিছা বিলেৰে সমস্ত টকাখিনি সৰকাই কাৰোবাৰ পকেট গৰম কৰা হয়, তেতিয়াহ'লে জনমুখী বাজেটে জনতাৰ বা দেশৰ কি উন্নতি, কি হিত সাধন কৰিব! এনেকুৱা বাজেটৰ টকাৰ ওপৰতে দুর্নীতি-দুষ্কৃতি, এল, অ'চি, আলু-ঘেঁহু, বীজ-সঁচ, মধ্যাহ্ন ভোজন আদিৰ কেলেংকাৰি। দিল্লী, বাঙ্গালোৰ, মুম্বাই, গুৱাহাটী মহানগৰী আদিত এচামে ফ্লেট, অট্টালিকা, সম্পদৰ ভূ-স্বৰ্গ ৰচনা কৰিব পাৰিছে জনসাধাৰণৰ উন্নয়নৰ বাবে বাজেটত ধাৰ্য কৰা ধনৰ চান কাঢ়ি কাঢ়ি। গতিকে বাজেটৰ বিভিন্ন শিতানত ধাৰ্য কৰা ধনৰ যাতে ক্ষমতাৰ বাঘজৰী হাতত থকা কোনেও দুর্নীতি কৰিব নোৱাৰে তাৰ প্রতি বিত্ত তথা মুখ্য মন্ত্রীয়ে সতর্ক হৈ সাহসী পদক্ষেপ গ্রহণ কৰাটো সময়ৰ আহ্বান।০

---

০সাপ্তাহিক অসম : ১ম বছৰ : ২৭শ সংখ্যা, ১৯ মাৰ্চ-২০০৭।

# চৰকাৰী কাৰ্যালয়ত ৰাজ্যভাষা অসমীয়া প্ৰয়োগ আৰু চৰকাৰ

অসমীয়া ভাষা ভাৰতৰ সংবিধান স্বীকৃত ৰাজ্যভাষা। কিন্তু সাম্প্ৰতিক অসমৰ চৰকাৰী কাৰ্যালয়ৰ নথি-পত্ৰ, জাননী-বিজ্ঞপ্তি, হুকুম-নিৰ্দেশনা, চিঠি-পত্ৰ আদিত ইংৰাজী ভাষা পূৰ্ণদমে ব্যৱহাৰ কৰাটো পৰিলক্ষিত হৈছে। বৃটিছ শাসনৰ আৰম্ভৰ পৰা অসমীয়া ভাষাৰ হক ৰক্ষাৰ্থে সংগ্ৰামী জনতাই শ বছৰৰ অধিক কাল নানা নিৰ্যাতন ভোগ কৰাৰ উপৰিও কেইবাজনেও জীৱন উছৰ্গা কৰি অসমীয়া ভাষাক ১৯৬০ চনত অসমৰ ৰাজ্যভাষাৰ মৰ্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰিছিল। মন কৰিবলগীয়া যে আজিকালি চৰকাৰী কাৰ্যালয়সমূহত মুখেৰেহে অসমীয়াত কথা কোৱা হয়, কিন্তু কাগজ-কলমত আয়ুক্ত, উচ্চ বিষয়াৰপৰা নিম্ন পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীৰ জাননী-টোকা, নিযুক্তি-পত্ৰ আদিত ৰাজ্যভাষা অসমীয়াৰ ঠাইত ইংৰাজী ভাষা প্ৰয়োগ কৰি অসমৰ সংগ্ৰামী জনতাৰ ত্যাগ-নিৰ্যাতন, ছহিদৰ আত্ম-বলিদান তথা অসমৰ জাতীয় সত্ত্বাক অপমান কৰা হৈছে। উল্লেখযোগ্য যে ১৯৬০ চনত অসমত অসমীয়া ভাষাক ৰাজ্যভাষাৰ মৰ্যাদাৰ আসনত বহুৱাবলৈ অসমৰ থলুৱা জনসাধাৰণে জীৱন-মৰণ পণ কৰি গণতান্ত্ৰিক পদ্ধতিত কৰা অহিংস আন্দোলনত পুলিচ-মিলিটেৰীৰ গুলীত কটন কলেজৰ ছাত্ৰাবাসত ৰঞ্জিত বৰপূজাৰী, শিলিগুৰি ৰেল-ষ্টেচনত দুৰ্বৃত্তৰ আক্ৰমণত কবি-গীতিকাৰ সূৰ্য বৰা আৰু নগাঁৱৰ ৰাজপথত চেমনীয়া মফিজুদ্দিন হাজৰিকাই প্ৰাণত্যাগ কৰাৰ উপৰিও কাছাৰতো এই আন্দোলনৰ ফলত এঘাৰ জন লোক নিহত হয়। অসমীয়া ৰাইজৰ ত্যাগ-নিৰ্যাতন আৰু ছহিদসকলৰ তেজৰ বিনিময়ত অসমত ৰাজ্যভাষা আইন গৃহীত হয়। অসমত অসমীয়া ভাষাক ৰাজ্যভাষা কৰি আইন গৃহীত হ'ল যদিও অসমৰ জিলা পৰ্যায়ত কাছাৰত বঙলা ভাষা আৰু পাৰ্বত্য জিলাবোৰত ইংৰাজী ভাষা প্ৰচলন হ'ল। যাৰ ফলত, সামগ্ৰিকভাৱে অসমত অসমীয়া ভাষা প্ৰয়োগ নহৈ মাথোঁন ব্ৰহ্মপুত্ৰ



উপত্যকাতহে আৱদ্ধ থকা যেন হ'ল।

উল্লেখ্য যে ৰাজ্যভাষা আইন গৃহীত হ'ল যদিও চৰকাৰৰ অৱজ্ঞাৰ ফলত চৰকাৰী বিভাগসমূহত সম্পূৰ্ণৰূপে আইন কাৰ্যকৰী কৰা দেখা নগ'ল। অথচ অসম চৰকাৰে অসমীয়া ভাষা চৰকাৰী কাৰ্যালয়সমূহত প্ৰয়োগ কৰাৰ কাৰণে 'চৰকাৰী ভাষা প্ৰয়োগ সঞ্চালকালয়' এটি স্থাপন কৰিছে। ভাষা-প্ৰয়োগ সঞ্চালকালয়ে প্ৰকৃততে চৰকাৰী কাৰ্যালয়সমূহত অসমীয়া ভাষা প্ৰয়োগ কৰাৰ সম্পৰ্কে কি ব্যৱস্থা গ্ৰহণ কৰি আছে সেয়া যেন এক সাঁথৰহে। উক্ত সঞ্চালকালয়ে দৃঢ় পদক্ষেপ লোৱাহেঁতেন কাৰ্যালয়সমূহে নিশ্চয়কৈ অসমীয়া ভাষা প্ৰয়োগ কৰিবলৈ বাধ্য হ'লহেঁতেন। কিন্তু দেখা গৈছে কাৰ্যালয়সমূহত অসমীয়া ভাষাৰ ব্যৱহাৰ দিনক দিনে হ্ৰাস পোৱাই নহয়, নাইকিয়াহে হৈ গৈ আছে। হাজাৰ বছৰ পুৰণি লিপিৰে সমৃদ্ধিশালী সাহিত্য ৰচনা কৰা অসমীয়া ভাষাৰ ঐতিহ্য, স্বতন্ত্ৰতা দেখি-বুজি খৃষ্টধৰ্মৰ প্ৰেমবাণী প্ৰচাৰ কৰিবলৈ অহা আমেৰিকান মিছনেৰীসকলে যুক্তি দাঙি ধৰাত বৃটিছ শাসকে ভুল বুজি পাই ১৮৩৬ চনৰ পৰা অসমত প্ৰচলন কৰা বঙলা ভাষা উঠাই দি ১৮৭২ চনৰপৰা অসমৰ পঢ়াশালি, আদালত, কাৰ্যালয় আদিত পুনৰ প্ৰচলন কৰা অসমীয়া ভাষাৰ বৰ্তমান সময়ত এনে দুৰৱস্থা এটা জীয়া জাতিৰ কাৰণে চৰম দুৰ্ভাগ্যৰ কথা। কিন্তু ভাৰত স্বাধীন হোৱাৰ পিছৰেপৰা ভাষা-ভিত্তিক ৰাজ্য পুনৰ গঠন (১৯৫৩ চনৰ আয়োগ), ৰাজ্যভাষা আইন প্ৰৱৰ্তন (১৯৬০), বিশ্ববিদ্যালয়ৰ মাধ্যম (১৯৭২) সকলো ক্ষেত্ৰতে অসমীয়া ভাষাৰ হক প্ৰতিষ্ঠা কৰিবৰ কাৰণে অসমীয়াই আন্দোলন কৰিবলগীয়া হৈছিল। ইয়াৰ পিছতো অসমীয়া ভাষাক ৰাজ্যিক ভাষা হিচাবে চৰকাৰে গুৰুত্ব নিদিয়া কাৰণে অসমীয়া ভাষা-সংস্কৃতি সুৰক্ষাৰ কাৰণে চুক্তি পৰ্যন্ত কৰিব লগা হৈছে। অসমীয়া ভাষাক বিপৰ্যস্ত কৰাৰ উপসৰ্গ একৈশ শতিকাতো শেষ হৈ যোৱা নাই।

বৰ্তমান জোৰ পুৰি হাত পালেহি। অসমীয়া ভাষাৰ হক ৰক্ষাৰ কাৰণে বৃটিছ যুগৰপৰা বৰ্তমানলৈ প্ৰায় ডেৰশ বছৰ জুৰি সংগ্ৰাম চলিল। অসমৰ ছাত্ৰ সংগঠন, অসম সাহিত্য সভা, জাতীয় ভাৱাপন্ন দল-ব্যক্তিয়ে ত্যাগ আৰু জীৱনৰ বিনিময়ত অসমীয়া ভাষাক বিভিন্ন সময়ত দেখা দিয়া বিপৰ্যয়ৰপৰা ৰক্ষা কৰি আহিছে। তথাপি ৰাজ্যভাষা আইন বিল পাছ হোৱাৰ পিছতো অসমৰ চৰকাৰবোৰে আজি পৰ্যন্ত চৰকাৰী কাৰ্যালয়বোৰত

ৰাজ্যভাষা অসমীয়া প্ৰয়োগত আন্তৰিক বাস্তৱ পদক্ষেপ লোৱা দেখা নগ'ল। গতিকে ৰাইজ সাজু হ'বৰ হ'ল। অসম সাহিত্য সভা, জাতীয়তা ভাৱাপন্ন ছাত্ৰ-যুৱ সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে ভাষাৰ বিপৰ্যয়ৰ ইতিহাস মানস-পটত ৰাখি চৰকাৰী কাৰ্যালয়সমূহৰ সকলো কাম-কাজত ৰাজ্যভাষা অসমীয়া ভাষা প্ৰয়োগৰ যথোচিত ব্যৱস্থাৰ বাবে চৰকাৰ তথা কাৰ্যালয়সমূহক বাধ্য কৰাওক। ৰাজ্যভাষা প্ৰয়োগৰ ক্ষেত্ৰত ভাৰতৰ কোনো ৰাজ্যই অসম চৰকাৰৰ দৰে সোপা-টিলা হৈ থকাৰ উদাহৰণ পাবলৈ নাই।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ২৮শ শংখ্যা, ২৬ মাৰ্চ-২০০৭

# প্ৰাথমিক বিদ্যালয়ত দুপৰীয়াৰ ভোজন শিক্ষাৰ পৰিপন্থী

শিক্ষাই মনৰ অজ্ঞান-অন্ধকাৰ, কলুষ-কালিমা আঁতৰাই মানুহক জ্ঞান-চক্ষু দান কৰে। শিক্ষাৰ যোগেদি লাভ কৰা জ্ঞানৰ আলোকত মানুহে সুস্থ-সুন্দৰ জীৱন গঢ়ি তুলি মানৱ সমাজ, জাতি আৰু দেশৰ উন্নতি আৰু কল্যাণ সাধন কৰে। সেইকাৰণে 'শিক্ষাই মানুহৰ দেহ-মন আত্মাৰ সৰ্বতোপ্ৰকাৰ আৰু সৰ্বোৎকৃষ্ট উৎকৰ্ষ সাধন কৰে' বুলি কোৱা হৈছে। দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণণে শিক্ষাক মানুহৰ বুদ্ধিসত্ত্বাক প্ৰশিক্ষণ দিয়া, অন্তৰৰ পৰিশোধন আৰু আত্মাৰ অনুশাসন কৰা কাৰ্য বুলি অভিহিত কৰিছে। উৰণ, বুৰণ, গজন, ভ্ৰমণ এই চাৰিমুঠি জীৱৰ ভিতৰত মানুহ সৰ্বোৎকৃষ্ট বুলি পৰিগণিত হৈছে। আন-আন জীৱ-জন্তু, পশু-পক্ষীৰ দৰে মানুহে খাৱন-শোৱন-বিচৰণতেই ব্যস্ত নাথাকি দৈহিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধন কৰি সভ্য আৰু সংস্কৃতিৱান প্ৰজাতি বুলি পৰিচয় দিব পাৰিছে। শৈশৱৰপৰা সুদীৰ্ঘ কাল শিক্ষাৰ যোগেদি মানুহে অবিৰাম আৰু ক্ৰমাগত গতিৰ বিকাশৰ পথত ধাৱিত হৈ মানৱ জীৱন সফল কৰি তোলে। গতিকে শিশুৰ ভৱিষ্যৎ জীৱন তথা শিশুক ভৱিষ্যতে সুনাগৰিক কৰি তুলিব পৰাকৈ শিক্ষাৰ প্ৰাৰম্ভিক কালছোৱাতেই যথোপযুক্ত শিক্ষা দানৰ ব্যৱস্থা কৰিব লাগে। এই প্ৰসঙ্গত এগৰাকী ইংৰাজ দাৰ্শনিকে কোৱা "শিক্ষা হৈছে শিশুৰ ব্যক্তিসত্বাৰ পূৰ্ণ বিকাশ — যিয়ে তাৰ সৰ্বোৎকৃষ্ট ক্ষমতানুসৰি মানৱ জীৱনৰ প্ৰতি নিজস্ব মৌলিক বৰঙনি যোগাব পাৰে।" কথাষাৰ বিশেষ প্ৰণিধানযোগ্য। ব্যক্তিসত্বাৰ পূৰ্ণ বিকাশ ঘটিলেহে ব্যক্তিয়ে সমাজ, জাতি আৰু দেশৰ বিকাশত মৌলিক বৰঙনি যোগাবলৈ সক্ষম হয়। সেয়ে মানৱ জীৱনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল শিক্ষা। শিক্ষা অবিহনে সকলো দিনকণা। শিক্ষাৰ যোগেদিয়েই অজ্ঞতা, নিৰক্ষৰতা, কু-সংস্কাৰ, অন্ধবিশ্বাস আদি দূৰ কৰি সমাজৰ আন আন লোকৰ প্ৰতি সহানুভূতি, সমভাৱ, সহযোগিতা, বন্ধুত্ব, ভ্ৰাতৃত্ববোধ

জগাই তুলি মানুহে সত্যৰ পথত ধাৱিত হৈ সামাজিক ন্যায় প্ৰতিষ্ঠা কৰিব পৰাৰ যোগ্যতা অৰ্জন কৰে। প্ৰকৃত শিক্ষাই ব্যক্তিক মানৱীয় গুণেৰে বিভূষিত লোকৰ সমষ্টিৰে সমাজ গঢ়ি তুলি মানৱৰ, জাতিৰ, দেশৰ উন্নতি আৰু প্ৰগতিত অৰিহণা আগবঢ়ায়।

অমূল্য মানৱ জীৱন গঢ়ি তোলাৰ বাবে যি শিক্ষা দানৰ ব্যৱস্থা কৰা হৈছে তাৰ প্ৰথম স্তৰৰ শিক্ষাই হৈছে প্ৰাথমিক শিক্ষা। শিশুৰ ভৱিষ্যৎ জীৱন সুন্দৰ আৰু পৰিপক্ক কৰি তোলাৰ প্ৰয়োজনীয় শিক্ষা এই স্তৰত বিদ্যালয়ত দান কৰা হয়। এই সময়ছোৱাৰ শিক্ষাৰে শিশুৰ দেহ-মন-আত্মাৰ উৎকৰ্ষ সাধন কৰি সামগ্ৰিক ৰূপত বিকশিত কৰাৰ ব্যৱস্থা কৰা হয়। সেইকাৰণে প্ৰাথমিক স্তৰৰপৰা শিশুক ভৱিষ্যতে সু-নাগৰিক কৰি গঢ়ি তুলিবলৈ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা বাধ্যতামূলক কৰা হৈছে। শিশুৰ প্ৰয়োজন, আগ্ৰহ, যোগ্যতা, ক্ষমতা, অভিৰুচি, ভাৱ-অনুভূতিলৈ বিশেষ মন দি শিক্ষা দানৰ ব্যৱস্থা কৰিব লাগে। বিদ্যালয়ৰ শিক্ষাৰ লক্ষ্য পূৰণাৰ্থে নিৰ্দিষ্ট পাঠ্য বিষয়ৰ উপৰিও শ্ৰেণী কোঠাৰ বাহিৰত ব্যক্তিগত আৰু সামাজিক বিকাশ সাধনৰ বাবে আৱশ্যকীয় জ্ঞান লাভৰ বাবে সহপাঠ্যক্ৰমৰ ব্যৱস্থাও কৰা হয়। পাঠ্যক্ৰমৰ শিক্ষাৰে শিশু তথা ছাত্ৰ-ছাত্ৰীৰ দৈহিক, মানসিক, সামাজিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক বিকাশ সাধন হয়।

শিক্ষাৰ মহান লক্ষ্য আৰু উদ্দেশ্য সাম্প্ৰতিক শিক্ষা ব্যৱস্থাই পূৰণ কৰিব পৰা নাই। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱনক অনিশ্চয়তাৰ গৰাহলৈ ঠেলি দিয়া শিক্ষাই যুৱ-উশৃংখলতা, সামাজিক ভ্ৰষ্টাচাৰ, দুৰ্নীতি-দুষ্কৃতিৰ প্ৰকোপ চৰাইছে। দেশৰ কৰ্ণধাৰ, ৰাইজৰ প্ৰতিনিধিসকল উচ্চ শিক্ষাৰে বিভূষিত হোৱা সত্ত্বেও দেশৰ কোটি কোটি দুৰ্গত, দৰিদ্ৰ জনসাধাৰণৰ সন্তানসকলক সু-শিক্ষাৰে জ্ঞান-চক্ষু মুকলি কৰি পোহৰৰ পথ প্ৰদৰ্শন কৰাৰ বাস্তৱ ব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। বৰ্তমান নানা কেৰোণ আৰু অৰাজকতাই পৱিত্ৰ শৈক্ষিক-ক্ষেত্ৰ কলুষিত কৰা দেখা গৈছে। ৰাইজৰ প্ৰতিনিধি তথা দেশৰ শাসকে অমূল্য মানৱ জীৱনৰ সাৰ্থকতা উপলব্ধি নকৰি শিক্ষাৰ নামত বাৰ্ষিক বাজেটত কোটি কোটি টকা ধাৰ্য কৰা আৰু সেই ধন নিৰ্দিষ্ট সময়ত ব্যয় কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে।

'সকলোৰে বাবে শিক্ষানীতি' গ্ৰহণ কৰি অসম চৰকাৰে পঢ়িবলৈ ধাউতি নথকা আৰু আৰ্থিকভাৱে অক্ষম পৰিয়ালৰ শিশুক বিদ্যালয়লৈ অহাৰ বাবে ইচ্ছা-ধাউতি জগাবলৈ প্ৰাথমিক বিদ্যালয়সমূহত ২০০৫ চনৰপৰা দুপৰীয়াৰ ভোজন বা আহাৰৰ ব্যৱস্থা কৰিছে। এনে লোভৰ বশৱৰ্তী হৈ হয়তো একাংশ ছাত্ৰ-ছাত্ৰী দুপৰীয়াৰ আহাৰ খাবলৈ বিদ্যালয়লৈ অহাটো অস্বাভাৱিক নহয়। কিন্তু মধ্যাহ্ন ভোজনে সামগ্ৰিকভাৱে শিক্ষা ব্যৱস্থাটোৰ যে অধঃপতন মাতি আনিছে, তাক নিঃস্বাৰ্থ আৰু সুস্থ মস্তিষ্কৰ লোক মাত্ৰেই স্বীকাৰ নকৰি নাথাকে। যিখন ৰাজ্য বা দেশত মন্ত্ৰী-বিধায়ক, সাংসদ, পঞ্চায়ত-সমবায়-পৌৰনিগম, সভা আৰু অন্যান্য নিকায়ৰ বিষয়ববীয়া, চৰকাৰী বিষয়া-কৰ্মচাৰী প্ৰায়ভাগেই দুৰ্নীতিত নিমজ্জিত, সেইখন দেশ বা ৰাজ্যৰ মধ্যাহ্ন ভোজনৰ নামত আবণ্টন দিয়া চাউল, দাইল, টকা-পইচা আদিৰ সৎ ব্যৱহাৰ সৰহ সংখ্যকৰপৰা নিশ্চয় আশা কৰিব নোৱাৰি। তাৰ উপৰি, প্ৰধান শিক্ষক প্ৰমুখ্যে শিক্ষকসকলে আহাৰৰ যোগাৰ পাতি, ব্যৱস্থাপনা আদিত ব্যস্ত থাকিবলগীয়া হোৱাত শিক্ষা দানৰ কাৰ্য ব্যাহত হোৱাটো স্বাভাৱিক। শিক্ষালয়ক ভোজনালয়লৈ ৰূপান্তৰিত কৰাত বিদ্যালয়লৈ পঢ়িবলৈ যোৱা ছাত্ৰ-ছাত্ৰীসকলে পঢ়াৰ প্ৰতি মনোনিবেশ কৰিব বুলি আশা কৰিব নোৱাৰি। ইতিমধ্যে খাদ্য-সামগ্ৰী আদিক লৈ বিদ্যালয়ৰ দায়িত্ব বহন কৰা শিক্ষকৰ দুৰ্নীতিৰ কথা পোহৰলৈ আহিছে। আনকি, শিক্ষকসকলৰ মাজত তৰ্ক-বিতৰ্ক, হাত দঙা-দঙি পৰ্যন্ত হোৱাৰ কথা বাতৰি কাকতত প্ৰকাশ পাইছে। বিদ্যালয়ত দুপৰীয়াৰ আহাৰৰ বিশৃংখলতা-অৰাজকতাই ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত শিক্ষা লাভ কৰাটো ভেঁকো-ভাওনাত পৰিণত কৰিছে। এনে ব্যৱস্থাই কোমল বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ মনত পঢ়াৰ প্ৰতি আগ্ৰহশীল কৰি তুলিব বুলি ভবাটো অযুক্তিকৰ কথা। শিক্ষাৰ পৰিৱেশ বিনষ্ট হোৱা দুপৰীয়াৰ আহাৰ বা ভোজ খোৱাৰ ব্যৱস্থা বন্ধ কৰি দুখীয়া দুৰ্গত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক নিজৰ ঘৰতে খাব পৰাকৈ আৰু বিদ্যালয়লৈ 'টিফিন' অনাৰ বাবে প্ৰতি পৰিয়ালত ছাত্ৰ-ছাত্ৰী অনুপাতে টকা দিয়াৰ ব্যৱস্থা কৰিলে ছাত্ৰ-ছাত্ৰীৰ পুষ্টি সাধন হোৱাৰ লগতে বিদ্যালয়ত ঘটা শিক্ষাৰ অৱনতি আৰু অৰাজকতা নাইকিয়া হৈ পৱিত্ৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত শিক্ষা লাভ কৰিবলৈ সমৰ্থ হ'ব।○



---

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ২৯শ সংখ্যা, ২ এপ্ৰিল-২০০৭

# বিভিন্ন জনগোষ্ঠীৰ সমন্বয়-সংস্কৃতি ৰঙালী বিহু

ৰূপ-ৰস-স্পৰ্শ আমোদিত চিৰসেউজীয়া অসমৰ সংস্কৃতি বাৰেৰহণীয়া, অনুপম। অসমৰ সংস্কৃতিৰ ইতিহাস সু-প্ৰাচীন আৰু গৌৰৱোজ্জ্বল। ফল-মূল, কেঁচা মঙহ খাই ; জন্তুৰ ছাল, গছৰ বাকলি-পাত পৰিধান কৰি ; পৰ্বতৰ গুহাত, গছৰ খোৰোঙত বাস কৰি বন্য জীৱন-যাপন কৰা আদিম মানৱৰ বাসভূমি অসমলৈ প্ৰাক্-ঐতিহাসিক কালৰেপৰা চীন, তিব্বত, ব্ৰহ্মদেশ আদিৰপৰা নানা জনগোষ্ঠীয়ে তৰপে তৰপে আহি পৰ্বত-পাহাৰ, হাবি-জংঘল, লুইতৰ পাৰত বসতি স্থাপন কৰি কৃষি আৰু গ্ৰাম্য সংস্কৃতি গঢ়ি তোলে। নৃতত্ত্ব আৰু ভাষাতত্ত্বৰ আলোচনা-বিশ্লেষণৰ পণ্ডিতসকলৰ মতে হাজাৰ হাজাৰ বছৰ পূৰ্বে অসমলৈ অহা বিভিন্ন জনগোষ্ঠীৰ ভিতৰত বিশেষকৈ অষ্ট্ৰিক আৰু মঙ্গোলনীয়সকলে কৃষিকৰ্মৰে জীৱন-যাপন আৰম্ভ কৰি অসমত গ্ৰাম্য-সংস্কৃতিৰ পাতনি মেলে। অসমৰ গ্ৰাম্য জীৱন-ধাৰণ পদ্ধতি, শিল্প-কৰ্ম, ভাষা, লোক-সাহিত্য, কৃষ্টি-সংস্কৃতি আদিম জনগোষ্ঠীসমূহৰ বৰঙণিৰে সমৃদ্ধ। ভাৰতীয় আৰ্যসকল অসমলৈ প্ৰব্ৰজন হোৱাত অষ্ট্ৰিক-মঙ্গোলীয় গোষ্ঠীৰ সন্মিলিত অসমত এক সংমিশ্ৰিত সংস্কৃতিয়ে গা কৰি উঠে আৰু সেয়াই হ'ল অসমৰ বৈচিত্ৰময় অসমীয়া সংস্কৃতি।

ইতিহাসে ঢুকি নোপোৱা কালতে অসমত বসবাস কৰা বিভিন্ন গোষ্ঠীৰ সহজ-সৰল অনাড়ম্বৰ চহা লোকে জীৱন ধাৰণৰ প্ৰক্ৰিয়া আৰু মনৰ উৎকৰ্ষ সাধনেৰে জীৱনক বিকশিত কৰি তুলিবলৈ কৰা হাবিয়াসৰ ফলত অসমীয়া সংস্কৃতি – অসমীয়া জাতীয়তাই গঢ় লয়। অসমৰ কৃষিজীৱী জনতাৰ সংস্কৃতি চহা জীৱনৰ সংস্কৃতি, গাঁৱলীয়া সংস্কৃতি। অসমৰ বুকুৰ নদ-নদী, জান-জুৰি, ফল-ফুল, গছ-গছনি, পথাৰ-সমাৰ, পৰ্বত-কন্দৰ, জলবায়ু, মাটি-পানী, বিহঙ্গম তথা প্ৰকৃতি জগতখনৰ বিভিন্ন উপাচাৰে অসমীয়া সংস্কৃতি বৰ্ণাঢ্য কৰি তুলিছে। অসমৰ এই সংস্কৃতিৰ লগতে জনসাধাৰণৰ অৰ্থনীতি,



জাতীয় ঐক্য, সম্প্ৰীতি-সমন্বয়, উৎসৱ-পাৰ্বণ আদি সাঙোৰ খাই আছে। অসম মাতৃক জীৱনতকৈ ভালপোৱা, অকৃত্ৰিমভাৱে আপোন কৰি লোৱা জাতি-বৰ্ণ-ধৰ্ম-নিৰ্বিশেষে সকলোকে অসমীয়া সংস্কৃতিয়ে আঁকোৱালি লৈছে। উদাৰচিত্তে মুকলি মনেৰে বিহুৱা-বিহুৱতীয়ে ঘোষণা কৰিছে-

'লুইতৰ বালিতে কহুঁৱা ফুলিলে
ফুলিলে শিমলুৰ ফুল।
আই অসমীয়ে সবাকো আদৰে
নিবিচাৰি জাতি কুল।'

নানা জাতি-উপজাতিৰ মহামিলনৰ ফলত কাহানিবাই গঢ় লোৱা সংস্কৃতিয়ে অসমীয়াক এটা জাতি হিচাবে জীয়াই থকাৰ অধিকাৰ সাব্যস্ত কৰিছে। সংস্কৃতিৰ চিন্তা-কৰ্ষণ, মূল্যাঙ্কন আৰু সাংস্কৃতিক চেতনাবোধ প্ৰতিজন অসমীয়াৰ কাৰ্যত, মনত, প্ৰাণত থাকিলেই অসমীয়া জাতি চিৰজাগ্ৰত হৈ থাকিব পাৰিব।

কিন্তু আজি অসমীয়া সংস্কৃতি-জগতখনত কি ঘটিবলৈ ধৰিছে তাক ভালদৰে চিন্তা কৰি চোৱাৰ প্ৰয়োজন হৈছে। নিৰ্ঘাত সত্য যে জাতীয় সংস্কৃতিৰ অৱক্ষয় ঘটিলে জাতিৰ অথন্তৰ ঘটে, জাতি জীয়াই থকাটো অসম্ভৱ হৈ পৰে।

সংস্কৃতিৰ বিষয়ে সম্যক জ্ঞান লাভ তথা নিপোটল সংস্কৃতিৰ সেৱাহে জাতীয়তা ৰক্ষাৰ মূল কথা। অতীতৰপৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ চহালোকে জীয়াই থাকিবলৈ কঠোৰ সংগ্ৰাম কৰাৰ মাজেৰে বিভিন্ন ঋতু বা সময়ত পালন কৰা লোকনৃত্য, লোকগীত, উৎসৱ আদিৰে যি আনন্দ-বিলাস, মাদকতা আৰু সৌন্দৰ্য উপভোগ কৰিছিল, সেই সম্পৰ্কত প্ৰাচীন অসমীয়া লোক-সংস্কৃতিৰ ইতিহাস সৰৱ। কিন্তু বৰ্তমান নগৰমুখী কৃত্ৰিমতা, পাশ্চাত্য শিক্ষা-সংস্কৃতি, আপোন সংস্কৃতিৰ প্ৰতি স্পৃহাহীনতা আৰু বিজতৰীয়া সংস্কৃতিৰ প্ৰভাৱত অসমীয়া সংস্কৃতি বিপৰ্যস্ত হৈ পৰা দেখা গৈছে। অসমীয়া ভাষাৰ প্ৰমোচন হৈ বাৰে-বঙলুৱা শব্দ প্ৰয়োগ, অসমীয়া মাধ্যমৰ বিদ্যালয়ক নেওচা দি ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়াৰ হেতা-ওপৰা, নৃত্য-গীতত আধুনিকতাৰ নামত বিজতৰীয়া প্ৰভাৱ বা ঠাঁচ, সাজ-পাৰ, আচাৰ-ব্যৱহাৰত পশ্চিমীয়া ঢং সৰ্বত্ৰতে বিৰাজ কৰাৰ প্ৰকোপ চৰিছে। জাতীয়তা বা স্বকীয়তা ৰক্ষা কৰি আনৰ কৰ্পৌ ফুলস্বৰূপ ভালটো গ্ৰহণ কৰাত আপত্তি নিশ্চয় নাই, কিন্তু

ৰঘূমলাস্বৰূপ সৰ্বনশীয়াটো গ্ৰহণ কৰি জাতীয়তা খৰ্ব কৰাটো সমীচীন হ'ব নোৱাৰে।

কৃষিজীৱী অসমীয়া সমাজৰ সবাতোকৈ আদৰৰ জাতীয় সাংস্কৃতিক উৎসৱ বিহু। অসমৰ সাতামপুৰুষীয়া সকলো জনগোষ্ঠীক ঐক্যবদ্ধ কৰা বিহু আজি বিপৰ্যস্ত। যুগৰ পৰিৱৰ্তনৰ মাজত এশ এবুৰি সমস্যাই জুৰুলা কৰা গাঁৱৰ সাধাৰণ লোকৰ মনৰো মনৰ, প্ৰাণৰো প্ৰাণৰ, আপোনতকৈ অতি আপোন বহাগ বিহু গাঁৱৰপৰা নগৰলৈ, পথাৰৰপৰা মঞ্চলৈ অনা হ'ল। লগে লগে বিহু উৎসৱৰ আনন্দ-উল্লাস, মানসিক পৰিতৃপ্তিৰপৰা আন্তৰিকতাৰে বিহু পালন কৰি থকা সহজ-সৰল মনৰ সাধাৰণ লোক বঞ্চিত হ'ল। বিহু যিহেতু জাতীয় উৎসৱ, ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, সুখী-দুখী, দুৰ্নীতিগ্ৰস্ত-দুৰ্নীতিমুক্ত কোনেও ইয়াক পালন নকৰাকৈ নাথাকে। সেই বুলি জাতীয় উৎসৱ বিহুক নগৰীয়া সভ্যতাৰ নামত বিকৃত কৰি তাৰ ঐতিহ্য, বৈশিষ্ট্যক অধোগতি বা ক্ষুণ্ণ হ'বলৈ দিয়াটো অনুচিত হ'ব।

আধুনিক নগৰীয়া সভ্য সমাজে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ শকত ধনৰ টোপোলা, গাড়ী আদি জকমকীয়া বস্তুৰ উপহাৰ ঘোষণা কৰি বিহু-সম্ৰাজ্ঞী, বিহু-ৰাণী আদিৰ প্ৰতিযোগিতা পতাৰ ধুম উঠাৰ ফলত গাঁৱৰ গছৰ তলে তলে, নদীৰ পাৰে পাৰে সামূহিকভাৱে বিহু নচা নাচনী গাভৰু নিঃশেষ হৈ গৈ আছে। এতিয়া মঞ্চবিহু অভিজাত্যৰ বিহু। বিহুৰ লগত চহা জীৱনৰ সম্পৰ্ক ৰক্ষা কৰাটো কাম্য। বৰ্তমান দামী দামী সাজ-পাৰ, আ-অলঙ্কাৰ, প্ৰসাধন ব্যৱহাৰ কৰা মঞ্চৰ গাভৰুৰ বিহুনৃত্য দেখি সেই নৃত্যক লোকনৃত্য নুবুলি অনেকে আধুনিক খিচিৰি নৃত্য বুলিহে ক'ব খোজে। বিহু পতাৰ নামত আন এটা গা-কৰি উঠা দুষ্কৃতি মন কৰিবলগীয়া। গাড়ী, স্কুটাৰ ৰখাই ৰাস্তাত একোটা দলে বিভিন্ন ঠাইত ধন সংগ্ৰহ কৰে। এনে ব্যৱস্থাই গাড়ীচালক আৰু যাত্ৰীসকলক অতীষ্ঠ কৰি তোলা পৰিলক্ষিত হৈছে। তাৰ উপৰি, ডেকা ল'ৰাই লংপেণ্ট-চাৰ্ট পিন্ধি মূৰত গামোচা মাৰি লৈ হিন্দী চিনেমাৰ নায়কৰ দৰে বিহু নাচনী-গাভৰুৰ লগত হিন্দীসুৰীয়া বিহুগীত গাই বিহুনৃত্য-গীতক অৱমাননা কৰাৰ প্ৰয়াস মন কৰিবলগীয়া। বহাগৰ প্ৰথম দিনা অৰ্থাৎ মানুহ বিহুৰ দিনা কনিষ্ঠজনে জ্যেষ্ঠক সেৱা জনোৱা আৰু জ্যেষ্ঠজনে কনিষ্ঠজনক মৰম-আশীৰ্বাদ কৰা, বিহুৰ বতৰত খেলা বিভিন্ন খেলসমূহ, ঘৰে ঘৰে হুঁচৰি গাই গৃহস্থক আশীৰ্বাদ দিয়া আদি প্ৰথাবোৰ ক্ৰমান্বয়ে হ্ৰাস পোৱা দেখা



গৈছে। এয়া ধুৰূপ যে সাংস্কৃতিক ঐতিহ্যক আওকাণ কৰিলে, সেই বিষয়ে চিন্তা-চৰ্চা নাথাকিলে জাতীয় সংস্কৃতিৰ নিটোল ৰূপটি ৰোগাক্ৰান্ত হৈ কিম্ভূত-কিমাকাৰ ৰূপ ধাৰণ কৰি নিশ্চিহ্ন হৈ যোৱাৰ উপক্ৰম হয়।

জাতীয় সংস্কৃতি আৰু অৰ্থনীতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। অৰ্থনীতিৰ ভেঁটি সুদৃঢ় হ'লেহে শৰীৰ ধাৰণ, মানসিক আৰু আধ্যাত্মিক বিকাশ সম্ভৱ হৈ উঠে। কৃষি-ব্যৱসায় আদিক আওকাণ কৰি পৰমুখাপেক্ষী হোৱা বাবে সকলো সম্ভাৱনাৰে ভৰপূৰ অসমৰ অৰ্থনীতিত অনা-অসমীয়া আৰু বিদেশীৰ লুণ্ঠন পূৰ্ণোদ্যমে চলি আছে। দুৰ্নীতি, দুষ্কৃতি, বিকৃত সংস্কৃতিয়ে অসমৰ জাতীয় সংস্কৃতি আৰু অৰ্থনীতি লেৰেলা-চেপেটা কৰি অসমৰ অস্তিত্বকে গ্ৰাস কৰাৰ প্ৰচণ্ড আক্ৰমণ চলাৰ কথা নজনা আজি আৰু কোনোবা আছে বুলি ক'ব নোৱাৰি। আজি অসমৰ থলুৱা জনগোষ্ঠী কেইটামানে যি কেইটা জনগোষ্ঠীৰ উপাদানেৰে অসমীয়া সংস্কৃতি সুদৃঢ় আৰু সজীৱ হৈ আছে, তেওঁলোকৰ এটা চামে অসমীয়াৰ সাঙোৰত বান্ধ খাই থাকিবলৈ অনিচ্ছা প্ৰকাশ কৰিছে। কিন্তু অসমৰ জাতীয় সংস্কৃতি সমন্বয়ৰ প্ৰতীক বিহুৰ আওতাৰপৰা কোনো জনগোষ্ঠী আঁতৰি যাব পাৰে বুলি ভাবিব নোৱাৰি। অসমৰ থলুৱা জনগোষ্ঠীয়ে পালন কৰা সাতামপুৰুষীয়া জাতীয় উৎসৱ বিহু বা সেই জাতীয় বসন্ত কালৰ উৎসৱে অসমীয়া কোন বা অসমীয়াৰ সংজ্ঞা নিৰূপণ কৰিব পাৰিব। বিভেদ-হিংসা-হত্যা-সন্ত্ৰাসৰ অৱসান হৈ অসমত সুখ-শান্তি-সমৃদ্ধি বিৰাজ কৰক — ৰঙালী বিহুৰ বতৰত তাকেই কামনা কৰা হ'ল।○

○সাপ্তাহিক অসম ঃ ১ম বছৰ ঃ ত্ৰিংশ সংখ্যা, ৯ এপ্ৰিল-২০০৭

# চিন্তা আৰু বাস্তৱ

## দ্বিতীয় খণ্ড

# কাছাৰ ঃ অসম সাহিত্য সভাৰ কৰ্তব্য

আজি কিছুদিনৰ পৰা অসমৰ কাছাৰ জিলা সম্পৰ্কত নানা মুনিৰ নানা মত কাকত-পত্ৰাদিত প্ৰকাশ পাই আছে। বহু হাজাৰ বছৰ পূৰ্বৰ পৰা প্ৰাচীন কামৰূপৰ অন্তৰ্গত কাছাৰ বৰ্তমান অসমত থকা উচিত নে অনুচিত এই বিষয়ে নানা যুক্তিৰে আলোচনাসমূহ সৰৱ হৈ উঠা দেখা গৈছে। 'বৰাক উলটি বয়', 'কাছাৰনে কেন্সাৰ', 'ভালুকৰ সাঙী' আদি শীৰ্ষক আলোচনা বাতৰি কাকতত প্ৰকাশ পাইছে। 'কাছাৰত অসমৰ স্বাৰ্থৰ হকে মাত মাতোঁতা নাই, বৰঞ্চ বিভিন্ন সমস্যাত বিৰোধিতাহে কৰা দেখা যায়' ; 'কাছাৰত অসমীয়া ভাষা নচলা হ'ল ; অসমীয়া ভাষীৰ সংখ্যা তেনেই নগণ্য' ; 'অসমৰ অৰ্থনীতিৰ এক সিংহ ভাগ কাছাৰলৈ যায়' — ইত্যাদি যুক্তিৰ ভিত্তিত কাছাৰ অসমত থকাৰ কাৰণ নাই বুলি কোৱা হৈছে। এনেবোৰ আলোচনা যুক্তিপূৰ্ণ হ'লেও থাওকতে কাছাৰ সম্পৰ্কে সিদ্ধান্ত দিয়াটো সহজসাধ্য কথা নহয়। ভাষা-ভিত্তিক ৰাজ্য পুনৰ্গঠন হোৱাৰ পাছত অসমৰ অংগ জিলা কাছাৰত শিক্ষা-দীক্ষা, ভাষা-সংস্কৃতি, সাহিত্য আদি বিষয়ত আন জিলা কেইখনৰ লগত সমতা স্থাপন কৰিবলৈ সৰ্বতোপ্ৰকাৰ চেষ্টা চলোৱাহেঁতেন, কাছাৰ অসমৰ লগত থকা-নথকা লৈ কোনো বিতৰ্কৰ অৱতাৰণা নহ'লহেঁতেন।

'কামাখ্যা-তন্ত্ৰ'ত পুৰণি কামৰূপৰ অন্তৰ্গত বুলি কোৱা কাছাৰ এক সময়ত আহোম, কোচ আদি ৰাজ্যৰ দৰে স্বাধীন ৰাজ্যই আছিল। বৃটিছ শাসনৰ কালত কছাৰী ৰজাৰ ৰাজত্বৰ অন্ত পৰি কাছাৰ অসমৰেই অংগ জিলা হৈ থাকে। কাছাৰৰ আদিবাসী ডিমাচা কছাৰীৰ উপৰিও আন আন থলুৱা জনগোষ্ঠীৰ লোক, মায়ামৰা বিপ্লৱ আৰু মানৰ আক্ৰমণত ঘৰ-বাৰী এৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা উঠি যোৱা অসমীয়া লোক, মণিপুৰী, কোচবংশীয় দেৱান জাতি আৰু কছাৰী ৰাজত্বতে বসবাস কৰা মুছলমান লোকসকলেই কাছাৰ জিলাৰ প্ৰাচীন অধিবাসী। বৃটিছ শাসনৰ কালত হিন্দু, মুছলমান অনেক লোক এই জিলালৈ আহে। ইয়াৰ উপৰি, ভাৰতৰ আন ৰাজ্যৰ পৰা



অহা বিভিন্ন ভাষা-ভাষী লোকো এই জিলাত অনেক আছে। কিন্তু বৃটিছ শাসনৰ লগে লগে চাকৰি-ব্যৱসায় আদি চলাই চহৰাঞ্চলত বসবাস কৰা বঙালীসকলৰ প্ৰতিপত্তি বাঢ়ি যোৱাত বৰাক উপত্যকাৰ ভাষা-সাহিত্য-সংস্কৃতি পশ্চিম-বংগমুখী হৈ পৰে আৰু তাৰ পৰিণতি স্বৰূপে অকল কাছাৰ জিলাত বঙলা ভাষা প্ৰচলন হ'ল।

অসম চৰকাৰৰ ৰাজ্যভাষা আইনে কাছাৰত বঙলা ভাষা চলালে যদিও, কাছাৰৰ প্ৰাচীন অধিবাসীসকলে যিসকলে অসমৰ ঐতিহ্য-ভাষা-সংস্কৃতিৰ লগত এক হৈ থাকিবলৈ বিচাৰে, সেইসকলে বঙলা ভাষা প্ৰচলন হোৱাত অন্তৰত কঠোৰ আঘাত পাইছিল। অসমৰ বিশ্ববিদ্যালয়ৰ মাধ্যম আন্দোলনৰ সময়ত কাছাৰৰ পৰা শ্ৰদ্ধেয় নুৰুল হক বৰভূঁইয়াই লিখিছিল ঃ "প্ৰকৃতাৰ্থত আমাৰ মাতৃভাষা হ'ল এটি কথিত ভাষা (ডায়েলেক্ট) আৰু ইয়াৰ সৈতে বঙলাতকৈ অসমীয়া ভাষাৰ অধিক মিল আছে। কাছাৰৰ কথিত ভাষা প্ৰকৃতপক্ষে অসমীয়াহে, বঙলা নহয়।" শিলচৰৰ পৰা জনাব গিয়াছুদ্দিন মজুমদাৰে "কাছাৰৰ শতকৰা নৱৈজনেই অসমীয়া বিচাৰে" — বুলি উল্লেখ কৰা কথা মন কৰিবলগীয়া। উত্তৰ কাছাৰৰ সোণাৰাম থাওচেন, হৈড়ম্ব প্ৰতাপ থাওচেন, কাছাৰৰ দ্বিজেন্দ্ৰলাল বৰ্মণ, মহিক্ষিৎ বৰ্মণ প্ৰভৃতিয়ে কেইবছৰমান পূৰ্বে ডিমাচা-কছাৰীসকলৰ শিক্ষাৰ মাধ্যম অসমীয়া হ'ব লাগে বুলি আগবঢ়োৱা যুক্তি নিৰুপমা হাগজেৰৰ প্ৰবন্ধ এটিত প্ৰকাশ পাইছিল। কাছাৰৰ থলুৱা বাসিন্দাসকলে অসমক সৰ্বান্তকৰণে আকোঁৱালি ধৰি থকাৰ এয়া উৎকৃষ্ট প্ৰমাণ। অসম আৰু অসমীয়াক মনে-প্ৰাণে ভাল পায় কাৰণে ১৯৬০ চনৰ ৰাজ্য ভাষা আন্দোলনত অসমীয়া ভাষাৰ হকে দাবী জনাই কাছাৰবাসী ৰাইজে সংগ্ৰামত জপিয়াই পৰিছিল; যাৰ ফলত, এঘাৰজন মুছলমান সন্তানে প্ৰাণ-আহুতি দি মাতৃ পূজাৰ বলি হৈছিল আৰু বহু সংখ্যক মণিপুৰী লোকে কাৰাবৰণ কৰিছিল। অসমৰ হকে এই কাছাৰবাসীসকলে দেখুৱা সাহস আৰু ত্যাগৰ কথাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ লোকে জানো গুৰুত্ব দিছে ? শ্ৰদ্ধেয় নুৰুল হক বৰভূঁইয়াই দুখ-আক্ষেপ কৰি কৈছিল ঃ " কিন্তু অতি পৰিতাপৰ কথা যে অসমীয়া ভাষাৰ কাৰণে প্ৰাণ আহুতি দিয়া হাইলাকান্দিৰ সেই এঘাৰজন ছাত্ৰৰ কথা কোনেও মনত নেপেলালে। আনকি অসমৰ কোনো ঠাইত তেওঁলোকৰ বাবে শোকসভা আয়োজন নকৰিলে। অসম সাহিত্য সভায়ো এই মৰ্মে কোনো প্ৰস্তাৱ নল'লে।

আনহাতে, কলিকতাৰ এশ্ৰেণী বাতৰি-কাকতে কাছাৰৰ এই আন্দোলনক হিন্দু-মুছলিম সংঘৰ্ষ আখ্যা দিয়ে আৰু অসমৰ বহুতে নিৰ্বিবাদে তাক মানি লয়। সেই বিষয়ে অসম চৰকাৰে কোনো তদন্তৰ ব্যৱস্থা হাতত নল'লে।"

ইমানৰ পিছত কাছাৰবাসী অসম-প্ৰেমীসকলে অসমৰ স্বাৰ্থত মাত মাতিবলৈ, যুঁজিবলৈ কোনসতে আগবাঢ়ি যায় ? ১৯৭২ চনৰ অসমৰ বিশ্ববিদ্যালয়ৰ মাধ্যম আন্দোলনত কাছাৰৰ এই লোকসকলে আন্দোলনত নামিবলৈ কোনো পথ নল'লে। তেওঁলোকে ভয় কৰে জানোচা "আগৰবাৰৰ দৰে ব্ৰহ্মপুত্ৰ উপত্যকাত এইবাৰো তেঁওলোকৰ বিৰুদ্ধে অযথা অপবাদ ওলাই পৰে।" (বৰভূঁইয়া) তথাপি জানো অসম মাতৃক ভাল পোৱা এই অধিবাসীসকলে অসম বিপদাপন্ন হোৱাত হাত সাৱটি বহি থাকিব পাৰিছে? সাম্প্ৰতিক অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ আহ্বানত লোকসভা নিৰ্বাচনৰ (৭৯) দাবীত সংগ্ৰাম কৰি অসমৰ সন্মান আৰু অস্তিত্ব অক্ষুন্ন ৰাখিবলৈ বহু সংখ্যক সংগ্ৰামীয়ে কাৰাবৰণ কৰিছিল। এই কথালৈ অসমবাসী ৰাইজে কিমান গুৰুত্ব দিছে ? আজিও হাজাৰ হাজাৰ কাছাৰবাসীয়ে অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসাধাৰণৰ মুখলৈ চাই আছে যে তাক ভালদৰে জানিব পৰা যায়।

অসমক আপোন মাতৃভূমি জ্ঞান কৰা কাছাৰবাসীৰ আশা-আকাংক্ষা, মনোবেদনা, ভাষিক-সাংস্কৃতিক, অৰ্থনৈতিক আদি ক্ষেত্ৰত তেওঁলোকে কেনেদৰে বিপৰ্যস্ত হৈ পৰিছে অসম চৰকাৰেতো সেইবোৰ কথালৈ গুৰুত্ব নিদিলেই – – অসমৰ বুদ্ধিজীৱী আৰু আন আন জাতীয় অনুষ্ঠানসমূহেও আন্তৰিকতাৰে একো কৰিবলৈ আগ নাবাঢ়িল। এই ক্ষেত্ৰত্ জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে অসমৰ সকলোকে এক পতাকাৰ তলত থিয় কৰোৱাৰ ব্ৰত গ্ৰহণ কৰা অসমৰ জাতীয় ঐক্য-সংহতিৰ হকে আৰম্ভণিৰে পৰা কাম কৰি থকা অসম সাহিত্য সভাৰ গধূৰ দায়িত্ব আৰু কৰ্ত্তব্য আছিল। কিন্তু কাৰ্য্যক্ষেত্ৰত অসম সাহিত্য সভাই কাছাৰৰ কথাত মনোনিবেশ নকৰিলে। অকল ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলা কেইখনৰ প্ৰায় ঠাইকে সাহিত্য সভাই কৰ্মক্ষেত্ৰ কৰি ল'লে যদিও ইয়াৰ সকলো ভাষা-গোষ্ঠীকে ঐক্যবদ্ধ কৰি বৃহৎ অসমীয়া জাতিৰ ঐতিহ্য ৰক্ষা কৰিব পৰা নাই। অসমৰ জনজাতীয় ভাষাসমূহৰ উৎকৰ্ষ-বিকাশ সাধন কৰাত গুৰুত্ব নিদিয়াৰ বিষময় ফল আজি ভুগিবলগীয়া হৈছে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অনেক স্থায়ী বঙালী লোকক সাহিত্য



সভাৰ মজিয়ালৈ অনাৰ আন্তৰিক চেষ্টাৰো অভাৱ ঘটি আছে। কাছাৰৰ ডিমাচা আৰু আন আন ভাষা-ভাষী অসমপ্ৰেমী লোকসকলক বিভিন্ন ঠাইত শাখা সাহিত্য সভা গঠন কৰি ভাষা-সাহিত্যৰ প্ৰচাৰ, আলোচনা-চক্ৰ, সাংস্কৃতিক সমাৰোহ আদিৰ ব্যৱস্থা কৰাৰ প্ৰচেষ্টা কৰা নহ'ল। কাছাৰ জিলাৰ শিলচৰ চহৰত থকা শাখা সাহিত্য সভাখন তাত চাকৰি কৰা কেইজনমান ব্যক্তিৰ চেষ্টাত জীয়াই আছে। এই সভাখনৰ জৰিয়তে গাঁৱে-ভূঁৱে শাখা সভা গঠন কৰাৰ যথেষ্ট সুবিধা আছিল। কিন্তু অসম সাহিত্য সভাই শিলচৰ শাখা সভাখনক উন্নত আৰু টনকিয়াল কৰি তোলাৰ কোনো চেষ্টাই কৰা নাই। প্ৰকৃততে শিলচৰত দক্ষিণ অসমৰ কাৰণে অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয় স্থাপন কৰি সমগ্ৰ কাছাৰত বিস্তৃত বাস্তৱ কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিব লাগে। কাছাৰত কোনো কোনো ঠাইত মাজে মাজে সাহিত্য সভাৰ বিশেষ অধিবেশন পাতিব লাগে। বঙলা ভাষী সকলকো পাৰ্যমানে আলোচনা চক্ৰ, সাহিত্য সভাৰ বিভিন্ন কাৰ্যসূচীলৈ আন্তৰিকতাৰে আহ্বান কৰি আনিব লাগিব।

অসমৰ আদিমবাসী ডিমাছা-কছাৰীসকলৰ ভাষা-সাহিত্যৰ উৎকৰ্ষ আৰু উন্নতিৰ প্ৰতি মন দিব লাগে। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ বড়ো-কছাৰী ভাষা-সাহিত্যৰ লগত ডিমাচা ভাষা-সাহিত্যৰ যোগসূত্ৰ স্থাপন কৰিবলৈ কাৰ্য্যকৰী ব্যৱস্থা ল'ব লাগে। সাহিত্য সভাই উপযুক্ত লোক বাছি লৈ এনে কামত হাত দিয়া উচিত। লগতে অসমীয়া আৰু আন ভাষা-গোষ্ঠীৰ লোকসকলৰ মাজত ভাষিক-সাংস্কৃতিক ঐক্য স্থাপন কৰি অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি ধাউতি বঢ়াব লাগে।

কাছাৰত ঠায়ে ঠায়ে দুই চাৰিখন অসমীয়া মাধ্যমৰ উচ্চ, মধ্য ইংৰাজী আৰু প্ৰাথমিক বিদ্যালয় আছে। এই বিদ্যালয়সমূহৰ শিক্ষক, ঘৰ-দুৱাৰ আদিৰ সুব্যৱস্থা নাই। শিলচৰ চহৰত অৱস্থিত দেশভক্ত তৰুণৰাম ফুকন মধ্য বিদ্যালয়খন নিজা ঘৰ-দুৱাৰৰ অভাৱত আজি পৰ্যন্ত সাহিত্য সভা ভৱনত চলি আছে। কাছাৰৰ অনা-অসমীয়া বিদ্যালয়সমূহত উপযুক্ত অসমীয়া শিক্ষকৰে অসমীয়া ভাষাৰ শিক্ষা দিয়া হৈছে নে নাই, সেই বিষয়ে জানো দৃষ্টিপাত কৰা হৈছে ? শিলচৰত থকা শ্ৰীশ্ৰীশঙ্কৰদেৱ মন্দিৰটোৰ খবৰ কোনোবাই ৰাখিছেনে ? ইত্যাদি সকলো কথাৰ প্ৰতি আন্তৰিকতাৰে খা-খবৰ লৈ বিহিত ব্যৱস্থা লোৱাত যথেষ্ট পলম হৈ গৈছে।

কোনেও যেন পাহৰি নাযায় কাছাৰত 'হা বঙ্গ - হা পশ্চিমবঙ্গ' মনোভাৱৰ লোক যেনেকৈ অগণন আছে, অসম মাতৃৰ দুখ-দুৰ্দশাত চকুপানী টোকা, আৱশ্যকমতে প্ৰাণ বিসৰ্জন দিবলৈ আগবাঢ়ি অহা লোকো অনেক আছে। গতিকে অসম সাহিত্য সভাই সকলো কথা সুযুক্তিৰে বিচাৰ কৰি চাই অসমপ্ৰেমী কাছাৰৰ বাসিন্দাসকলৰ মনোবেদনা, আশা-আকাংক্ষা পূৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাটো সমুচিত। কেৱল ব্ৰহ্মপুত্ৰ উপত্যকাতে অধিৱেশন পাতি ভোট-ভোজ-মেলা আদিতেই ব্যস্ত থাকি সময় আৰু অৰ্থ অপচয় নকৰি কৰ্মক্ষেত্ৰ বহল কৰি সমগ্ৰ অসমকে আঁকোৱালি লওক। কাছাৰক অসমৰ পৰা বাদ দিয়াৰ মনোভাৱ গ্ৰহণ কৰা মানে অসমৰ অঙ্গ আকৌ হানি হোৱা আৰু অসম মাতৃৰ দুৰ্দশা সহ্য কৰিব নোৱাৰা কাছাৰবাসীৰ অন্তৰত আঘাত দিয়া। মনত ৰাখিব — অসম-বিদ্বেষী এচামে 'কাছাৰ অসমৰ লগত নাথাকে' ধ্বনি তুলিছেই। অসম সাহিত্য সভাই গতানুগতিকতা, অপ্ৰয়োজনীয় বাহুল্য পৰিহাৰ কৰি জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিবিৰ্শেষে সকলোকে ঐক্যবদ্ধ কৰি নতুন শক্তি-উদ্যমেৰে অসমৰ ঐতিহ্য, ভাষা-সংস্কৃতি, অৰ্থনীতি ভৌগোলিক অৱস্থান তথা অসমৰ অস্তিত্ব ৰক্ষা কৰিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হওক।○

**সংযোজন**

*১৯৮১ চনত ক্ষেত্ৰভিত্তিক অধ্যয়ন আৰু অভিজ্ঞতাৰ ভিত্তিত উক্ত আলোচনা আগবঢ়োৱা হৈছিল। অসমীয়া জাতীয়ত্ব সম্পৰ্কে থলুৱা কাছাৰবাসীৰ মনোভাৱ বুজিবলৈ অসম সাহিত্য সভাই তৎপৰতা অৱলম্বন কৰিব বুলি ভবা হৈছিল। কিন্তু সমস্যাসমূহৰ সম্পৰ্কত আজিও কিবা বাস্তৱ ব্যৱস্থা লৈছে বুলি জানিব পৰা নাই।* ১০।১২।২০০৯

○দৈনিক অসম ঃ ৭মে' ১৯৮১

# বক্তৃতাৰ ফুলজাৰি মৰা আৰু কাগজৰ গদা ঘূৰোৱা দিন উকলিল

জাতি-বৰ্ণ ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে অসমৰ সকলো শ্ৰেণীৰ লোকক এক পতাকাৰ তলত সমবেত কৰিব পৰা অসমৰ একমাত্ৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা তিনি কুৰি বছৰৰ দেওনা পাৰ হোৱা বাবে এই অনুষ্ঠানটিৰ হীৰক জয়ন্তী উৎসৱো পালন কৰা হ'ল। আৰম্ভণিৰ পৰাই অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ উৎকৰ্ষ আৰু বিকাশ সাধনা কৰি সঞ্জীৱিত কৰি তুলিবলৈ যুঁজ দি অহা কথা স্বীকাৰ কৰিব পাৰি যদিও সুপ্ৰাচীন সুবৃহৎ অসমীয়া জাতি গঢ়ি তোলাত অসম সাহিত্য সভাই প্ৰকৃতাৰ্থত আন্তৰিকতা আৰু দূৰদৰ্শিতাৰ পৰিচয় দিয়া বুলি অনেকে কবলৈ টান পাইছে। যেতিয়াৰ পৰা অসম দ্বিভাষিক ৰাজ্য হ'ল (অসম চৰকাৰী ভাষা আইন ১৯৬০) তেতিয়াৰে পৰা অসমৰ অস্তিত্ব সঙ্কটাপন্ন হৈ পৰা কথাটো বুদ্ধি-কৌশলৰে জীৱন ধাৰণ কৰোঁতাসকলে বুজিবলৈ আন্তৰিক চেষ্টা নকৰিলে। তাৰেই পৰিণতি স্বৰূপে ভাষা সম্প্ৰসাৰণবাদী বঙালীসকলে ১৯৭২ চনত অসমৰ বিশ্ববিদ্যালয়ত শিক্ষাৰ মাধ্যম বঙলাও হ'ব লাগে বুলি দৃঢ় দাবী উত্থাপন কৰি দিল্লীৰ উচ্চতম ন্যায়লয়ত গোচৰ পৰ্যন্ত তৰিলেগৈ। অসম ছাত্ৰ সন্থাৰ উদ্যোগত মাধ্যম আন্দোলনে গণ-আন্দোলনৰ ৰূপ লয় আৰু ১৯৬০ চনৰ ভাষা-আন্দোলনৰ দৰে এই আন্দোলনতো কেবাজনো অসম মাতৃৰ সুসন্তান মাতৃ-পূজাৰ বলি হয়। ৰাজনৈতিজ্ঞৰ কু-অভিসন্ধি, যড়যন্ত্ৰৰ ফলত স্বাধীনতা লাভৰ পিছত বৃহত্তৰ অসম খণ্ড-বিখণ্ড হৈ যোৱাৰ দৰে ঘটনাও চকুৰ আগত ঘটি আছে আৰু আজিও অৱশিষ্ট অসম খণ্ড টুকুৰা-টুকুৰ হৈ যোৱাৰ সম্ভাৱনাই দেখা দিছে। স্বকীয়তা বিসৰ্জন দি দিল্লীৰ কথাত উঠা-বহা কৰা, পশ্চিমবংগৰ প্ৰভাৱত অন্ধলা হোৱা ৰাজনৈতিক নেতা পালিনেতা-দালালৰ কথা অসমৰ ৰাইজে কাহানিবাই বুজি উঠিছে। তথাপি বিশেষ সতৰ্কতাৰে অসমৰ সন্মান তথা অস্তিত্ব ৰক্ষাৰ হকে অনেক বুদ্ধিজীৱী

জড়িত থকা অসম সাহিত্য সভাই কাম কৰি যোৱাৰ আন্তৰিক চেষ্টা কৰা বুলি কব নোৱাৰি।

অসম ছাত্ৰ সমাজে লাখ লাখ বিদেশীয়ে অসমক গ্ৰাস কৰি পেলোৱাৰ সম্ভাৱনা দেখি ৰাইজক সজাগ কৰি ১৯৭৯ চনৰ পৰা আজিলৈ (আৰু হয়তো বহুদিনলৈ) গণ-আন্দোলন চলাই যাব লগা হৈছে। ন্যস্ত-স্বাৰ্থজড়িত ৰাজনীতিবিদ আৰু বুদ্ধিজীৱীসকলে কৰা ভুলৰ প্ৰায়শ্চিত্ত অসমৰ ছাত্ৰ সমাজে নেতৃত্ব দি কৰিব লগা হোৱাটো অতি পৰিতাপৰ কথা। তথাপি জানো সকলোৱে এই সমস্যাৰ প্ৰতি সৰ্বান্তকৰণেৰে আগবাঢ়ি আহিছে ? বৰঞ্চ বিভেদকামী আৰু সাম্প্ৰদায়িক সংঘৰ্ষৰে অসমৰ ঐক্যক থানবান কৰি সাংবিধানিক আৰু আইনসঙ্গত আন্দোলনটো মষিমূৰ কৰিবলৈ সুবিধাবাদী যড়যন্ত্ৰকাৰী চক্ৰটোৱে উঠি-পৰি লাগিছে। চুবুৰীয়া ৰাজ্য ভাষা সম্প্ৰসাৰণকাৰী আৰু বিদেশী ষড়যন্ত্ৰকাৰীৰ কথা বাদেই — অসমৰ থলুৱা বিভিন্ন জাতি-গোষ্ঠীৰ অনেকে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনৰ লগত জড়িত হৈ পৰা নাই।

অসম খণ্ড-বিখণ্ড হোৱা ঘটনা, ৰাজ্যভাষা আৰু মাধ্যম আন্দোলন, দুই-এটা অৰ্থনৈতিক আন্দোলনৰ পৰা শিকনি লোৱাৰ পিছত অসম সাহিত্য সভাই বিশেষ সতৰ্কতা আৰু দূৰদৰ্শিতাৰে কাৰ্য-ব্যৱস্থা হাতত লোৱাৰ প্ৰয়োজন সকলোৱে অনুভৱ কৰিছিল। অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ ভাষাৰ বিকাশ আৰু উৎকৰ্ষ সাধন কৰি প্ৰয়োজনীয় ব্যৱস্থা লোৱা ; চাহ-শ্ৰমিক আৰু স্বাধীনতাৰ পূৰ্বে অহা ন-অসমীয়া ভাইসকলক সু-সংবদ্ধ কৰি জাতীয় চেতনা জগাই তোলা ; শিক্ষা-দীক্ষা, ভাষা-সংস্কৃতি প্ৰচাৰ কৰা আদিত দৃঢ় কাৰ্য-ব্যৱস্থা লোৱাৰ কথা সময়মতে অসম সাহিত্য সভাই গুৰুত্ব নিদিলে। চৰকাৰৰ পৃষ্ঠপোষকতাত মাথোন বছৰি একোখন জনবহুল সমাৰোহ পাতি ভোজ আৰু ভোটেৰে নিৰ্বাচনত ব্যতিবস্ত হৈ প্ৰধান সম্পাদক, উপ-সভাপতি, সদস্য আদি পতাটোতে সমস্ত শক্তি অপচয় কৰা হৈছে। দুই-তিনি দিনতে ততাতৈয়াকৈ কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰি বাতৰি-কাকতৰ গদা ঘূৰাই তাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা নৌ-হওতেই আকৌ মহামেল আহি পৰে। বিভিন্ন জনগোষ্ঠী বা সম্প্ৰদায়ৰ ওপৰত কেইজনমান ৰচকৰ দ্বাৰা কেইখনমান গ্ৰন্থ সম্পাদন আৰু প্ৰণয়ন কৰি ৰেহাই মূল্যত বিক্ৰী কৰাৰ দ্বাৰাই জাতীয় সংহতি তথা জাতিৰ অস্তিত্ব ৰক্ষা কৰা বুলি আত্মতুষ্টিহে



লাভ কৰিব পাৰি। দুদিনৰ বাবে লাখ লাখ জনতাক প্ৰদৰ্শনী, মেলা আদি চাবলৈ অনাৰ দ্বাৰা জাতীয় চেতনা আৰু ঐক্য গঢ়ি উঠিছে বুলি ভবাৰ থল নাই। সকলো শ্ৰেণীৰ লোকক শিক্ষা-দীক্ষাৰে চকু মেল খুৱাই ভাষা-সংস্কৃতিৰ শিক্ষা দি অৰ্থনৈতিক স্বচ্ছলতা আনি দিয়াৰ প্ৰচেষ্টাহে জাতীয় ঐক্য গঢ়াৰ সহায়ক আৰু তাৰ দ্বাৰাহে অসমৰ অস্তিত্ব ৰক্ষা কৰিব পৰা যাব। কাছাৰৰ আদিমবাসী অসমীয়া ভাষী আৰু অসমপ্ৰেমী বিভিন্ন সম্প্ৰদায়ৰ সংকট, তাত থকা অসমীয়া মাধ্যমৰ বিদ্যালয় আৰু অন্যান্য অনুষ্ঠানসমূহ —আনকি অসম সাহিত্য সভাৰ শাখা-সাহিত্য সভাখনৰ দুৰৱস্থাৰ কথা অসম সাহিত্য সভাই ভাবিবলৈ সময় পাইছেনে ? এনেবোৰ কথালৈ মন কৰি বাস্তৱ কাৰ্য-ব্যৱস্থা হাতত লব লাগিব। অসমত স্থায়ীভাৱে বসবাস কৰা অনা-অসমীয়া ভাই-ভনীসকলক অসমৰ ঐতিহ্য, ভাষা-সংস্কৃতিৰ লগত পৰিচয় কৰাই দি অসমৰ জনমানসত স্থান দি বৃহৎ অসমীয়া জাতি গঠন কৰাটো আশু-কৰ্তব্য। অসমৰ নতুন পুৰুষসকলক সাহিত্য সভাৰ মঞ্চলৈ আনি ভৱিষ্যত অসম গঢ়াৰ পথ সুগম কৰি তুলিব লাগে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষৰ অনুষ্ঠান বুলি বক্তৃতা আৰু বাতৰি-কাকতত প্ৰচাৰ কৰাৰ দ্বাৰা কোনো কাম সিদ্ধ হ'ব নোৱাৰে। অজ্ঞ-অনাখৰীসকলক জাতিৰ প্ৰতি সচেতন কৰিবলৈ শিক্ষা আৰু প্ৰচাৰৰ ব্যৱস্থা অচিৰে গ্ৰহণ কৰিব লাগে।

অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ আৰম্ভণিতে অসম সাহিত্য সভাই যি হোঁহোকা-পিচলা কৰিলে তাক দেখি অনেক শাখা-সাহিত্য সভা অতিশয় হতাশ হৈছিল, যাৰ ফলত কোনো নিৰ্দেশ কেন্দ্ৰৰ পৰা নাপাই বিভিন্ন সাহিত্য সভাই স্বকীয়ভাৱে অহিংস গণ-আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ বাধ্য হয়। তাৰ পিছতহে অসম সাহিত্য সভা আন্দোলনৰ লগত জড়িত হৈ পৰে। সদৌ অসম গণ-সংগ্ৰাম পৰিষদ গঠন কৰাত সাহিত্য সভাৰ কৰ্ণধাৰ এজন উপস্থিত থাকিও গা এৰা দিয়া বুলি জনা কথা অতি বিস্ময়কৰ আৰু ৰহস্যজনক বুলি বহুতে ভাবিবলৈ বাধ্য হৈছে। পিছলৈ অসম গণ-সংগ্ৰাম পৰিষদৰ অংশীদাৰ হোৱা সত্বেও সাহিত্য সভাই যোৱা বছৰৰ ৰহা অধিৱেশনত সংগ্ৰামৰ চূড়ান্ত ৰূপ পোৱা কালতো অধিৱেশনখনত জাতীয় অস্তিত্ব সংগ্ৰামৰ গুৰুত্ব দিবলৈ অকণো ইচ্ছা কৰা নাছিল। পিছত যেনিবা অভ্যৰ্থনা সমিতিয়ে নতুন পুৰুষক আলোচনাত অৱতীৰ্ণ কৰাই অধিৱেশনৰ গুৰুত্ব বৃদ্ধি কৰে। ভোটেৰে বিষয়-ববীয়া নিৰ্বাচন নকৰিবলৈ বিষয়-বাছনি সভাত এচামে বহুত

যত্ন কৰিলে আৰু প্ৰতি জিলা, সম্প্ৰদায়ৰ প্ৰতিনিধি সমিল-মিলত বাছি দি এখন কাৰ্যক্ষম কাৰ্যনিৰ্বাহক কমিটী পতাত গুৰুত্ব দিয়া হৈছিল। কিন্তু দেখা গ'ল, ৰাতি দুই-তিনি বজালৈ নানা বাক-বিতণ্ডা কৰি নিৰ্বাচন পতাটোকেই সিদ্ধান্ত কৰিলে— গণতন্ত্ৰৰ ওপৰত গুৰুত্ব দি। উল্লেখযোগ্য কথা যে নিৰ্বাচন পাতিব নালাগে বুলি চিঞৰ-বাখৰ কৰি টোপনিত চকু মুদ খোৱাত সভাগৃহ ত্যাগ কৰা কেইবাজনেও নিৰ্বাচনৰ বাবে প্ৰপত্ৰ দাখিল কৰি ভোট-যুদ্ধত অৱতীৰ্ণ হৈ ইচ্ছা-অভিলাস পূৰ্ণ কৰিলে। উল্লেখ্য যে বিষয়-বাছনি সভাত নানা বাকযুদ্ধৰে গ্ৰহণ কৰা প্ৰস্তাৱসমূহ, সভাপতিৰ অভিভাষণ আৰু বক্তাৰ পৰামৰ্শসমূহ কাগজৰ পাততে কাৰ্যকৰী হৈ থাকে।

ৰহা অধিবেশন পাৰ হৈ এবছৰ অতীত হ'ল ঃ বাতৰি-কাকতৰ বিবৃতি, মাজে মাজে দুই এখন গোহাৰি, কেতিয়াবা কাকতত দুই-চাৰিজনৰ ভ্ৰমণ, সৰ্বসাধাৰণে হাতেৰে চুব নোপোৱা তিনিমহীয়া পত্ৰিকা (১৫০০ খন) সম্পাদনা, কেইখনমান গ্ৰন্থ প্ৰকাশ, প্ৰতিযোগিতা পাতি পুৰস্কাৰ ঘোষণা কৰাৰ বাহিৰে এনে সংকটাপন্ন বছৰটিত বিশেষ উল্লেখযোগ্য বাস্তৱত কি কাম কৰিছে তাৰ হিচাব পোৱা নাযায়।

বিভিন্ন জাতি-উপজাতিৰ মিলন-ক্ষেত্ৰ তিনিচুকীয়াত এই বছৰ অসম সাহিত্য সভাৰ অধিৱেশন পতা হৈছে। এজনা সাধক সাহিত্যিক সীতানাথ ব্ৰহ্মচৌধুৰীক সভাপতিৰ পদত অলংকৃত কৰাটো এই সংকটৰ কালত অসমৰ সৌভাগ্য বুলিব পাৰি। এইজনা সভাপতিক এবছৰতে বিদায় নিদি দুবছৰ কাল সময় দি সাহিত্য সভাৰ আঁচনি আৰু উদ্দেশ্যৰ বাস্তৱ ৰূপ দি সকলো জাতি-উপজাতিক ঐক্যৱদ্ধ কৰি তুলি সুস্থ-সবল অসমীয়া জাতি গঢ়ি তোলাৰ এয়া সুবৰ্ণ সুযোগ। অধিৱেশন বছৰেকীয়া হওক-নহওক — সেই কথা নকওঁ কিন্তু সভাপতিজনাৰ কাল দুবছৰীয়া হোৱাটো নিতান্ত আৱশ্যক। কাৰ্য নিৰ্বাহকৰ কাৰণে শাখা সভা আৰু সভ্যৰ সংখ্যানুযায়ী জিলা ভিত্তিক সদস্য নিৰ্বাচন কৰি আৱশ্যক মতে প্ৰতি জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰিব পৰাকৈ একোজনকৈ আৰু বিশেষ ব্যক্তি কেইজনমানক সদস্য নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। সেইসকলৰ মাজৰ পৰা তেওঁলোকৰ দ্বাৰা প্ৰধান সম্পাদক, প্ৰচাৰ সম্পাদক, প্ৰকাশন পৰিষদৰ সদস্য সাহিত্য সভাৰ অধিৱেশনত নিৰ্বাচন কৰাৰ ব্যৱস্থাও গ্ৰহণ কৰিব লাগে। তেতিয়া হ'লে প্ৰতিনিধিসকলৰ নিৰ্বাচনৰ নামত অপচয় কৰা শক্তি, সময় ৰাহি হ'ব আৰু



আন আন গুৰুত্বপূৰ্ণ দিশত মনোনিবেশ কৰাৰ যথেষ্ট সময়-সুযোগ পাব।

নৱ-নিৰ্বাচিত সভাপতি গৰাকীৰ পৰা আমি এই কামনাকে কৰিছোঁ। সীতানাথ ব্ৰহ্মচৌধুৰীৰ নেতৃত্বাধীন অসম সাহিত্য সভাৰ মঞ্চৰ পৰা ৰাজ্যখনৰ সকলো দিশ পৰ্যালোচনা কৰি এটি সুস্থিৰ নীতি-নিৰ্দ্ধাৰণ কৰি অসমীয়া ভাষা-সাহিত্য, কৃষ্টি-কলাক নিজ ৰূপত বিকশিত হোৱাৰ সুবিধা প্ৰদান কৰক। অসম সাহিত্য সভা এটি নিকা মহানুষ্ঠানত পৰিণত হওক।০

**সংযোজন**

*উল্লিখিত সমস্যাসমূহৰ প্ৰতি আলোকপাত কৰি অসম সাহিত্য সভাই কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা চকুত পৰা নাই। সমস্যা সমস্যা হৈয়েই থকা নাই, বৰঞ্চ জটিল ৰূপহে ধাৰণ কৰি গৈ আছে। অসমৰ জাতীয় সমস্যাক ক্ষমতাৰ অৱিয়া-অৱি, ন্যস্ত-স্বাৰ্থৰ উৰ্দ্ধত ৰাখি অসম সাহিত্য সভাৰ কৰ্মী- নেতৃবৃন্দই আন্তৰিকতাৰে কামত আগবাঢ়ি অহাৰ সময়চোন পাৰ হৈ যাবই এথোন !* ১।১২।২০০৯

০দৈনিক জনমভূমি ঃ ৭ মে' ১৯৮১

# মথাউৰি স্থায়ী কৰাতকৈ ভঙা মথাউৰি মেৰামতিৰ প্ৰতিহে আগ্ৰহী

নদীৰ বানপানীক বাধা দি কৃষকৰ খেতি-বাতি নিৰাপদ কৰাৰ নামত বান-নিয়ন্ত্ৰণ বিভাগে প্ৰতি বছৰে লাখ-লাখ টকাৰ অপচয় কৰি যোৱা দুই দশকতকৈও অধিক কাল যি ভেকোঁ-ভাওনা দেখুৱাইছে, তাৰ ফলত অসমৰ কৃষক ৰাইজে নিজৰ খেতি কৰা মাটিখিনিৰ পৰা চৰ্তহীনভাৱে কোনো ক্ষতিপূৰণ পৰ্যন্ত নোপোৱাকৈ বঞ্চিত হৈ কেনেদৰে অনাহাৰ, অনিদ্ৰাত দিন কটাবলগীয়া হৈছে, তাক বাস্তৱ অভিজ্ঞতা থকা লোক মাত্ৰেই জানে। অসমৰ দুখীয়া কৃষকৰ উন্নতি আৰু কল্যাণৰ অৰ্থে বান-নিয়ন্ত্ৰণ আঁচনি (কোটি-কোটি টকাৰ হিচাবত) গ্ৰহণ কৰি তেনেই অবৈজ্ঞানিকভাৱে মথাউৰিসমূহ নিৰ্মাণ কৰি খেতি-মাটি নিঃশেষ কৰাৰ উপৰিও মথাউৰিৰ চুবুৰীয়া গাঁওসমূহৰ ৰাইজক মৃত্যুমুখত থিয় কৰোৱাৰ দৰে সৰ্বগ্ৰাসী কাম কৰা দৃষ্টান্তৰ অভাৱ নাই। বান-নিয়ন্ত্ৰণ বিভাগৰ তেনে অলেখ কামৰ উদাহৰণৰ ভিতৰত এটা উদাহৰণ কামৰূপ জিলাৰ পুঠিমাৰী নদীৰ মথাউৰি। এই নদীৰ পাৰৰ কোঁৱৰঘাট, সন্তাৰৰ ঘাট, কাৰৈমাৰী আদি পথাৰ নিৰাপদৰ নামত বছৰি পাথৰ পেলোৱা, বাহঁৰ গড় বন্ধা, বস্তা জপা, মথাউৰি মেৰামতি, নতুনকৈ বন্ধা আদিৰ নামত লাখ লাখ টকাৰ কাম কৰা হয় যদিও অবাস্তৱ আৰু অবৈজ্ঞানিক ভাৱে কাম কৰা বাবে সেইবোৰ অঞ্চলৰ ৰাইজ জীয়াই থকাটো অসম্ভৱ হৈ পৰিছে। ৰাইজক জীয়াতু ভুঞ্জাই যেন বিভাগীয় মুৰব্বীসকল পৰিতৃপ্ত হৈছে।

পুঠিমাৰী নদীৰ বাঁওপাৰৰ ৬৫ কিলোমিটাৰত (কাৰৈমাৰী) একেখন ঠাইতে অদূৰদৰ্শিতাৰে কাম কৰা বাবে চাৰিবাৰ পৰ্যন্ত পিছুৱাই গৈ গৈ নতুনকৈ মথাউৰি বন্ধা বাবে সেইখন পথাৰেদি যোৱা মথাউৰিৰে প্ৰায় এক হাজাৰ মিটাৰ খেতি মাটি নিঃশেষ কৰি পেলোৱা হ'ল। ইয়াৰ মাটিৰ বাবে কৰ্তৃপক্ষই ক্ষতিপূৰণ পৰ্যন্ত কৃষকক দিয়াৰ দায়িত্বখিনিও পালন নকৰিলে। এই বছৰ



প্ৰায় ১৫০/২০০ মিটাৰ ভিতৰেদি মথাউৰি নিৰ্মাণ কৰাৰ ফলত হাজাৰ-হাজাৰ বিঘা খেতি মাটি নিঃচিহ্ন হৈ পৰাত খেতিয়ক ৰাইজে হা-হুমুনিয়াহ কঢ়াৰ বাহিৰে আন গতি নাইকিয়া হৈছে। সাধাৰণ কৃষক ৰাইজৰ অভাৱ-অভিযোগ, দুৰ্দশা-বিপৰ্যয়ৰ কথা শুনিবলৈ বা ভাবিবলৈ বৰ বৰ বিষয়াসকলৰ সময় নাই। এইবাৰো অবৈজ্ঞানিকভাৱে যোৱাবাৰ প্ৰৱল বানে ভঙা মথাউৰিৰ পৰা ১৫০/২০০ মিটাৰ পিচ হোঁহোঁকাই মথাউৰি নতুনকৈ বান্ধিবলৈ লোৱাৰ পূৰ্বে স্থানীয় ৰাইজে নদীগৰ্ভৰ ঠাইখিনিত খাঁজ কাটি দিবলৈ আৰু সোঁতৰ হেঁচা পৰা ঠাইত পাথৰ দি বান্ধিবলৈ বিভাগীয় বৰমূৰীয়াক লগ ধৰি অনুৰোধ কৰিছিল। বৰমূৰীয়াই ৰাইজৰ দুৰ্দশাৰ প্ৰতি অকণো সহানুভূতি নেদেখুৱাই অগণতান্ত্ৰিক ভাৱে ক্ষমতা দখল কৰা বিধায়ক, মন্ত্ৰীক লগ ধৰিবলৈ ৰাইজক নিৰ্দেশ দিয়ে। এতিয়া কথা হ'ল, নানা কাৰিকৰী শিক্ষাৰ ডিগ্ৰীৰে অলংকৃত অভিজ্ঞ বিশেষজ্ঞসকল এনে এটা বিভাগত মাথোন মজা লগা চকী টেবুলত বহি হাজাৰ টকা দৰমহা লবলৈ আৰু আমেজলগা গাড়ী - ঘোঁৰাত উঠি ফুৰিবলৈকেহে নেকি ? অৱশ্যে বিভাগৰ চৰজমিনত থকা বিষয়াসকলে নদীৰ খাঁজ কাটি দিয়া আঁচনি আৰু হিচাপ দাখিল কৰিছিল ; যাৰ খৰচ মাত্ৰ কেইহাজাৰমান টকাহে হ'লহেঁতেন। সি যি নহওক, নদীগৰ্ভৰ খাঁজ নাকাটি যথেষ্ট দ-পথাৰেদি ১১/১২ লাখ টকাৰ অপচয় কৰি নতুন মথাউৰি বহাগ মাহৰ (সম্পূৰ্ণ বৰষুণৰ কালত) পৰা আৰম্ভ কৰি দিলে। এতিয়াও ইয়াৰ কাম সম্পূৰ্ণ কৰিব পৰা নাই। ইতিমধ্যে সেই অংশত গৰাখহনীয়া লাগিছে। গৰাখহনীয়াৰ ফলত একে ৰাতিয়ে ৩০ ফুটমান মাটি নদীত জাহ গৈ আছে। এনেদৰে নদীৰ ঢল আহিলে ১০/১৫ দিনৰ ভিতৰত অসম্পূৰ্ণ মথাউৰিও নদীয়ে গিলি পেলাব বুলি বাস্তৱ অভিজ্ঞতা থকা সাধাৰণ লোকেও সন্দেহ কৰিছে আৰু অঞ্চলৰ ৰাইজ আতঙ্কিত হৈ পৰা দেখা গৈছে।

যদি এইবাৰ বন্ধা মথাউৰিৰ অংশ ভাঙি যায় (যিহেতু দ এলেকাত পৰিছে) পুঠিমাৰী নদীৰ সোঁতে গতি সলনি কৰি পথাৰখনৰ মাজেদি প্ৰৱাহিত হৈ সন্তাৰ, কাহিবাৰী, মাজৰকুৰি, নামপাৰা, উজানকুৰি আদি গাঁও আৰু পথাৰ ধ্বংসৰ মুখত পৰি থলুৱা জনসাধাৰণ নিৰাশ্ৰয় হৈ পৰি অঘৰীৰ দৰে অনাই-বনাই ফুৰিবলগীয়া হ'ব। আনফালে, বান-নিয়ন্ত্ৰণ বিভাগে খৰখেদাকৈ নদীৰ সোঁতক বাধা দিবলৈ হকে-বিহকে বাঁহৰ গড় বন্ধা, পাথৰ পেলোৱা, বস্তা জপা আদি কামৰ নামত আন কেইলাখমান টকাৰ শ্ৰাদ্ধ কৰাৰ সুবিধা

লাভ কৰাৰ পথ মুকলি কৰি ৰাখিলে বুলি সচেতন মহলে কয়। নদীগৰ্ভৰ বালিপৰা ঠাইত খাঁজ কটাহেঁতেন, তেনে কামৰ মুদা মৰিলেহেঁতেন আৰু থলুৱা ৰাইজ আতংকিত হৈ পৰাৰ কাৰণো নাথাকিলেহেঁতেন। ০

**সংযোজন**

*বান নিয়ন্ত্রণ চৰকাৰৰ পুৰণি বিভাগ। বাৰিষা তাণ্ডৱ দেখুৱাই খেতি-বাতি, ঘৰ-দুৱাৰ উটাই ধ্বংস কৰা নদীৰ বান বা সোঁতক বাধা দিবলৈ মথাউৰি, বান্ধ দি নদীৰ সোঁত সলনি কৰি এই বিভাগে বছৰি হাজাৰ হাজাৰ কোটি টকা খৰচ কৰে যদিও আজিও বৈজ্ঞানিক উপায়-বুদ্ধিৰে বান নিয়ন্ত্রণ কৰি কৃষক ৰাইজৰ কল্যাণ সাধন কৰিব পৰা নাই। ৰাজ্যৰ বিভিন্ন অঞ্চলৰ বান পৰিস্থিতিৰ দিনক দিনে উন্নতিৰ ঠাইত অধোগতিহে হৈ আছে। আমি ওপৰত এটা উদাহৰণহে দাঙি ধৰিছোঁ। এনে কাণ্ড সৰ্বত্ৰতে আজিও ঘটি আছে। প্ৰতিকাৰৰ আন্তৰিক সু-ব্যৱস্থা নাই।* ১।১২।২০০৭

০অগ্ৰদূত ঃ ২৪ জুন ১৯৮৪

## সংস্কৃতি আৰু দুষ্কৃতি
## পাণ্ডৱৰ পাঁচ কৌৰৱৰ এশ

স্বাৰ্থান্বেষী দালাল বা কান্ধুলি লুটি মৰা সুবিধাবাদী এচাম সমাজত চিৰবৰ্তমান। মূৰ্খক জ্ঞানী, জ্ঞানীক মূৰ্খ, চোৰক নিচোৰ, নিচোৰক চোৰ, বগাক ক'লা, ক'লাক বগা, দিনক ৰাতি, ৰাতিক দিন কৰি ঘূৰি ফুৰা এইচামৰ সামাজিক বা জাতীয় স্বাৰ্থ গৌণ বা নগণ্য ; ব্যক্তিগত মুনাফা বা স্বাৰ্থসিদ্ধিহে তেওঁলোকৰ মুখ্য উদ্দেশ্য। ৰান্ধনিক উচটাই জোল খাব জনা সুবিধাবাদী চক্ৰটোৱে ৰাজনীতিকক ভালদৰে লম্ভিব জানে। অপৰিপক্ক অদূৰদৰ্শী বা আত্মম্ভৰী শাসক বা ৰাজনীতিকক পালেতো একেবাৰে শেনৰ এজাত; বিশেষ সতৰ্কতা অৱলম্বন নকৰিলে জোলোকা-জোলোকা পানী খুৱাইহে এৰে। সময়ে এইসকলৰ বিচাৰ কৰে যদিও শাসক ৰাজনীতিকৰ ওপৰত পেলোৱা প্ৰভাৱে সমাজ, জাতি বা দেশৰ অপূৰণীয় ক্ষতি সাধন কৰে।

সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা বণিজ কৰিবলৈ অহা বৃটিছসকলে স্বাৰ্থান্বেষী এচাম সুবিধাবাদী ভাৰতীয় পাই ভাৰতত ঔপনিবেশিক শাসন কৰিবলৈ সুবিধা লাভ কৰিলে। বৃটিছৰ শাসন ওফৰাবলৈ চলোৱা স্বাধীনতা সংগ্ৰামৰ বিৰোধিতা কৰি এইচাম ভাৰতীয়ই গোলামী মনোবৃত্তিৰে বৃটিছ শাসকক আদৰণি জনাই জাতীয় সংগ্ৰামীসকলৰ গোপন বতৰা দি নগুৰ-নাগতি কৰা কথা কোনেও পাহৰিব নোৱাৰে। সংগ্ৰামী জনতাক ঠাট্টা-মস্কৰা কৰা, বৃটিছ শাসকক গটাই দি পুলিচ মিলিটেৰীৰ নিৰ্যাতন-অত্যাচাৰ উৎপীড়নৰ বলি কৰা, আনকি জাতীয় পতাকাকো ভৰিৰে গচকি ফালি-চিৰি পেলাই আত্ম-সন্তুষ্টি লাভ কৰা এই বৃটিছৰ স্তাৱক সুবিধাবাদীসকলৰ দেশদ্ৰোহিতা স্বাধীনতা আন্দোলনৰ এক কলংকিত অধ্যায়ৰূপে সূচিত হৈ ৰ'ল।

লাখ লাখ জনতাৰ জীৱনৰ বিনিময় আৰু অলেখজনৰ নিৰ্যাতনৰ ফলত দ্বিখণ্ডিত হৈ ভাৰতে স্বাধীনতা লাভ কৰাৰ লগে লগে ভাৰতৰ শাসন-ভাৰ ভাৰতীয়ৰ হাতলৈ আহিল; কিন্তু আচৰিত ধৰণে আৰু নিৰ্লজ্জভাৱে বৃটিছৰ স্তাৱক সুবিধাবাদী দালাল চামে এডেও দুডেও লোটা লোৱাৰ ছেৰৰে'-শাসকসকলৰ ওচৰত পীৰা পাৰি বহি মন্ত্ৰণা দিয়াৰ যোগ্যতা অৰ্জন কৰিলে

আৰু পঙ্গু নির্যাতিত সংগ্রামীসকলতকৈ আগস্থান দখল কৰিলে। স্বাধীনতাৰ অমৃত-সুধাৰ ঠাইত স্বাধীন ভাৰতৰ লাখ লাখ জনতাই অনাহাৰে-অনিদ্ৰাই মৃত্যুৰ-ক্ষণ গণি গণি নিঃশেষ হৈ গৈ থাকিল, আনহাতে 'দেশ প্ৰগতিৰ পথত', 'গৰীৱী হাটাও', 'ৰাইজেই ৰজা' প্ৰভৃতি শ্লোগানেৰে সুবিধাবাদী চামে দেশত উখল-মাখল লগাই উন্নয়নমূলক বিভিন্ন শিতানৰ কোটি কোটি টকাৰ শ্ৰাদ্ধ কৰি ৰাজসুখ ভোগত মত্ত হৈ স্বাৰ্থ পূৰণত ব্যতিব্যস্ত হৈ পৰিল।

ক্ষমতাৰ গাদী বৰ লোভনীয়। ক্ষমতা দখল বা ৰক্ষাৰ বাবে তেজৰ নদী বোৱোৱাৰ অনেক ঘটনা ইতিহাসৰ পাতত লিপিৱদ্ধ হৈ আছে। ই বাঘে গৰুৰ তেজৰ লোভ সম্বৰণ কৰিব নোৱাৰাৰ দৰে কথা হৈ পৰিছে। বৰ্তমান যুগত ৰাজনীতি মানে কূটনীতি; ঠগ-প্ৰবঞ্চনা, মিছা-প্ৰতাৰণা আদিতহে গুৰুত্ব দিয়া দেখা গৈছে। প্ৰকৃত মানৱতা বা জনসেৱাই গৌণস্থান লভিছে। তথাপি শতকৰা ৫/১০ জনৰ সততাৰ ফলত যেন প্ৰকৃত পথ অন্ধকাৰাচ্ছন্ন নোহোৱাকৈ আছে। ভাৰতৰ ৰাজনীতিত পাণ্ডৱৰ পাঁচ আৰু কৌৰৱৰ এশ —বিশেষ তাৎপৰ্যপূৰ্ণ। সংস্কৃতি আৰু দুষ্কৃতিৰ যুঁজ চিৰন্তন চলি আছে। দুষ্কৃতি যিমানে ঊৰ্ধ্বলৈ নুঠক কিয়, যিমানেই ভয়ঙ্কৰ নহওক কিয়, শেষত ই ধৰাশায়ী হয় আৰু সংস্কৃতিয়ে জয়মাল্য পৰিধান কৰে। এই বিজয়ী সংস্কৃতিয়েই জনতাৰ পথ যুগে যুগে। কোনো প্ৰতিবন্ধকতা, কোনো ষড়যন্ত্ৰ বা কোনো দুষ্ট-চক্ৰই প্ৰচণ্ড শক্তিৰেও জনতাৰ সংস্কৃতিক নিঃশেষ কৰি পেলাব পৰা নাই আৰু নোৱাৰেও। শোষণ, নিষ্পেষণ, দমন, পীড়ন, স্বৈৰতন্ত্ৰ, স্বেচ্ছাচাৰ জনতাৰ সংস্কৃতিয়ে একোকে ক্ষমা নকৰে। কত ৰাজ্যৰ কত জনবিৰোধী প্ৰচণ্ড শক্তি বা মন্ত্ৰী-নেতাক গণতন্ত্ৰই লটিঘটি কৰিছে বা ধূলিস্যাৎ কৰিছে তাৰ উদাহৰণ আছে। ভাৰত গণৰাজ্যৰ প্ৰৱল প্ৰতাপী প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ পতন, মোৰাৰজী-চৰণসিঙৰ জনতা চৰকাৰৰ পতন, ৰাজীৱ গান্ধীৰ ক্ষমতাৱসান (১৯৮৯ ডিচেম্বৰ) আদি গণতন্ত্ৰৰ ডাঙৰ শিকনি। কেন্দ্ৰৰ শাসনৰ বিপৰীতে অতি জনপ্ৰিয়তাৰে ৰাজ্যৰ শাসন চলোৱা আঞ্চলিক দলৰ চৰকাৰ অন্ধ্ৰ প্ৰদেশ (জনপ্ৰিয় আঞ্চলিক নেতা ৰামাৰাও) আৰু আন আন ৰাজ্য চৰকাৰৰ শাসনৰ পতনো উল্লেখযোগ্য। সেয়ে গণতন্ত্ৰৰ ৰাজনীতিক নেতৃবৃন্দই ক্ষমতাত অন্ধ হৈ গৰ্ব-মইমতালি, কূটনীতি-দুৰ্নীতি, স্বজন-প্ৰীতি, ন্যস্তস্বাৰ্থ, দালাল চক্ৰান্তৰ বশৱৰ্তী হোৱাতকৈ জনতাই ওলট-পালট কৰা ঐতিহাসিক ৰায়ৰ পৰা শিকনি গ্ৰহণ কৰা উচিত।

অসমৰ ৰাজনীতিৰ বুৰঞ্জীত ১৯৮৫ চনৰ ডিচেম্বৰত জনসাধাৰণে দিয়া গণতান্ত্ৰিক ৰায় বিশেষ উল্লেখযোগ্য আৰু তাৎপৰ্যপূৰ্ণ। জনতাৰ এই ঐতিহাসিক ৰায় জনবিৰোধী জাতীয়ত্ব বিৰোধী সৰ্বভাৰতীয় দলৰ চৰকাৰৰ



দুষ্কৃতিৰ পৰিণাম। কেন্দ্ৰৰ আঠত্ৰিশ বছৰীয়া ঔপনিবেশিক শাসনৰ ওৰ পেলাই অসমলৈ প্ৰৱাহিত হৈ থকা অবৈধ প্ৰব্ৰজন তথা বিদেশী সমস্যাৰ সমাধান ঘটাই স্বাৱলম্বিতাৰে অসমৰ অৰ্থনৈতিক ভেটি সুদৃঢ় কৰা আৰু সাংস্কৃতিক বিকাশ সাধন কৰি জাতীয়ত্ব সবল কৰাৰ লক্ষ্য আৰু উদ্দেশ্যৰে জনসাধাৰণ ঐক্যৱদ্ধ হৈ অতি উৎসাহ আৰু দৃঢ়ভাৱে আঞ্চলিক দল গণ পৰিষদৰ চৰকাৰ প্ৰতিষ্ঠা কৰিলে। বানপানী আৰু খৰাং বতৰৰ দুৰ্যোগে জুৰুলা কৰা আঞ্চলিক চৰকাৰখনক কেন্দ্ৰৰ ৰাজীৱ গান্ধীৰ কং (ই) চৰকাৰে যোৱা চাৰিটা বছৰে মোহাৰি-মুচৰি পেলাবলৈ নানা চল-চক্ৰান্ত কৰা কথা সকলোৰে বিদিত। (অৱশ্যে অৱশেষত ৰাষ্ট্ৰীয় মৰ্চাৰ হাতত নিজে ক্ষমতাচ্যুত হ'ল।)

আনহাতে, পঞ্চম বছৰত পদাৰ্পণ কৰা অসম গণ-পৰিষদ চৰকাৰক আৰম্ভৰ পৰা সুবিধাবাদী দালাল চামে গ্ৰাস কৰি বিপথে পৰিচালনা কৰাও পৰিলক্ষিত হৈছে। ছবছৰীয়া আন্দোলনৰ তেজ, ত্যাগ, নিৰ্যাতন তথা সংগ্ৰামী চেতনাক এই জাতীয় চৰকাৰে ঊৰ্ধ্বত ৰখাটো সকলোৰে কাম্য। সেয়ে সংগ্ৰামী সচেতন প্ৰতিজনে দল আৰু চৰকাৰৰ প্ৰতিটো পদক্ষেপকে লক্ষ্য কৰি আছে। ক্ষমতাৰ অপব্যৱহাৰ, ন্যস্তস্বাৰ্থ, জাতীয়ত্ব বিৰোধী জনবিৰোধী কাৰ্য তথা দুৰ্নীতি-দুষ্কৃতিক ৰোধ কৰিবৰ বাবে অসমৰ জনগণে ঐক্যৱদ্ধ হৈ সংগ্ৰাম কৰাটো জাতীয় ইতিহাসৰ সঁচা শিকনি। অগ্নিগৰ্ভা অসমৰ জাতীয় সমস্যা সমাধানৰ খতিয়ানৰ ওপৰত জাতীয় চৰকাৰ বৰ্তি থকাৰ প্ৰশ্নটো নিহিত হৈ আছে। এই কথাত সতৰ্কতাৰে সকলোৱে দৃষ্টি নিক্ষেপ কৰিছে। কেন্দ্ৰৰ পৰিৱৰ্তিত ৰাজনীতি তথা ৰাষ্ট্ৰীয় মৰ্চাৰ লগত জোঁট বন্ধাটো 'ৰাজীৱ হটাও' কাৰ্যৰ বাবে অসমৰ ৰাইজে আদৰণী জনাইছে যদিও অসম গণ-পৰিষদ দল আৰু চৰকাৰৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে — প্ৰতিশ্ৰুতিমতে জাতীয় কৰ্তব্য আৰু দায়িত্ব পালন কৰাৰ ওপৰতহে।○

**সংযোজন ঃ**

*উক্ত লেখাৰ ১০ মাহ পিছতেই অসম গণ-পৰিষদ চৰকাৰ ভঙ্গ হয়। ক্ষমতাৰ অপব্যৱহাৰ কৰি ৰাইজৰ স্বাৰ্থক পিঠি দি স্বজন-তোষণ, ন্যস্তস্বাৰ্থত মতলীয়া হৈ উদৰ পূৰণ কৰাৰ ফল পালে। এই শিকনি সকলোৱে ক্ষেত্ৰত ঘটি আছে আৰু থাকিবই। ৩/১২/২০০৯*

○অগ্ৰদূত ঃ ৭ মাৰ্চ ১৯৯০

# অসম মাধ্যমিক শিক্ষান্ত পৰীক্ষা আৰু মূল্যাঙ্কন-বিভ্ৰাট

উচ্চ মাধ্যমিক (বিদ্যালয়) শিক্ষান্ত পৰীক্ষাৰ (১৯৯২) অসমীয়া বিষয়ৰ প্ৰথম প্ৰশ্ন কাকতখন লিৰিকি-বিদাৰি পৰীক্ষা কেন্দ্ৰৰ কামত ৰত চাৰি গৰাকীমান শিক্ষকে কাৰ্যালয়ত বহি আলোচনা কৰি থাকোঁতে এগৰাকীয়ে 'উত্তম' শব্দৰ বিপৰীত অৰ্থ বুজোৱা শব্দ 'নৰম' বুলি ক'লে। একে কোঠাতে অলপ দূৰত চকীত বহি থকা এখন শিক্ষানুষ্ঠানৰ প্ৰধান গৰাকীয়ে তপৰাই মাত লগালে 'মধ্যম' বুলি। মনতে হায় অসমীয়া ভাষা, হায় শিক্ষা বুলি ভাৰি তেওঁলোকৰ দৃঢ়তা জুখিবলৈ লাহেকৈ বিপৰীত শব্দ 'নীচ' বুলি ক'লো। আচৰিত কথা, লগে লগে সকলোটিয়ে হয়ভৰ দিলে। ইমানতেই শব্দটিৰ উত্তৰৰ সমাপ্তি নঘটাই 'উত্তম' শব্দৰ বিপৰীত অৰ্থ বুজোৱা প্ৰকৃত শব্দ 'অধম'হে বুলি জনাই থলোঁ।

প্ৰশ্নকাকতখন আলোচনা কৰি থকা শিক্ষক কেইগৰাকীৰ দুগৰাকী হেনো সেই বিষয়ৰ পৰীক্ষকো। প্ৰশ্নৰ উত্তৰ বিচাৰি শিক্ষক-পৰীক্ষকৰ এনে দুৰৱস্থা হ'লে পৰীক্ষাৰ্থীৰ উত্তৰ-বহীৰ ক্ষেত্ৰত কি অথন্তৰ ঘটিব তাক কোৱাটো নিষ্প্ৰয়োজন।

অসমীয়া দ্বিতীয় প্ৰশ্নকাকতত অহা 'জটিল' শব্দৰ বিপৰীত অৰ্থ বুজোৱা শব্দ পৰীক্ষাৰ্থীয়ে 'সহজ' বা 'উজু' বুলি লিখা উত্তৰ অনেক পৰীক্ষকে কাটি পেলোৱাটো মন কৰিবলগীয়া। কেইগৰাকীমানৰ লগত আলোচনা কৰি কিয় এনে ঘটিছে জানিব বিচৰাত অসম মাধ্যমিক শিক্ষা-পৰিষদৰ নিৰ্দেশাৱলীত 'জটিল'ৰ বিপৰীত অৰ্থ বুজোৱা শব্দ 'জটিল' থকাৰ কথা উনুকিয়ালে। নিৰ্দেশাৱলীত কিবা কাৰণত ভুল থাকিল বুলিয়েই সেই ভুলকে মানি লৈ পৰীক্ষাৰ্থীৰ শুদ্ধ উত্তৰ অশুদ্ধ বুলি চিহ্নিত কৰাটো পৰীক্ষাৰ্থীৰ প্ৰতি দুৰ্ঘোৰ অন্যায় কৰা হৈছে। পৰিষদে সংশ্লিষ্ট বিষয়ৰ অভিজ্ঞ শিক্ষকক নিশ্চয় উত্তৰ-বহী পৰীক্ষা কৰিবলৈ দিয়ে। কিবা ভুল বা আসোঁৱাহ থাকিলে শিক্ষা -পৰিষদক জনাই শুদ্ধ উত্তৰত নম্বৰ দিয়াটো সমুচিত। শিক্ষা-পৰিষদে এনে ভুল বা আঁসোৱাহ যাতে নঘটে তাৰ প্ৰতি বিশেষ সতৰ্কতা অৱলম্বন



কৰাটো নিত্যান্তই প্ৰয়োজন।

অসমীয়া প্ৰথম প্ৰশ্ন কাকতৰ গ-বিভাগৰ (ব্যাকৰণ ঃ মূল্যাংক-২০) নিৰ্দেশাৱলীত কেইবাটাও আঁসোৱাহ চকুত পৰা বিধৰ–যাৰ ফলত ভাল ভাল ছাত্ৰ-ছাত্ৰী বা পৰীক্ষাৰ্থী পৰীক্ষাৰ বলি হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত ১০ নম্বৰ প্ৰশ্নৰ (ঘ) নত্ব আৰু ষত্ব বিধিৰ সম্পৰ্কত দিয়া কাৰণসমূহ বিশেষ উল্লেখযোগ্য। উদাহৰণ স্বৰূপে 'পৰিণাম'— নিৰ্দেশাৱলীত দিয়া হৈছে ঋ, ৰ, ষ, ৰ পাছত থকা 'ন', 'ণ' হয়। ব্যাকৰণৰ বিধিমতে প্ৰ, পৰি আৰু নিৰ্ উপসৰ্গৰ পিছত থকা নম্, নী আৰু নু আদি ধাতুৰ 'ন', 'ণ' হয়। 'প্ৰতিষ্ঠা'-নিৰ্দেশাৱলীত 'ঠ-কাৰান্ত উপসৰ্গ' বুলি আছে। ব্যাকৰণৰ মতে ই-কাৰান্ত বা ই অন্তত থকা উপসৰ্গৰ পিছত থকা 'স্থা' ধাতুৰ 'স' 'ষ' হৈছে। 'বিনষ্ট' নিৰ্দেশাৱলীত আছে 'ট'ৰ লগত যুক্ত হোৱা বাবে 'ষ'ৰ লগত 'ত' যোগ হ'লেহে 'ষ্ট' হয়, যেনে - আকৃষ + ত = আকৃষ্ট। 'বিনষ্ট'ত জানো এই সূত্ৰ খাটিব ? 'বি' উপসৰ্গ নশ্'-ধাতু (=ক্ত)ত বিনষ্ট হৈছে। ইত্যাদি কেবাটাও নিৰ্দেশ আঁসোৱাহপূৰ্ণ হৈছে যেন বোধহয়। সেয়েহে ব্যাকৰণত থকা সূত্ৰমতে উত্তৰ কৰা পৰীক্ষাৰ্থীৰ উত্তৰ নিৰ্দেশাৱলীৰ মতে বহী চোৱা পৰীক্ষকে অশুদ্ধ বুলি কাটি দিছে। একেটা প্ৰশ্নৰ (ক) ত সন্ধি আহিছে 'দুশ্চিন্তা' আৰু 'যথোচিত'। নিৰ্দেশাৱলীত দিয়া হৈছে 'দুশ্চিন্ত' (আকাৰ নাই) আৰু যথাচিত (একাৰ নাই)। সেই প্ৰশ্নৰে নিৰ্দেশাৱলীত (খ)ত 'মগনিয়াৰ' আৰু (গ)ত 'ঘৰবাৰী' লোপ পাইছে।

দ্বিতীয় প্ৰশ্নকাকতৰ বাক্য ৰচনাৰ বাক্যৰ যি লীলা, নম্বৰৰো সেই একে লীলা। 'হাতলৰ' মানুহে কাম কৰিব নোৱাৰে। 'ডলাৰ বগৰি'খিনি ৰ'দত শুকাইছে। 'কপাল ফুটা' লোকজনক মই জানো। হলিৰামৰ বলদ নথকা বাবে গাই বাই চাইছে। ইত্যাদি বানান ভুলেৰে লিখি নাইবা অৰ্থ বুজি বাক্য ভুলকৈ সাজিও পৰীক্ষাৰ্থীয়ে কিছুমান পৰীক্ষকৰ পৰা নম্বৰ পাইছে, আনহাতে একেবাৰে অৰ্থপূৰ্ণ শুদ্ধ বাক্য ৰচনা কৰি ১০ নম্বৰৰ ভিতৰত ৪/৫ নম্বৰহে পোৱা দেখা গৈছে। ৰচনাৰ প্ৰশ্নত ১৫ নম্বৰ। 'মই ভালপোৱা এখন আধুনিক গ্ৰন্থ' বিষয়ক ৰচনাত, 'ৰামায়ণ' বা 'কীৰ্ত্তন' লিখি ৭/৮ নম্বৰ পোৱা দেখা গৈছে, আনহাতে 'কীৰ্তনৰ ৰস বিচাৰ' বা 'মৃত্যুঞ্জয়' লিখি ০ (শূণ্য) ২/৩ নম্বৰহে পৰীক্ষাৰ্থীয়ে পোৱাৰ দুৰ্ভাগ্য ঘটিছে। মূলভাৱ, ভাব বহলাই লিখা, সাৰাংশ লিখাত অনেক পৰীক্ষাৰ্থীয়ে মানদণ্ড মতে নম্বৰ পোৱা বুলি ভাবিব নোৱাৰি। সাহিত্য বিষয়ক উত্তৰতো মূল্যায়ণত তাৰতম্য নঘটাকৈ নাথাকে।

অসমীয়াৰ প্ৰথম প্ৰশ্নকাকতত ব্যাকৰণত ২০ নম্বৰ আৰু দ্বিতীয়

প্ৰশ্নকাকতত ব্যাকৰণ-ৰচনা জাতীয় (মূলভাৱ, সাৰাংশ আদি) প্ৰশ্নত ৪৫ নম্বৰ মুঠ ৬৫ নম্বৰ থাকে। ভাল ভাল ছাত্ৰ-ছাত্ৰীৰ উত্তৰ-বহীত উক্ত কাৰণবোৰৰ বাবে ইয়াৰ যথোচিত মূল্যাংকন হোৱা বুলি কবলৈ দ্বিধা জন্মে।

তাৰ উপৰি, মন কৰিবলগীয়া, উত্তৰ-বহী মূল্যাংকনৰ পিছত মুখ্য পৰীক্ষকৰ অধীনত সমীক্ষা (Scrutiny)ৰ কাম চলে। কিছুমান সমীক্ষকে মূল্যাংকনৰ সমীক্ষাতকৈ কিমান বহীত চহী কৰিব পাৰে তাৰেই হিচাপত ব্যস্ত থকা বুলি জনা যায়। আনহাতে কোনো মুখ্য পৰীক্ষক ২/৩ দিনৰ মূৰে মূৰে পৰীক্ষাৰ কাম তদাৰক কৰিবলৈ অহা বুলিও জনা যায়।

পৰীক্ষাৰ বহী মূল্যাংকনৰ ক্ষেত্ৰত থকা অমনোযোগিতা, অসাৱধানতা বা অজ্ঞতাৰ বাবে অনেক পৰীক্ষাৰ্থী প্ৰাপ্যৰ পৰা বঞ্চিত হোৱা কথা অনেকৰ মুখে মুখে। ইয়াৰ সত্যতা স্বীকাৰ কৰা হৈছে। উল্লেখযোগ্য যে অসম মাধ্যমিক শিক্ষা-পৰিষদে চূড়ান্ত পৰীক্ষাৰ ফল ঘোষণা কৰাৰ ৪ মাহ পিছত পুনৰ পৰীক্ষাত (Re-Examination) পৰীক্ষাৰ্থীয়ে সৰ্বোচ্চ স্থান অধিকাৰ কৰা ২০ জনৰ ভিতৰত অষ্টাদশ স্থান পাইছে। এগৰাকীয়ে ৬ষ্ঠ স্থানৰ পৰা ৫ম স্থানলৈ উন্নীত হৈছে। কেইগৰাকীমানে কোনো বিষয়ত লেটাৰ নম্বৰ পোৱাৰ, দ্বিতীয় বিভাগৰ পৰা প্ৰথম বিভাগ পোৱা আৰু অনুত্তীৰ্ণ হৈ থাকি উত্তীৰ্ণ হোৱা দেখা গৈছে। ইয়াৰ উপৰিও, পুনৰ পৰীক্ষাৰ অনেক একে বিভাগত থাকিলেও ৫০ নম্বৰ পৰ্যন্ত বেছি পোৱাৰ উদাহৰণ আছে। ইচ্ছা থাকিলেও অনেক পৰীক্ষাৰ্থীয়ে বিভিন্ন অসুবিধা বা কোনো কামত নাহিব বুলি পুনৰ পৰীক্ষাৰ বাবে আবেদন নকৰে। পৰীক্ষাৰ ফলাফলৰ আঁসোৱাহৰ বাবে ভৱিষ্যত বংশধৰ কিমানৰ ভৱিষ্যত জীৱন ধূলিস্যাৎ হৈ গৈছে তাক কোনে জানে ? পুনৰ পৰীক্ষাৰ সম্পৰ্কত অসম মাধ্যমিক শিক্ষা-পৰিষদে সমুচিত ব্যৱস্থা গ্ৰহণ কৰি পৰীক্ষাৰ্থীৰ প্ৰতি ন্যায় বিচাৰ কৰাটো উত্তম ব্যৱস্থা হৈছে। কিন্তু উত্তমোত্তম কথা হ'ব তেতিয়াহে যদিহে মূল্যাংকনৰ পৰীক্ষক, সমীক্ষক, মুখ্য পৰীক্ষক প্ৰভৃতিৰ কামখিনি নিয়াৰিকৈ কৰোৱাই এবাৰতেই উচিত বিচাৰৰে পৰীক্ষাৰ ফলাফল ঘোষণা কৰিব পাৰে।○

**সংযোজন**

*মূল্যাঙ্কন বিভ্ৰাট আৰু পৰীক্ষা সম্পৰ্কীয় বিভিন্ন বেমেজালি বা আসোঁৱাহ দূৰ হোৱাটো নায়েই, আনকি পৰীক্ষাৰ ফলাফল আজি পৰ্যন্ত সুস্থিৰ বা নিৰ্ভুল-নিয়াৰিকৈ কৰ্তৃপক্ষই প্ৰকাশ কৰিব পাৰিছে বুলিব পৰা হোৱা নাই। প্ৰতি বছৰে এনে ঘটনা ঘটিয়েই আছে। ৫।১২।২০০৯*

○দৈনিক অসম ঃ ৪ মে' ১৯৯৩

# কেন্দ্ৰৰ ঔপনিবেশিক শোষণৰ বাহন অসমত জৰাজীৰ্ণ ৰেলৰ কাহিনী

দুপৰীয়া বাৰ বজাত পাব লগা ৰেলগাড়ীখন পিছদিনা পুৱাবেলা চাৰে দহ বজাত আহি গুৱাহাটী পালেহি ৩৩৬২ কিলোমিটাৰ পাৰ হৈ দক্ষিণ ভাৰতৰ সুদূৰ কোচিনৰ পৰা। বৰ আচৰিত কাণ্ড। একেবাৰে অগ্ৰগতি মানে-চূড়ান্ত প্ৰগতিৰ পথতহে যেন ভাৰত ৰাষ্ট্ৰৰ অসম। কিন্তু শোষণ আৰু লুন্ঠনৰ থলী অসমক কেন্দ্ৰই এনেদৰে দুপৰীয়া বাৰ বজাৰ ঠাইত পুৱা চাৰে দহ বজালৈ আগবাঢ়িব দিবনে ? ই জানো সম্ভৱ ? দিল্লীৰ পাচোৱানসকলে অসমক পিছুৱাব এৰি আগুৱাব দিবনে ?

স্বাধীন ভাৰতৰ বয়স পঞ্চাশ বছৰ পূৰ্ণ হ'লহি, এইবাৰ উলহ-মালহেৰে চলি আছে সোণালী জয়ন্তী বৰ্ষ। পূৰ্বাঞ্চলৰ অসম ৰাজ্যখন স্বাধীন ভাৰতৰ অংগৰাজ্য হিচাপে ওলোমাই ৰখা হ'ল মাথোন কেন্দ্ৰৰ ঔপনিবেশিক শোষণৰ স্বাৰ্থত। সেইদিন ধৰি দিল্লীয়ে অসমৰ প্ৰাকৃতিক সম্পদ তেল, চাহ, কয়লা, কাঠ, মৰাপাট আদি লুন্ঠন কৰি অসমক শোষণ কৰি আছে আৰু লগতে অগণন অনা-অসমীয়া দেশী আৰু বিদেশীৰ অবাধ অনুপ্ৰবেশ ঘটাই অসমীয়াৰ অস্তিত্ব নিঃশেষ কৰাৰ ফান্দ পাতিলে।

স্বাধীন ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ কংগ্ৰেছ, জনতা, আঞ্চলিক দলৰ সংমিশ্ৰণৰ মৰ্চা—যিয়েই নহওক, মাথোন ৰাজনৈতিক স্বাৰ্থত অসমক ব্যৱহাৰ কৰি অৰ্থনৈতিক শোষণ কৰাত সিদ্ধহস্ত। দিল্লীলৈ যোৱা অসমৰ প্ৰতিনিধিয়ে সুখ-স্বাচ্ছন্দ্যত বিলাসী জীৱন কটাই সাধাৰণ ৰাইজ আৰু অসমৰ মহাসংকটৰ ছবি দাঙি ধৰাৰ দায়বদ্ধতাক পিঠি দি থাকে। অসমৰ প্ৰতিনিধিয়ে কেবিনেট আৰু ৰাজ্যিক মন্ত্ৰীৰ মৰ্যাদা পৰ্যন্ত লাভ কৰিও তথৈবচ। সুদীৰ্ঘ কালৰ ভিতৰত প্ৰয়াত হেম বৰুৱাৰ বাহিৰে অসমৰ জাতীয় স্বাৰ্থক লৈ দিল্লীৰ সদন কঁপাই তোলা দ্বিতীয় এজন এম-পিৰ নাম ৰাইজে ল'ব পাৰিছেনে ? অসমৰ প্ৰতিনিধিয়ে দিল্লীৰ স্বাদত পৰিতুষ্ট হৈ অসমৰ জাতীয় সমস্যাক আওকাণ

কৰি থাকে আৰু বহুতৰে হয়তো জাতীয় সমস্যা সম্পৰ্কে সম্যক উপলব্ধিও নাই। সেই অমনোযোগিতা আৰু অজ্ঞতাৰ বাবে সকলো ফালে কেন্দ্ৰীয় চৰকাৰ তথা অনা-অসমীয়াৰ অসমত লুট আৰু শোষণ।

অসমৰ ঔপনিবেশিক শাসন আৰু শোষণৰ অন্যতম আহিলা কেন্দ্ৰৰ ৰেলসেৱা। ঔপনিবেশিক শোষণৰ বাবে অতীতৰ ১৮৮১-৮২ চনতে ব্ৰিটিছ চৰকাৰে স্থাপন কৰা ৰেলসেৱা স্বাধীন ভাৰতত আজিও একে উদ্দেশ্যতে ব্যৱহাৰ হৈ আছে। অসম আৰু অসমীয়াৰ অগ্ৰগতি, প্ৰগতি, উন্নতি বা স্বাৰ্থৰ কাৰণে জানো উত্তৰ-পূৰ সীমান্ত ৰেলসেৱা ? অৱশ্যে তুলসীৰ লগত কলপটুৱাৰো মুক্তিৰ লেখীয়া অৱস্থা হোৱাটো স্বাভাৱিক। ভাৰতৰ উত্তৰ, দক্ষিণ, পূব, পশ্চিম সকলো দিশলৈ ৰেলপথ সম্প্ৰসাৰিত হৈছে। ৰেলযাত্ৰীসকলৰ অবিদিত নহয় যে আজিৰ প্ৰগতিৰ যুগতো অসমৰ লগত যাতায়ত থকা ৰেলগাড়ীৰ ইঞ্জিন, ডবা অতি প্ৰাচীন, ভগা-ছিগ ; তাতে আকৌ মেৰামতি নকৰা। ডবাৰ খিৰিকী-দুৱাৰ, গ্লাছ আদি ভগা-ছিগা, জৰাজীৰ্ণ, ইটো ডবাৰ লগত সিটোৰ সংযোগ পথৰ (ভেষ্টিবিউল) লোহা মামৰে খাই ভগা চালনী যেন কৰিছে। পায়খানাৰ কি যে দুৰৱস্থা — তাতে আকৌ ১০০০/১৫০০ যাত্ৰী কঢ়িওৱা ৰেলত পানীৰ হাহাঁকাৰ। অন্ঠ-কন্ঠ শুকাই যাত্ৰীৰ নাজল-নাস্থল অৱস্থা। সবাতোকৈ আচৰিত কথা, ডবাৰ ভিতৰত সাধাৰণ বৰষুণত ওপৰৰ চালৰ পৰা আৰু ভগা খিৰিকীয়েদি পানী সোমাই বানপানীৰ সৃষ্টি কৰি যাত্ৰীৰ বিলৈ-বিপত্তি কুলাই-পাচিয়ে নধৰা কৰাটো। ৰেলৰ গতি লেহেম বাবে যাত্ৰীয়ে অতিষ্ঠ হৈ ৰেলগাড়ীক ঠেলাগাড়ী বা গৰুগাড়ীৰ লগত ৰিজায়। ডবাৰ ভিতৰত পানী পৰা সুৰুঙা বন্ধ কৰিবলৈ যাত্ৰীয়ে নানা কৌশল আৰু শ্ৰম কৰে। অসমৰ প্ৰায় যাত্ৰীয়ে ৰেলৰ দুৰ্যোগ-দুৰ্গতিৰ কথা প্ৰায় একেদৰে কৈ আছে। কোনোখন ৰেল কৰ্তৃপক্ষৰ সময়-সূচীমতে গন্তব্য-স্থল পায়হি বুলি কোনোৱে নকয়। 'কম্পিউটাৰ'ৰ যুগত অসমৰ ক্ষেত্ৰত ৰেলৰ গতিশীলতা স্তব্ধ, বৰং পিছপৰি যোৱাৰ অৱস্থাহে। হাজাৰ হাজাৰ কিলোমিটাৰ দূৰত্বৰ ভগা-ছিগা ডবাৰ ঘটলং-মটলংকৈ শামুকীয়া গতিত যোৱা ৰেলত এনেয়ে যাত্ৰীৰ দুৰ্দশাৰ সীমা নাই, তাতে আকৌ সময়-সূচীতকৈ ১২-২২ ঘন্টা পৰ্যন্ত পলম হোৱাৰ নিত্য-নৈমিত্তিক ঘটনাই যাত্ৰীৰ কি অথন্তৰ ঘটায় তাক কোৱাৰ প্ৰয়োজন নাই। বিশেষকৈ সুদূৰৰ (২৫০০-৪০০০ কিলোমিটাৰ দূৰত্বৰ) বাংগালোৰ-কোচিন-ত্ৰিবান্দম বা দিল্লীৰ পৰা



অহা-যোৱা কৰা যাত্ৰীয়ে এনে অনিয়মীয়া অস্বাস্থ্যকৰ পৰিবেশৰ ৰেলত যি জীয়াতু ভুগিব লাগে সি অবৰ্ণনীয়।

লেখনিৰ আৰম্ভণিতে উল্লেখ কৰা ৰেলগাড়ীৰ নং ৬৩১৩ কোচিন-গুৱাহাটী এক্সপ্ৰেছ। কৰ্তৃপক্ষৰ সময়-সূচীমতে গাড়ীখন গুৱাহাটী আহি পাব লাগে ১১ তাৰিখে দুপৰীয়া ১২ বজাত; কিন্তু গুৱাহাটী পালে পিছদিনা ১২ তাৰিখে আগবেলা ১০-৩০ বজাত। অৰ্থাৎ চাৰে ২২ ঘন্টা পলমকৈ। ইমান বেছি লেহেমীয়া বাবে ৰেলখনে যাত্ৰীসকলক বিৰক্ত কৰাৰ লগতে উলুবেৰীয়া নামৰ ষ্টেচনৰ পৰা কেইবাৰমান চকা ঘূৰি আহিয়েই ৰ'ল যে ৰ'লেই আৰু। এঘন্টা-দুঘন্টা নহয় – একেবাৰে পাঁচ ঘন্টাৰ ওপৰ ঘোপমৰা অন্ধকাৰত। কি বিৰক্তিকৰ অৱস্থা। তাতে আকৌ ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহনহে। কিনকিনীয়া বৰষুণ। কিছুসময় পিছতে ডবাৰ চালৰ ফুটাইদি ধাৰাসাৰে পানী পৰি যাত্ৰীৰ বিলৈ কুলাই-পাচিয়ে নধৰা কৰাৰ উপৰিও বয়-বস্তুৰ আলাই-আথানি কৰি পেলালে। প্ৰায়বোৰ ডবাৰ একে গতি। ডবাৰ খিৰিকি ভগা, গ্লাছ নথকা। অলপ বৰষুণতে চিটিকনিয়ে যাত্ৰী আৰু মালবস্তু তিয়ায়। ডবাৰ আসন চুটি, ভৰি মেলি পোন হৈ শুব নোৱাৰি। অসমত ভুল চিকিৎসাৰ বলি হৈ মাদ্ৰাজৰ এপ'লো, ভেলোৰ আদিলৈ গৈ অস্ত্ৰোপচাৰ কৰি ঘূৰি অহা অসংখ্য ৰোগী-যাত্ৰীয়ে দুঃসহ যন্ত্ৰণাত ছটফটাই চকুপানী টোকা দৃশ্য অতি কাৰুণ্যপূৰ্ণ।

ৰেলখন আহি পাব লাগে ৰাতিপুৱা, কিন্তু পালেহি সন্ধিয়া ছয়মান বজাত আলিপুৰদুৱাৰ। কোকৰাঝাৰৰ বোমা বিস্ফোৰণৰ পিছত অসমত ৰাতি ৰেল চলাচল বন্ধ কৰি দিয়া হৈছে। সেয়ে যাত্ৰীসকলে মূৰে-কপালে হাত চপৰিয়ালে। এঘন্টামানৰ পিছত অসমৰ পিনে ৰেল আগবাঢ়িল। কোনোবা সময়ত ৰেলখনৰ ইঞ্জিনটো অদৃশ্য হৈ গৈ আন এখন ৰেলৰ ইঞ্জিন টনা কামৰ কথা এন্ধাৰতে গম পোৱা গৈছিল। সি যি কি নহওক, ৰেলখন অসমৰ পিনে আগবাঢ়িল। আগবঢ়াটোৱে ৰেলৰ ধৰ্ম। পিছে কি হ'ব., অসম সীমান্তৰ কোনো ঠাইত ৰেল হুইছেল মাৰি পিছুৱাই যাবলৈ ধৰিলে। যাত্ৰীয়ে উস-আস্ কৰাৰ বাহিৰে গত্যন্তৰ নাছিল। কি টোগ্‌লকী কাৰবাৰ ! গোটেই নিশাটো ওচৰত কোনো বজাৰ-সমাৰ নথকা সৰু ষ্টেচনটোতে হাজাৰ-দুহাজাৰ যাত্ৰীয়ে ভগৱন্তৰ ওচৰত নিজক সমৰ্পণ কৰি ৰাতিটো পাৰ হোৱাৰ কামনাৰে কটালে। এই দৰে নানা আলৈ-আহুকালৰ মাজেদি জীয়াতু ভোগ কৰি চাৰে ২২ ঘন্টা পলমকৈ পিছদিনা পাছোৱানী ৰেল আহি গুৱাহাটী পাই যাত্ৰী

আৰু যাত্ৰীসকলৰ বাবে আগদিনা দুপৰীয়াৰ পৰা অপেক্ষা কৰি থকাসকলৰ দুৰ্যোগ, দুশ্চিন্তাৰ লাঘৱ ঘটাইছিল।

এয়া কেন্দ্ৰৰ অসম শোষণৰ এবিধ আহিলাৰ চিৰন্তন জীৱন কাহিনী, স্বাধীনতাৰ পঞ্চাশ বছৰ পূৰ্তিৰ দেশীয় ঔপনিবেশিক শোষণৰ নিৰ্মম ইতিহাস। অসমৰ লোকসভাৰ সাংসদ ৰাইজৰ প্ৰতিনিধি। ৰাইজে নিৰ্বাচন কৰি দিল্লীলৈ প্ৰতিনিধিত্ব কৰিবলৈ পঠায়। এইসকলে আকাশ-মাৰ্গেৰে উৰা মাৰে। গতিকে ৰেলৰ যাতায়তত জনসাধাৰণৰ অপৰিসীম দুৰ্গতি বা আলাই-আথানিৰ কথা ভবাৰ তেওঁলোকৰ অৱকাশ নাই। অসমৰ জনসাধাৰণে কিন্তু প্ৰতিনিধি নিৰ্বাচনৰ সময়ত অসমৰ জাতীয় উন্নতি, প্ৰগতিৰ ক্ষেত্ৰত সাংসদৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা নাযায়। ৰাইজৰ প্ৰতিনিধি নিৰ্বাচনৰ বেলিকা অসমৰ প্ৰতিজন নাগৰিকে পোৱা-নোপোৱাৰ সম্যক বিচাৰ কৰি কেন্দ্ৰৰ শোষণ আৰু বঞ্চনাৰ বিৰুদ্ধে প্ৰতিবাদী ভূমিকা গ্ৰহণ কৰি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব লাগে। অসমৰ সম্পদ লুণ্ঠন তথা জাতীয়ত্বক কুঠাৰাঘাত কৰা ষড়যন্ত্ৰৰ প্ৰতি সচেতন হৈ অসমক ভয়াবহতাৰ গৰাহৰ পৰা ৰক্ষা কৰিবলৈ অসমৰ ৰাইজৰ প্ৰতিনিধি তথা সাংসদে অৰ্থাৎ ৰাইজে পতা ৰজা বুলি যেন পাহৰি নাযায়। ভাৰত ৰাষ্ট্ৰই অসমক কৰা শোষণৰ অৱসান ঘটাবলৈ অসমৰ সাংসদসকলে পদক্ষেপ গ্ৰহণ কৰিলেহে ৰাষ্ট্ৰযন্ত্ৰৰ চকু মেল খাব, অন্যথা সকলো ফুটুকাৰ ফেনহে হৈ ৰ'ব।○

**সংযোজন**

*উক্ত লেখা আমাৰ অভিজ্ঞতাৰ সঁচা কাহিনী। কেন্দ্ৰৰ ৰেলৰে বাজেটক অসমৰ প্ৰবঞ্চনা কৰা বিতৰ্কৰ আজি পৰ্যন্ত ওৰ পৰা নাই। ০৪।১২।২০০৯*

○সাদিন ঃ ৬ মাৰ্চ ১৯৯৮

# অসম সাহিত্য সভা ঃ যৎকিঞ্চিত

চিৰচেনেহী মোৰ ভাষা জননী মহামন্ত্ৰেৰে অসমত বসবাস কৰা অগণন জনতাক উদ্বুদ্ধ কৰা অসম সাহিত্য সভা অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান। অসমৰ জাতি-বৰ্ণ-ধৰ্ম-সম্প্ৰদায় নিৰ্বিশেষে সকলো লোকৰ সহায়-সহযোগ, উৎসাহ-উদ্দীপনা, সদিচ্ছাৰে অসম সাহিত্য সভা জাতীয় অনুষ্ঠান বুলি পৰিগণিত হৈছে। প্ৰাক্ ব্ৰিটিছ যুগৰ আহোম-কোচ-চুটীয়া আদি ৰাজ্যত ৰাজ্যভাষাৰ মৰ্যাদাত অধিষ্ঠিত অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতি, উৎকৰ্ষতা আৰু বিস্তৃতিয়ে 'স্বৰ্ণযুগ' ৰচনা কৰিছিল। 'Linguistic Survey of India' নামৰ গ্ৰন্থৰ ৰচক জৰ্জ আব্ৰাহাম গ্ৰিয়াৰ্ছনে "অসমীয়া সাহিত্য প্ৰধানত জাতীয় সাহিত্য। ই সদায় জাতীয় আছিল আৰু এতিয়াও জাতীয় সাহিত্য" — বুলি কৰা মন্তব্য বিশেষ গুৰুত্বপূৰ্ণ।

অতীতৰ পৰা অসমৰ মাটি-পানী-বায়ু সেৱন কৰি অসমক মনে-প্ৰাণে ভালপোৱা প্ৰতিজন অসমবাসী অসমীয়া এনে ঐতিহ্যপূৰ্ণ আৰু মৰ্যাদাসম্পন্ন অসমীয়া ভাষা-সাহিত্যৰ অধিকাৰী। ব্ৰিটিছ শাসনৰ কালত ১৮৩৬ খ্ৰীষ্টাব্দৰ পৰা ১৯৭২ খ্ৰীষ্টাব্দলৈ অসমৰ বিদ্যালয় আৰু চৰকাৰী কাৰ্যালয়ত অসমীয়া ভাষাৰ পৰিৱৰ্তে নানা ষড়যন্ত্ৰেৰে বঙলা ভাষা চলোৱা হৈছিল। আমেৰিকাৰ পৰা অহা খ্ৰীষ্টান ধৰ্ম প্ৰচাৰকৰ প্ৰতিবাদ আৰু অসমৰ জাতীয় পুৰুষ আনন্দৰাম ঢেকীয়ালফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা প্ৰভৃতিৰ অহোপুৰুষাৰ্থত ১৮৭৩ খ্ৰীষ্টাব্দৰ পৰা যেনিবা অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা হয়।

অসমীয়া ভাষা-সাহিত্যক ভৱিষ্যতলৈ বিপদমুক্ত কৰি ৰাখিবলৈ আৰু ভৱিষ্যতৰ সুৰক্ষা আৰু উন্নতিৰ বাবে কেইজনমান সচেতন শিক্ষিত ডেকাই কলিকতাত (বৰ্তমান কলকাতাত) ১৮৮৮ খ্ৰীষ্টাব্দৰ ২৫ আগষ্টত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' গঠন কৰে। এই সভাৰ বিস্তৃতি লাভৰ ফলত ১৯১৭ খ্ৰীষ্টাব্দত 'অসমীয়া সাহিত্য সন্মিলনী' বা 'অসম সাহিত্য সভা'ৰ

জন্ম হয়।

জন্মলগ্নৰে পৰা জাতীয় স্বাৰ্থত আত্মনিয়োগ কৰা বাবে অসম সাহিত্য সভা জনপ্ৰিয় অনুষ্ঠান হৈ পৰে। বিশেষকৈ বিদেশী শাসনত এবাৰ বিপৰ্যস্ত হৈ পুনৰ প্ৰতিষ্ঠিত হোৱাৰ পাছত ভৱিষ্যত কোনো শতকাব যাতে অসমীয়া ভাষাক সংকটত পেলাব নোৱাৰে তাৰ প্ৰতি সচেতন-সতৰ্ক হৈ থকাৰ বাবে অসম সাহিত্য সভাৰ মজিয়াই প্ৰশস্ত থলী বুলি অসমীয়া ৰাইজে গণ্য কৰিলে।

অসমৰ জাতীয় সমস্যা ভাষাভিত্তিক ৰাজ্য পুনৰ গঠন, ১৯৫১ খ্ৰীষ্টাব্দৰ যড়যন্ত্ৰমূলকৰ (লোক-গণনা) চেঞ্চাছ, ১৯৬০ খ্ৰীষ্টাব্দৰ ৰাজ্যভাষা আৰু ১৯৭২ খ্ৰীষ্টাব্দৰ মাধ্যম আন্দোলন, ১৯৭৯-৮৫ খ্ৰীষ্টাব্দৰ অস্তিত্ব ৰক্ষাৰ আন্দোলন আদিত অসম সাহিত্য সভাৰ ভূমিকা উল্লেখযোগ্য। অসম সাহিত্য সভা অসমৰ ঐতিহ্যপূৰ্ণ ভাষা-সাহিত্য-সংস্কৃতিৰ লগত অংগাঙ্গী সম্পৰ্ক থকা সকলো জনগোষ্ঠীৰ লোকৰ অনুষ্ঠান। সাহিত্য সভাৰ জন্মকথা, উদ্দেশ্য আৰু লক্ষ্য সম্পৰ্কে সভাপতিৰ অভিভাষণ কিছুমানৰ পৰা বুজিব পাৰি যে অসমৰ থলুৱা জনগোষ্ঠীক সামৰি বৃহত্তৰ অসমীয়া সমাজক লৈ অসমীয়া সাহিত্য সন্মিলনী বা অসম সাহিত্য সভা গঠন কৰা হৈছিল। সুদূৰ অতীতৰ পৰা অসমত বসবাস কৰি অহা থলুৱা জনগোষ্ঠীৰ ভাষাসমূহৰ সংমিশ্ৰণত আৰ্যমূলীয় অসমীয়া ভাষাই ৰূপ পৰিগ্ৰহ কৰিছে আৰু সেই ভাষাসমূহৰ সকলো জনগোষ্ঠীৰ লোকেই অসমৰ অসমীয়া।

অসম সাহিত্য সভাৰ সভাপতি হোমেন বৰগোহাঞিয়ে ১৪ জানুৱাৰীত গুৱাহাটীৰ পৰা প্ৰকাশিত এখন বাতৰি-কাকতত 'বিজনীত এদিন এৰাতি' শীৰ্ষক লেখাটিত বড়ো জনগোষ্ঠীক অসমীয়া জনগোষ্ঠীৰ পৰা সম্পূৰ্ণ বেলেগ কৰি দেখুৱাইছে। তিব্বত-বৰ্মী-বড়ো আদি জনগোষ্ঠী যদি অসমীয়া নহয়, অসমত ক'ৰ কোন অসমীয়া হ'ব বা অসমীয়া জনগোষ্ঠীৰ অন্তৰ্গতনো কোন হ'ব ? পূৰ্বে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অলংকৃত কৰা সীতানাথ ব্ৰহ্মচৌধুৰী, ৰূপনাথ ব্ৰহ্ম (বুৰঞ্জী অধিৱেশনৰ সভাপতি), বিষ্ণুপ্ৰসাদ ৰাভা (সংগীত শাখাৰ সভাপতি) প্ৰভৃতিক অসমীয়াৰ পৰা বেলেগাই দেখুওৱা অসমীয়া জনগোষ্ঠীৰ সংজ্ঞা কি হ'ব ? এয়া চিন্তনীয় বিষয়।

বিংশ শতাব্দীৰ দ্বিতীয়াৰ্ধৰ পৰা কিছুমান জনগোষ্ঠীয়ে ভাষা-সংস্কৃতিৰ স্বকীয়তা ৰক্ষা কৰিবলৈ নিজা নিজা সাহিত্য সভা গঠন কৰিছে। জনগোষ্ঠীয়



মাত-কথা, কৃষ্টি-সংস্কৃতিৰ পৰিচয় দাঙি ধৰি ৰাখিবলৈ সাহিত্য সভা গঠন কৰা বাবে তেওঁলোকক অসমীয়া সংজ্ঞাৰ পৰা নিলগাই দিয়াৰ যুক্তি নাই। জনগোষ্ঠী বড়ো-কছাৰী, ডিমাচা, কাৰ্বি, ৰাভা, দেউৰী, মিচিং, তিৱা, কোচ, আহোম, চুতীয়া আদিক লৈয়ে অসমৰ অসমীয়া। যিয়ে যিভাৱে স্বগোষ্ঠীৰ ভাষা- সাহিত্য-সংস্কৃতিৰ বিকাশ সাধনা নকৰক – সকলোৱেই মিলি অসমীয়া। প্ৰবল পৰাক্ৰমী শ্যাম-চীন গোষ্ঠীৰ অ-শ্যাম বা আহোমসকলৰ ৰাজত্বৰ ফলতেতো পূৰ্বৰে পৰা বহু জনগোষ্ঠীৰ বাসভূমি কেইবাখনো ৰাজ্য মিলি অসম ৰাজ্য হৈছে। সেই জনগোষ্ঠীসমূহেই অসমৰ অসমীয়া। কোনো জনগোষ্ঠীক বাদ দি অসমৰ অসমীয়া সংজ্ঞা নিৰ্ধাৰণ কৰিব নোৱাৰি।

স্থানীয় মাটিৰ গোন্ধ পাবৰ কাৰণে ঠাইৰ নামেৰে অনেক থলুৱা বা জাতীয় অনুষ্ঠান বা সংগঠন নামকৰণ কৰা হয়। 'অসমীয়া সাহিত্য সন্মিলনী'ক বহু চিন্তা-চৰ্চাৰ মাজেদি 'অসম সাহিত্য সভা' কৰা হৈছে নিশ্চয়। তেনেকৈ ঠাইৰ নামেৰে শাখা আৰু জিলাসমূহৰো নামকৰণ কৰা হৈছে। যেনে - নগাঁও, মৰিগাওঁ, কামৰূপ, শিৱসাগৰ আদি জিলা সাহিত্য সভা বা পৰিষদ; শৰাইঘাট, হাজো, ফুলনি, ৰহা আদি শাখা সাহিত্য সভাসমূহ। গতিকে অসম সাহিত্য সভাই অসমৰ বুকুত সংমিশ্ৰণ-সমন্বয়ৰ ফলত ঠন ধৰি উঠা অসমীয়া ভাষাৰ সাহিত্য সভাকে বুজাইছে। ইয়াৰ অৰ্থ ব্যাপক আৰু গভীৰ। তাৰ ঐতিহ্য-মৰ্যাদা ৰক্ষা কৰাটো জাতীয় কৰ্তব্য।

অসমীয়া জাতিৰ দুৰ্ভাগ্য যে কিছু বছৰ ধৰি অসম সাহিত্য সভাক ন্যস্ত-স্বাৰ্থ, দুৰ্নীতি, অৰিয়াঅৰি, ৰাজনীতিৰ পাকচক্ৰই গ্ৰাস কৰি পেলোৱাটো পৰিলক্ষিত হৈছে। ছহীদৰ তেজৰ বিনিময়ত পোৱা ৰাজ্যভাষা আৰু বিশ্ববিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ মৰ্যাদা বৰ্তাই ৰাখিবলৈ সাহিত্য সভাৰ দৃঢ়তাৰ অভাৱ। বিশেষকৈ, নগৰ-চহৰত কাঠফুলাৰ দৰে গজি উঠা শ-শ ইংৰাজী মাধ্যমৰ বিদ্যালয়, আনকি সিবোৰ অনেক গাঁৱলৈ সম্প্ৰসাৰিত হোৱা সত্বেও তাৰ প্ৰতি সাহিত্য সভাই কাণসাৰ দিয়া দেখা নাই। ইংৰাজী মাধ্যমৰ বিদ্যালয়েই যেতিয়া সৰহ সংখ্যক হ'ব, সাৰ পাই চকু মুদি শুই থাকোঁতেই অসমীয়া ভাষা-সাহিত্যৰ অধঃপতন অনিবাৰ্য।

সাহিত্য সভাই বিষয়ববীয়া নিৰ্বাচনৰ ক্ষেত্ৰত ক্ষমতালোভী ৰাজনৈতিক দল বা নেতাকো চেৰ পেলাইছে। 'গোষ্ঠী' বা 'লবী'ৰ প্ৰাধান্য গা-কৰি উঠাত সাহিত্য সভাৰ প্ৰতি অনেকৰ অনীহা, বিতৃষ্ণা। লক্ষীমপুৰ অধিৱেশনৰ

সভাপতি নিৰ্বাচনৰ ক্ষেত্ৰত 'লবী' আৰু ন্যস্ত-স্বাৰ্থৰ ৰাজনীতিৰ ভেঁকো-ভাওনাখন নিৰ্লজ্জতাৱে প্ৰকাশ পাইছে। বুদ্ধিজীৱী সাহিত্যিকৰ ভদ্ৰ সমাজে সভাপতি নিৰ্বাচনৰ 'পেনেল' বা তালিকা যুগুত কৰি চক্ৰান্তমূলকভাৱে ভাষা-সাহিত্যৰ উপযুক্ত সাধকক বিতৰ্কৰ মাজলৈ নি মনত আঘাত হনা কাৰ্য সমৰ্থনযোগ্য হ'ব নোৱাৰে। 'জ্ঞানপীঠ বঁটা'ৰে সন্মানিতা প্ৰগতিবাদী সাহিত্যিক মামণি ৰয়ছম গোস্বামীক অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচন কৰাটোত যদি সাংবিধানিক বাধাই আছিল, তেওঁৰ নামটো পাঁচজনীয়া তালিকাত সন্নিবিষ্ট কৰি হৈ-চৈ লগাই অসম সাহিত্য সভাৰ ভাৱমূৰ্ত্তি জনমানসত ম্লান কৰাৰ কি যুক্তি আছিল ? প্ৰধান সম্পাদক নিৰ্বাচনৰ ক্ষেত্ৰতো একে কুটিল ৰাজনীতি। ইয়াৰ উপৰি, কিছু বছৰৰ পৰা অসম সাহিত্য সভাৰ অধিৱেশনসমূহত ৰাজনৈতিক নেতাৰ হেতা-ওপৰা, কৰ্তৃত্ব বাৰুকৈয়ে দেখা গৈছে। এইবাৰতো ইয়াৰ প্ৰকোপ আৰু এখোপ চৰা। অধিৱেশনৰ থলীক লৈ লক্ষীমপুৰীয়া ৰাইজৰ দুটা শিবিৰ। দুয়ো শিবিৰৰ 'যুদ্ধং দেহি' মনোভাবত ৬/৭ কিলোমিটাৰ দূৰত্বৰ ব্যৱধানত গৰিয়াজান আৰু পেটুকাজান নামৰ দুই ঠাইতে দুটা লাইখুটা পোত খালে। সাহিত্য সভালৈ কেইদিনমান থকাৰ আগলৈ দুয়ো ফৈদৰ কোনো মোকামিলা নহৈ জেদবাদ, দুৰ্নীতিৰ বেহা, গোচৰ-বিচাৰতহে উভয় শিবিৰ ব্যস্ত থাকিল।

ন্যস্ত-স্বাৰ্থ, অৰিয়াঅৰি, হেতা-ওপৰা, ৰাজনৈতিক কুচক্ৰান্তৰ পৰা মুক্ত হৈ অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য তথা জাতীয়তা ৰক্ষা কৰাৰ বহল স্বাৰ্থত কাম কৰিবলৈ আগবাঢ়ি আহক— তাকে কামনা কৰিলোঁ।০

০খবৰ, ১২ ফেব্ৰুৱাৰী, ২০০৩

# জাতীয় উৎসৱ বিহুৰ সমস্যা

ইতিহাসে ঢুকি নোপোৱা আদিম কালত মানুহে পশু-পক্ষীৰ লগত প্ৰভেদ নোহোৱাকৈ পৰ্বতৰ গুহাত, গছৰ খোৰোঙত, হাবি-বননিত বসবাস কৰি জীৱন ধাৰণ কৰিছিল। কিন্তু পশুৰ মাজতে জীৱন নিৰ্বাহ কৰা মানুহে নিজৰ দেহটো ইটো-সিটো বিপদ বা দুৰ্যোগৰ পৰা ৰক্ষা কৰিবলৈ প্ৰকৃতি জগতখনৰ পৰা ৰক্ষা উপচাৰ বিচাৰি লৈ ঘৰ সাজি নিৰাপদে থাকিবলৈ ললে, কেঁচা ফলমূল মঙহ আদি সিদ্ধ কৰি জিভাৰ স্বাদ লগাই খাবলৈ ধৰিলে, শৰীৰৰ অংগ-প্ৰত্যংগ ঢাকিবলৈ তথা লজ্জা নিবাৰণ কৰিবলৈ আভৰণ পিন্ধাৰ ব্যৱস্থা কৰিলে। মনৰ উৎকৰ্ষ সাধন হ'ল, নতুন নতুন সৃষ্টিৰ হাবিয়াস বাঢ়িল, কৃষ্টিৰ সৃষ্টি হ'ল। চকুত সৌন্দৰ্যৰ কাজল পিন্ধি জন্ম গ্ৰহণ কৰা মানুহে যেনেকৈ শস্যৰ গুটিৰ পৰা নানা বিধ খাদ্য উপকৰণৰ ব্যৱস্থা কৰিলে, ঠিক তেনেকৈয়ে গুটি দিয়া শস্যৰ গছৰ ডালে-পাতে ৰিব্ ৰিব্ বতাহত হালি-জালি নৃত্য কৰা শস্য পকি পথাৰ সোণোৱালী হৈ পথাৰ উপচি পৰা দৃশ্য, সেই গছ-গছনি বা শস্যৰ মাজত নানা বৰ্ণৰ বিহংগমে উলাহত আপোন পাহৰা হৈ গীত গাই গাই নাচি ফুৰা দৃশ্য চাই আনন্দত মতলীয়া হ'ল। কিযে আচৰিত — যি গছৰ পৰা মানুহে ফল-মূল খায়, যি গছ শুকাই খৰি কৰি জুই জ্বলায়, যি গছেৰে থাকিবলৈ ঘৰ সজায়, সেই গছৰ ফুল-পাতৰ সৌন্দৰ্যত আপ্লুতও হয়।

মনৰ উৎকৰ্ষতা তথা সৌন্দৰ্য স্পৃহাৰ বাবে মানুহে সুন্দৰ সৃষ্টিৰ সকলোৰে ওপৰত অধিকাৰ সাব্যস্ত কৰিব পাৰিছে। মানুহৰ নতুন সৃষ্টিৰ হাবিয়াসত, সৌন্দৰ্য্য প্ৰয়োগৰ প্ৰয়াসত উদ্ভৱ হ'ল কৃষ্টিৰ। প্ৰকৃততে মনৰ কলুষ-কালিমা আঁতৰাই সকলোকে সুন্দৰ ৰূপত চোৱাৰ ক্ষমতা লাভ কৰিব পাৰিলেই সংস্কৃতিৰ পূৰ্ণ বিকাশ ঘটে আৰু তাতেই মানৱ জীৱনৰ পৰম আনন্দ লাভ হয়। কৃষ্টি-সংস্কৃতি জাতিৰ প্ৰাণস্বৰূপ। কলা-সংস্কৃতি বিপন্ন হ'লে জাতীয়তাও বিপন্ন হয়। সংস্কৃতিসম্পন্ন জাতি যুগে যুগে অমৰ। তাৰ কাৰণে প্ৰতিজন লোকে জাতীয় সংস্কৃতি অন্তৰেৰে উপলব্ধি কৰিব লাগিব।

ভাৰতৰ পূৰ্বাঞ্চল অসমৰ জনগোষ্ঠী কৃষিজীৱী। এই অঞ্চলৰ

জনগোষ্ঠীয়ে আদিম কালতে জীৱন ধাৰণৰ কঠোৰ কৰ্তব্যৰ মাজত মানসিক আনন্দ লাভ কৰিবলৈ ঋতুৰ লগত সম্পৰ্ক ৰাখি আনন্দ উৎসৱৰ আয়োজন কৰিলে। নৈসৰ্গিক বা প্ৰাকৃতিক শোভাৰে পৰিপূৰ্ণ অঞ্চলত কৃষিজীৱী জনসাধাৰণে পালন কৰা উৎসৱ যে প্ৰকৃতিমুখী হ'ব তাক সহজে অনুমান কৰিব পাৰি। আদিম মানৱৰ বুদ্ধি-বৃত্তি-সংস্কাৰৰ সুপ্ৰয়াসৰ ফলত প্ৰকৃতি-ৰাণীৰ অৱদানেৰে জন্ম পালে ঋতু বা প্ৰকৃতি উৎসৱ। অসমৰ জনগোষ্ঠীৰ সংস্কৃতিৰ জন্মৰ লগত সৃষ্টি হোৱা ঋতু উৎসৱ বিহু অসমৰ জাতীয় উৎসৱ। বসন্ত কালত অসমৰ চাৰিওফালে প্ৰাকৃতিক সৌন্দৰ্যৰ মহামেল– যেন এখন উলাহৰ বৰমেলাহে। হাবি-বননিৰ সতেজ নৱৰূপ, ফুলনিৰ নানা ফুলৰ ঘ্ৰাণ, কোকিলৰ সুমধুৰ সংগীত, নীলিম গগণৰ অপৰূপ শোভা, মলয়াৰ ৰিব্ ৰিব্ বা আদি সৌন্দৰ্যৰ আকৰ স্বৰূপ হৈ পৰে। মানৱ, পশুপক্ষী, জীৱ-জন্তু সকলো মহানন্দত বিভোৰ হৈ পৰে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যত মানৱ হৃদয় অধীৰ হৈ পৰে, অন্তৰত এক নতুন আনন্দৰ জ্যোতি বিৰিঙি উঠে। সেই আনন্দৰ জ্যোতিৰে মানবৰ মন, মানৱ সমাজ সুন্দৰ হৈ পৰে। আত্মাই আত্মাক বিচাৰে, চিনিব আৰু বুজিব পৰা হয়।

স্বতঃস্ফূৰ্ত আনন্দ-ধেমালি, ৰং-ৰহইচ, স্বাধীন জাতিৰ প্ৰাণ-স্পন্দনৰ পৰিচায়ক জাতীয় উৎসৱ বিহুৱে আজি মোট সলাইছে। সেউজ জগতত উদ্ভৱ হোৱা বিহু বিজ্ঞানৰ প্ৰগতিৰ লগে লগে পৰিবৰ্তনৰ সোঁতত গতি কৰিছে। আজিৰ যুগ বৈজ্ঞানিক যুগ, আধুনিক যুগ। আধুনিক-আধুনিকাই যন্ত্ৰ-চালিত উৰা জাহাজ, ৰেল-মটৰত ঘূৰি ফুৰে ; বিজুলী-চাকি, বিজুলী-বিছনী লগোৱা অট্টালিকাত আহাৰ নিদ্ৰা-মৈথুন কৰে ; প্ৰেক্ষাগৃহত চিনেমা-থিয়েটাৰ চায়, মেল-মিটিং কৰে। তাতে আকৌ বিজতৰীয়া বা পাশ্চাত্য লাহ-বিলাসৰ প্ৰতি মোহাচ্ছন্ন। স্বকীয় সংস্কৃতি বিমুখ লোকে জংঘলী বা বন্য-জীৱনক উপলুঙা কৰে। এই কথা ঠিক, বন্য জীৱনক উপলুঙা কৰিলেও বনতেই মানৱ প্ৰেমৰ দেহজ আৰু আত্মজ উপলব্ধি হৈছিল তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। বন্য-জীৱনক আশ্ৰয় কৰি গঢ় লোৱা আনন্দমুখৰ উৎসৱ-অনুষ্ঠানক আজিৰ সুসভ্য সমাজে চেষ্টা কৰিও এৰাই চলিব পৰা নাই। বৰ্ত্তমান ইবোৰ জ্বৰে এৰিলেও কৰ্পটিয়ে নেৰাৰ লেখীয়া হৈছে। জাতীয় সংস্কৃতিৰ প্ৰতি আন্তৰিকতা থাককে বা নাথাককেই, আজিৰ নগৰীয়া সুসভ্য লোকে অন্ততঃ 'বিহু সম্ৰাজ্ঞী', 'বিহু–কুৱঁৰী'ৰে বিহু-সংস্কৃতি কৰি চহা লোকক চমক খুৱাই সান্ত্বনা লভা দেখা গৈছে। যিয়েই যিভাৱে নকৰক– এই কথা নদি কব পাৰি যে জনসাধাৰণৰ দৰিদ্ৰতা, মাতালৰ মাতালামী নাইবা শাসক-গোষ্ঠীৰ কামান-বন্দুকৰ গুলীয়েও জাতীয় অনুষ্ঠানৰ খুটি লৰাবলৈ অপৰাগ।



সেই বাবেই কোন কাহানিবাই ঋতু বিশেষে প্ৰকৃতি জগতৰ লগত সম্পৰ্ক ৰাখি আয়োজন কৰা চহা অনাখৰী জনসাধাৰণৰ উৎসৱ-পৰ্ববোৰ সভ্য সমাজত আজিও বৰ্তি থকা দেখা গৈছে। চহা জনসাধাৰণে বৰ্ত্তমানেও বিহুৰ স্বাভাবিকতা ৰক্ষা কৰিবলৈ কঠোৰ চেষ্টা কৰিছে। কিন্তু আজি গাঁৱৰ কৃষকৰ অৱস্থা অতি শোচনীয়। ঋতুৱে বিহুৰ সময়ত সুখ-স্বাচ্ছন্দ্যৰ বাবে যি কেইপদ সম্পদ আনি দিব লাগে, আজিৰ বিজ্ঞানৰ যুগত কৃষকে তাক হেৰুৱাই পেলাইছে। কোনোৱে জীয়াই থাকিবলৈ বা পুতেকক পঢ়ুৱাবলৈ, চাকৰিত সুমুৱাবলৈ মহাজনক মাটিখিনি বন্ধকী দি বা বিক্ৰী কৰি, কোনোৱে বানপানীৰ কবলত পৰি বাণ-নিয়ন্ত্ৰণত খেতি কৰা মাটিখিনি হেৰুৱাই চৰকাৰৰ পৰা ক্ষতিপূৰণ তথা আন উপায় লাভ কৰিব নোৱাৰি অৰ্থনৈতিকভাৱে সৰ্বহাৰা হৈ অনাহাৰে-অনিদ্ৰাই মৃত্যুৰ ক্ষণ গণিবলৈ বাধ্য হৈছে। এনেদৰে সমস্যাত জৰ্জৰিত হৈ বিহুৰ স্বাভাৱিকতা ৰক্ষা কৰাটো কেতিয়াও সম্ভৱ হ'ব নোৱাৰে।

সামগ্ৰিকভাৱে অসমৰ জাতীয় উৎসৱ বিপন্ন হোৱাৰ উপক্ৰম হৈছে। বিশেষকৈ, জাতীয় অস্তিত্বক লৈ অসমীয়াই সংগ্ৰাম কৰি অগণন লোকক জাতীয় ছহীদ বৰণ কৰিবলগীয়া হৈছে আৰু বিকলাংগ কৰিব লগা হৈছে। অসমক কেন্দ্ৰৰ ঔপনিবেশিক শাসন-শোষণৰ পৰা মুক্ত কৰিব নোৱাৰা বাবে আৰু ব্যৱসায়িক শ্ৰেণীয়ে অৰ্থনৈতিক শোষণ ইচ্ছানুযায়ী কৰি থকাৰ বাবে থলুৱা জনগোষ্ঠী সকলো দিশত বিপৰ্যস্ত হৈ পৰিছে — যাৰ ফলত জাতীয় সংস্কৃতি ৰক্ষা কৰাটো এক ডাঙৰ সমস্যা ৰূপে দেখা দিছে। সংস্কৃতি আৰু অৰ্থনীতি এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। অৰ্থনীতি টোকোনা বা দুৰ্বল হ'লে সংস্কৃতি সবল বা স্বচ্ছল হৈ নাথাকে। কৃষি, ব্যৱসায়, শিল্প-উদ্যোগ আদিক আওকাণ কৰি পৰমুখাপেক্ষী হোৱা বাবে সকলো সম্ভাৱনাৰে ভৰপূৰ অসমৰ অৰ্থনীতিত অনা-অসমীয়া আৰু বিদেশীৰ লুন্ঠন পূৰ্ণদমে চলি আছে। দুৰ্নীতি-দুষ্কৃতিয়ে অসমৰ জাতীয় অৰ্থনীতি আৰু সংস্কৃতি লেৰেলা-চেপেটা কৰি অসমৰ জাতীয় অস্তিত্বকে গ্ৰাস কৰাৰ প্ৰচণ্ড ষড়যন্ত্ৰ, আক্ৰমণ চলা কথা নজনা আজি আৰু কোনোৱা আছে বুলি ক'ব নোৱাৰি। সেয়ে পৰিবৰ্তনৰ নামত বা আনৰ ৰংচঙীয়া সংস্কৃতিৰ প্ৰভাৱত বিকৃত হ'বলৈ নিদি অসমৰ বিহু তথা জাতীয় উৎসৱ-সংস্কৃতিৰ মৌলিক ৰূপটি জীৱন্ত কৰি ৰখাটো সকলোৱে জাতীয় দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত।○

---

○দৈনিক অসম ঃ ১৫ এপ্ৰিল, ১৯৯৯।

# আই অসমীৰ বিহু ঃ উৎকন্ঠা

সুদূৰৰ অতীতৰ পৰা অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মানুহে দেহধাৰণ আৰু মনৰ উৎকৰ্ষ সাধনেৰে জীৱনক বিকশিত কৰি তুলিবলৈ কৰা যত্ন-প্ৰচেষ্টাৰ ফলতে অসমীয়া সংস্কৃতি, অসমীয়া জাতীয়তাই গঢ় লয়। অসমৰ কৃষিজীৱী জনতাৰ সংস্কৃতি চহা জীৱনৰ সংস্কৃতি, গাঁৱলীয়া সংস্কৃতি। অসমৰ বুকুৰ নদ-নদী, জান-জুৰি, ফল-ফুল, গছ-গছনি, পথাৰ-সমাৰ, পৰ্বত-কন্দৰ, অসমৰ জলবায়ু — মাটি-পানী তথা প্ৰকৃতি জগতখনৰ বিভিন্ন উপাদানে অসমীয়া সংস্কৃতি বৰ্ণাঢ্য কৰি তুলিছে। অসমৰ এই সংস্কৃতিৰ লগতে জনসাধাৰণৰ অৰ্থনীতি, জাতীয় ঐক্য, সম্প্ৰীতি-সমন্বয়, উৎসৱ-পাৰ্বণ আদি সাঙোৰ খাই আছে। অসমৰ মাটিক জীৱনতকৈ ভাল পোৱা, অসমক অকৃত্ৰিমভাৱে আপোন কৰি লোৱা জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোকে অসমীয়া সংস্কৃতিয়ে আঁকোৱালি লৈছে।

'আই-অসমীয়ে সকলোকে আদৰে
নিবিচাৰি জাতি-কুল ॥ '

নানা জাতি- উপজাতিৰ মহামিলনৰ ফলত প্ৰাচীন যুগতে গঢ় লোৱা এই সংস্কৃতিয়ে অসমীয়াক এটা জাতি হিচাবে জীয়াই থকাৰ অধিকাৰ সাব্যস্ত কৰি থৈছে। সংস্কৃতিৰ চিন্তা-কৰ্ষণ, মূল্যাংকন আৰু সাংস্কৃতিক চেতনা-বোধ প্ৰতিজন অসমীয়াৰ কাৰ্যত, মনত, প্ৰাণত থাকিলেই অসমীয়া জাতি চিৰজাগ্ৰত হৈ থাকিব পাৰিব।

কিন্তু আজি অসমীয়া সংস্কৃতি জগতখনত কি ঘটিবলৈ ধৰিছে তাক ভালদৰে চিন্তা কৰি চোৱাৰ সময় হৈছে। সংস্কৃতিক নাকী লগাই যাৰ যেনি ইচ্ছা তেনি টানি লৈ যোৱাৰ প্ৰয়াস কৰা দেখা গৈছে। সাম্প্ৰতিক কালৰ ফোঁপোলা শিক্ষা-ব্যৱস্থামতে নিৰ্দিষ্ট বিষয়ৰ কিতাপ পঢ়ি উচ্চ ডিগ্ৰী লাভ কৰি সভ্য বুলি সমাজত স্থান দখল কৰা এচাম শিক্ষিত বা বুদ্ধিজীৱী জাতীয় সংস্কৃতিৰ প্ৰতি সম্পূৰ্ণ অনাসক্ত। জাতিৰ অস্তিত্ব বিপন্ন হোৱাৰ



গুৰিতেও এই কথাই প্ৰযোজ্য। অসমৰ ভাষা-সংস্কৃতি-অৰ্থনীতিক জীয়াই ৰাখিবলৈ মনে- প্ৰাণে অকৃত্ৰিমভাৱে চেষ্টা নকৰিলে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান হৈ পৰিছে। এই কথা নিৰ্ঘাত সত্য যে জাতীয় সংস্কৃতিৰ অৱক্ষয় ঘটিলে জাতিৰ অথন্তৰ ঘটে, জাতি জীয়াই থকাটো অসম্ভৱ হৈ পৰে।

অসমীয়া সংস্কৃতি বুলি ভাটৌৰ দৰে মুখেৰে গাই থাকিলেও সংস্কৃতি ৰক্ষা নপৰে। সংস্কৃতিৰ বিষয়ে সম্যক জ্ঞান লাভ আৰু সংস্কৃতিৰ সেৱাহে অসমীয়া সংস্কৃতি বা জাতীয়তা ৰক্ষাৰ মূল কথা। অতীজৰ পৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ চহা লোকে জীয়াই থাকিবলৈ কঠোৰ সংগ্ৰাম কৰাৰ মাজেৰে, বিভিন্ন ঋতু বা সময়ত পালন কৰা লোক-নৃত্য, লোক-গীত, উৎসৱ আদিৰে যি আনন্দ-বিলাস, মাদকতা আৰু সৌন্দৰ্য উপভোগ কৰিছিল, সেই বিষয়ে প্ৰাচীন অসমীয়া লোক-সংস্কৃতিৰ ইতিহাস সৰৱ। কিন্তু আজি নগৰমুখী কৃত্ৰিমতা, পাশ্চাত্য শিক্ষা-সংস্কৃতি তথা বিজতৰীয়া সংস্কৃতিৰ প্ৰভাৱত অসমীয়া সংস্কৃতি বিপৰ্যস্ত হৈ পৰা দেখা গৈছে। অসমীয়া ভাষাৰ প্ৰমোচন হৈ বাৰে-বঙলুৱা শব্দ প্ৰয়োগ, নৃত্য-গীতত আধুনিকতাৰ নামত বিজতৰীয়া ৰূপ বা ঠাঁচ, সাজপাৰ, আচাৰ-ব্যৱহাৰত পশ্চিমীয়া ঢং সৰ্বত্ৰতে বিৰাজ কৰিব ধৰিছে। জাতীয়তা বা স্বকীয়তা ৰক্ষা কৰি আনৰ কপৌ ফুল স্বৰূপ ভালটো গ্ৰহণ কৰাত আপত্তি নিশ্চয় নাই, কিন্তু ৰঘুমলাক গ্ৰহণ কৰি জাতীয়তা খৰ্ব কৰাটো সমীচীন হ'ব নোৱাৰে।

অসমৰ আন আন সংস্কৃতিৰ দুৰ্দশা বা বিপৰ্যয়ৰ কথা বাদেই বছৰেকত তিনি বাৰকৈ পালন কৰা জাতীয় উৎসৱ বিহু সংস্কৃতিৰেই দুৰ্দশাৰ সীমা নোহোৱা হৈ পৰিছে। যুগৰ পৰিৱৰ্ত্তনৰ নামত এশ এবুৰি সমস্যাই জুৰুলা কৰা গাঁৱৰ সাধাৰণ লোকৰ মনৰো মনৰ, প্ৰাণৰো প্ৰাণৰ, অতি আপোন-বিহুটি গাঁৱৰ পৰা নগৰলৈ, পথাৰৰ পৰা মঞ্চলৈ অনা হ'ল, লগে লগে বিহু উৎসৱৰ আনন্দ-উল্লাস, মানসিক পৰিতৃপ্তিৰ পৰা আন্তৰিকতাৰে বিহু মানি থকা সহজ-সৰল মনৰ সাধাৰণ লোক বঞ্চিত হ'ল। বিহু যিহেতু জাতীয় উৎসৱ ধনী-দুখীয়া, শিক্ষিত-অশিক্ষিত, সুখী-দুখী, দুৰ্নীতিগ্ৰস্ত-দুৰ্নীতিমুক্ত কোনোৱে ইয়াক পালন নকৰাকৈ নাথাকে। সেইবুলি জাতীয় উৎসৱ বিহুক বিকৃত কৰি তাৰ ঐতিহ্য, বৈশিষ্ট্যক অধোগতি বা ক্ষুণ্ন হ'বলৈ দিয়াটো অনুচিত হ'ব।

বৰ্তমান বিহু ধন-সংগ্ৰহ, ৰভা-মঞ্চ বিহু। নগৰসমূহৰ বিহুত শকত ধনৰ টোপোলা, গাড়ী আদি জকমকীয়া বস্তু উপহাৰ ঘোষণা কৰি বিহুকুঁৱৰীৰ পৰা বিহুসম্ৰাজ্ঞীলৈ প্ৰতিযোগিতা পতাৰ ধুম উঠিছে। মঞ্চ-বিহু আভিজাত্যৰ বিহু যেন হৈ পৰিছে। গছৰ তলে-তলে, নদীৰ পাৰে-পাৰে সামূহিকভাৱে বিহু নচা নাচনী-গাভৰু গাঁওবোৰত নিঃশেষ হৈ গৈ আছে। বৰ্তমান দামী দামী সাজ-পাৰ, আ-অলংকাৰ, প্ৰসাধন ব্যৱহাৰ কৰা মঞ্চত গাভৰুৰ বিহু নৃত্য দেখি সেই নৃত্যক লোক-সাংস্কৃতিক নৃত্য নুবুলি আধুনিক খিচিৰি নৃত্যহে বুলি অনেকে কয়। বিহু পতাৰ নামত যাত্ৰী যোৱা গাড়ী, স্কুটাৰ আদি ৰখাই একোটা দলে জোৰ-জুলুম চান্দা তোলাৰ দৰে দুষ্কৃতিও গঢ় লৈ উঠিছে। ডেকা ল'ৰাই লংপেন্ট-পায়জমা-কামিজ-ছাৰ্ট পিন্ধি মূৰত বা কঁকালত গামোচা মাৰি লৈ মেখেলা-চাদৰ পিন্ধা বিহু নাচনী গাভৰুৰৰ লগত হিন্দী চিনেমাৰ গীত-নৃত্যৰ প্ৰভাৱত বিহু গাই বিহু নৃত্য-গীতক অৱমাননা কৰা পৰিলক্ষিত হৈছে। ব'হাগৰ প্ৰথম দিনা কনিষ্ঠজনে জ্যেষ্ঠজনক সেৱা জনোৱা আৰু জ্যেষ্ঠজনে কনিষ্ঠজনক মৰম-আশিস দিয়া, পুৰুষসকলে ঘৰে ঘৰে গৈ হুঁচৰি গাই গৃহস্থক আশীৰ্বাদ দিয়া, বিহুৰ বতৰত শাৰীৰিক ব্যায়মৰ বিভিন্ন খেলসমূহৰ, জিভাক আস্বাদ দিয়া পিঠা-পনা, লাডু তৈয়াৰ কৰা আদি প্ৰথাসমূহ হ্ৰাস পোৱা দেখা গৈছে।

জাতীয় ঐতিহ্যক আওকাণ কৰিলে, সেই বিষয়ক চিন্তা-চৰ্চা নাথাকিলে অসমীয়া জাতীয় সংস্কৃতিৰ নিটোল ৰূপটি ৰোগাক্ৰান্ত হৈ কিম্ভুত-কিমাকাৰ ৰূপ ধাৰণ কৰি এদিন যে নিঃশেষ হৈ যাব তাক নিশ্চয়কৈ ক'ব পাৰি। প্ৰকৃতিক আদৰা গাঁৱৰ বিহু নগৰলৈ যাওঁক বা মঞ্চতেই উঠক ক'বলগীয়া নাই, কাৰণ ই যুগ-সাপেক্ষ কথা। মাথোন অসমীয়া সংস্কৃতি বিকৃত বা বিজতৰীয়া কৰি জাতীয়তাক যাতে বলিশাললৈ পঠোৱা নহয়, তাৰ প্ৰতি অসমৰ বিভিন্ন জনগোষ্ঠীৰ প্ৰতিজন লোক সজাগ-সচেতন হৈ থাকিলে অসমৰ জাতীয় সংস্কৃতি-সমন্বয় আৰু অৰ্থনীতি তথা অসমীয়া জাতি সুস্থ-সবল হৈ থাকিব পাৰিব বুলি নিঃসন্দেহে ক'ব পাৰি। ০

০আমাৰ নগাঁওঃ ৯-১৫ এপ্ৰিল-২০০৮

**॥ পৰিশিষ্ট - এক ॥**

# অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ নাথ গোস্বামীৰ লগত সাক্ষাৎকাৰ

প্ৰশ্ন ঃ অসমৰ ন্যায্য আন্দোলন বিপথে পৰিচালিত কৰিবলৈ চক্ৰান্ত কৰা সংখ্যালঘু চক্ৰটোৰ গুৰি ধৰোঁতা কোন ?

উত্তৰ ঃ এই প্ৰশ্নৰ উত্তৰ দিয়া অৱশ্যে টান। কিন্তু ইয়াৰ গতি-বিধি দেখি ধাৰণা হয় এটা ৰাজনৈতিক দল গুৰিতে আছে আৰু চৰকাৰেও ইয়াত বৰঙণি যোগাইছে।

প্ৰশ্ন ঃ সংখ্যালঘু চক্ৰই চলোৱা প্ৰতি-আন্দোলনে অসমৰ বিদেশী বহিষ্কৰণ আন্দোলন নিঃশেষ কৰি পেলাব পাৰিব বুলি আপুনি ভাবেনে ?

উত্তৰ ঃ মই এইটো কেতিয়াও নাভাবোঁ। কিয়নো এই প্ৰতি - আন্দোলনটোৱে এটা কথাই প্ৰমাণ কৰিলে যে আমাৰ ভিতৰত যদি অতীতত কিবা ভুল বুজাবুজি হৈছিল, সেইবিলাক দূৰ হৈছে। হিন্দু-মুছলমান সকলোৱে ওচৰ চাপি আহিছে, এতিয়া পৰস্পৰৰ মাজত বুজাবুজি ভাবটো বেচি হৈছে। গতিকে ৰাজনৈতিক দলবোৰে যি ষড়যন্ত্ৰৰ দ্বাৰা সাময়িকভাবে হয়তো এই সংখ্যালঘুসকলক আতঁৰাই নিছে ; কিন্তু তেওঁলোকে এদিন নিশ্চয় অনুতাপ কৰিব লাগিব আৰু আমিও নিশ্চয় আমাৰ আন্দোলনৰ শেষত জয়ী হ'মেই।

প্ৰশ্ন ঃ সংখ্যালঘু শব্দটোৰ ওপৰত কিয় ইমান গুৰুত্ব দিয়া হৈছে ?

উত্তৰ ঃ এইবিলাক হ'ল চৰকাৰী শব্দ। ৰাজনীতিৰ মেৰপাক ইয়াত আছে। সংখ্যালঘুৰ এতিয়া অসমত যিটো ঘটিছে — সংখ্যালঘু য'ত আছে, তাত সিবিলাক সংখ্যাগুৰুহে। প্ৰকৃততে একোটা একোটা অঞ্চলত দেখা যায় যে বঙলা ভাষীৰ লোকহে সৰহ, আনহাতে অসমীয়াৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা। এনেকুৱা দেখা গৈছে সংখ্যালঘু শব্দটো লৈ জাল পেলাই অসমীয়াসকলক নিজৰ ঘৰতে আলহী কৰাৰ চল-চাতুৰী ইয়াত সোমাই আছে।

প্ৰশ্ন ঃ ভাষিক সংখ্যালঘু বঙালীসকলে অসমৰ আন্দোলন অন্তকৰণেৰে কিয় গ্ৰহণ কৰিব পৰা নাই ?

উত্তৰ ঃ বঙালীসকল সম্প্ৰসাৰণবাদী, নিজৰ গৌৰৱ লৈ ব্যস্ত। Live and let live এই আদৰ্শ অনুযায়ী তেওঁলোকে যেন উত্তৰ-পূব ভাৰতত

বঙলাভাষী ৰাজ্য বিস্তাৰ কৰাত ব্যস্ত হৈ আছে। সেইকাৰণে সম্ভৱ তেওঁলোকে অন্যান্য ভাষা-ভাষীৰ লোকক কেতিয়াও গুৰুত্ব দিব নোখোজে আৰু অসমীয়াৰ প্ৰতি অকণো আন্তৰিক সহানুভূতি নাই।

প্ৰশ্ন ঃ বঙালীসকলৰ ভাষা সম্প্ৰসাৰণবাদ সাফল্যমণ্ডিত হ'ব বুলি আপুনি ভাবেনে ?

উত্তৰ ঃ বঙালীসকলে অসম ৰাজ্যত তেওঁলোকৰ ভাষা বিস্তাৰ কৰিব আহিলেও অসমীয়া জাতিয়ে কেতিয়াও এইটো হ'বলৈ নিদিয়ে। এখন ৰাজ্যৰ জনসংখ্যা কম হ'লেও সেই ঠাই বা ৰাজ্যৰ ভাষাক কোনেও মাৰিব নোৱাৰে, যেনে Ireland (আয়াৰলেণ্ড)। অসমীয়া ভাষা নিজ-মহিমাৰে জীয়াই থাকিবই আৰু বঙালীসকলৰ ভাষা সম্প্ৰসাৰণবাদ ইয়াত তিষ্ঠি থাকিব নোৱাৰিব।

প্ৰশ্ন ঃ অসমৰ জনজাতীয় ভাইসকল অসমৰ সাম্প্ৰতিক আন্দোলনৰ সম্পূৰ্ণ অংশীদাৰ হ'ব বুলি আপুনি নিশ্চিতনে ?

উত্তৰ ঃ আমাৰ যিটো সমস্যা সেইটো অকল থলুৱা ভৈয়ামৰ মানুহবিলাকৰ বা এটা বিশেষ সম্প্ৰদায়ৰ সমস্যা বা দাবী নহয়। এই দাবী অসমত বসবাস কৰা জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে। গতিকে যদি জনজাতীয়সকল এই আন্দোলনৰ বাহিৰত থাকে, তেনেহ'লে তাৰ পৰা তেওঁলোক উপকৃত নহ'ব। কিয়নো বড়ো বা অবড়ো, মিচিং বা অনা-মিচিং তেনেদৰে যদি আমি ভাগ কৰোঁ, তেনেহলে কোনোজনেই অসমীয়া হৈ নাথাকিব। গতিকে অসম ছাত্ৰসন্থা আৰু গণ-সংগ্ৰাম পৰিষদৰ আন্দোলনত অসমত বসবাস কৰা সকলো থলুৱা লোকেই ইয়াৰ অংশীদাৰ স্বৰূপে কাম কৰি যাব লাগিব। কালিলৈ যদি বড়োৰ ভাগ্য বেয়া হয়, তেনেহলে অন্যান্য সকলো অসমীয়াৰে ভাগ্য বেয়া হ'ব। কিয়নো সকলো বিলাক মিলিহে আমি অসমীয়া।

প্ৰশ্ন ঃ অসম আন্দোলনৰ পিছত সৰ্বভাৰতীয় ৰাজনৈতিক দলবোৰৰ অৱস্থা কেনে হ'ব বুলি ভাবে ?

উত্তৰ ঃ এই আন্দোলনে সৰ্বভাৰতীয় দলবিলাকৰ মুখা খুলি দিলে। কিয়নো অসমৰ সমস্যা লৈ আমাৰ সৰ্বভাৰতীয় ৰাজনৈতিক দলবিলাকে যি ভূমিকা লব লাগিছিল, সেইটো একেবাৰে লোৱা নাই। অসমৰ এই জাতীয় সমস্যাটো সম্পূৰ্ণৰূপে অৱজ্ঞা কৰি তাক নষ্ট কৰিবলৈহে উঠি পৰি লাগিছে। ভৱিষ্যতে এই দলবোৰে আগৰ দৰে সুবিধা কৰিব পাৰিব বুলি মই নাভাবোঁ। অসমৰ ৰাইজে স্বাৰ্থান্বেষীসকলৰ কথা সদায় মনত ৰাখি চলিব লাগিব।

প্ৰশ্ন ঃ স্বাৰ্থান্বেষীসকলৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় কি ?

উত্তৰ ঃ এই চক্ৰটোৰ পৰা হাত সাৰিবলৈ হ'লে আমি হয়তো ৰাজনৈতিক আদৰ্শবাদৰ পৰা আঁতৰি আহিব লাগিব। আমাৰ সমস্যাসমূহৰ প্ৰতি প্ৰতিজনে সজাগ হৈ এক হ'ব লাগিব। সমস্যাসমূহক সমূহীয়া কৰি লৈ বিভিন্ন জাতি বা ধৰ্মৰ মানুহে সমান মৰ্যাদা দিলে আমি সকলোৱে মাৰ বান্ধি থিয় হ'ব পাৰিম আৰু তেতিয়া হ'লে সকলো স্বাৰ্থান্বেষী চক্ৰ উফৰি যাব।



প্ৰশ্ন ঃ ৰাজনৈতিক আদৰ্শবাদৰ পৰা আঁতৰি আহিলে গণতন্ত্ৰ ৰক্ষা পৰিব জানো ?

উত্তৰ ঃ এইটো অৱশ্যে এটা কথা - ৰাজনৈতিক আদৰ্শ আমাক লাগে। কিন্তু আপুনিয়েইতো কৈছে - গণতন্ত্ৰ জানো দেশত এতিয়া আছে ? মই ভাবো গণতন্ত্ৰত মহাসঙ্কট উপস্থিত হৈছে। আমাৰ দেশত ৰাজনৈতিক আদৰ্শবাদ কলঙ্কিত হৈ পৰিছে। ৰাজনৈতিক দলসমূহে ইয়াৰ কাৰণে যেনেদৰে কাম কৰিব লাগিছিল কৰা নাই। ৰাজনীতি বৰ্ত্তমান বিলাসৰ বস্তুহে হৈছে।

প্ৰশ্ন ঃ ৰাজনীতিক বাদ দি জানো চলিব পৰা যাব ?

উত্তৰ ঃ ৰাজনীতি বৰ্ত্তমান জীৱনৰ দৰ্শন হৈ পৰিছে। গতিকে ইয়াক বাদ দিব নোৱাৰোঁ, বৰ্ত্তমানৰ ৰাজনৈতিক অস্থিৰতা দূৰ কৰিব পাৰিব লাগিব। প্ৰকৃত চৰিত্ৰবান লোকৰ দ্বাৰা আমি আমাৰ আদৰ্শমতে ৰাজনৈতিক দল গঠন কৰিব পাৰিলে এটা সুস্থিৰ পৰিবেশ সৃষ্টি হ'ব আৰু আমাৰ সমস্যাসমূহ সমাধানৰ পথ ফটফটীয়া হৈ পৰিব।

প্ৰশ্ন ঃ অসমৰ ভাষা-সংস্কৃতি সম্পূৰ্ণৰূপে নিষ্কন্টক বুলি আপুনি মত পোষণ কৰেনে ?

উত্তৰ ঃ এই বিষয়ে আমি নিশ্চিত হ'ব পৰা নাই। আমাৰ ওপৰত আক্ৰমণ চলি আছে আৰু চলি থাকিব। আমি মুঠ বান্ধি থিয় হ'বলৈ নোৱাৰালৈকে আমাৰ বিপদ ঘনাই আহি থাকিব। আমাৰ মাজত সোমাই থকা অজীণ-পাতকী লোক কিছুমানে সকলো ক্ষেত্ৰতে নিজৰ জাল পেলাই আছে। গতিকে আমাৰ পথ বৰ কন্টকাকীৰ্ণ। আমি সকলো সময়তে এই বৈৰীসকলৰ পৰা সাৱধানে চলিব লাগিব।

মজুমদাৰ ঃ ধন্যবাদ গোস্বামীদেৱ। লগ ধৰাৰ সুবিধা পাই আপোনাক যথেষ্ট আমনি দিয়া হ'ল, ক্ষমা কৰিব। ভগবানে আপোনাক জাতিৰ সেৱা কৰিবলৈ শক্তি দিয়ক !

গোস্বামী ঃ আমাক সাক্ষাৎ কৰাৰ বাবে ধন্যবাদ আগবঢ়ালোঁ।○

*○অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ নাথ গোস্বামী ১৯৮০ চনৰ জুনত নগাঁৱৰ সংঘৰ্ষ জৰ্জৰিত ৰূপহী, জুৰিয়া, ঢিঙ, ভকতগাঁও আদি অঞ্চল আমাৰ লগত ভ্ৰমণ কৰি হিন্দু আৰু মুছলমানৰ মাজত সম্প্ৰীতি-সদ্ভাৱ কামনা কৰি শান্তি-সম্প্ৰীতিৰ বাণী ছটিয়াইছিল।*

---

○আমি অসমীয়া শবাইঘটীয়া ঃ প্ৰথম বছৰ ঃ ৪ৰ্থ সংখ্যা, জুলাই-১৯৮০

## ॥ পৰিশিষ্ট - দুই ॥

# চিৰ চেনেহী ভাষা-জননী

সুৰীয়া সুৱদি অসমীয়া ভাষাৰ স্বত্ব প্ৰতিষ্ঠা কৰিবলৈ অসমীয়া ৰাইজে যি আন্দোলন কৰিবলগীয়া হৈ আহিছে, সি জগতৰ ভাষাৰ ইতিহাসত নিশ্চয় এক নতুন অধ্যায় । বিশেষকৈ, কোনো জাতিয়ে কেতিয়াও স্বীয় মুখৰ মাতষাৰৰ কাৰণে আন্দোলন কৰি ভাষাৰ জননীৰ বেদীত আপোন সন্তান বলি দিয়াৰ কথা ইতিহাসে নকয়। অসমীয়া ভাষাৰ প্ৰাচীনতা, স্বতন্ত্ৰতা, বিশালতা নাইবা সমৃদ্ধিৰ কথা ভাষা ইতিহাসৰ পাঠক-পাঠিকাক নতুনকৈ কোৱাৰ সকাম নেদেখোঁ। অতীতে ৰিঙিয়াই জগতৰ ভাষা-পৰিয়ালৰ সৰ্ব্ব প্ৰাচীন ভাৰত-ইউৰোপীয় শাখাৰ পৰা উদ্ভূত আৰ্য ভাষা অসমীয়া ভাষাৰ আদি জননী। বৈদিক আৰ্য ভাষাই সময়ৰ গতিত প্ৰাচীন কামৰূপ-অসমত বসবাস কৰা অদিম অনাৰ্য পৰিয়ালৰ লগত সংমিশ্ৰিত হৈ নানা পৰিবৰ্ত্তনৰ মাজেদি বুৰঞ্জীৰ পোহৰ নপৰা কালতে এক সুকীয়া বৈশিষ্ট্যময় ৰূপ পৰিগ্ৰহ কৰে। ভাৰতৰ আৰ্যমূলীয়া কোনো এটা ভাষাই অসমীয়াতকৈ বেচি প্ৰাচীন বা সমৃদ্ধিশালী বুলি দৃঢ়তাৰে নিশ্চয় ক'ব নোৱাৰে।

মহাবাহু ব্ৰহ্মপুত্ৰই সকলো দিশৰ পৰা বৈ অহা অনেক জান-জুৰি-নদীক আঁকোৱালি লোৱাৰ দৰে অনাদি কালৰপৰাই ভিন-ভিন যুগত নানা ঠাইৰ পৰা চামে চামে অহা বিভিন্ন জাতি-উপজাতিৰ লোকক অসমী আয়ে সাৱটি ধৰি বুকুৰ মৰম যাচি আপোন সন্তান কৰি লৈছে। অসমী আই শান্ত-শীতলা। আইৰ মৰম অতুলনীয়। আইৰ সন্তানসকলৰ এটা সহজ প্ৰাণাবেগ আছে। মানৱক দেৱতাৰ আসনত প্ৰতিষ্ঠিত কৰি দোৱতাক আত্মাৰ আত্মীয় কৰি ল'ব পৰা অসমীয়াই নিজৰ মুখৰ ভাত অতিথিক খাবলৈ দি ভোকৰ খাদ্যৰে নৰনাৰায়ণৰ সেৱা কৰি পৰম আনন্দ পায়। অসমীয়াৰ এই উদাৰ মহৎ গুণৰ বাবে ইয়ালৈ প্ৰব্ৰজন কৰি অহা অনেক লোকে অসম-মাতৃক নিজ মাতৃ বুলি সাৱটি ধৰিছে। অসমৰ অতীতৰ হাজাৰ হাজাৰ বছৰৰ



ইতিহাসে এই কথাৰ প্ৰমাণ দাঙি ধৰিছে। যুগে যুগে কিমান ৰাজশক্তিয়ে অসম দেশ জয় কৰিলে, অসম শাসন কৰিলে, অসমত থাকিবলৈ ল'লে, কিন্তু কোনো এটা শক্তিয়ে অসমীয়া ভাষা-কৃষ্টিৰ অনিষ্ট সাধন নকৰিলে ; বৰঞ্চ অসমীয়া ভাষাৰ ওচৰত মূৰ দোঁৱাই তাক গ্ৰহণ কৰি ৰাজ্যভাষাৰ মৰ্যাদাহে দান কৰিলে। ভাষা-জননীৰ এইয়া কি সুন্দৰ আৰু গৌৰৱময় ঐতিহ্য !

কিন্তু সৌ সিদিনা অসমত বৃটিছ শাসন আৰম্ভৰ লগে লগে অসমীয়া ভাষা বিপদাপন্ন হ'বলগীয়া হয়। বৃটিছ শাসকৰ লগত অসমৰ শাসন কাৰ্যত সহায় কৰিবলৈ অহা বঙালী আমোলা-মহৰী-উকিল কিছুমানৰ কু-চক্ৰান্তৰ ফলত ১৮৩৬ চনৰ পৰা অসমৰ পঢ়াশালি আৰু আদালতত বঙলা ভাষাৰ প্ৰচলন হয়। সুদূৰ আমেৰিকৰ পৰা যীচুৰ মৰমী-বাণী প্ৰচাৰ কৰিবলৈ অহা বেপ্তিষ্ট মিছনাৰীসকলৰ যুক্তিতৰ্ক আৰু অসমৰ বীৰহিংস আনন্দৰাম ঢেকীয়ালফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা প্ৰভৃতিৰ আপ্ৰাণ প্ৰচেষ্টাত ১৮৭৩ চনৰপৰা অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষা পুনৰ প্ৰচলন হ'ল। ইমানতে যে অসমীয়া ভাষা নিষ্কন্টক হৈ ৰ'ল এনে নহয়। কোৱা নিষ্প্ৰয়োজন যে, এচাম বঙালী লোকৰ অন্তৰৰপৰা ভাষা-সাম্ৰাজ্যবাদী মনোভাৱ আঁতৰি নগ'ল আৰু কিছুমান ষড়যন্ত্ৰকাৰীয়ে অসমীয়া ভাষাৰ শতৰু শালিবলৈ চেগ চাই বৈ থাকিল।

অসমীয়া ভাষাৰ স্বত্ব পুনৰ প্ৰতিষ্ঠা হৈ যোৱাৰ প্ৰায় এশ বছৰৰ পিছত সংবিধান স্বীকৃত অসমীয়া ভাষাক প্ৰাপ্য মৰ্যাদাত অধিষ্ঠিত কৰিলে যে কোনোৱে বাধাৰ সৃষ্টি কৰিব পাৰে সি ভাবিব নোৱাৰা কথা। কিন্তু আচৰিত কথা, অসমীয়া ভাষাৰ ন্যায্য দাবীক স্বীকাৰ নকৰি ন- প্ৰব্ৰজনকাৰীয়ে সংখ্যালঘুৰ অধিকাৰৰ কথা তুলি অসমীয়াক ৰাজ্য ভাষাৰ মৰ্যাদাত প্ৰতিষ্ঠিত কৰা সম্পৰ্কত ১৯৬০ চনত আৰু আঞ্চলিক ভাষাৰূপে বিশ্ববিদ্যালয়ৰ মাধ্যম কৰিবলৈ সিদ্ধান্ত লোৱা সম্পৰ্কত ১৯৭২ চনত ঘোৰ বিৰোধিতা কৰিলে। যি ভাষা-নীতি সৰ্বভাৰতীয় নীতি, সেই নীতি অসমৰ ক্ষেত্ৰত কিয় গ্ৰহণীয় নহ'ব, ইয়াক বাধা দিয়াৰ সাধ্য কাৰ আছে ? সবল জাতীয় চৰিত্ৰৰ অসমীয়াৰ ভাষা-প্ৰেম, জাতিপ্ৰেম অতুলনীয়। ভাষা বা জাতি ৰক্ষা তেওঁলোকৰ জীৱনৰ পণ—জীৱনৰ সাধনা। এই ক্ষেত্ৰত বৰ্ষাৰ সোঁতৰ দৰে অসমীয়াৰ মন, যেতিয়া সি প্ৰধাৱিত হয়, তেতিয়া দুৰ্মদ সেনাৰ দৰে আগবাঢ়ে, বাধাবন্ধনহীন

হৈ উঠে তৰ দুৰ্বাৰ গতি। সেয়েহে কুচক্ৰান্তকাৰী প্ৰৱোচকসকলৰ প্ৰতিবন্ধক আৰু ন্যস্তস্বাৰ্থৰ বদনসকলৰ বিৰুদ্ধে ভাষা-জননীৰ মান ৰক্ষা কৰিবলৈ অসমী আইৰ সু-সন্তানে "তেজেৰে বলিশাল যামে বোলাই" - মন্ত্ৰেৰে জীৱন-মৰণ পণ কৰি আগবাঢ়ি গ'ল। গণতান্ত্ৰিক পদ্ধতিত শান্তিপূৰ্ণভাৱে চলা আন্দোলনত ১৯৬০ চনত ৰঞ্জিত, সূৰ্য্য আৰু মফিজুদ্দিন ভাষা জননীৰ ছহীদ হ'ল। কাছাৰৰো এঘাৰজন লোক সেই আন্দোলনত নিহত হয়। ১৯৭২ চনত বিশ্ববিদ্যালয়ৰ মাধ্যম প্ৰসঙ্গত হোৱা আন্দোলনতো ছাত্ৰ মোজাম্মিল-অনিল-প্ৰমোদ-বলীন আৰু নিঃস্বাৰ্থ সমাজসেৱী, শিক্ষক নৰেন্দ্ৰ নাথ মহন্ত মাতৃ পূজাৰ বলি হ'ল। ভাষাৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিবলৈ অসমীয়া সদায় সজাগ আৰু দৃঢ়প্ৰতিজ্ঞ।

আমি আশা কৰোঁ, ইমান কেইটা প্ৰাণ ভাষা-জননীৰ বলি হোৱাৰ পিছত আৰু যেন অসমীয়াই কোনো দিনা ভাষাৰ স্বত্ব প্ৰতিষ্ঠা কৰিবলৈ আন্দোলন কৰিবলগীয়া নহয়। ১৯৬০ চনত ৰাজ্যভাষা আইন বলবৎ কৰাত কোনো জিলাত বঙলা, কোনো কোনো জিলাত ইংৰাজী চলোৱাৰ ব্যৱস্থা ৰখাত, বাৰ বছৰ পিছত তাৰ আলমত অসমৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত সংখ্যালঘুৰ অধিকাৰৰ কথা কৈ অসমীয়া বিৰোধী আন্দোলন চলাবলৈ চক্ৰান্তকাৰীয়ে সুবিধা পালে। সংখ্যালঘু সম্প্ৰদায় সকলো ৰাজ্যতে আছে আৰু থাকিবই। সংখ্যালঘুৰ অধিকাৰৰ নামত সংখ্যাগুৰুৰ অনিষ্ট কোনোপধ্যে হ'বলৈ দিব নোৱাৰি। শিক্ষাৰ মাধ্যমৰ বৰ্ত্তমান সিদ্ধান্ত কাৰ্যকৰী কৰি অসমৰ ভাষা সমস্যাৰ সমাধান কৰিবই লাগিব।অসমৰ ভৌগোলিক পৰিসীমাৰ সকলো বিশ্ববিদ্যালয়ত শিক্ষাৰ মাধ্যম একমাত্ৰ অসমীয়া কৰাৰ লগতে অসমৰ সকলো পঢ়াশালিতে মাধ্যমিক স্তৰত বাধ্যতামূলক ভাৱে অসমীয়া শিক্ষা দিয়াটো অতি উত্তম ব্যৱস্থা হ'ব। ৰাজ্যভাষা আইন বলবৎ হোৱাৰ লগে লগে মাধ্যমিক স্তৰত বাধ্যতামূলক ভাৱে অসমীয়া শিক্ষা প্ৰৱৰ্ত্তন কৰা সমুচিত আছিল, কিন্তু তেতিয়া তেনে ব্যৱস্থা কৰা নহ'ল। এতিয়া আমাৰ যথেষ্ট পলম হৈ গ'ল। গতিকে আৰু পলম নকৰি সুব্যৱস্থাৰে ইয়াক কাৰ্য্যকৰী কৰা উচিত আৰু তেতিয়াহে অসমৰ জাতীয় সংহতি আৰু অখণ্ডতা ৰক্ষা কৰাটো সম্ভৱ হৈ উঠিব।০

---

সম্পাদকীয় ঃ সুৰীয়া সুৱদি মাত, ফেব্ৰুৱাৰী - ১৯৭৩

*"...ধীমান লেখকৰ যি কোনো লেখাৰ সামাজিক গুৰুত্ব কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰি নিশ্চয়। প্ৰবন্ধবিলাকৰ সামাজিক গুৰুত্বৰ লগতে এই বিলাকৰ মাজত মজুমদাৰৰ ব্যক্তিত্ব আৰু মনটোৰ আভাসো পোৱা যায়। সেই হিচাপেও পুথিৰ গুৰুত্ব আছে, কিয়নো তিলকচন্দ্ৰ মজুমদাৰ অসমৰ চিন্তা-জগতৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ থকা এগৰাকী বৰ্ণিল ব্যক্তি। বহু বিস্তৃত তেওঁৰ সামাজিক জীৱন। বহু বছৰ ধৰি মজুমদাৰক লক্ষ্য কৰি আহিছোঁ আৰু অসমীয়া সমাজখনৰ উত্তৰণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হোৱা এগৰাকী সক্ৰিয় পৰ্য্যবেক্ষক (PARTICIPATORY OBSERVER) ৰূপেই মজুমদাৰক গণ্য কৰি আহিছোঁ। শিক্ষাৰ লগত থকা সম্বন্ধৰ উপৰি অসমীয়া সাংবাদিকতাৰ মাধ্যমত মজুমদাৰৰ চিন্তা-প্ৰতিভা-ব্যক্তিত্ব গঢ় লৈ উঠিছে।"*


---

গ্ৰন্থকাৰ তিলকচন্দ্ৰ মজুমদাৰ কামৰূপ জিলাৰ বামদিয়াত ১৯৪০ চনত জন্ম। বামদিয়া-হাজোত স্কুলীয়া শিক্ষা সাং কৰি কটন কলেজৰ পৰা স্নাতক (অসমীয়াৰ সন্মান) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি ১৯৬৬ চনৰ পৰা নগাঁও ছোৱালী কলেজত অধ্যাপনা কৰি ২০০১ চনত অৱসৰ গ্ৰহণ কৰে। ছাত্ৰাৱস্থাৰ পৰা সমাজ-সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা ধাউতিৰ কাৰণে বিভিন্ন বিষয়ক কেইবাখনো গ্ৰন্থ প্ৰণয়ন আৰু সম্পাদনা কৰিছে।

সাহিত্যৰ ইতিহাস-বিষয়ক 'প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জলধাৰা', 'প্ৰাচীন অসমীয়া গদ্য-সাহিত্য', গাঁৱৰ বুৰঞ্জী বিষয়ক 'পুণ্যভূমি বামদিয়া', মহাপুৰুষৰ জীৱন-বিষয়ক মঞ্চ সফল নাট 'শ্ৰীমন্ত শঙ্কৰ-জ্যোতি', শিশু চেমনীয়া সাহিত্য 'গৰখীয়া ভীম', 'আমি উভতি চাওঁ', 'অমৃতৰ সন্ধানত', আদি গ্ৰন্থৰ উপৰিও ভাষা-বিষয়ক সম্পাদিত সংকলন 'সুবীয়া সুবদি মাত', অঙ্কীয়া নাট-মহাপুৰুষ শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ', 'কালি-দমন', মহাপুৰুষ মাধৱদেৱৰ 'অৰ্জুন ভঞ্জন', 'চোৰধৰা আৰু পিম্পৰা গুচোৱা ঝুমুৰা' আদি উল্লেখযোগ্য।

'অবিভক্ত নগাঁও জিলাৰ সত্ৰ-দৰ্পণ' আৰু 'সত্ৰৰ গুৰিকথা ঃ ঐতিহ্য আৰু ক্ৰমবিকাশ', দুখন তথ্যসমৃদ্ধ গৱেষণা গ্ৰন্থ।

সম্প্ৰতি প্ৰকাশিত 'চিন্তা আৰু বাস্তৱ' অসমৰ সমস্যা সম্পৰ্কীয় এখনি উল্লেখযোগ্য গ্ৰন্থ।




প্ৰচ্ছদঃ দিগন্তবিজয়